ডিগবৈ মহাবিদ্যালয়

# আলোচনী

উনত্ৰিংশতম্ সংখ্যা, ২০১৭-১৮ বৰ্ষ



তত্ত্বাৱধায়ক ঃ পৱন গগৈ

সম্পাদক ঃ দীপাঙ্কৰ শৰ্মা

# উভতি চাওঁ এবাৰ...




The First final year batch of Digboi College shines at the University Exam (1969)



Digboi College "The Inter-College Football Champion" 1967-68

## SILVER JUBILEE CELEBRATION
### DIGBOI COLLEGE
### AN APPEAL

On this glorious occasion in the annals of this pioneer institution of higher education in the furthest east of India, we like to express our sweet nostalgic recollection of our alumni, now in different parts of India, nay, the world, shouldering their responsibilities with efficiency and imagination to the pride of their Alma Mater. We take this privilege to extend our warm invitation to them all to make the Silver Jubilee function on 16th & 17th Nov. '91 a grand success by their financial help, physical participation and active co-operation in the programme.

We are looking forward to their bright & cheerful presence on the occasion.

For any information or contribution they could contact in the following address.

| | |
|---|---|
| Sri M.K. Boruah, Deputy Commissioner, Tinsukia District, President, Digboi College Silver Jubilee Celebration Committee. | Sri R. Hussain, Secretary, Digboi College Silver Jubilee Celebration Committee, Acting Principal & Secy. Digboi College, P.O. - Digboi, PIN - 786171, Tinsukia Dist. (Assam). |

**NOTE:** Any contribution may be deposited in A/C No. 5703 (Indian Bank, Digboi) with an intimation to the Secretary.





Narendra Nath Chowdhury
The founder Principal (1966)



A Fund collection campaign for Digboi College



Felicitation to the then CM, Mr. Hiteswar Saikia on the occasion of Silver Jubilee Celebration (1990)



A Scene from the ACTA Conference (1993)



Digboi College- "Best Athletic Team" consecutively for two years 1967-68 & 1968-69






Inter College Youth Festival organized at Digboi College November, 1995



Digboi College visit by the NAAC Peer Review Team (2004)




Founda




National Seminar on Decentralization of Power and Rural Development in India with special reference to NE India, 2008



Around 300 students enrolled themselves into the 1965 batch Miss Chitralekha Bora was the first student of Digboi College.

DIGBOI COLLEGE
WANTED

APPLICATIONS are invited for the following vacancies:—

1. **Principal:** 1st Class or High II Class M.A. or M.Sc. with atleast 10 years' experience in teaching profession.
2. **Vice-Principal:** Atleast 2nd Class M.A. or M.Sc. with minimum five years' experience in teaching profession.
3. **Lecturers:** For Assamese, Bengali, Economics, Education, English, Geography, Hindi, History, Philosophy, Political Science, Sanskrit, Botany, Chemistry, Mathematics, Phy[illegible] and Zoology. Minimum qualification required atleast 2nd Class Master Degree. Pay and prospects etc. according to U. G. C. Scales. Higher initial pay may be considered in case of deserving candidates. Applications with copies of certificates and testimonials should reach the undersigned on or before 15th May, 1965.

Syed Mezash Hussain, M.A.
Secretary, Digboi College
A. O. C. Boys High School
P.O. Digboi (Upper Assam)
SV. 1189/3

The First advertisement published in the month of April, 1965 in a daily newspaper for Recruitment of Principal, Vice-Principal, and lecturers for the newly established Digboi College

ডিগবৈ মহাবিদ্যালয়

# আলোচনী

ঊনত্ৰিংশত্তম্ সংখ্যা, ২০১৭-১৮ বৰ্ষ

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০১৮–১৯ বৰ্ষৰ আন্তঃমহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত।






তত্ত্বাৱধায়ক ঃ পবন গগৈ

সম্পাদক ঃ দীপাঙ্কৰ শৰ্মা

TechNova NovaDom UMF 180290409 0 15B18 3B




ডিগবৈ মহাৱিদ্যালয় আলোচনী (ঊনত্ৰিংশত্তম্ সংখ্যা, ২০১৭-১৮ বৰ্ষ) ঃ ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত, দীপাঙ্কৰ শৰ্মাৰ দ্বাৰা সম্পাদিত আৰু দি অসম কম্পিউটাৰচ্ তিনিচুকীয়াত মুদ্ৰিত

# সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° দীপ শইকীয়া |
| উপ-সভাপতি | ঃ | শ্ৰীযুত চেনি চন্দ্ৰ বৰুৱা |
| | | শ্ৰীযুত কেদাৰ নাথ তিমচিনা |
| তত্বাৱধায়ক | ঃ | শ্ৰীযুত পৱন গগৈ |
| উপদেষ্টা | ঃ | শ্ৰীযুত দেৱীচৰণ ছেড়াই |
| | | ড° জয়ন্ত সন্দিকৈ |
| | | ড° পৱিত্ৰ ভৰালী |
| | | শ্ৰীযুত ৰাজীৱ ৰুদ্ৰ টাৱিয়াং |
| | | শ্ৰীযুত প্ৰদীপ দত্ত |
| | | শ্ৰীযুত দেৱৰ্ষি গগৈ |
| সম্পাদক | ঃ | দীপাঙ্কৰ শৰ্মা |
| সদস্য / সদস্যা | ঃ | দুৰ্লভ চেতিয়া |
| | | বিক্ৰমজিৎ ভট্টাচাৰ্য |
| | | ৰাহুল দত্ত |
| | | বিশাল দেৱৰয় |
| | | অংগনা ৰাজকুমাৰী |
| | | অভিষেক নাথ |
| | | মনীষা শৰ্মা |
| বেটুপাত | ঃ | দেৱৰ্ষি গগৈ |
| অংগসজ্জা | ঃ | সীমান্ত চেতিয়া |
| ডি.টি.পি. | ঃ | হিমাদ্ৰী, ববিতা, উজ্জ্বল |
| মুদ্ৰণ | ঃ | দি অসম কম্পিউটাৰচ্ |
| | | তিনিচুকীয়া - ৭৮৬১২৬, অসম |
| | | দূৰভাষ - ২৩৩০৪২৪ |



# উছৰ্গা

যিসকল বৰেণ্য ব্যক্তিৰ অসীম ত্যাগ আৰু শ্ৰমৰ বিনিময়ত সোণালী জয়ন্তী বৰ্ষ গৰকা ডিগবৈ মহাবিদ্যালয়ে আজিৰ এই স্তৰত উপনীত হৈছেহি সেইসকলৰ নামত এই সংখ্যাৰ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখন উৎসৰ্গিত

-সম্পাদনা সমিতি

TechNova NovaDom UMR 1802904090 15B18 3B



# শ্ৰদ্ধাঞ্জলি

বিগত বৰ্ষত কাৰ্বি আংলঙত দুৰ্ভাগ্যজনক ভাৱে মৃত্যুক আকোঁৱালি লবলগীয়া হোৱা দুই প্ৰতিভাৱান যুৱক অভিজিৎ নাথ আৰু নিলোৎপোল দাসলৈ আমি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

- সম্পাদনা সমিতি

# মহাবিদ্যালয় সংগীত

ৰচনা ঃ ড° কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ ঃ ড° কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত।।
এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত।।
সূৰুজমুখী আমাৰে মন
উৰ্দ্ধমুখী আমাৰে মন,
আমি যাওঁ - শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ - শান্তিৰ জোনাক বিচাৰি যাওঁ।।
মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ।।
ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ-মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ - জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ - শান্তিৰ জোনাক বিচাৰি যাওঁ।।

# মহাবিদ্যালয়ৰ মূলমন্ত্ৰ

মহাবিদ্যালয়ৰ মূলমন্ত্ৰ ''বিদ্যা দদাতি বিনয়''য়ে বিনয় প্ৰদায়ক জ্ঞানৰ তাৎপৰ্য বহন কৰিছে। জ্ঞান প্ৰদত্ত বিনয়ীভাৱৰ সৈতে নম্ৰতা, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ একাত্ম। বিনয়ে এটা সমৃদ্ধময় জীৱনৰ বাট কাটিবলৈ যোগ্যতা নিশ্চিত কৰি ব্যক্তিৰ আত্মসন্তুষ্টি আৰু অন্তৰাত্মাৰ আনন্দক চিৰস্থায়ী কৰে।

এই বিধিবাক্য সাৰোগত কৰি এই মহাবিদ্যালয়ে প্ৰচেষ্টা কৰে ছাত্ৰ সমাজৰ চেতনাত বিনয়, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ জাগ্ৰত কৰিবলৈ যাতে তেওঁলোকে সুলক্ষ্য স্থিৰ কৰাৰ লগতে সাৰ্বিক সমাজৰ হিতৈষী কাৰ্যত অৰিহণা যোগাব পাৰে।

# মহাবিদ্যালয়ৰ দৃষ্টিভঙ্গী

মহাবিদ্যালয়খনৰ সৰ্বদা দৃষ্টি উৎকৃষ্ট শিক্ষা প্ৰদানৰ। উৎকৃষ্ট শিক্ষাই ছাত্ৰ সমাজক ভাৰতীয় সংস্কৃতি, ঐতিহ্য তথা মূল্যবোধৰ বিষয়ে উপদেশ প্ৰদান কৰাৰ লগতে আধুনিক কাৰিকৰী কৌশলসমৃদ্ধ আৰু গোলকীকৃত সমাজখনৰ চাহিদাসমূহ পূৰণৰ পথ নিৰ্দেশনা দিব।

# আমাৰ সংকল্প

আমাৰ মহাবিদ্যালয়ে সংকল্প কৰে —

ক) শিকাৰুক এনে শিক্ষা প্ৰদান কৰাৰ — যিয়ে তেওঁলোকক দায়বদ্ধ আৰু নৈতিক গুণসম্পন্ন নাগৰিক হিচাপে গঢ় দিয়াৰ লগতে সৃষ্টিশীল তথা যুক্তিবাদী সমালোচক কৰিব আৰু তেওঁলোকক ফলপ্ৰসূভাৱে ভাৱ প্ৰকাশৰ কৌশল শিকাব;

খ) শিকাৰুৱে সৎ, দৃঢ় প্ৰতিজ্ঞ আৰু সৌম্যভাৱেৰে শিক্ষা আৰ্জিব পাৰে সেই উদ্দেশ্যে তেওঁলোকক উৎসাহ যোগাব;

গ) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশ্বমানৰ যোগ্যতা গঢ়ি তুলিব যাতে তেওঁলোকে জীৱনৰ অনাগত সুযোগ আৰু প্ৰত্যাহ্বানসমূহৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰে;

ঘ) শৈক্ষিক পৰিৱেশ সুস্থ কৰি তুলিব যাতে উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান তথা সংবৰ্ধন কৰিব পৰা যায়;

ঙ) সামূহিক কৰ্ম, নব্য কৌশল আৰু শিখৰ প্ৰাপ্তিৰ বাবে কৰা কৰ্ষণৰ যোগেদি ইয়াৰ সাংগাঠনিক অংশসমূহৰ মাজত অটুট বন্ধন গঢ়ি তুলিব;

চ) সকলো জাতি, ধৰ্ম সম্প্ৰদায় আঁকোৱালিব পৰা ৰাষ্ট্ৰীয় একতা আৰু বিশ্বজনীন সংস্কৃতিৰ ভাব জগাই তুলিব।

# আমাৰ বিশ্বাস

আমি বিশ্বাসী যে —

ক) সকলো ছাত্ৰ-ছাত্ৰীৰ ভিতৰত সমাজৰ এজন মূল্যবোধসম্পন্ন ব্যক্তি হিচাপে বিকশিত হৈ উঠিবৰ বাবে অফুৰন্ত শক্তি অন্তৰ্নিহিত হৈ আছে।

খ) এজন ব্যক্তিৰ শিক্ষা ফলদায়ক হয় যেতিয়া তেওঁ শিক্ষাৰ প্ৰসাৰ ঘটায় আৰু ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰযত্ন লয়।

গ) শিক্ষা এক আজীৱন প্ৰক্ৰিয়া আৰু অৰ্থ সম্পন্ন শিক্ষাই জ্ঞান অৰ্জনৰ বাবে অনন্ত দিগন্তৰ পথ নিৰ্দেশনা দিয়ে।

ঘ) নিয়মানুৱৰ্তিতাৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীক দায়বদ্ধ কৰি তোলাৰ লগতে দায়িত্বশীল নাগৰিক হিচাপে গঢ় দিয়ে।

ঙ) এজন ব্যক্তিক সমাজৰ উপযোগী হোৱাকৈ গঢ় দিবলৈ হ'লে বৈজ্ঞানিক, কাৰিকৰী আৰু অৰ্থনৈতিক শিক্ষাৰ লগতে নৈতিক, বৌদ্ধিক আৰু আধ্যাত্মিক জ্ঞানসম্পন্ন শিক্ষাৰ ব্যৱস্থা থাকিব লাগিব।

# মহাবিদ্যালয়ৰ প্ৰতীক

মহাবিদ্যালয়ৰ প্ৰতীকটোৰ আৰ্হি চিত্ৰিত কৰিছিল মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যাপক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব মহাবিদ্যালয় পৰিদৰ্শক প্ৰয়াত বিমল গগৈ ডাঙৰীয়া আৰু সেই সময়ৰ বিখ্যাত চিত্ৰশিল্পী, ভাস্কৰ তথা শেষ জীৱনত নেপালৰ ৰাজ কবিৰূপে প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰয়াত হৰিভক্ত কটোৱালে।

প্ৰতীকটোত অংকিত অৰ্ধগোলাকৃতিৰ গোলকটোৰ ওপৰত জখলাসদৃশ এটা স্তম্ভ আছে যি এছিয়াৰ প্ৰথম তৈল নগৰী ডিগবৈৰ ঐতিহ্যক সোঁৱৰায়। এই স্তম্ভ জ্ঞানৰ জখলাৰ প্ৰতীক যি আমাক দিগন্ত প্ৰসাৰী লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ কৰি তোলে। প্ৰতীকটোৰ তলৰ ফালে থকা ডেউকা দুখনে শিক্ষাৰ যোগেদি যে আমি জীৱনৰ উচ্চতম লক্ষ্য প্ৰাপ্তিৰ বাবে আগবাঢ়িব পাৰো সেই তাৎপৰ্য বহন কৰে। প্ৰতীকটোত থকা সূৰ্যৰ ৰশ্মিয়ে তাৎপৰ্য বহন কৰিছে আশা আৰু জ্ঞানৰ পোহৰৰ যি জীৱনৰ তমসা নাশ কৰিব আৰু সমগ্ৰ বিশ্ব জ্যোতিষ্মান্ কৰি তুলিব। এই প্ৰতীকটো মহাবিদ্যালয়খনে বিশ্বাস কৰা নৈতিকতা আৰু মূল্যবোধৰ নিদৰ্শন যাক মহাবিদ্যালয়খনে সমাজৰ আন্তঃগাঁথনিত গ্ৰন্থিত কৰিব বিচাৰে। প্ৰতীকটোৰ অধঃস্থানত থকা 'হিতোপদেশৰ পৰা উদ্ধৃত বাক্যশাৰীয়ে মহাবিদ্যালয়ৰ মূলমন্ত্ৰক দাঙি ধৰে'।

উৎস ঃ Digboi College Prospectus 2013-14

অনুবাদ ঃ শ্ৰীপবিত্ৰ ভৰালী (সহঃ অধ্যাপক) আৰু ৰক্তিম বৰগোহাঁই (উ:মা: ২য় বৰ্ষ)

নগেন শইকীয়া
অৱসৰপ্ৰাপ্ত বেজবৰুৱা-অধ্যাপক ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়
NAGEN SAIKIA
Retd. Professor and Ex-MP

0373-2318796 (R)
094350-30340 (M)
email : nagendrasaikia@yahoo.co.in
nagensaikia1939@gmail.com



# শুভেচ্ছা-সন্দেশ

ভাৰতবৰ্ষৰ প্ৰথম তৈল নগৰী ডিগবৈত প্ৰতিষ্ঠিত ডিগবৈ কলেজে ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। ওখ-চাপৰ টিলাৰে চাৰিওফালে বিভিন্ন প্ৰকাৰৰ গছ-গছনিৰে ভৰপূৰ মনোৰম প্ৰকৃতিৰ কোলাত গঢ়ি তোলা ডিগবৈ কলেজ পৰ্যটকেও ভাল পাব পৰা এটি প্ৰতিষ্ঠানলৈ উন্নীত হৈছে। ডিগবৈ কলেজে শৈক্ষিকভাৱেও উন্নত প্ৰতিষ্ঠানস্বৰূপে পৰিচয় লাভ কৰিছে। এই কলেজৰ ছাত্ৰ একতা সভাই প্ৰতি বছৰে প্ৰকাশ কৰি আহিছে তেওঁবিলাকৰ মুখপত্ৰস্বৰূপ এখন আলোচনী। জানিব পাৰি ভাল পাইছোঁ যে ২০১৭-১৮ বৰ্ষৰ আলোচনীখন প্ৰকাশৰ বাবে যো জা চলিছে। মই আশা কৰোঁ ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তা, অধ্যয়ন, আহৰণ কৰা জ্ঞান, ভাব, কল্পনা, অনুভৱৰ চিন্তাশীল আৰু সৃষ্টিশীল লেখাৰ উপৰিও অভিজ্ঞ অধ্যাপক-অধ্যাপিকাসকলৰ মূল্যবান ৰচনাৰেও সমৃদ্ধ হৈ এই সংখ্যা আলোচনী আটকধুনীয়াকৈ প্ৰকাশিত হ'ব। অনেক লেখাই নিশ্চয় ডিগবৈৰ প্ৰকৃতি, অৰ্থনীতি, জনগাঁঠনি, সমাজ, সংস্কৃতি আদি বিভিন্ন বিষয় সামৰি ল'ব। জ্ঞান আৰু ৰসৰ আনন্দ দিব পৰাকৈ আলোচনীৰ সংখ্যাটি প্ৰকাশিত হওক এই বাঞ্ছাৰে মোৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

১ অক্টোবৰ, ২০১৮

নগেন শইকীয়া

আবাস ঃ আশ্ৰয় / বৰ্ণমালা • শ্ৰীমন্ত পথ • জীৱন ফুকন নগৰ
ডিব্ৰুগড় ৭৮৬০০৩ • অসম

# সম্পাদনা সমিতি


ড° দীপ শইকীয়া
সভাপতি


চেনি চন্দ্ৰ বৰুৱা
উপ-সভাপতি


কেদাৰ নাথ তিমচিনা
উপ-সভাপতি


দেবীচৰণ ছেডাই
উপদেষ্টা


ড° জয়ন্ত সন্দিকৈ
উপদেষ্টা


ড° পবিত্ৰ ভৰালী
উপদেষ্টা


ৰাজীৱ ৰুদ্ৰ টাৰিয়াং
উপদেষ্টা


প্ৰদীপ দত্ত
উপদেষ্টা


দেৱৰ্ষি গগৈ
উপদেষ্টা


পৱন গগৈ
তত্ত্বাৱধায়ক


দীপাঙ্কৰ শৰ্মা
সম্পাদক


দুৰ্লভ চেতিয়া
সদস্য


বিক্ৰমজিৎ ভট্টাচাৰ্য
সদস্য


ৰাহুল দত্ত
সদস্য


বিশাল দেৱৰয়
সদস্য


অংগনা ৰাজকুমাৰী
সদস্যা


অভিষেক নাথ
সদস্য


মনীষা শৰ্মা
সদস্যা

# Digboi College Students' Union (DCSU)
## 2017-2018



**Bishal Chetry**
President



**Mausam Baruah**
Vice-President



**Durlov Chetia**
General Secretary



**Dika Limbu**
Asstt. General Secretary



**Deepankar Sharma**
Magazine Secretary



**Nandalal Upadhyay**
Major Games Secretary



**Snehashis Baruah**
Minor Games Secretary



**Somsher Limbu**
General Games Secretary



**Deepshikha Sharma**
Debate & Symposia Secy.



**Probir Gogoi**
Gymnasium Secretary



**Jyotishman Moran**
Music & Cultural Secy.



**Tutu Krishna Gogoi**
Social Services Secy.



**Gaurab Subedi**
Boys' Common Room Secy.



**Manisha Chetry**
Girls' Common Room Secy.

# অধ্যক্ষৰ মেজৰ পৰা...



চকু আৰু মন জুৰ পৰা ওখ-চাপৰ সেউজীয়া পাহাৰীয়া মনোৰম নৈসৰ্গিক পটভূমিত অৱস্থিত ডিগবৈ মহাবিদ্যালয় সাম্প্ৰতিক সময়ত এখন উচ্চ খাপৰ উচ্চ শিক্ষানুষ্ঠান ৰূপে সমাদৃত হৈছে। বৰেণ্য কথা সাহিত্যিক-পণ্ডিত ড০ নগেন শইকীয়া ছাৰে আমাৰ মহাবিদ্যালয় সন্দৰ্ভত উচ্চ প্ৰশংসা কৰি কৈছে যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৃংখলাবদ্ধতা তথা ওঁলোকৰ প্ৰশংসনীয় শৈক্ষিক মান আৰু অধ্যক্ষ, উপাধ্যক্ষ সমন্বিতে প্ৰতিটো বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বিদ্যায়তনিক দায়বদ্ধতাই মহাবিদ্যালয়খনিক দেশৰ মহাবিদ্যালয়সমূহৰ ভিতৰতে এটি নিজস্ব পৰিচয় দান কৰিছে। বৰেণ্য ব্যক্তিৰ এনে মন্তব্যই আমাক উৎসাহিত কৰিছে।

সম্প্ৰতি ভাৰতৰ যুৱ সমাজৰ দক্ষতা বিকাশৰ লগতে কৰ্ম সংস্থাপনৰ অৰ্থে সম্পূৰ্ণ আৰ্থিক অনুদানেৰে বিশ্ববিদ্যালয় অনুদান আয়োগে দেশৰ উচ্চ শিক্ষানুষ্ঠানলৈ আগবঢ়াইছে তিনি বছৰীয়া দক্ষতা বিকাশ বিষয়ক 'ব্যৱসায়িক স্নাতক' (ব্যাচেলৰ অব ভ'কেছন, চমুকৈ 'বি.ভ'ক.) পাঠ্যক্ৰমৰ শিক্ষাদানৰ আঁচনি। ২০১৮ বৰ্ষত ভাৰত চৰকাৰে এনে আঁচনিৰ বাবে বাছনি কৰা দেশৰ গোটাদিয়েক বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ তালিকাত ডিগবৈ মহাবিদ্যালয়ে স্থান লাভ কৰাটো পৰম গৌৰৱৰ কথা। এই অভিলাষী আঁচনিৰ অধীনত আমাৰ মহাবিদ্যালয়ে ২০১৯ বৰ্ষৰ পৰা আৰম্ভ কৰিব 'ট'ৰিজম্ এণ্ড হস্পিট্যালিটি মেনেজমেন্ট' আৰু 'স্মল টি গাৰডেন মেনেজমেন্ট' — এই দুই বিষয়ত 'বি.ভ'ক. পাঠ্যক্ৰমৰ শিক্ষাদান। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত এই 'বি.ভ'ক. পাঠ্যক্ৰমত, 'বি.এচ.চি'., 'বি.এ'., 'বি.ক'ম'ৰ দৰেই হ'ব তিনি বছৰীয়া নিয়মীয়া পাঠদান।

২০১৬ বৰ্ষৰ ৫ আগষ্ট তাৰিখে সুভাৰম্ভ কৰা পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ দুবছৰীয়া নিয়মীয়া পাঠ্যক্ৰমৰ প্ৰথম বেটচ্‌ৰ ছাত্ৰ-ছাত্ৰীসকলে ২০১৮ বৰ্ষত অনুষ্ঠিত চূড়ান্ত পৰীক্ষাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখলৰ লগতে প্ৰথম শ্ৰেণীৰে সকলো সুখ্যাতিৰে উত্তীৰ্ণ হৈ মহাবিদ্যালয়খনৰ শৈক্ষিক তথা বিদ্যায়তনিক মান স্নাতকৰ পৰা স্নাতকোত্তৰলৈ উন্নত কৰিছে। ই এক সুখৰ বতৰা।

স্নাতক শিক্ষান্ত পৰীক্ষাত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে বৰ্তাই ৰাখিছে উৎসাহোদ্দীপক পাৰদৰ্শী প্ৰদৰ্শনৰ ধাৰাবাহিকতা । ২০১৮ বৰ্ষৰ স্নাতক বিজ্ঞান শাখাৰ ৰসায়ন বিদ্যা বিভাগত প্ৰথম শ্ৰেণী চতুৰ্থ আৰু দশম স্থান, পদাৰ্থ বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ নৱম স্থান, অথনীতি বিভাগত প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান, ইলেক্ট্ৰ'নিক্স বিভাগত প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান, স্নাতক বাণিজ্য শাখাৰ একাউন্টিং তথা ফাইন্যান্স বিভাগত প্ৰথম শ্ৰেণীৰ দশম স্থান আৰু মাৰ্কেটিং বিভাগত প্ৰথম শ্ৰেণীৰ সপ্তম স্থানেৰে বিশ্ববিদ্যালয়ৰ ৰেংক লাভ কৰিছে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে। এইবেলি স্নাতক শিক্ষান্ত পৰীক্ষাত মেজৰ বিষয়ত বিজ্ঞান শাখাত ৫৯ জন, কলা শাখাত ৩৫ জন আৰু বাণিজ্য শাখাত ২৮ জনেৰে মুঠ ১২২ জনে প্ৰথম বিভাগ লাভ কৰিছে। আনহাতে স্নাতক সাধাৰণ বিষয়ত কলা শাখাত ১০ জনে, বিজ্ঞান শাখাত ৩ জন আৰু বাণিজ্য শখাত ২ জনে মুঠ ১৫ জনে প্ৰথম বিভাগ লাভ কৰিছে। ২০১৮ বৰ্ষৰ স্নাতক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হাৰ হৈছে বাণিজ্য শাখাত ৯৫.০৯%, কলা শাখাত ৮৮.০৮% আৰু বিজ্ঞান শাখাত ৮১.৪৮% । ২০১৮ বৰ্ষৰ আমাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক গৰাকীয়ে লাভ কৰা শতকৰা নম্বৰ হৈছে ৮৯.২১। উৎকৃষ্ট ফলাফলেৰে উত্তীৰ্ণ হোৱা আমাৰ ছাত্ৰ-ছাত্ৰীৰ সৰহ সংখ্যকে দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শাখাত নামভৰ্ত্তি কৰি উচ্চ শিক্ষাৰ শিখৰ আহোৰণৰ দিশে অগ্ৰসৰ হোৱাটো আমাৰ বাবে অতি গৌৰৱৰ কথা।

বিগত কেইবছৰৰ দৰে এই বছৰো আমাৰ ছাত্ৰ-ছাত্ৰীয়ে কলা-সাহিত্য-সংস্কৃতি-ক্ৰীড়াৰ ক্ষেত্ৰত বিভিন্ন সদৌ অসম তথা জিলা ভিত্তিক প্ৰতিযোগিতাত পাৰদৰ্শিতাৰে অংশ গ্ৰহণ কৰি খ্যাতি অৰ্জন কৰিছে। ২০১৭-১৮ বৰ্ষৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে দুটা স্বৰ্ন, দুটা ৰূপৰ, দুটা ব্ৰঞ্জৰ আৰু এটি বিচাৰকৰ বিশেষ বঁটা। ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত মাণ্ডলিক চেম্পিয়ন হৈছে আমাৰ মহাবিদ্যালয়ৰ ক্ৰিকেট

TechNova NovaDom UMR 1802904090 15B18 3B

টিম। সদৌ অসম যোগাসন প্ৰতিযোগিতাত আমাৰ ছাত্ৰীয়ে দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰি সুনাম অৰ্জন কৰিছে। কেৰাটে প্ৰতিযোগিতাতো আমাৰ ছাত্ৰ-ছাত্ৰীয়ে খ্যাতি লাভ কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ আন্তঃ মহাবিদ্যালয় কেৰাটে প্ৰতিযোগিতাত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে পুৰুষ শাখাত এটা ৰূপৰ আৰু মহিলা শাখাত দুটা ৰূপৰ তথা তিনিটা ব্ৰঞ্জৰে লাভ কৰিছে সৰ্বশ্ৰেষ্ঠ ছটি পদক। আমাৰ ছাত্ৰীয়ে দেশৰ বিভিন্ন ৰাজ্যৰ লগতে চুবুৰীয়া ৰাষ্ট্ৰ ভূটান, নেপাল আৰু শ্ৰীলংকাত অনুষ্ঠিত দৌৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সুনাম লভাৰ সুবাদত লাভ কৰিছে ৰাষ্ট্ৰীয় ক্ৰীড়া ভিত্তিক শ্ৰেষ্ঠতা বঁটা।

বিগত বছৰবোৰৰ দৰে এইবেলিও আগবঢ়োৱা হৈছে মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ অৰ্থে নগদ ধন, স্মাৰক তথা সম্বৰ্ধনা পত্ৰৰে কেইবাটিও শৈক্ষিক বঁটা। নৱাগত আদৰণী সভাৰ লগতে অনুষ্ঠিত কৰা কৃতী ছাত্ৰ-ছাত্ৰীৰ বঁটা প্ৰদানৰ সম্বৰ্ধনা সভাত এইবছৰ উপস্থিত আছিল তিনিচুকীয়া জিলাৰ উপায়ুক্ত আৰু মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপতি।

পূৰ্বৰ দৰেই এই বছৰো মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' (এন.এচ.এচ.) গোটৰ আনিন্দ্য সজীৱ ৰূপে উজ্জ্বলিত কৰি ৰাখিছে ৰাজ্যিক পৰ্য্যায়ত মহাবিদ্যালয়ৰ নাম। এই গোটৰ প্ৰোগ্ৰাম অফিচাৰৰ সৱল নেতৃত্বত ইয়াৰ সদস্য সকলে বছৰ যোৱা নিয়মীয়া কাৰ্যসূচীৰে ডিগবৈ তথা দাঁতি কাষৰীয়া গ্ৰাম্যাঞ্চললৈ আগবঢ়োৱা সেৱাৰ বাবে ডিগবৈ মহাবিদ্যালয়ে লাভ কৰিছে অসম চৰকাৰৰ জিলা প্ৰশাসনৰ তৰফৰ পৰা ২০১৮ বৰ্ষৰ স্বচ্ছ ভাৰত মিচন (গ্ৰামিন) ৰ 'জিলাৰ শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ সন্মান।'

অসমৰ সমাজ-জীৱন মহান ব্যক্তি, সমন্বয়ৰ প্ৰতীক, অসমীয়া জাতীয় সংস্কৃতিৰ ত্ৰানকৰ্তা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ কালজয়ী গীতৰ প্ৰতি আমাৰ নৱ-প্ৰজন্মক আকৃষ্ট কৰাৰ লগতে ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে ২০১৮ চনৰ ২০ জুন তাৰিখে আমাৰ মহাবিদ্যালয়ে আয়োজন কৰিছিল জিলা ভিত্তিত আন্তঃ মহাবিদ্যালয় বিষ্ণু প্ৰসাদ ৰাভাৰ গীতৰ প্ৰতিযোগিতা। নগদ ধন, বঁটা আৰু মানপত্ৰৰে প্ৰতিযোগিতা পুৰস্কাৰসমূহ আগবঢ়াইছিল মহাবিদ্যালয়ৰ শিক্ষক ড° বিকাশ কুমাৰ বৰুৱা আৰু দেবৰ্ষি গগৈয়ে।

ডিগবৈ মহাবিদ্যালয়ৰ 'ষ্টুডেন্টচ্ ছাইন্স ক্লাব'ৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা তথা এন.এচ.এচ. গোটৰ সহযোগত ভাৰত চৰকাৰৰ জৈব-প্ৰযুক্তি বিভাগৰ 'ষ্টাৰ কলেজ আঁচনি'ৰ সৌজন্যত ২০১৮ চনৰ ১৫ আৰু ১৬ মাৰ্চ তাৰিখে আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল 'ছাইন্স-কৃতি' শীৰ্ষক মনোমোহা বিজ্ঞানৰ জ্ঞানবৰ্দ্ধক মেলা। কলেজীয়া তথা হাইস্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে অনুষ্ঠিত এই মেলাৰ কাৰ্যসূচীসমূহৰ অন্যতম আছিল -''ৰ'বটিকচ্ কৰ্মশালা', 'ভ্ৰাম্যমান তাৰকা গৃহত আকাশ নিৰীক্ষণ' , 'বক্তৃতানুষ্ঠান' আদি।

২০১৮ বৰ্ষৰ পৰা আমাৰ মহাবিদ্যালয়ত কাৰ্য্যক্ষম হৈছে 'ই-গভাৰ্ণেঞ্চ'ৰ কাৰ্য্যক্ৰমণিকা। এইবেলি উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক, স্নাতক প্ৰথম ষান্মাসিক আৰু পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ প্ৰথম ষান্মাসিকৰ নামভৰ্ত্তি প্ৰক্ৰিয়া অনলাইন যোগে সম্পন্ন কৰা হৈছিল। ২০১৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল বেলট পেপাৰৰ পৰিবৰ্তে ইলেক্ট্ৰ'নিক ভোটিং পদ্ধতিৰ দ্বাৰা।

বিগত সাত বছৰে ডিগবৈ মহাবিদ্যালয়ৰ মুখপত্ৰ-ডিগবৈ মহাবিদ্যালয় আলোচনী নিয়মিত প্ৰকাশ পাই আহিছে। মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ চিন্তাশীল আৰু সৃষ্টিশীল লেখাৰে সমৃদ্ধ ইয়াৰ প্ৰতিটো সংখ্যা সংৰক্ষণযোগ্য সম্ভাৰ হৈ পৰিছে। দীপাঞ্জল বৰগোহাঁই সম্পাদিত যোৱা বছৰৰ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনে লাভ কৰিছে ২০১৭-১৮ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ আন্তঃমহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ স্থান।

আমাৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ সৃষ্টিমূলক লিখনিৰে ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীৰ ২০১৭-১৮ বৰ্ষৰ সংখ্যাটি আটকধুনীয়াকৈ প্ৰকাশ হওক এই আশাৰে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

৪ জানুৱাৰী, ২০১৯

(ড° দীপ শইকীয়া )
অধ্যক্ষ, ডিগবৈ মহাবিদ্যালয়

# সম্পাদকীয়



**সাম্প্ৰতিক অসম ঃ**

দেশ আৰু জাতিৰ উন্নতিৰ হকে কাম কৰাটো প্ৰত্যেক ছাত্ৰ সংগঠনৰ দায়িত্ব। ছাত্ৰ-ছাত্ৰীয়েই দেশৰ ভৱিষ্যত, তেওঁলোকৰ কাৰ্যক্ৰমণিকাই দেশত ৰাজনৈতিক প্ৰভাৱ পেলায়। সেয়েহে দেশৰ বাবে সু-চিন্তা আৰু সৎ ধাৰণা ৰখাটো ছাত্ৰ-ছাত্ৰীৰ পৰম কৰ্তব্য। সম্প্ৰতি অসমৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থা দুঃসহায়ক হৈ পৰিছে। দেশৰ বাবে আহি পৰা প্ৰত্যেক সমস্যাক কেনেকৈ সমাধান কৰিব পৰা যায় তাৰ চিন্তা দেশৰ শাসনতন্ত্ৰৰ বাবে নিতান্ত আৱশ্যক। বৰ্তমান অসমত দেখা দিয়া ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ আৰু নাগৰিকত্ব সংশোধনী বিধেয়ক এই বিষয় দুটাই দেশৰ ৰাজনীতিত ভিন্নসুৰী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে বুলি ধাৰণা কৰা হৈছে। এফালে নাগৰিকত্ব সংশোধনী বিধেয়ক আৰু আনফালে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী। দেশৰ জনসাধাৰণ এই দুয়োটা বিষয়ত সচেতন হোৱাটো নিতান্ত আৱশ্যক আছিল, কিন্তু দেশৰ শাসনভাৰ লোৱা চৰকাৰে নাগৰিকত্ব সংশোধনী বিধেয়কক চকু মুদি গ্ৰহণ কৰিবলৈ লোৱাটো পৰিতাপৰ বিষয়। এনেয়ে দেশৰ অৰ্থনীতিত জনসাধাৰণৰ বোজাই আঠু কাঢ়িবলগীয়া কৰি পেলাইছে তাৰ মাজতে আকৌ ১৯৫৫ চনৰ নাগৰিকত্ব বিধেয়কখনক সংশোধন কৰি দেশৰ জনবিন্যাস পৰিবৰ্তন হ'বলৈ দিয়াটো কোনো ছাত্ৰ সংগঠন, দেশৰ বুদ্ধিজীৱী তথা সাধাৰণ জনগণে সমৰ্থন নকৰে। কেন্দ্ৰীয় চৰকাৰৰ শ্ৰুতলিপিত অসমৰ চৰকাৰে কাম কৰি থকাৰ বাবেই অসমৰ এনে শোচনীয় অৱস্থা হ'বলৈ যোৱাটো ধাৰণা কৰিব পাৰি। দেশৰ উন্নতিত উদ্যোগ আদি প্ৰতিষ্ঠা কৰি অৰ্থনৈতিকভাৱে টনকিয়াল কৰিব বিচৰাটো দূৰৰে কথা নাগৰিকত্ব সংশোধনী বিধেয়ক আনি দেশৰ অৱস্থা জুৰুলা কৰিবহে বিচৰা হৈছে। ৰাজনীতিৰ মুনাফাৰ বাবে প্ৰত্যেক ৰাজনৈতিক দলে নিজৰ নিজৰ ধৰণেৰে চিন্তা কৰে। তাত দেশৰ জনসাধাৰণৰ কি উপকাৰ বা অপকাৰ হয় সেই কথাটো চিন্তালৈ নাহে। গতিকে আহক প্ৰত্যেকজন মানুহৰ মুখে মুখে এই নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰুদ্ধে প্ৰতিক্ৰিয়াৰ বাণী বিস্তাৰ কৰোঁ। ইয়াৰ উপৰি দেশত দেখা দিয়া আন এটা প্ৰত্যাহ্বান হ'ল নাগৰিক পঞ্জী উন্নীতকৰণ। ভাৰত স্বাধীন হোৱাৰ পাছৰে পৰা অসমৰ অৰ্থনীতি, সামাজিক, ৰাজনৈতিক আদি সকলো দিশতে হেঙাৰ ৰূপে থিয় দিয়া বিষয়টো হ'ল বিদেশী সমস্যা। এই সমস্যা সমাধানৰ বাবে ১৯৮৫ চনতে অসমৰ ছাত্ৰ সংগঠন, অসম চৰকাৰ আৰু ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ মাজত যি চুক্তি হৈছিল সেই চুক্তিৰ আধাৰত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিব বিচৰা হৈছিল, কিন্তু কালক্ৰমত সেই ধাৰণা ভুল হ'ল।

যি চিন্তাৰে এই ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কাম হ'ব লাগিছিল তেনে ধৰনেৰে নহ'ল। কোনো অবৈধ বাংলাদেশীৰ নাম নাগৰিক পঞ্জীৰ পৰা নপৰাৰ উপক্ৰম হ'ল। অথচ অসমৰ থলুৱা মানুহৰ নামহে বাদ পৰিল যাৰ সংখ্যা অবৈধ বাংলাদেশীৰ সংখ্যাতকৈ কম নহয়। অবৈধ বাংলাদেশীক দেশৰ পৰা বাহিৰ কৰাৰ বাবে অসমৰ ছাত্ৰ সংগঠনে ১৯৭৯ চনত যি চিন্তা কৰিলে সেই চিন্তা আজিলৈকে সফল হ'ব পৰা নাই। প্ৰত্যেকজন অসমবাসীয়ে অসমৰ হকে কাম কৰি দেশৰ অৱস্থাক উন্নীত কৰিব বিচৰা হ'লে দেশৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু শৈক্ষিক আৰু সামাজিক জীৱনতো পৰিবৰ্তন আহিলেহেঁতেন। ছাত্ৰ শক্তিয়েই বিশ্বৰ সৰ্ববৃহৎ শক্তি। সেয়েহে সকলো ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈ বিৰোধিতা কৰোঁ আহক নাগৰিকত্ব সংশোধনী বিধেয়কৰ।

গতিকে উপৰোক্ত দুয়ো বিষয়ৰ বিৰোধিতা কৰি কেনেকৈ দেশৰ স্থিতি সুস্থিৰ কৰি বাংলাদেশী মুক্ত অসম গঢ়িব পাৰি সেই চিন্তাৰে আগবঢ়াৰ সময় এয়া।

TechNova NovaDom UHR 1802904090 15B18 3B

ডিগবৈ মহাবিদ্যালয়ৰ আলোচনী ঃ

চিন্তাশীল মনৰ অভিব্যক্তিয়ে সাহিত্য সৃষ্টি কৰে। সাহিত্য অবিহনে সমাজৰ বা মানৱ জগতৰ উন্নতি কল্পনা কৰিব পৰা নাযায়। সাহিত্যই সমাজৰ পৰিৱৰ্ত্তন সাধন কৰে। সেয়েহে সমাজৰ উন্নতিৰ হকে যি ৰাস্তা দেখুৱায় সেই চিন্তাই হয় সাহিত্য চিন্তা। ভাষা-সাহিত্যৰ উন্নতি হ'লেহে মানৱ সভ্যতাতৰ বিকাশ হয়। সেই কাৰনেই সাহিত্যৰ মৰ্যদা মানৱ সমাজত মহত্তম। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ আলোচনীবোৰে সেই মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ স্বচ্ছ ছবি দাঙি ধৰে। সাহিত্যক সমাজৰ দাপোন বুলি কোৱা কথাষাৰেই তাৰ প্ৰমান। যেনেকৈ এখন সমাজৰ বিষয়ে জানিবৰ বাবে সেই সমাজৰ সাহিত্যৰ অধ্যয়নৰ আৱশ্যক ঠিক তেনেকৈ এখন শিক্ষানুষ্ঠানৰ মানদণ্ড জানিবৰ বাবে সেই অনুষ্ঠানৰ আলোচনীখনে সেই কাৰ্য্য সম্পাদন কৰে। শিক্ষানুষ্ঠানখনৰ আন্তৰিক আৰু বাহ্যিক প্ৰতিচ্ছবি ডাঙি ধৰি দেখুওৱা আলোচনীখনক উৎকৃষ্ট বুলি জ্ঞান কৰিব লাগিব।

ভাষা, সাহিত্য, কলা, বিজ্ঞান, খেল ধেমালী, পঠন-পাঠন ব্যৱস্থা আদি সকলোবোৰ দিশৰ লেখা একত্ৰিত কৰি আলোচনীখন উলিয়াব পৰাটোৱেই আমাৰ লক্ষ্য হোৱা উচিত। সেইবোৰৰ ওপৰত দৃষ্টি ৰাখিয়েই মহাবিদ্যালয়ৰ আলোচনীখন উলিয়াব লাগিব। ইয়াতো যৎপৰোনাস্তি সেই বিষয়ত দৃষ্টি ৰখা হৈছে।

ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লেখাৰ জৰিয়তে আলোচনীৰ এটা পক্ষৰ মান নিৰূপন কৰিব পৰা হয় যদিও গোটেই পক্ষক সাঙুৰিহে আলোচনীখনৰ মানদণ্ড মাপিব পাৰি। ছাত্ৰ-ছাত্ৰীৰ বছেৰেকীয়া ফলাফল, ছাত্ৰ-ছাত্ৰীৰ খেল-ধেমালীৰ প্ৰতি আগ্ৰহ, গীত-মাতৰ প্ৰতিযোগিতা, শিক্ষক সকলৰ অৰ্হতা, ছাত্ৰ-ছাত্ৰীৰ মাজত সম্পৰ্ক, শিক্ষক-শিক্ষয়িত্ৰীৰ আন্তৰিকতা, কৰ্মচাৰীসকলৰ মহাবিদ্যালয়ৰ প্ৰতি থকা ভাব আদি কথাবোৰৰ লিখনীয়ে মহাবিদ্যালয়ৰ আলোচনীখনৰ গৰিমা বৃদ্ধি কৰে। লিখনীৰ যোগেদিয়েই মহাবিদ্যালয়ৰ সকলো কথা গম পাব পাৰি।

শিক্ষাৰ মানদণ্ড মানে অকল শিক্ষকসকলে পাঠদান কৰা কথাটোকে নুবুজায়। শিক্ষক-শিক্ষয়িত্ৰীৰ কলা-কৌশল, ছাত্ৰ-ছাত্ৰীৰ মনক বুজি তেওঁলোকৰ উন্নতিৰ হকে কৰা কামবোৰৰ জৰিয়তে শিক্ষাৰ মানদণ্ডৰ উন্নতি সাধন কৰিব পৰা যায়। আচলতে এখন আলোচনী হ'ল সেই অনুষ্ঠানৰ আৰ্চি যাৰ দ্বাৰা মহাবিদ্যালয়খনক বুজিব পৰা যায়। মহাবিদ্যালয়ৰ অন্তঃ আৰু বাহ্যিক গাঠনিৰ সম্পূৰ্ণ বিৱৰণ আলোচনীখনত থকাটো নিতান্ত প্ৰয়োজন। শিক্ষাগত বিষয়সমূহৰ লগতে ছাত্ৰ-ছাত্ৰীক শাৰীৰিক আৰু মানসিক শিক্ষাৰ বিষয়বোৰৰ জৰিয়তে তেওঁলোকৰ উন্নতি সাধন কৰিব পৰা বিষয়বোৰৰ চৰ্চাৰো প্ৰয়োজন। এই সকলোবোৰ কথা সন্নিবিষ্ট কৰি উলিওৱা আলোচনীখনে মহাবিদ্যালয়ৰ লগতে দেশৰো উন্নতিৰ দিশ সুদৃঢ় কৰে।

২০১৭-১৮ বৰ্ষৰ এই আলোচনীখনতো এই সকলোবোৰ কথাৰ প্ৰয়োজন বোধ কৰা হৈছে। আশা কৰো এই আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ লগতে সাহিত্য চৰ্চাৰো কিছু পৰিমানে পৰিবেশ গঢ়িব পাৰিব।

আলোচনীখন সম্পাদনা কৰি উলিওৱালৈকে মোক বিশেষভাবে আগবঢ়াই লৈ যোৱা মোৰ শিক্ষাগুৰু তথা মোৰ তত্বাৱধায়ক মহোদয় শ্ৰীযুত পবন গগৈ, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপ শইকীয়া ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন নকৰি নোৱাৰো। লগতে মোৰ প্ৰত্যেক কামত মোৰ খোজত খোজ দি আগবঢ়া মোৰ বন্ধুদ্বয় বিক্ৰমজিৎ ভট্টাচাৰ্য্য আৰু বিশাল দেৱৰয় মোৰ ধন্যবাদৰ পাত্ৰ।

মোৰ দেউতা তথা মহাবিদ্যালয়ৰ নেপালী বিভাগৰ বিভাগীয় শিক্ষক শ্ৰীযুত দেবীচৰন ছেডাইদেৱে মোক দিয়া পৰামৰ্শ আৰু মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষাগুৰু আৰু আলোচনীৰ সম্পাদনা সমিতিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সহযোগত আগবাঢ়িব পৰাৰ বাবে সকলোলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আলোচনীখন সময়মতে (আমাৰ সম্পাদনা সমিতিয়ে বিচৰামতে) উলিয়াই দিয়াৰ বাবে দি অসম কম্পিউটাৰচৰ স্বত্বাধিকাৰী মহোদয়লৈ ধন্যবাদ জনালোঁ।

**দীপাঙ্কৰ শৰ্মা**
আলোচনী সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৭-১৮ বৰ্ষ

# সূচীপত্ৰ


| | | |
|---|---|---|
| *সাহিত্য* | | |
| মালিকৰ নাটক আৰু নাটকৰ মালিক | ড° জয়ন্ত কুমাৰ বৰা | ০১ |
| ছপা আখৰৰ প্ৰথমটো অসমীয়া কবিতা আৰু কামৰূপী ..... | পংকজ গোবিন্দ মেধি | ০৯ |
| Haribhakta Katwal : A Dynamic Personality | Debi Charan Sedai | ১৫ |
| জীৱনানন্দ দাশৰ কবিতা | অচ্যুত শইকীয়া | ১৭ |
| Are Indian women still held back by ..... | Gauri Buragohain | ২০ |
| চান্দসাই | হাছান আখটাৰ ফৰিদ | ২৫ |
| বিহংগম দৃষ্টিৰে মহাভাৰত কাব্য | তুষাৰজ্যোতি বড়া | ২৭ |
| *সমাজ আৰু সংস্কৃতি* | | |
| বন্ধ সংস্কৃতিৰ বিষয়ে কিছু চিন্তা | জিৎপল গগৈ | ২৯ |
| অসমৰ মানুহৰ পৰিচয় | ধৰিত্ৰী সোনোৱাল | ৩৪ |
| আধুনিকীকৰণ সন্দৰ্ভত যৎকিঞ্চিত | প্ৰতিমা ছেত্ৰী | ৩৭ |
| Role of Social Networking sites | Amit Biswakarma | ৩৯ |
| অসমীয়া মানুহৰ সাজ-পাৰ | চঞ্চল হাজৰিকা | ৪৩ |
| Role of students in society | Usha sharma | ৪৫ |
| নৱপ্ৰজন্মৰ দৃষ্টিভংগীৰে মানৱীয় মূল্যবোধ | ৰূমা সোনোৱাল | ৪৭ |
| Dig-Boy-Dig | Subham Jaiswal | ৪৮ |
| *শিক্ষা* | | |
| Challenges of Vocationalization ..... | Dr. Amar Upadhyaya | ৪৯ |
| পৰীক্ষালৈ কেনেকৈ সাজু হ'বা | ড° ৰীপা শৰ্মা | ৫৩ |
| শিক্ষা আৰু মূল্যবোধ | ড° বিশ্বজিত শইকীয়া | ৫৫ |
| মানৱ সম্পদৰ বিকাশ আৰু শিক্ষা | পৰিস্মিতা দহোটীয়া | ৫৭ |
| ব্যক্তিত্বৰ বিকাশ আৰু কিছু প্ৰাসংগিক চিন্তা | গৌৰৱ প্ৰতীম কোঁৱৰ | ৫৯ |
| Knowledge and Imagination | Prantik Mukherjee | ৬১ |
| *কৈশোৰ মনস্তত্ত্ব* | | |
| বয়ঃসন্ধি কালৰ কিছু যোগাত্মক দিশ | ৰাধাকান্ত গগৈ | ৬৩ |
| কৈশোৰ কাল আৰু কিছু প্ৰাসঙ্গিক চিন্তা | সুশান্ত দত্ত | ৬৬ |
| *ভ্ৰমণ / পৰ্যটন* | | |
| Sasoni Merbeel (Naharkatiya) : A Prospect ..... | Dr. Sangeeta Boruah Saikia | ৬৯ |
| টাংচা সংস্কৃতিৰ সুবাস বিচাৰি | পূৰ্ণকান্ত বৰুৱা | ৭৩ |
| শিৱসাগৰে বিঙিয়াই মাতে | পূৰ্বজ্যোতি দাস | ৭৪ |
| *বিজ্ঞান আৰু প্ৰযুক্তি* | | |
| Tools made up of light: Nobel Prize in Physics 2018 | Dr. Rashmi Patowary | ৭৬ |
| Modern Cartographic Analysis in Geographical Learning | Narendra Kr. Das. | ৭৮ |
| *ৰাজনীতি / অৰ্থনীতি* | | |
| Indo- Nepal relations in 21st Century : Problems and propects | Jitu Borah | ৮০ |
| The Social life of Bitcoin | Rahul Dutta | ৮৪ |
| জাতীয় সংহতিৰ প্ৰয়োজনীয়তা | শিবু দাস | ৮৬ |

*স্বাস্থ্য*

| | | |
|---|---|---|
| অচেতন মনত লুকাই থকা অতৃপ্ত কামনাই ..... | প্ৰদীপ দত্ত | ৮৮ |
| মানসিক স্বাস্থ্য আৰু মানসিক স্বাস্থ্য বিজ্ঞান | কৃষ্ণা বৰুৱা | ৯০ |
| DRUG ADDICTION : A SOCIAL DISEASE | Guljan Begum | ৯৩ |

*পৰিৱেশ*

| | | |
|---|---|---|
| Traditional Ecological Knowledge ..... | Dulu Moni Das | ৯৪ |
| A Glimpse of the Reptiles- The Creeping Vertebrates | Rajib Rudra Tariang | ৯৬ |
| পক্ষীকুলৰ আবিৰ্ভাব আৰু কিছু কথা | সুমিত দাস | ১০৮ |
| Environmental Education | Bishal Gorh | ১১০ |
| Threats to Marine Diversity & its Protection | Bhargov Gogoi | ১১২ |

*সাক্ষাৎকাৰ*

| | | |
|---|---|---|
| জনপ্ৰিয় সাহিত্যিক পুণ্য শইকীয়াৰ সৈতে অন্তৰংগ সাক্ষাৎকাৰ | | ১১৩ |

*গৱেষণা*

| | | |
|---|---|---|
| A STUDY ON THE PROBLEMS AND ..... | Pradip Chandra Das<br>Namita konwar | ১১৮ |
| Biochemical constituents of castor leaves..... | Dr. Kishor Haloi | ১২৫ |

*সামাজিক দায়বদ্ধতা*

| | | |
|---|---|---|
| A Glimpses of Activities carried out by NSS ..... | Rajib Rudra Tariang | ১৩০ |
| My Experience in National Integration Camp ..... | Amit Biswakarma | ১৩৩ |
| Swachh Bharat Summer Internship, 2018 | Noyana Saikia | ১৩৬ |

*অনুবাদ*

| | | |
|---|---|---|
| আদাব (অনুদিত গল্প) | দীপেশ মণ্ডল | ১৩৯ |

*অনুভৱ-অনুষংগ*

| | | |
|---|---|---|
| A toast to all the mothers | Sneha Gogoi | ১৪২ |
| এজাহাৰ ঃ মোৰ মনৰ কথাৰে | প্ৰজ্ঞানজ্যোতি কাত্যায়ণ | ১৪৩ |
| তোমাৰ অবিহনে সুখী মই | হীনা আহমেদ | ১৪৫ |
| বিদায় | সুভাষ চন্দ্ৰ দহোটীয়া | ১৪৬ |
| Cleanliness | Alka Yadav | ১৪৭ |
| Aim in Life | Bishal Bhattacharjee | ১৪৮ |
| Life At College : My Experience | Sweta Sharma | ১৪৯ |

*গল্পগুচ্ছ*

| | | |
|---|---|---|
| পথভ্ৰষ্ট | মনোজ মৰাণ | ১৫০ |
| জীৱন এক চাকনৈয়া | বিশ্বজিৎ গগৈ | ১৫২ |
| আশা | কংকনা বৰুৱা | ১৫৫ |
| সপোন | অৰ্জুন ছেত্ৰী | ১৫৭ |
| বিবেকৰ পৰিবৰ্তন | চুমি চাউৰক | ১৫৮ |
| অনুপ্ৰেৰণা | শ্বেতা ছেত্ৰী | ১৫৯ |
| গাঁৱলীয়া জীৱনৰ হাবিয়াস | দীপু মৰাণ | ১৬০ |
| দেউতা ময়ো তোমাৰে সন্তান | অনিন্দিতা মহন্ত | ১৬১ |
| Humanity can save someone's life | Junali Baruah | ১৬২ |
| An Old Lady | Monika Ghosh | ১৬৩ |

*কবিতাৰ কুঁকি* ১৬৪-১৭২

*আন্তৰ্জাতিকতাবাদ*

| | | |
|---|---|---|
| India - Russia Relationship | Bijoy Gupta | ১৭৩ |

*বিবিধ*

| | | |
|---|---|---|
| ভাষাবিজ্ঞানৰ কথা | কল্পজ্যোতি নেওগ | ১৭৫ |

*নিয়মীয়া শিতান* ১৭৭-২০১

### জন্ম-শতবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ্য

# মালিকৰ নাটক আৰু নাটকৰ মালিক

ড° জয়ন্ত কুমাৰ বৰা
প্ৰাধ্যাপক, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়



বিংশ শতিকাৰ অসমীয়া সাহিত্যৰ ইতিহাসত গল্পকাৰ আৰু ঔপন্যাসিকৰূপে চৈয়দ আব্দুল মালিকৰ ভূমিকাৰ যিমান আলোচনা-সমালোচনা কৰা হৈছে, নাট্যকাৰ ৰূপে সেইদৰে গুৰুত্ব দিয়া হোৱা নাই। অৱশ্যে গল্প-উপন্যাসৰ তুলনাত নাটকৰ সংখ্যা কম অথবা কথাশিল্পী ৰূপে মালিক বেছি জনপ্ৰিয় হৈ উঠাও ইয়াৰ কাৰণ হ'ব পাৰে। মালিকে 'মোৰ জীৱনৰ আগে পিছে সোঁৱে বাৱে' শীৰ্ষক এটি আত্মজৈৱনিক টোকাত লিখিছেঃ ' কবিতা আৰু গল্প লিখাৰ মাজতে নাটক লিখিবৰ চেষ্টা কৰি চাইছিলো, দুই চাৰিখন লিখিলোও—..........। সেইবোৰ অনাতাঁৰ যোগে ব্ৰডকাষ্টো হৈছিল। মঞ্চ নাটকবোৰ এবাৰ বা দুবাৰৰ বেছি মঞ্চস্থ হোৱা নাই। কিছুমানৰ পাণ্ডুলিপি হেৰাল। ৰেডিঅ' নাটকো কেইখনমান জনপ্ৰিয় হ'লেও আটাইবোৰ প্ৰকাশো হোৱা নাই আৰু দুই এবাৰৰ বেছি ব্ৰডকাষ্টো হোৱা নাই।....এতিয়াও দুই এখন মঞ্চ নাটক আৰু অনাতাঁৰ নাটক লিখি আছো। সম্পূৰ্ণ ব্যৰ্থ শ্ৰম হৈছে বুলি নাভাবো। কিন্তু সেইবোৰকে লিখি নাট্যকাৰ হিচাপে পৰিগণিত আৰু স্বীকৃত হ'বলৈ আশা কৰাটো শোভনীয় নহ'ব।.......... ক'ৰবাত ক'ৰবাত মোক সদৌ অসম নাট্য প্ৰতিযোগিতাৰ বিচাৰক মাতিলেও আৰু নাট্য সাহিত্য সম্পৰ্কে আৰু অভিনয় কলা সম্পৰ্কে যৎসামান্য— জানো যদিও, এই দুয়ো ক্ষেত্ৰত মোৰ কোনো বিশেষত্ব বা প্ৰতিষ্ঠা নথকাটো মই বুজি পাওঁ। আনহাতে কেৰ্কেটুৱাৰ বাঁহপাতেই ভেটি বুলি নিজ দুৰ্বলতা আৰু সীমাবদ্ধতাও মই ঢাকিবলৈ নিবিচাৰো। কিন্তু মঞ্চৰ লগত মোৰ সৰুৰে পৰা থকা সম্পৰ্কক কলা জগতৰ এটা দিশৰ লগত মোৰ সামান্যতম হ'লেও পৰিচয় আৰু ঘনিষ্ঠতা থকাটো একেবাৰে অনুল্লেখনীয় আৰু অদৰকাৰী কথা বুলিও মই নেভাবো।'[১]

চৈয়দ আব্দুল মালিকে ৰচনা কৰা নাটক কেইখন মানৰ উদাহৰণ হ'লঃ *ৰাজদ্ৰোহী* (১৯৫৭), *মকৰাজাল* (১৯৬৪), *আলহীঘৰ* , *অন্য এজনী শকুন্তলা* , *আধা আঁকা ছবি*, *দূৰৰ দেৱতা*, *খান বাহাদুৰ*, *জোৱাৰৰ ঢৌ*, *কাঠফুলা*, *আজান ফকীৰ*, *অংকুৰ*, *অমৰ মায়া*, *ঘড়ীটো ঘড়ীটো*, *প্ৰথম প্ৰণাম*, *যুগৰ দাবী*, *শেষ ছবি*, *জনতা বধ* আৰু *অ' মোৰ আপোনাৰ দেশ* গীতি নাট্য। তদুপৰি লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰ নাট্যৰূপ দিছে *জগৰামগুলৰ প্ৰেমাভিনয়*, *তেজীমলা* আদিত। মালিকৰ *আধা আঁকা ছবি* মূলতঃ এখন অনাতাঁৰ নাটক। শ্ৰব্য-নাটকৰ কলা-কৌশলেৰে ৰচনা কৰা এই নাটকখনত দ্বিতীয় মহাসমৰৰ সময়ছোৱাৰ মানবীয় মূল্যবোধৰ অপমৃত্যু আৰু যুদ্ধৰ বিধ্বংসী ৰূপৰ সংবেদনশীল প্ৰকাশ ঘটিছে। নয়ন আৰু সুৰ নামৰ শিল্পী প্ৰণয়ীযুগলৰ ট্ৰেজিক বিচ্ছেদ ঘটিছে যুদ্ধৰ বোমাবৰ্ষণ আৰু সৈনিকৰ লোলুপ কামনাৰ মাজত। যুদ্ধই মানবীয়তাক হত্যা কৰি কেনেকৈ পশু তুল্য কৰে—সেইখিনি মৰ্মস্পৰ্শী ৰূপত বিধৃত হৈছেঃ

সুৰঃ নয়নদা। নোৱাৰিলো। ৰণৰ বেদীত তোমাৰ সুৰো বলি হ'ল। বহু চেষ্টা কৰিছিলো দাদা নিজকে ৰাখিবলৈ কিন্তু নোৱাৰিলো।

**নয়নঃ** বেজাৰ নকৰিবা সুৰ। এই ৰণত আমাৰ গোটেই সত্যটোৱে বলিশালত। ইয়াত দয়া, মায়া, মমতা, সকলো লুপ্ত হৈ যায়।*

গোবিন্দপ্ৰসাদ শৰ্মাই নাটকখনৰ সন্দৰ্ভত সঠিক ভাবে কৈছে *'In his 'Adha Aka Chabi' for example, we see Malik's romantic profusion of sentiment and emotion, But it also expresses his anti-war views how war destorys human feelings and values.That Malik in the prime of his life saw war and served in it as a civilian censor comes out significant here'* [২] মালিকৰ আন এখন চুটি অনাতাঁৰ কাব্য নাটিকা হ'ল *দূৰৰ দেৱতা*। অপূৰণ প্ৰেম আৰু আকৰ্ষণৰ কোমলকান্ত সংলাপেৰে বিধৃত এই নাটিকা চমাৰচেট মমৰ এটি গল্পৰ দ্বাৰা প্ৰভাৱান্বিত যেন ধাৰণা হয়। য'ত ধ্বনিত হৈছে মানুহ মন্দিৰতকৈ মহত্তম।

**ৰাজকোঁৱৰঃ** জবা, মন্দিৰলৈ আকৌ কেতিয়া যাবা?

**জবাঃ** সদায় যাওঁ। সিদিনা পূজাৰী পিতাই কৈছিল দেৱতাতকৈ মানুহ ডাঙৰ।

**ৰাজঃ** দেৱতা সত্য, নিত্য, শাশ্বত। মানুহ ক্ষণ ভঙ্গুৰ, মানুহৰ জীৱন অনিত্য।

**জবাঃ** ফুলকোঁৱৰতো সদায় নাথাকে, সেই ফুল জানো সত্য নহয়?

**ৰাজঃ** পূজা শেষ কৰি ময়ো যামগৈ। থাকিবৰ মন গ'লেও থাকি যাব নোৱাৰো।

**জবাঃ** মন্দিৰৰ ভিতৰতকৈ বাহিৰৰ মুকলি আকাশ মোৰ ভাল লাগে। শিলৰ বিগ্ৰহতকৈ বেছি ভাল লাগে প্ৰাণ থকা জীয়া মানুহ। মন্দিৰৰ ভিতৰৰ নীৰৱতাই মোক অতিষ্ঠ কৰি তোলে, এই দেৱভূমিৰ শান্তিয়ে মোক অধৈৰ্য কৰি তোলে, সেই ঠাইবোৰ কিমান ভাল, য'ত হাজাৰ হাজাৰ জীয়া মানুহ অহা যোৱা কৰিছে। হাঁহিছে, কান্দিছে, মাতিছে, গাইছে, আহিছে, কথা কৈছে, গৈছে।

মালিকৰ *অমৰ মায়া* হ'ল এজন ৰাজনৈতিক পলাতকৰ এৰাতিৰ ঘটনাকলৈ ৰচিত গভীৰ জীৱনবোধ আৰু সংঘাতৰ অনাতাঁৰ নাটক। পৰৱৰ্তীকালত ইয়াক উপন্যাস ৰূপ দি কিতাপ আকাৰে ১৯৭০ চনত প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আৰম্ভণিতে নাট বিভাগৰ দায়িত্বত আছিল চৈয়দ আব্দুল মালিক। সেই সময়ত তেওঁ বহুকেইখন নাটক ৰচনা কৰাৰ উপৰি নিজৰ কেইবাটিও জনপ্ৰিয় গল্পৰো অনাতাঁৰ নাট্যৰূপ দিছিল। তেওঁৰ পিছত আকাশবাণীত এই দায়িত্ব বহন কৰিছিল সত্যপ্ৰসাদ বৰুৱাই। মালিকৰ *ৰাজদ্ৰোহী* নাটখনেই গ্ৰন্থৰূপত প্ৰকাশিত নাটক। তদুপৰি যুদ্ধোত্তৰ বা স্বাধীনতা-পৰৱৰ্তীকালৰ অসমীয়া ঐতিহাসিক নাটকৰ মাজত এই নাটকখনৰ বহু গুৰুত্ব আছে। সেয়ে মালিকৰ *ৰাজদ্ৰোহী* নাটকখনকে এই প্ৰবন্ধত বিশেষভাবে আলোচনা কৰা হৈছে।

বহুতে হয়তো নাজানে যে মালিক এজন নাম থকা অভিনেতাও আছিল। প্ৰথমছোৱাত নিজৰ অঞ্চলৰ নাৰী চৰিত্ৰৰ 'অভিনেত্ৰী' ৰূপে মালিক বিখ্যাত আছিল। নাহৰণি অঞ্চলৰ মানুহে কোৱা শুনিছো যে নাৰী চৰিত্ৰত অভিনয় কৰিবৰ বাবে মালিকক ' ভাড়া' কৰিও নিছিল। কাৰণ সেইসময়ত সহ-অভিনয়ক ৰক্ষণশীল সমাজে স্বীকৃতি দিয়া নাছিল। সেয়ে পুৰুষেই নাৰী চৰিত্ৰত ভাও দিব লগা হৈছিল। লক্ষ্যধৰ চৌধুৰীৰ *নিমিলা অংক*, ফণী শৰ্মাৰ *চিৰাজ*, মালিকৰে *মকৰাজাল, যুগৰ দাবী* আদি নাটকৰ মঞ্চত তেওঁ ভাও দিছিল। ৰমেশ শৰ্মাৰ 'ৰঙা পুলিচ' (১৯৫৮) কথাছবিত এজন পুলিচৰ চৰিত্ৰত তেওঁ অভিনয় কৰিছিল। অতুলচন্দ্ৰ হাজৰিকাই *মঞ্চলেখা* (১৯৬৭) ত উল্লেখ কৰিছে ঃ 'মালিকো যোৰহাট থিয়েটাৰৰ নাট্যকাৰ, অভিনেতা আৰু পৰিচালক হিচাবে যশস্বী।'( পৃ.৩৮১)

স্বাধীনতা- পূৰ্বকালৰ অসমীয়া ঐতিহাসিক নাটকৰ তুলনাত, স্বাধীনতা-পৰৱৰ্তীকালত এই ধাৰাৰ নাটকৰ সংখ্যা কমি অহা দেখা গ'ল। কাৰণ, স্বাধীনতা-পৰৱৰ্তীকালছোৱাত সামাজিক সমস্যা আৰু মনস্তাত্ত্বিক বিষয়বস্তু নাটকসমূহৰ উপজীব্য হৈ পৰিল। ইয়াৰ মাজতে কম সংখ্যক ঐতিহাসিক নাটক ৰচিত, প্ৰকাশিত আৰু মঞ্চস্থ হৈছে। তদুপৰি সেইবোৰত নাটকীয়-স্থাপত্য আৰু চিন্তা-চেতনাৰ বহুখিনি পৰিৱৰ্তন চকুত পৰে। এই সময়ৰ নাট্যকাৰৰ দৃষ্টিত ইতিহাস কেৱল এটি ৰোমাণ্টিক অতীত হৈ থকা নাই, ইতিহাস কেৱল মৃত অতীতো হৈ থকা নাই—'অতীত' তেওঁলোকৰ দৃষ্টিত হৈ পৰিছে 'বিগত বৰ্তমান' স্বৰূপ। প্ৰবীণ ফুকনৰ *মণিৰাম দেৱান* (১৯৪৮), নগাঁও নাট্যসমাজৰ *পিয়লি ফুকন* (১৯৪৮), চৈয়দ আব্দুল মালিকৰ *ৰাজদ্ৰোহী* (১৯৫৬), সুৰেন্দ্ৰনাথ শইকীয়াৰ *কুশল কোঁৱৰ* (১৯৪৯), অতুলচন্দ্ৰ হাজৰিকাৰ *টিকেন্দ্ৰজিৎ* (১৯৫৯), ফণী শৰ্মাৰ *ভোগজবা* (১৯৫৭), মুনীন ভূঞাৰ *জৰৌৰৌৱা পৰজা* (মঞ্চৰূপ ১৯৮৫)আদিত সামাজিক-ৰাজনৈতিক চিন্তা-চেতনা জাগ্ৰত কৰাৰ মাধ্যম ৰূপে নাট্যকাৰসকলে ব্যৱহাৰ কৰা দেখাগৈছে। উইলিয়াম ছেক্সপীয়েৰৰ ঐতিহাসিক নাটক *জুলিয়াছ চীজাৰ* আছিল সকলো সময়তে সংঘটিত হ'ব পৰা সামাজিক-ৰাজনৈতিক ঘটনাৰ বিস্ময়কৰ পূৰ্বাভাস স্বৰূপ। সৰ্বশক্তিমান চীজাৰৰ ট্ৰেজিক পৰিণতি কেৱল ৰংগমঞ্চৰ নাটকেই হৈ থকা নাই, বিগত চাৰি শতাব্দীৰ ৰাজনৈতিক ইতিহাসৰ বাস্তৱ ঘটনা বুলিও প্ৰতীয়মান হয়। চীজাৰ হত্যাৰ ঠিক পিছতেই ব্ৰুটাছ (Brutus) আৰু কেছিয়াছ (Cassius) চৰিত্ৰৰ মাজৰ এটি সংলাপ সেয়ে অবিস্মৰণীয়ঃ কিমান যুগ ধৰি যে এই মহান-

দৃশ্যৰ ভাওনা চলি থাকিব, কোনোবা অজান্তিমুলুকত কতযে অজানা ভাষাত!

**Cassius:**...............How many/ ages hence/ Shall this our lofty scene be acted over/ In states unborn and/ accents yet unknown!

**Brutus:** How many times shall Caesar bleed/ in sport/ That now on Pompey's basis lies along/ No worthier then the dust!

( *JULIUS CAESAR*: ACT III, Scene I)[৩]

চৈয়দ আব্দুল মালিকৰ *ৰাজদ্ৰোহী* নাটক ৰচনা আৰু প্ৰকাশৰ সময় হ'ল ১৯৫৬ আৰু ১৯৫৭ চন। যোৰহাটৰ জে. বি. কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক হৈ থকাৰ সময়ত মালিকে এই নাটক ৰচনা কৰিছিল। সামাজিক-ৰাজনৈতিক মতাদৰ্শ আৰু দৰ্শনৰ ফালৰ পৰা মালিকৰ জীৱনৰ চল্লিছ-পঞ্চাছ দশকৰ সময়ছোৱা বিশেষভাবে তাৎপৰ্যপূৰ্ণ। *ৰাজদ্ৰোহী* নাটকখন উৰ্ছগা কৰিছে 'বিদ্ৰোহী শিল্পী বিষ্ণু ৰাভাৰ হাতত'।

*ৰাজদ্ৰোহী* নাটক ৰচনাৰ সময়ত মালিকৰ বয়স আছিল মাত্ৰ সাতত্ৰিশ বছৰ। নাটকখনত স্বাভাৱিকতে এই যুৱ-লেখকজনৰ সামাজিক-ৰাজনৈতিক আদৰ্শ ফুটি উঠিছে। ই বহু পৰিমাণে নাট্যকাৰৰ আত্মজৈৱনিক সমসাময়িক ৰাজনৈতিক আদৰ্শৰো প্ৰতিফলক। বিংশ শতিকাৰ চল্লিছ-পঞ্চাছ দশকৰ কালছোৱা অসম তথা ভাৰতবৰ্ষ এক শক্তিশালী কমিউনিষ্ট আন্দোলনৰ সময়। শ্ৰমজীৱী-কৃষিজীৱীসকলক কমিউনিষ্ট দলে সজাগ কৰি তোলাৰ উপৰি বহুতো যুৱক-যুৱতীক এই দলৰ আদৰ্শই প্ৰভাৱান্বিত কৰিছিল। বিষ্ণু ৰাভাৰ জীৱনাদৰ্শ আৰু প্ৰতিভাই বহুতকে আলোড়িত কৰিছিল। দ্বিতীয় মহাসমৰৰ সময়ৰ পৰা কমিউনিষ্ট আন্দোলনৰ যোগেদি যি সাম্যবাদী বিপ্লৱৰ বাতাবৰণ সৃষ্টি হৈছিল, চৈয়দ আব্দুল মালিকো আছিল এনে আদৰ্শৰে ধাৱমান এজন সক্ৰিয় কৰ্মী। তদুপৰি মালিকৰ ভাষাৰে—

'সদৌ ভাৰত জুৰি এটা নতুন নাট্য আন্দোলন গঢ়ি তোলা হৈছিল—যুদ্ধ চলি থকা অৱস্থাতে। এই নাট্য আন্দোলনৰ প্ৰেৰণা আৰু আঁচনিৰ মূল ভাৰতীয় গণনাট্য সংঘ আছিল কমিউনিষ্ট পাৰ্টিৰ সাংস্কৃতিক ফ্ৰন্ট। কিন্তু ই কমিউনিষ্ট-অকমিউনিষ্ট বহু শিল্পী আৰু শিল্পানুৰাগীক আকৰ্ষণ কৰিছিল আৰু বহুতেই ইয়াৰ কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল।.......সকলোৰে গণনাট্য সংঘত কলা সংস্কৃতিৰ এটা নতুন পটভূমি আৰু এটা নতুন কৌশল তথা নতুন বাণীৰ সন্দেদ পালে। জনসাধাৰণৰ জীৱনৰ আশা, নৈৰাশ্য, দুখ-বেদনা, ক্ষোভ, বিদ্ৰোহ আদিক গীত নাট, অভিনয়েৰে সকলোৰে গ্ৰহণীয় কৰি তোলা আৰু তাৰ যোগে গণচেতনা জগাই তোলাটো গণনাট্য সংঘৰ (IPTA) প্ৰধান লক্ষ্য আৰু উদ্দেশ্য আছিল। মই প্ৰথমতে আকৃষ্ট হৈছিলো কমিউনিষ্ট সাহিত্যৰ প্ৰতি তথা সমাজবাদী দেশৰ সাহিত্যৰ প্ৰতি। আকৃষ্ট হৈ সেই বিষয়ে যি কিতাপ-আলোচনী আদি পোৱা যায় সেইবোৰৰ অধ্যয়নত ধৰিছিলো। নিজে অত্যন্ত গৰীব কৃষক পৰিয়ালৰ সন্তান হোৱাৰ কাৰণে শ্ৰেণীচেতনা আৰু শ্ৰেণী বিৰোধৰ ভাবধাৰাই মোক তেনে ধৰণৰ গল্প কবিতা লিখিবলৈ অনুপ্ৰেৰণা যোগাইছিল।'[৪]

*ৰাজদ্ৰোহী* অসম বুৰঞ্জীৰ অষ্টাদশ শতিকাৰ ৰাজনৈতিক ঘটনাৰ পটভূমিত ৰচিত এখন ঐতিহাসিক নাটক। স্বাধীনতা -পূৰ্বকালৰ ৰোমাণ্টিক পৰ্বৰ ঐতিহাসিক নাটকৰ নাট্যৰীতি আৰু চৰিত্ৰায়ণৰ পৰা ই বহু দিশত ব্যতিক্ৰম বুলি ক'ব পাৰি। মাত্ৰ সাতোটা দৃশ্যত বিভক্ত এই নাটকখন হাতে লিখা অৱস্থাতে প্ৰথম দেৰগাঁৱৰ বাপুজী নাট্যমন্দিৰত অভিনয় কৰা হৈছিল। কিতাপ আকাৰে প্ৰকাশ কৰিছিল তেতিয়াৰ ছাব ডেপুটি কালেক্টৰ হিচাপে থকা চৰকাৰী বিষয়া হোমেন বৰগোহাঞিয়ে।

মালিকৰ *ৰাজদ্ৰোহী* নাটকৰ কেন্দ্ৰীয় চৰিত্ৰ হ'ল সতৰাম। অসম বুৰঞ্জীৰ সতৰাম চৰিত্ৰ আৰু ঘটনা পূৰ্বে লক্ষ্মীনাথ বেজবৰুৱাৰ *বেলিমাৰ*(১৯১৫) আৰু নকুল চন্দ্ৰ ভূঞাই *বদন বৰফুকন*(১৯২৭) নাটকত উপস্থাপন কৰিছে। কিন্তু *ৰাজদ্ৰোহী* নাটকত বুৰঞ্জীৰ কুখ্যাত এই চৰিত্ৰটিক নতুন দৃষ্টিভংগীৰে নাট্যকাৰে উপস্থাপন কৰিবলৈ যত্ন কৰিছে। নাট্যকাৰৰ দৃষ্টিত বুৰঞ্জীৰ পাতত পোৱাৰ দৰে সতৰাম 'খলনায়ক' নহয়; স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ বিৰুদ্ধে জনসাধাৰণক একত্ৰিত কৰি বিদ্ৰোহৰ বাবে থিয় দিয়া এজন 'গণনায়ক'হে। সতৰামে ঘোষণা কৰিছেঃ 'মই ৰাজদ্ৰোহী, কিন্তু মই দেশদ্ৰোহী নহওঁ।' মালিকে নাটকখনৰ আগকথাত কৈছেঃ ' ইতিহাসৰ কাহিনীক নাটক-উপন্যাসলৈ ৰূপান্তৰ কৰিবৰ বেলা সীমাবদ্ধতাক স্বীকাৰ কৰি লৈয়ো লিখকে সাহিত্যিক ৰূপ দান কৰাৰ প্ৰয়োজনত, কিছু স্বাধীনতা গ্ৰহণ কৰিবলগীয়া হয়। কাৰণ মানুহৰ জীৱনত কাহিনীবোৰ নাটক উপন্যাস হৈ নঘটে, সেই ৰূপত নতুন সৃষ্টিৰ প্ৰয়াসৰ প্ৰয়োজন হয়। *ৰাজদ্ৰোহী*ত ইতিহাস বিচৰাৰ সলনি নাটক বিচাৰিলেই হয়তো পাঠক বা অভিনেতাৰ শ্ৰমৰ সফল বিনিময় হ'ব। হয়তো বুৰঞ্জীৰ সতৰাম ৰাজদ্ৰোহী সতৰাম নাছিল, কিন্তু সমকালীন পৰিস্থিতিত এটা বিদ্ৰোহী আত্মাৰ সন্ধান কৰিলে হয়তো বুৰঞ্জীয়ে অপৰাধ নল'ব।'[৫] নাট্যকাৰ মালিকে নাটকখনৰ পাতনিত বুৰঞ্জীৰ সতৰামৰ মাজেদি 'সমকালীন পৰিস্থিতিত এটা বিদ্ৰোহী আত্মাৰ সন্ধান' কৰাৰ প্ৰসংগতো তাৎপৰ্যপূৰ্ণ। এই 'বিদ্ৰোহী আত্মা'ৰ মাজত নাট্যকাৰ চৈয়দ আব্দুল মালিকো আছে, বিষ্ণুপ্ৰসাদ ৰাভাও আছে। নাটকখন 'বিদ্ৰোহী শিল্পী' বিষ্ণুপ্ৰসাদ ৰাভালৈ 'কমৰেড' বুলি সম্বোধন

কৰি, আৱেগ আৰু উম্মাভৰা ভাষাৰে এনেদৰে উছৰ্গা কৰিছেঃ

'কমৰেড ৰাভা!

আপোনাক এদিন ফাঁচী দিব, নাইবা বিপ্লবী জনতাৰ মিচিল আগবঢ়াই আনোতে কোনোবা ৰাজপথত গুলীয়াই মাৰিব। জুলিয়াচ ফুচিকহঁতৰ পথেই আমাৰ পথ।

আমাৰ দেশ নেতাৰে ভৰা। যি নেতাই জনতাক চিনি নাপায়, তেওঁ দিয়ে জনতা-উদ্ধাৰৰ ওজস্বী বক্তৃতা,.... যাৰ পেটত উশাহ ল'বলৈ ঠাই নাই, তেওঁ দুৰ্ভিক্ষৰ বক্তৃতা দি হজম নিয়াবৰ চেষ্টা কৰে। এওঁলোকৰ কথাৰে আমাৰ দেশৰ বাতৰি কাকত ভৰা।

কিন্তু এই নেতাবোৰ, বাতৰি কাকত পুৰণি হোৱাৰ দৰেই পুৰণি হৈ, মুল্যহীন হৈ যাব-এদিন।

আৰু বিষ্ণু ৰাভা—বিষ্ণু ৰাভা সেইদিনা সাধুকথা হ'বঃ...............

অখ্যাত জন-জীৱনৰ কোলাত মৰমৰ সঁফুৰা লৈ এজন দেশপ্ৰেমিক বিপ্লবীয়ে দহ হাজাৰ মাইল ঘুৰি ফুৰিছিল—আৰু দেশৰ চিনাকি -নোহোৱা মানুহে তেওঁক চিনি পাইছিল—এই বুলি। **সতৰামক আপুনি বহুত ঠাইত লগ পাইছে। পূৰ্ণানন্দহঁতকো।**

**ৰাজদ্ৰোহী সতৰামক চিনা যেন লাগেনে-চাবচোন।**'[৬]

দৰিদ্ৰ কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰা মালিক যি সময়ত এনে আদৰ্শৰে ধাবমান হৈছিল, সেই ১৯৪১ চনৰ পৰা প্ৰতিক্ৰিয়াশীল চক্ৰৰ ষড়যন্ত্ৰৰ বাৰে বাৰে বলি হৈছিল। আবকাৰী পৰিদৰ্শক (১৯৪১-৪২), চিভিলিয়ান চেঞ্চৰৰ চাকৰি (১৯৪২-৪৫) আদি মনে নিমিলা চাকৰিও কৰিব লগা হৈছিল। ১৯৪৮-৪৯ চনৰ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ চাকৰি যাব লগা হ'ল 'কমিউনিষ্ট' হোৱাৰ অপৰাধতে। ১৯৫৭ চনত মালিক সাধাৰণ নিৰ্বাচনত যোৰহাট-গোলাঘাট লোকসভা সমষ্টিৰ পৰা কমিউনিষ্ট পাৰ্টিৰ সমৰ্থনত প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও, কংগ্ৰেছ প্ৰাৰ্থীৰ হাতত পৰাস্ত হৈছিল। সেই একে বছৰতে *ৰাজদ্ৰোহী* নাটকখনো গ্ৰন্থাকাৰে প্ৰকাশ পাইছিল। এই তথ্যও তাৎপৰ্যপূৰ্ণ!

ঐতিহাসিক নাটক হ'ল ইতিহাসৰ মৰ্যাদা পোৱা ৰাজনৈতিক, অৰ্থনৈতিক, সমাজ-নৈতিক, ধৰ্মনৈতিক আন্দোলন তথা তৎসম্পৰ্কিত ব্যক্তিৰ জীৱন কথাৰ নাট্যৰূপ। এই নাট্যৰূপত নাট্যকাৰৰ ঐতিহাসিক ঘটনাক সংশ্লেষণ বা বিশ্লেষণ কৰাৰ যেনেকৈ অধিকাৰ আছে, তেনেকৈ চৰিত্ৰৰ নতুন ব্যাখ্যা দিয়াৰো অধিকাৰ থাকে। নাট্যকাৰজন ইয়াত ইতিহাস লেখক নহয়। নাট্যকাৰৰ কাম হ'ল ঐতিহাসিক ঘটনা আৰু পৰিস্থিতিৰ মাজত জীৱনৰ যি ৰূপ-ৰস নিহিত আছে, সেইখিনি ফুটাই তোলা। কিন্তু ইয়াকে কৰিবলৈ নাট্যকাৰৰ ঔচিত্যবোধ থকা দৰকাৰ। কাৰণ, ঐতিহাসিক নাটকৰ বাবে ঔচিত্যহানি অনুপেক্ষনীয় বিচ্যুতি বুলি গণ্য কৰা হয়।'[৭] সত্যেন্দ্ৰনাথ শৰ্মাই *ৰাজদ্ৰোহী* নাটকৰ মূল্যায়ন কৰি কৈছেঃ 'বুৰঞ্জীয়ে স্বীকাৰ নকৰা, সজ উদেশ্য সতৰামৰ কাৰ্য্যত আৰোপ কৰি আৰু আধুনিক প্ৰজাতন্ত্ৰৰ আদৰ্শ আগতিয়াকৈ নায়ক চৰিত্ৰ আৰু উক্তিত প্ৰয়োগ কৰি নাটকখনত আধুনিকতাৰ ছাপ দিবলৈ চেষ্টা কৰিছে। ফলত সতৰাম বৰ্ত্তমান যুগৰ গণতান্ত্ৰিক নেতা বা বিদ্ৰোহী যেন অনুভৱ হয়। .............সতৰামৰ ৰাজনৈতিক দৃষ্টি-সময়তকৈ কিছু আগতিয়া হোৱা কাৰণেই চৰিত্ৰটো অলপ কৃত্ৰিম যেন অনুভৱ হয়।'[৮] নাট্য-গৱেষক হৰিচন্দ্ৰ ভট্টাচাৰ্য্যই কৈছেঃ 'মালিকৰ সৎৰাম ৰাজদ্ৰোহী, সমকালীন ৰাজনৈতিক পৰিস্থিতিৰ এক বিদ্ৰোহী মনৰ জলন্ত প্ৰতীক। দেশৰ অগণন নিৰীহ প্ৰজাক অত্যাচাৰী ৰাজশাসনৰ পৰা মুক্ত কৰাটোৱেই আছিল বদনৰ দৰে সৎৰামৰো ইচ্ছা। এই জন সৎৰাম মণিৰাম-পিয়লি আদিৰ দৰে খামি-ডাঠ বীৰুপুৰুষ।'[৯]

মধ্য ঊনবিংশ শতিকা মানৰপৰা ৰচিত আৰু প্ৰকাশিত বিভিন্ন বুৰঞ্জীত ৰজা চন্দ্ৰকান্ত সিংহৰ বন্ধু সতৰামক ভাল চকুৰে চোৱা নাই। ১৮৩৮ চনৰ ভিতৰত ৰচনা কৰা মণিৰাম দেৱানৰ *বুৰঞ্জি বিবেকৰত্ন*ৰ (দ্বিতীয় খণ্ড) পাণ্ডুলিপিত উল্লেখ কৰিছেঃ '১৭৩৫ শকে ভুতৰ পুতেক সতৰাম নামে এক ব্যক্তি কুকুৰাচোৱা লঁড়া খাটনিয়াৰ উঠিল। তাহাৰ সহিতে এমত সৌহাৰ্দ্দ মিত্ৰতা বনিল জে একাশনে শয়ন ভোজনাদি কৰিতে লাগিলেন, ৰাজলক্ষাবাদি আভৰন কৰিতে লাগিল।'[১০] গুণাভিৰাম বৰুৱাই ১৮৭৫ চনত লিখা, ১৮৮৪ চনত প্ৰকাশ কৰা *আসাম বুৰঞ্জী*ত লিখিছেঃ 'ৰজাই সমনীয়া বিলাকে সইতে আমোদ কৰি দিন যাপন কৰিবলৈ ধৰিলে। সি সকলৰ মাঝত ভূত নামে কুকুৰাছোৱা বড়াৰ পুতেক সতৰাম স্বৰ্গদেৱৰ প্ৰধান বল্লভ হ'ল। ৰজাই সতৰামক ক্ৰমে বিষয় বঢ়াই দি শেষত চাৰিঙ্গীয়া ফুকন পাতিলে। বয়সৰ তৰুণতাৰ নিমিত্তে স্বৰ্গদেৱে মন্ত্ৰীৰ কথাতকৈ চাৰিঙ্গীয়া ফুকনৰ কথাকেহে বড়কৈ মানিবলৈ ধৰিলে। অকস্মাৎ যি কোনো লোক ডাঙ্গৰ হয় বিশেষকৈ ৰাজবল্লভ হয়, তাৰ প্ৰকৃতি প্ৰায়ে উচ্ছৃঙ্খল। তাতে সতৰাম ফুকনৰ বয়স তৰুণ। তেওঁৰ আশা ইমান বলবতী হ'ল যে তেওঁ মন্ত্ৰীত্ব কৰে কিন্তু তাক কৰা বড় উজু নহয়।'[১১] পদ্মনাথ গোহাঞিবৰুৱাৰ ১৮৯৯ চনত প্ৰকাশিত, ১৯৩৭ চনৰ (১৮৫৯ শক) ঊনবিংশ তাঙ্গৰণৰ *সচিত্ৰ অসমৰ বুৰঞ্জী*ত লিখিছেঃ 'ৰজাৰ বলতে শতৰামক অকলেই ৰাইজখনেও বলে নোৱাৰে, বদনচন্দ্ৰ বৰফুকনৰ বল পাই মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙ্গৰীয়াক শতৰামে তৃণ এডালৰ সমানো নগণা হ'ল—ডাঙ্গৰীয়াৰ নানা প্ৰসঙ্গত ৰজাৰ আগতে অপমান কৰিবলৈ ধৰিলে।............ বুঢ়াগোহাঞি মহামন্ত্ৰী ডাঙ্গৰীয়াই স্থিৰভাবে

ভবি চালে যে ৰজাক এইদৰে হাতৰ মুঠিত লব লাগিলে, শতৰামে ৰাজ্যত মহা অমঙ্গল ঘটাব।...... এদিন প্ৰকাশ্যভাৱে তিনিওজন ডাঙ্গৰীয়া শতৰামৰ বিৰুদ্ধে ৰজাৰ চ'ৰাত বহিলগৈ। তাৰ পাচত, বিচাৰত শতৰামক দ্ৰোহী বুলি থিৰাং কৰা হয়। তাৰ লগতে সেই ৰাজদ্ৰোহত যোগ দিয়া আন আন সকলোকে সমুচিত দণ্ড বিহি, শতৰামক দেশান্তৰ কৰা হয়। ৰাজদ্ৰোহীৰ ভিতৰত বহুত ডাঙ্গৰ ডাঙ্গৰ বিষয়াৰ ল'ৰাও পৰিছিল। সেই কাৰণে সেইসময়ত উজনিত এখন ভয়ানক হুলস্থূল লাগিছিল। এই বিদ্ৰোহক 'কুকুৰাচোৰা ভূতৰ পুতেকৰ খবৰ' বুলি জনা যায়।'[১২]

নাওবৈছা ফুকনৰ বুৰঞ্জীত আছেঃ 'পাচে চন্দ্ৰকান্ত সিংহ ৰজা ও সতৰাম লিগিৰা চাৰিঙ্গিয়া ফুকন দুয়ো কেৰেহিয়া ডেকা হৈ, সোণ ধন চাই চুই খৰছ কৰিবলৈ নোপোয়াত, আৰু বহুমূল্যৰ কাণৰ, চোলা সতৰাম লিগিৰাইও পিন্ধিবলৈ নাপাই, এই সতৰাম লিগিৰা চাৰিঙ্গিয়া ফুকনে দৈচুঙ্গিয়া সভাপণ্ডিত জগধৰ শৰ্মা চাৰিঙ্গিয়া বৰুৱাকেও চলিহা কাকতিৰ গুৰু দত্ত মজিন্দাৰ বৰুয়াকে লগত লৈ তিনিও গোট খাই, গুপুতে এক পৰামৰ্শী হৈ কুমন্ত্ৰণাৰ আলছ পাতিলে। তিনিওজনে এক ঠাইতে বহি ইজনে সিজনক কয়, সিজনে ইজনক কয়, চোঁয়াচোন মহামন্ত্ৰি পূৰ্ণানন্দ বুৰাগোহাইয়েহে এই তিনিওজনা ৰজাৰ দিনত্ ৰাজমন্ত্ৰি ডাঙ্গৰিয়া হৈ তেওৰ সমান ডাঙ্গৰিয়াকো তেও নিজে পাতিলেহে ডাঙ্গৰ বিষয়া হব পৰা হল,......... ৰজাই কৰিবলগীয়া সকলো কাম কৰি, ৰজা বোলাইছে, সকলো প্ৰজাই এই তিনিওজন ৰজাৰ দিনক ৰজাৰ দিন নোবোলে, বুৰাগোহাইৰ দিন বা বুৰাগোহাই ডাঙ্গৰিয়াৰ আমোলহে বোলে...।'[১৩] চাৰ এডৱাৰ্ড গেইটৰ (১৮৬৩-১৯৫০) ১৯০৫ চনত প্ৰথম প্ৰকাশিত *A History of Assam* গ্ৰন্থৰ ১৯২৬ চনত প্ৰকাশিত দ্বিতীয় সংস্কৰণত কৈছে, '*Satram became more and more insolent in his dealings with them, and at last, thinking to obtain the supreme power for himself, he sought to procure the assassination of the Buragohain*'[১৪] হিতেশ্বৰ বৰবৰুৱাই ১৯১৫ চনত ৰচনা কৰা *আহোমৰ দিন* গ্ৰন্থত কৈছেঃ 'বুঢ়াগোহাঁই ডাঙৰীয়াই সতৰামকে স্বৰ্গদেও বুলি ভ্ৰমত আঁঠু ল'বলৈ ধৰিছিল। ওচৰা-ওচৰি হ'লতহে সেই ভ্ৰম দূৰ হ'ল। এই কথাত বুঢ়াগোহাঁই ডাঙ্গৰীয়া প্ৰভৃতি সকলো মৰণান্তিক হ'ল;............। এই খিনি দিন ধোৱাঁই থকা জুইকুৰা সেইদিনা জ্বলি উঠিল। সেই দিনাৰে পৰা দেখাদেখিকৈ সতৰাম চাৰিঙ্গীয়া ফুকন আৰু পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ মনান্তৰ হ'ল।'[১৫] সৰ্বানন্দ ৰাজকুমাৰৰ (১৯০৯-১৯৬৮) *ইতিহাসে সোঁৱৰা ছশটা বছৰ* (১৯৮০) গ্ৰন্থত আছেঃ 'সেই কাৰণে তেওঁ (অৰ্থাৎ সতৰামে) দৈ চুঙ্গীয়া বামুণ জগধৰ চাৰিঙ্গীয়া বৰুৱা আৰু চলিহা কাকতিৰ গুৰুদত্ত মজিন্দাৰ বৰুৱাৰ সৈতে লগলাগি বুঢ়াগোহাঁইৰ বিপক্ষে ষড়যন্ত্ৰ কৰে। সতৰামৰ ষড়যন্ত্ৰ ধৰা পৰাত স্বৰ্গদেৱৰ অনুপস্থিতিত ৰাজচ'ৰাত তিনিজনা ডাঙ্গৰীয়াই বিচাৰ কৰে। ৰাজমাও দেউতাৰ অনুৰোধত ডাঙ্গৰীয়াসকলে তেওঁক হত্যা নকৰি নিৰ্ব্বাসন দণ্ড দিয়ে; কিন্তু অন্যান্য বিদ্ৰোহীক হত্যা কৰে।'[১৬] লীলা গগৈৰ বুৰঞ্জী-কথকতা *বেলি মাৰ গ'ল* (১৯৮৩) গ্ৰন্থত সতৰামৰ সহযোগী সকলৰ নাম উল্লেখ কৰিছেঃ 'সৎৰাম চাৰিঙীয়া ফুকনে চন্দ্ৰকান্ত সিংহৰ বদান্যতাত লা-লিগিৰাৰ পৰা বিষয় বাব পাই উল্লাসিত হোৱা জনচেৰেকক গোটাই বুঢ়াগোহাঁইক বধ কৰিবলৈ আঁচনি কৰিলে। আন কি, কোনে কেনেকৈ বুঢ়াগোহাঁইক ধৰিব পাৰি তাকে ৰাতি ৰাতি আখৰা কৰিলে। এই ষড়যন্ত্ৰৰ আনসকল সহযোগী হ'লঃ বুদু ওজা, লিগিৰাৰ পুতেক মথন, মনাই, ধনাই, চাৰিঙীয়া হলি, বগাদমৰা, বাঞ্চি, লখীহৰি, শিমলুগুৰীয়া মনসিন্ধু বায়ন, কলাই আৰু দৈ চুঙীয়া বামুণ জগধৰ। ষড়যন্ত্ৰকাৰীসকলৰ ভিতৰত জগধৰ চাৰিঙীয়া বৰুৱা আছিল সবাতোকৈ টিমক আৰু টুটকীয়া। এইসকলৰ ভিতৰত আৰু দুজন আছিলঃকৃষ্ণদাস ভাণ্ডাৰী বৰুৱা আৰু চিত্ৰসেন গন্ধীয়া ফুকন। এওঁবিলাক দুয়োৰে সৎৰাম-জগধৰৰ ষড়যন্ত্ৰৰ সবিশেষ বুঢ়াগোহাঁইক জনালে।'[১৭]

সতৰাম সম্পৰ্কে বুৰঞ্জীসমূহত যিবোৰ কথা পোৱা যায়, নাট্যকাৰ চৈয়দ আব্দুল মালিকে তেওঁৰ *ৰাজদ্ৰোহী* নাটকলৈ ঠিক একেদৰেই আনিছে। মাথো নাট্যকাৰে কাৰ্যকাৰণ সম্পৰ্ক স্পষ্ট কৰি দেখুৱাবলৈ আৰু ঘটনাবোৰৰ নতুন তাৎপৰ্য অনুধাৱন কৰাৰ চেষ্টা কৰিছে। বুৰঞ্জীৰ ধৰণেই সতৰাম হ'ল স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ সখি। বুৰঞ্জীত সতৰামে কোনো ক্ষেত্ৰতে চন্দ্ৰকান্ত সিংহৰ বিপক্ষে বিদ্ৰোহ কৰা নাই। কিন্তু মালিকৰ *ৰাজদ্ৰোহী* নাটকৰ সতৰাম স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ প্ৰতিনিধি পূৰ্ণানন্দ বুঢ়াগোহাঁয়েই নহয়, সখি স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰো বিৰুদ্ধাচৰণ কৰিছে।

**সতৰামঃ** জানিছা পদ্মা, আমাৰ দেশতে নহয় সকলো দেশতে এই ৰজা, ৰাজ বিষয়াহঁতে আমাৰ নিচিনা সৰু মানুহৰ জীৱন লৈ ধেমালি কৰি আহিছে। তোমাক ধুনীয়া দেখিলে, লৈ আহিল। তোমাৰ যেন ভাল লগা বেয়া লগা একো নাই। ৰজাৰ প্ৰজা হ'লো বুলি আমি মানুহেই নহওঁনে?

**পদুমীঃ** মোক হলে নোৱাৰিছে ডেকা বড়াদেৱ, মই নাচনী নাচি নাচি আহিছো, যাবৰ হলেও নাচি নচুৱাইহে যাম।

**সতৰামঃ** পিছে পদ্মা, এযাৰ কথা মনত ৰাখিবা, ৰজাক সন্তুষ্ট কৰি ৰাখিব পাৰো মানেহে আমি ৰজাৰ আপোন। তেল-পানীৰ জানো কেতিয়াবা মিল হয়। [প্ৰথম দৃশ্য]

**সতৰামঃ** চন্দ্ৰকান্ত মোৰ সখি, বন্ধু। বন্ধুক বিশ্বাসঘাতকতা

কৰা পাপ। কিন্তু বন্ধু যেতিয়া অত্যাচাৰীৰ হাতৰ পুতলা হয়, ৰাইজৰ দুখৰ কাৰণ হয়, তেতিয়া বন্ধুৰ বিৰুদ্ধে নুঠাটোও পাপ। বহুত ভাবিছো। কিন্তু এটা বাটকেই মই দেখা পাইছো— ৰাইজৰ হাজাৰ হাজাৰ প্ৰজাৰ মুক্তি আৰু শান্তিৰ কাৰণে প্ৰয়োজন হলে মই বন্ধুকো বিনাশ কৰিব লাগিব। [দ্বিতীয় দৃশ্য]

বুৰঞ্জীৰ মতে, পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বিৰুদ্ধে সতৰামে বিদ্ৰোহ আৰু ষড়যন্ত্ৰ ৰচিছিল। বুঢ়াগোহাঁইৰ ভূমিকা আৰু কাৰ্যাৱলী বুৰঞ্জীবোৰে বিশেষ সমালোচনা কৰা নাই। মালিকৰ *ৰাজদ্ৰোহী* নাটকখনত স্বৰ্গদেউ চন্দ্ৰকান্তক নিজৰ হাতত মুঠিত ৰাখি বুঢ়াগোহাঁই পূৰ্ণানন্দ ৰাজ্যৰ হৰ্তাকৰ্তা বিধাতা হৈ পৰাৰ ঘটনা সুন্দৰ ভাবে ফুটাই তুলিছে। বুঢ়াগোহাঁইৰ বিপক্ষে বিদ্ৰোহী দলত অন্তৰ্ভুক্ত হোৱা সতৰামৰ উপৰি জগধৰ, বদন বৰফুকন আদি ঐতিহাসিক চৰিত্ৰকো একে ধৰণেৰে স্থান দিবলৈ নাট্যকাৰে চেষ্টা কৰিছে।

**জগধৰঃ** তই বলিয়া হৈছ সতাই। স্বৰ্গদেউ ঈশ্বৰ আৰু বুঢ়াগোহাঁই ডাঙৰীয়াৰ নাম কঢ়াৰ গম পালে কিন্তু ভাল নহ'ব।

**সতৰামঃ** তই দূৰৰপৰা দেখিছ জগ, মই সিহঁতক ওচৰৰ পৰা দেখিছো। স্বৰ্গদেউ স্বৰ্গৰ দেৱতা নহয়, তোৰ মোৰ দৰেই মাটিৰ মানুহ। আৰু পূৰ্ণানন্দ—বহুত বুঢ়াগোহাঁই হ'ল, কিন্তু এনেকুৱা স্বাৰ্থপৰ, নিষ্ঠুৰ, আপোনপেটিয়া অত্যাচাৰী বুঢ়াগোহাঁই আৰু কাহানিও হোৱা নাছিল। [প্ৰথম দৃশ্য]

**বদনঃ** মই জানো। সতৰামে ঠিকেই বুজিছে। দিনে দিনে পূৰ্ণানন্দৰ স্বেচ্ছাচাৰিতা বাঢ়ি গৈছে। প্ৰজাৰ অশান্তিৰ মাত্ৰা চৰিছে, ৰজাৰ দুৰ্বলতা বাঢ়িছে, দুৰ্নীতি দুৰ্বিচাৰে দেশখন চানি পেলাইছে। [প্ৰথম দৃশ্য]

মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ বিষয়ে পদ্মনাথ গোহাঞিবৰুৱাই বুৰঞ্জীত লিখিছেঃ 'মহামতি পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ তুল্য অসাধাৰণ ৰাজনীতিজ্ঞ পুৰুষ সেই সময়ত ভাৰতবৰ্ষত দ্বিতীয় নাছিল বুলিলে বঢ়াই কোৱা নহ'ব। আনকি, ইংৰাজ ৰাজনীতিবিজ্ঞ পুৰুষেও তেওঁৰ বিচক্ষণ বুদ্ধি আৰু ৰাজনীতি জ্ঞানৰ অশেষ গুণবাদ কৰিছিল। বুঢ়াগোহাঞি পূৰ্ণানন্দ মহামন্ত্ৰীৰ মূৰেদি ভয়ঙ্কৰ বিদ্ৰোহ ধুমুহা পাৰ হয়। কিন্তু তেওঁ জীৱনৰ তেনেকুৱা অশেষ অপায় অমংগল বিঘিনি খণ্ডাই, কি যে অতুলনীয় অসাধাৰণ জীৱন যাপন কৰিছিল, সেই বিষয়ে মোৱামৰীয়া বিদ্ৰোহৰ পৰা মানৰ প্ৰথম আক্ৰমণলৈকে অসমৰ বুৰঞ্জীৰ এই মহা বিপ্লৱপূৰ্ণ বিৱৰণ ছোৱাই বিশিষ্ট সাক্ষ্য দিয়ে। ডেকা পূৰ্ণানন্দ বুঢ়াগোহাঞি দেৰে বুঢ়াগোহাঞি ডাঙৰীয়াৰ আসন গ্ৰহণ কৰি উঠিয়েই মোৱামৰীয়াৰ ভীষণ বিদ্ৰোহৰ উৎপাত খণ্ডাব লগাত পৰে।...........লগৰীয়া মন্ত্ৰী বিষয়া আদি সকলোৱে গা-এৰা দিয়াৰ স্থলতো, ৰজাৰ অনুপস্থিতিত মোৱামৰীয়া বিদ্ৰোহত সাত বছৰলৈকে মহা উৎপাতৰ মাজত নগৰ ৰক্ষা কৰালৈ চাই, মহামতি পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়াৰ ৰাজনীতি জ্ঞান পৃথিৱীৰ প্ৰথম শ্ৰেণীৰ সভ্য জাতিয়ে বখানিব লাগিছে।' [১৮]

*আৱাহন* আলোচনীৰ পঞ্চম বছৰ, অষ্টম সংখ্যাত (জেঠ, ১৮৫৬ শক আৰু ইং ১৯৩৪ চন, মে' মাহ) বেণুধৰ শৰ্মাৰ 'দেশদ্ৰোহী কোন বৰফুকন নে বুঢ়াগোহাঞি' শীৰ্ষক এটি বিশ্লেষণধৰ্মী সমালোচনাত্মক প্ৰবন্ধ প্ৰকাশিত হৈছিল। আবেগমুক্ত যুক্তিগ্ৰাহ্য ইতিহাস-চৰ্চাৰ ই এটি উল্লেখযোগ্য নিদৰ্শন বুলি ক'ব পাৰি। এই প্ৰবন্ধত বেণুধৰ শৰ্মাই পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ ৰাজনৈতিক ক্ষমতা আৰু স্বেচ্ছাচাৰিতা সমালোচনা কৰি লিখিছেঃ 'প্ৰজাৰ ভাবগতি দেখি তেওঁ উন্মত্তৰ দৰে হৈছিল। চন্দ্ৰকান্তৰ অভিষেক নহল বুলি যদি কোনোবাই কলে, তেওঁ হ'ল ৰাজদ্ৰোহী। গোসাঁনী পূজা নকৰি গোসাঁই পূজা কৰিলেও হল ষড়যন্ত্ৰ কৰা, বৰফুকনে (বদন) জীয়েকৰ লগত মানীৰ মান ৰক্ষা কৰি সাতখন চ'ৰা নাও ভৰাই যৌতুকৰ দ্ৰব্যবস্তু দিলে, সিও হ'ল সিংহাসন আক্ৰোহী। সামান্য মানুহ শতৰামে যেনিবা সৰ্গদেৰে পিন্ধিবলগীয়া চোলা এটা পিন্ধিলেই, আৰু সেই চোলা পিন্ধা বাবে ভুলকৈ কোনোবাই ৰজা বুলি সেৱাকে কৰিলে বা, তথাপি তাৰে প্ৰতিশোধ লবলৈ গৈ পূৰ্ণানন্দই সমূহ হিচাপে দেশৰ মুখীয়াল মানুহ বোৰকো ৰাজ বিদ্ৰোহত লেটপেটাব পায় নে? ৰাজহুৱা আৰু ব্যক্তিগত স্বাৰ্থ ৰাজনীতিৰ তুলাচনিত জুখিব নোৱাৰি, এইদৰে সকলোৰে গাত বৈৰী ভাব অনুমান কৰি পূৰ্ণানন্দই গৰ্হিত কামবোৰকে নকৰিলে নে?' [১৯]

মালিকৰ *ৰাজদ্ৰোহী* নাটকখনত সতৰাম বা অন্যান্য বিদ্ৰোহীসকলৰ মাজেদি নাট্যকাৰে বুঢ়াগোহাঞিৰ স্বাৰ্থ আৰু ক্ষমতা, অপশাসনৰ যি সমালোচনা আগবঢ়াইছে, সেয়া ১৯৩৪ চনতেই *আৱাহনত* প্ৰকাশিত বেণুধৰ শৰ্মাৰ এনে যুক্তিপূৰ্ণ ঐতিহাসিক নিবন্ধই মালিকৰ দৃষ্টিভংগীত নিশ্চয় প্ৰভাৱ পেলাইছিল। নাটকখনৰ 'তৃতীয় দৃশ্য'ত চন্দ্ৰকান্তক শিঙৰি ঘৰত তুলি অভিষেক নকৰা, মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ ইংৰাজ সেনাৰ সহায় লোৱা কাৰ্যৰ বাবে বুঢ়াগোহাঞিক সমালোচনা কৰা হৈছে।'সপ্তম দৃশ্য' হ'ল—সতৰামৰ অপৰাধৰ বিচাৰ। এই দৃশ্যতেই সতৰামে বুঢ়াগোহাঁই পূৰ্ণানন্দক মুক্তকণ্ঠে নিৰ্ভীকভাবে সমালোচনা কৰি কৈছেঃ

**সতৰামঃ** যি অসমীয়া প্ৰজাই, যি অসমীয়া সৈন্যই সোতৰবাৰকৈ পৰাক্ৰমী মোগল সেনাক অসমৰ পৰা বাজ উলিয়াই খেদাই দিছিল, আজি এমুঠি মোৱামৰীয়াৰ বিদ্ৰোহ দমন কৰিবলৈ অসমীয়া সৈন্যৰ অভাৱ, সেনাপতিৰ অভাব, অস্ত্ৰ-শস্ত্ৰৰ অভাব, আজি বুঢ়াগোহাঁই ডাঙৰীয়াই মোৱামৰীয়া বিদ্ৰোহ দমাবৰ কাৰণে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ বগা

বঙালৰ ওচৰত আঁঠু লৈ ঘৰৰ মজিয়ালৈ শত্ৰু মাতি আনি মোৰ অসম আইৰ লঘু লাঞ্ছনা কৰিলে। ইয়াতকৈ অসমীয়াৰ লাজ আৰু দুখৰ কিবা কথা আছেনে? [সপ্তম দৃশ্য]

ঊনবিংশ শতিকাৰ শেষ দশকত ৰচনা কৰা পদ্মেশ্বৰ নাওবৈছা ফুকনৰ *অসম বুৰঞ্জীত* লিখা আছেঃ ‘বিচাৰক সকলে ভূতৰ পুতেক সতৰামক সুধিলে, পূৰ্ণানন্দ ৰাজমন্ত্ৰি বুৰাগোহাই ডাঙ্গৰিয়াক তোমালোকে কিয় মৰোৱাব খুজিছিলা। হয় দেও মৰোয়াব খুজিছিলো বুলি কবুল কৰাত, গুৰুতৰ ৰাজদণ্ডৰ দোষী পোয়াত, ৰাজমাও আই কুঁৱৰি দেওয়ে কৈ পঠালে, বোলে ৰাজমন্ত্ৰি ডাঙ্গৰিয়াক কগৈ তাৰ প্ৰাণদণ্ড কৰিব নালাগে তাক বিষয় ভাঙ্গি, তাক দূৰৈ কৰি ৰখিয়া দি থৈ দিয়ক, এইদৰে কৈ পঠোয়াত, অভয়পুৰৰফালে থৈ দিছিল, কিছুদিনৰ পৰে অভয়পুৰীয়া হাজৰিকা মধু নজিৰৰ বাপেক নাথ হাজৰিকাৰ দ্বাৰা নগা পৰ্ব্বতৰ পৰা নগা অনোয়াই নগাৰ হতুৱা ভুতৰ পুতেক সতৰামক খোচোৱাই মৰোৱালে।’[২০]

*ৰাজদ্ৰোহী* নাটকখনত চন্দ্ৰকান্ত সিংহৰ প্ৰেয়সী আৰু কুঁৱৰী পদ্মাৱতী (পদুমী) চৰিত্ৰটিৰ মাজেদিও ৰজা আৰু ৰাজপৰিয়ালৰ প্ৰতি ঘৃণা আৰু বিদ্ৰোহ প্ৰকাশ কৰিছে। পদ্মাৱতী বা পদুমী চৰিত্ৰটিক লাঞ্ছিত-শোষিত সৰ্বসাধাৰণ শ্ৰেণীটোৰ প্ৰতিনিধি ৰূপত দেখুৱাবলৈ নাট্যকাৰ বুৰঞ্জীৰ পৰা কিছু আঁতৰি আহিছে। লীলা গগৈৰ *বেলি মাৰ গ'ল* গ্ৰন্থত চৰিত্ৰটিৰ বিষয়ে লিখিছেঃ ‘পদ্মাৱতী বেঙনাঅটীয়া ভকতৰ ছোৱালী। কুন্দত কটা গঢ়, জুই বৰষা ৰূপ, খোজত উৰ্বশীৰ লাস্য, মাতত বীণাৰ মাধুৰ্য্য, প্ৰথম দৰ্শনতে মোহ গ'ল ৰজা, চন্দ্ৰকান্ত। নাচনী কৰি আনি কাৰেঙৰ লিগিৰী পাতিলে।....ৰাজমন্ত্ৰী বুঢ়াগোহাঁই আৰু ডা-ডাঙৰীয়াক অমান্য কৰি চন্দ্ৰকান্ত সিংহই লিগিৰীক পৰ্বতীয়া কুঁৱৰী পাতিলে। সামান্য ভকতৰ নাচনী ছোৱালীক পূৰ্ণানন্দই সেৱা নকৰিলে। ক্ষুন্ন হ'ল পৰ্বতীয়া কুঁৱৰী। মোহগ্ৰস্থ ৰজা আৰু সৎৰামক প্ৰৰোচিত কৰিলে।’[২১] *ৰাজদ্ৰোহী* নাটকত পদ্মাৱতী বা পদুমী সতৰামৰ বিদ্ৰোহৰ সহযোগী-সহযাত্ৰী হৈছে। চন্দ্ৰকান্ত ৰজাক ৰূপ-যৌৱন আৰু নৃত্যৰে মুগ্ধ কৰি হাতৰ মুঠিত ৰাখি বুঢ়াগোহাঁই আৰু ৰাজমাওৰ বিৰুদ্ধে কৌশলেৰে উচতাবলৈ চেষ্টা কৰিছেঃ

**চন্দ্ৰকান্ত ঃ** কিহৰ ভয় পদুমী; কালৈ ভয়?

**পদুমী ঃ** সকলোলৈকে।

**চন্দ্ৰকান্ত ঃ** মই সকলোৰে চকু ঘিলা কঢ়াম। নচচা শূলত দিয়াম। মোৰ পদুমীক কোনে ভয় খুৱাইছে কোৱা—আজিয়েই, এতিয়াই মই সিঁহতক ধৰাই আনি লোৱা লগোৱাম।

**পদুমী ঃ** পাৰিব জানো স্বৰ্গদেউ? বুঢ়াগোহাঁই দেউতা, ৰাজমাও দেউতা এই সকলে বাধা দিলে আপুনি জানো কিবা কৰিব পাৰিব?

**চন্দ্ৰকান্ত ঃ** কিয় নোৱাৰিম ? মই কাকো নামানো। মই কালৈকো ভয় নকৰো।.............[প্ৰথম দৃশ্য]

বুঢ়াগোহাঁইয়ে সতৰামৰ বিচাৰ লওঁতে পদ্মা বা পদুমীয়ে চিএঙৰি চিএঙৰি ৰাজঘৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ কথা বুঢ়াগোহাঁইক স্বীকাৰ কৰিছেঃ ‘আৰু ময়ো আছিলো ডাঙৰীয়া, মই বেঙেনাআটিৰ নাচনী পদুমী, স্বৰ্গদেৱৰ কুঁৱৰী পদ্মাৱতী।’[সপ্তম দৃশ্য] এনেদৰেই নাট্যকাৰ মালিকে বুৰঞ্জীৰ সতৰাম চৰিত্ৰৰ দৰে পদুমী (পদ্মাৱতী) চৰিত্ৰৰো নতুন ব্যাখ্যা দি নাটকখনৰ এটি ৰাজদ্ৰোহী নাৰী চৰিত্ৰলৈ ৰূপান্তৰিত কৰিছে।[২২]

*ৰাজদ্ৰোহী* নাটকখনত Comic relief দিবলৈ সক্ষম হোৱা এটি উল্লেখযোগ্য সৃষ্টিশীল চৰিত্ৰ হ'ল মেমেধু। মেমেধু চৰিত্ৰত ছেক্সপীয়েৰৰ নাটকৰ ফুল (Fool) আৰু ক্লাউন (Clown) চৰিত্ৰৰ লক্ষণ নিহিত আছে। বেজবৰুৱাৰ *জয়মতী কুঁৱৰী* (১৯১৫) নাটকৰ খুহুতীয়া শৰ্মা পণ্ডিত, *বেলিমাৰ* (১৯১৫) নাটকৰ ভুমুক বহুৱা, জ্যোতিপ্ৰসাদৰ *কাৰেঙৰ লিগিৰী* নাটকৰ বপুৱাৰ সমপৰ্যায়ৰ এটি চৰিত্ৰ বুলি ক'ব পৰা যায় মেমেধুক। কথাই কথাই ফকৰা-যোজনা আৰু গীত-মাতেৰে চৰিত্ৰটিৰ আপাতঃ বহুৱালিৰ অন্তৰালত ৰাইজ আৰু ৰজাঘৰৰ প্ৰতি ক্ষুৰধাৰ সমালোচনা আছে।

**মেমেধু ঃ** আমি হ'লো গাঁতৰ কেঁচু। নোলালে নোলাও, ওলালে আৰু নোভতো। অলপ ফুৰি-মেলি দেশৰ বুজ-বাজ লৈ আহিলো। বোলে—

পূবে দেখিলো সূৰুযৰ পোৱালি
ভাটিত দেখিলো জোন,
শহুৰৰ পদূলিত দেখি থৈ আহিলো,
আমাৰে মাজুটি সোণ।

**পদুমী ঃ** ক'তনো ৰণ লাগিছে যে তোক চোৰাংচোৱা পাতি পঠাইছিল?

**মেমেধুঃ** ৰণহে নাইনে? আমাৰ বুঢ়াগোহাঁই দেউতাই সকলোতে ৰণহে দেখে। বোলে—

ঢেকীৰ হ'ল কুঁহকুঁহীয়া,
গাঢ়িশলি জ্বৰ।
ঠোৰাই বোলে মোৰ শনিপাত,
সাবটি মাৰি ধৰ। [প্ৰথম দৃশ্য]

**দুৰৰীঃ** পিছে, ৰাইজখনে বোলে কিবা দোৱোহৰ পাং পতিছে কিবা গম পাৰ নে?

**মেমেধু ঃ** কোনেনো নাজানে হেৰ? বোলে—

পৰ্বতৰ ওপৰৰ জুই দেখি
সাগৰৰ লাগিল চিতা,
ফেঁটী গোমৰ বিষ সোৱাদ লাগিল

ভেকুৰিগুতি তিতা!

দূৰৰ কথা যে, সুধিছ, ঘৰতে তং নকৰ কিয়? বোলে কঁকালতে কাঁচি, বুঢ়ী ফুৰে নাচি। দাঁত আটাইবোৰ নাই, নহলে বৰ হাঁহিলোহেঁতেন।

খোপাৰে কেতেকী গোন্ধায়
বৰকলা হাবিত কাঁইটনি ভাঙি,
কেতেকী বিচাৰি যায়।

থ' থ' মোৰ পৰা কথা উলিয়াব নালাগে, যাওঁ। মাতষাৰহে লগালো, নহলে কথাষাৰ বুকত লাগি থাকে অ'।

[তৃতীয় দৃশ্য]

মুঠতে, ইতিহাসৰ ঘটনাৰ নতুন মূল্যায়ন, চৰিত্ৰৰ নতুন ব্যাখ্যা, নাট্যদৃশ্য পৰিকল্পনাৰ পৰিমিতিবোধ, সংলাপ ৰচনাত যুগোপযোগী ভাষা প্ৰয়োগ আৰু পৰিৱেশ সৃষ্টিৰে মালিকৰ *ৰাজদ্ৰোহী* নাটকখনে স্বাধীনতা-পৰৱৰ্তীকালৰ অসমীয়া ঐতিহাসিক নাটকৰ গভীৰতা আৰু আয়তন বৃদ্ধি কৰিলে বুলি নিৰ্দ্ধিধাই ক'ব পৰা যায়। ❑

**প্ৰসংগ-সূত্ৰ আৰু টোকাঃ**


১. নিকুমণি হুচেইন (সম্পা.), *চৈয়দ আব্দুল মালিকৰ অপ্ৰকাশিত ৰচনাৱলী আৰু ডায়েৰী*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী,২০০৮, পৃ.২৪১
২. *Syed Abdul Malik*, Sahitya Akademi,2011. P. 54
৩. *Complete Works of William Shakespeare*, OXFORD, (New Delhi) & IBH, (Kolkata), 1980, P. 983
৪. নিকুমণি হুচেইন( সম্পা.), পূৰ্বোল্লিখিত, পৃ-.২৪১-২৪২
৫. *চৈয়দ আব্দুল মালিক ৰচনাৱলী*, ৩ য় খণ্ড,১৯৯৯ পৃ.৪০৪
৬. উল্লিখিত, পৃ.৪০৩
৭. সাধন কুমাৰ ভট্টাচাৰ্য, *নাট্যতত্ত্ব মীমাংসা*, তৃতীয় মুদ্ৰণ, ১৯৯৪, পৃ.৪৬৫-৪৬৬
৮. *অসমীয়া নাট্য সাহিত্য*, ৫ ম সংক. ১৯৮৬, পৃ.২৯৬
৯. *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*, ১৯৬৮, পৃ.৫২৪
১০. নগেন শইকীয়া (সম্পা), মণিৰাম দেৱানৰ *বুৰঞ্জি বিবেকৰত্ন* (দ্বিতীয় খণ্ড), ডিব্ৰুগড় বিশ্ববিদ্যালয় ২০০২ চন, পৃ.২০৯
১১. *আসাম বুৰঞ্জী*, ৪ ৰ্থ প্ৰকাশ ,২০০৮, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, পৃ.১০৩
১২. পদ্মনাথ গোহাঞিবৰুৱা, *অসমৰ বুৰঞ্জী*, ৩য় প্ৰকাশ, ২০০৪, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, পৃ.১০১
১৩. লক্ষ্মীনাথ তামুলী (সম্পা.) নাওবৈছা ফুকনৰ *অসম বুৰঞ্জী*, দ্বিতীয় প্ৰকাশ, ২০০৭, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,পৃ.১৬৪-১৬৫
১৪. *A History of Assam*, 4th Reprint, 2008, Surjeet Publication, Delhi, P .230
১৫. *আহোমৰ দিন*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ৩ য় প্ৰকাশ, ২০০৩, পৃ.২৯৩
১৬. *ইতিহাসে সোঁৱৰা ছশটা বছৰ*, বনলতা, ডিব্ৰুগড়, দ্বিতীয় সংস্কৰণ, ২০১৩, পৃ.৫৭৬
১৭. লীলা গগৈ, *বেলি মাৰ গ'ল*, বনলতা ১ম সংস্কৰণ, ২০০৪, পৃ.১৫২
১৮. পদ্মনাথ গোহাঞিবৰুৱা, পূৰ্বোল্লিখিত, পৃ.১০৩-১০৪
১৯. পৰমানন্দ মজুমদাৰ (সংক) *আৱাহন*, ১০ খণ্ড, অসম প্ৰকাশন ৰিষদ, গুৱাহাটী, ২০১৮, পৃ.৮৬২
২০. লক্ষ্মীনাথ তামুলী (সম্পা.) পূৰ্বোল্লিখিত, পৃ. ১৭৫
২১. লীলা গগৈ, পূৰ্বোল্লিখিত, পৃ.০৫

২২. উল্লেখযোগ্য যে, স্বাধীনতা-পৰৱৰ্তী সুদীৰ্ঘ পোন্ধৰ বছৰৰ নিৰৱতা ভংগ কৰি যিখন উপন্যাসে, অসমীয়া ঐতিহাসিক উপন্যাসৰ গতিধাৰাত প্ৰথম শক্তিশালী স্থান দখল কৰিলে সেইখন হ'ল পদ্ম বৰকটকীৰ *কোনো খেদ নাই* (১৯৬৩)। উপন্যাসখন আহোম ৰজা শিৱসিংহৰ ৰাজত্বকালৰ মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত ৰচনা কৰিছে। এই উপন্যাসত সাধাৰণ গাঁৱলীয়া ছোৱালী ফুলমতী-পৰৱৰ্তীকালত স্বৰ্গদেউ শিৱসিংহৰ কুঁৱৰী-আৰু অৱশেষত বৰৰজা ফুলেশ্বৰী কুঁৱৰী হৈ আহোম সিংহাসনৰ ৰাজদণ্ড তুলি লৈছিল। ঔপন্যাসিক বৰকটকীয়ে ফুলমতী অৰ্থাৎ ফুলেশ্বৰী কুঁৱৰী চৰিত্ৰটোৰ নতুন ব্যাখ্যা দি গণ-জাগৰণৰ জন্মদাত্ৰী এটি বিদ্ৰোহী চৰিত্ৰ ৰূপে উপস্থাপন কৰিছে। মালিকৰ *ৰাজদ্ৰোহী* নাটকৰ পদুমী বা পদ্মাৱতী চৰিত্ৰটো এই উপন্যাস প্ৰকাশৰ ছবছৰৰ পূৰ্বেই এনে দৃষ্টিভংগীৰে উপস্থাপন কৰাৰ প্ৰচেষ্টা গুৰুত্বপূৰ্ণ। মৃত্যুৰ পূৰ্বে *কোনো খেদ নাই* উপন্যাসৰ ফুলেশ্বৰীয়ে স্বৰ্গদেউ শিৱসিংহক কৈছেঃ *'মোৰ কোনো খেদ নাই, তুমি ইচ্ছা মতে হাঁহিব পাৰা। হে স্বৰ্গদেৱ, হাঁহা।.......আনৰ কষ্ট দেখিলে ৰজাই হাঁহিব পাৰে বুলি মই জানো। এই পেটত থকা তোৰ সন্তান মৰিছে; মই আনন্দ পাইছোঁ। আৰু তোক কৈ যাওঁ—মই জন্ম দি গৈছোঁ এক জাগৰণৰ, যি জাগৰণে তোৰ নিচিনা ৰজাক নেলু টিপি মাৰি ৰাইজ ৰজা হ'ব।'* (বনলতা সং. ২০০৯, পৃ.৭৬)

[ * এই প্ৰবন্ধত মালিকৰ নাটকৰ সংলাপসমূহৰ সকলো পাঠৰ উদ্ধৃতি ১৯৯৯ চনত প্ৰকাশিত *চৈয়দ আব্দুল মালিক ৰচনাৱলী* গ্ৰন্থৰ তৃতীয় খণ্ডৰ পৰা আহৰণ কৰা হৈছে। ]

# ছপা আখৰৰ প্ৰথমটো অসমীয়া কবিতা আৰু কামৰূপী ভাষাৰ প্ৰথমটো ছপা কবিতা



✍ পংকজ গোবিন্দ মেধি
বিশিষ্ট সাহিত্যিক, নলবাৰী

### ।। ছপা আখৰৰ প্ৰথমটো অসমীয়া কবিতা ।।

ছপা আখৰৰ প্ৰথমটো অসমীয়া কবিতা কানিৰ বিবৰন। মহেশ্বৰ নেওগদেৱে কবিতাটোক পদ্য ৰূপে স্বীকৃতি প্ৰদান কৰা নাই। কবিতাটোৰ প্ৰথম চোৱাত নিসন্দেহে পদ্যৰ আভিধানিক অৰ্থ আৰু ব্যাকৰণ মানি চলা হোৱা নাই। কথাংশত মিত্ৰাক্ষৰ ছন্দ আছে, প্ৰতি দুফাঁকিৰ শেষৰ আখৰ নিশ্চয়কৈ মিলিছে; কিন্তু দুফাঁকি বাক্যৰ প্ৰতি ফাঁকিত চৈধ্যতা বৰ্ণ নাই। অৰ্থাৎ কানিৰ বিৱৰণৰ প্ৰথম অংশ পদ্য নহয়। ছন্দ মিলাই লিখিলেই পদ্য বুলি স্বীকৃত হ'লে অৱশ্যে কথা সুকীয়া, কিন্তু সেয়া আজিৰ কবিতাৰ প্ৰসংগত মানি ল'ব নোৱাৰি। কবিতাটো এনে ধৰণৰ — 'অতি মন্দ বস্তু কানি,/জি খাই বৰ অগিয়ানি,/সঞ্চিত বস্তু হই তাৰ হানি,/মুখে কই কটু বানি।/সকল লোকে থাকে জানি;/কানি খাই মন্দ প্ৰানি;/সিন হই সংসাৰত গিয়ান,/কথাই তাৰ অপ্ৰমানি।

মহেন্দ্ৰ বৰাদেৱে অসমীয়া ছন্দৰ উপকৰণ শীৰ্ষকেৰে লিখিছে — 'ধ্বনিৰ ঐক্যৰ ওপৰত নিৰ্ভৰশীল বৈচিত্ৰ্যৰ সমাবেশেই ছন্দ। কোনো ঐক্যসূত্ৰৰ অবিহনে ছন্দ সম্ভৱপৰ নহয়। কিন্তু কেৱল ঐক্যসুত্ৰ থকাটোৱেই ছন্দৰ পক্ষে যথেষ্ট নহয়। বৈচিত্ৰ্যহীন ধ্বনিৰ পৰ্যাৱৰ্ত একেসুৰীয়া আৰু নিস্প্ৰাণ হ'বলৈ বাধ্য। তাৰে পদ্য লিখিব পাৰি, কবিতা লিখিব নোৱাৰি।' (বৰা, মহেন্দ্ৰ; অসমীয়া কবিতাৰ ছন্দ, ২০০৮, পৃষ্ঠা ১)। মহেন্দ্ৰ বৰাই ছন্দৰ ওপৰত ভিত্তি কৰিয়ে কবিতা আৰু পদ্যৰ বিভাজন ঘটাইছে। অৰ্থাৎ কবিতাৰ ক্ষেত্ৰত বৈচিত্ৰপূৰ্ণ ধ্বনিৰ প্ৰতিফলনৰ প্ৰয়োজন পদ্যৰ বাবে অপ্ৰয়োজনীয়। আজি আমি যিবিলাক কবিতাক আধুনিক কবিতা বুলি কওঁ সেই সকলো বিলাক কবিতাত বৈচিত্ৰপূৰ্ণ ধ্বনি সঁচাকৈয়ে উপলদ্ধ হৈছে বুলি কোন সতেৰে ক'ব পাৰি জনা নাযায়। উক্ত কবিতাসমূহত আনুভূতিক ছন্দও নাথাকে আৰু মিত্ৰাক্ষৰ ছন্দও দেখিবলৈ পোৱা নাযায়। পদ্য বুলিবলৈ প্ৰতি ফাঁকিত চৈধ্যতা আখৰ উপলদ্ধও নহয়। তেনেহ'লে সেইবোৰক পদ্যও বুলিব নোৱাৰি আৰু কবিতাও বুলিব নোৱাৰি। তেনেহ'লে অকৱিতাৰ ধাৰণাৰ তাতেই উদ্ভৱ হৈছে বুলি ক'ব পাৰি নেকি। একবিংশ শতিকাৰ প্ৰথম দশকত অসমীয়া কাব্য সাহিত্যত 'অকবিতা'ৰ ধাৰণা উদ্ভৱ হ'লেও 'অকৱিতা' কোনবোৰ কবিতাক কোৱা হ'ব তাৰ ব্যাকৰণিক বিশ্লেষণ দেখিবলৈ পোৱা হোৱা নাই।

মহেশ্বৰ নেওগদেৱে অৰুনোদই সম্পাদনা কৰাৰ সময়ত অৰুনোদই প্ৰকাশ হোৱাৰ নিৰ্দিষ্ট সময় খিনিক ধৰি ৰখাৰ প্ৰয়াস নকৰি কেইবাটাও কবিতাক 'পদ্য'ৰূপে স্বীকৃতি নিদিলে। অৰুনোদই সম্পাদনা কৰা উনৈশ শতিকাৰ আশী দশকৰ সময়কাল আৰু তাৰো আগৰ শতিকাৰ পঞ্চাশৰ দশকৰ কবিতাৰ চিন্তাৰ মাজত ব্যাপক পাৰ্থক্য আছিল। অৰুনোদইৰ পাতত সেয়া প্ৰতিফলিত হৈছে। নিধি লিবাই ফাৰোৱেল আৰু সমসাময়িক কবি সকলে সুযোগ সুবিধা পালেই কবিতাৰ চিন্তা-চৰ্চা গদ্যৰ মাজত অন্তৰ্ভূক্ত কৰাৰ যত্ন কৰিছিল। তেওঁলোকে তেওঁলোকৰ

লেখা হয় কবিতাৰে আৰম্ভ কৰিছিল অথবা গদ্যৰ মাজত কবিতা সুমুৱাই দি কাব্য ক্ষুধা নিবৃত্ত কৰিছিল। তেওঁলোকৰ সেই কাব্য প্ৰয়াসক আজি নঞৰ্থক বুলি ক'লে অথবা স্বীকৃত কৰা নহ'লে অসমীয়া কবিতাৰ কাব্য পৰিক্ৰমাক অবহেলা কৰা সুচাব। কৰবী ডেকা হাজৰিকাৰ **এহেজাৰ বছৰৰ অসমীয়া কবিতা** শীৰ্ষক কবিতা সংকলনত **অৰুনোদই** কালৰ বহু আগৰ কাব্যগন্ধী লেখাক কবিতাৰ অনুক্ৰমত সজোৱা হৈছে। সেই সূত্ৰত **অৰুনোদই**ৰ কবিতাক অযোগ্য বুলি কোৱাতকৈ প্ৰশংসনীয় প্ৰচেষ্টা বুলি কোৱাহে সমীচিন নহ'ব। একেটা অৰ্থতেই **অৰুনোদই**ৰ একত্ৰিত সংকলনত মহেশ্বৰ নেওগদেৱৰ আলোচনাৰ সংযুক্তিত সহমত হোৱাৰ অৱকাশ নাই।

**অৰুনোদই**ৰ কবিসকলৰ বা এক অৰ্থত পদ্যকাৰসকলৰ এটা বিশেষ লক্ষণ আছিল। তেওঁলোকৰ এক অংশই কবিতা আৰু গদ্যৰ মাজত সম্পৰ্ক ৰক্ষা কৰি আগবাঢ়িছিল। আগতেই উল্লেখ কৰা হৈছে যে তেওঁলোকৰ অনুভূতিৰ দীনতা আছিল কিন্তু প্ৰয়াসৰ ত্ৰুটি নাছিল। তেওঁলোকে অসমীয়া কবিতাৰ এটা প্ৰচ্ছায়াৰ প্ৰতিনিধিত্ব কৰিছিল আৰু অসমীয়া কবিতাৰ প্ৰাৰম্ভিক কালৰ যোগসূত্ৰ বিচাৰ কৰিবলৈ গৈ সেই প্ৰয়াসক উলংঘা কৰিলে অসমীয়া কবিতাৰ যাত্ৰা ক্ষতিগ্ৰস্ত হোৱাৰ সুযোগ বেছি। কাব্য আৰু গদ্যৰ সংযুক্তিৰে তেওঁলোকে তেতিয়াৰ অসমীয়া কবিতাক এক অনন্য মাত্ৰা দিয়াৰ বিশ্লেষণেৰে আজিৰ সমালোচক সকল আগবাঢ়িলে **অৰুনোদই**ৰ কবিতাত ধনাত্মক দিশ উন্মোচন হোৱাৰ সহায়ক হ'ব বুলি বিবেচনা কৰিব পৰা যায়।

**কানিৰ বিবৰন**ৰ প্ৰথম অংশৰ পিচৰ গদ্যাংশ কাহিনীমূলক আৰু উপদেশ বিষয়ক। কোৱা নিস্প্ৰয়োজন যে কবিতাটোত পদ্যাংশ অথবা গদ্যাংশ হিচাপে কোনো শ্ৰেণী বিভাজন কৰা হোৱা নাই। পদ্য আধ্যাত চাৰিশাৰীকৈ বাক্যৰে ছটাকৈ খণ্ড আছে। কবিতাৰ ক্ষেত্ৰত শব্দৰ প্ৰয়োগে আনুভূতিক চেতনা প্ৰকাশ কৰে আৰু পাঠকৰ তন-মন চুই যায়। এই খণ্ডটোৰ উল্লেখযোগ্য শব্দটো হৈছে **ক্ৰিতাঞ্জলি**। বাকী খণ্ড কেইটাত তেনে বিশেষ কোনো কাব্যিক চেতনা প্ৰকাশক উদ্বুদ্ধ শব্দ নাই, কিন্তু বিষয় ভিত্তিক উদ্দেশ্য সিদ্ধ কৰাৰ বাবে কাব্যিক লয় আছে — 'কানি আদি ৰাগি বস্তু খালে এই গুণ,/সমস্ত সংসাৰৰ প্ৰানি মন দি সুন,/জানি জত্নে এৰা অতি মন্দ কানি,/ইস্বৰ আগ্যা সিৰে ধৰা, এই প্ৰিয় বানি।' কবিতাটো সামাজিক সচেতনতাৰ ধাৰণাৰে পুষ্ট। গদ্যাংশ বাদ দি সম্পূৰ্ণ কবিতাটো এনে ধৰণৰ —

## কানিৰ বিবৰন

**বাতিৰাম দাস পেক**

অতি মন্দ বস্তু কানি,
জি খাই বৰ অগিয়ানি,
সঞ্চিত বস্তু হই তাৰ হানি,
মুখে কই কটু বানি।

সকল লোকে থাকে জানি,
কানি খাই মন্দ প্ৰানি,
সি ন হই সংসাৰত গিয়ানি,
কথাই তাৰ অপ্ৰমানি।

অতি প্ৰিয় বন্ধু লোক সুনা কৰ্ণ ভৰি,
মই নিবেদন কৰো ক্ৰিতাঞ্জলি কৰি,
কানি, ভাঙ্গ, ফটিকা, এই সকলো নষ্ট,
তাক জি জি লোকে খাই অতি পাই কষ্ট।

অল্প অল্প কৰি খাই নু গুনে মনত,
পিচে হাত লগাই তাৰ সঞ্চিত ধনত,
একো লাভ নে পাই, তাৰ ৰাগি থাকে ধৰি,
বন বাৰি ন কৰি কেৱল থাকে পৰি।

এই ৰুপে খাঁওতে খাঁওতে ধনৰ পৰে ওৰ,
একো উপাই নে পাই পিচে হই মাথোন চোৰ,
অনেক অমৰ্জতা কৰি লৈ জাই ধৰি,
অতি দুখে থাকে পিচে কইদত পৰি।

কিচু দিন থাকে তাতে অতি দুখ পাই,
অনেক খাই প্ৰাণে মৰি জাই,
পৰকালে গতি তাৰ কি হব বিলাই,
অনন্ত নৰকে পৰি কৰে হাই হাই।

কানি আদি ৰাগি বস্তু খালে এই গুন,
সমস্ত সংসাৰৰ প্ৰানি মন দি সুন,
জানি জত্নে এৰা অতি মন্দ কানি,
ইস্বৰ আগ্যা সিৰে ধৰা, এই প্ৰিয় বানি।

প্ৰিথিবিত গিয়ানি হবা, পাবা সন্তৰ সঙ্গ,
প্ৰেমে প্ৰভুৰ গিত গোআ মনে কৰা ৰঙ্গ,
মৰনতো নাই ভই জানিবা নিচই,
অনন্ত ঐস্বৰ্জ সুখ পাবা স্বৰ্গে জাই।

### ।। কামৰূপী ভাষাৰ প্ৰথমটো ছপা কবিতা ।।

কামৰূপী কথিত ভাষাত কবিতা ৰচনাৰ ইতিহাস পুৰণি হ'লেও অসমীয়া ভাষাৰ উৎপত্তি হোৱা ভাষাৰ এই ৰূপটোত

কাব্য-চৰ্চা সঞ্চালনিকৈ হোৱা দেখা পোৱা নাযায়। খ্ৰীষ্টাব্দ ষষ্ঠ শতিকাৰ পৰা দ্বাদশ শতিকালৈ কামৰূপী ভাষাই তেতিয়াৰ কামৰূপৰ কথন-চয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। চৰ্যাপদ সমূহো ৰচনা হৈছিল সেই সময়তেই। চৰ্যাপদত প্ৰাচীন কামৰূপী ভাষাৰ শব্দৰ ব্যৱহাৰৰ প্ৰাচুৰ্য দেখিবলৈ পোৱা যায়। স্থানান্তৰত আলোচনা কৰি অহা হৈছে যে প্ৰাচীন কামৰূপী ভাষাৰ পৰিৱৰ্ধিত আৰু পৰিমাৰ্জিত ৰূপ আজিৰ অসমীয়া ভাষা।

উনবিংশ শতিকাত অসমীয়া ভাষাত কবিতা ৰচনাৰ লগতে কামৰূপী কথিত ভাষাত কবিতা ৰচনাৰ এটা প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অৱশ্যে এই প্ৰক্ৰিয়াৰ উত্থান বিভিন্ন কাৰণত সম্ভৱপৰ নহ'ল। বিংশ শতিকাতো দুই চাৰিটা এনে উদাহৰণ পোৱা যায়। দৰাচলতে বিংশ শতিকাত কথিত ভাষাত ৰচনা কৰা ন্যূনতম সংখ্যক কবিতাসমূহক কামৰূপীয়া ভাষাৰ কবিতা বুলি কোৱাতকৈ নলবৰীয়া ভাষাৰ কবিতা বুলি কোৱাহে যুগুত হ'ব। (সাদিন, ২০ জুলাই, ২০০১, পৃষ্ঠা ১৯ দ্ৰষ্টব্য)।

কামৰূপী কথিত ভাষাত ৰচিত প্ৰথমখন গ্ৰন্থ হিচাপে গোপীনাথ চক্ৰৱৰ্তীৰ **ৰাধাৰ কলঙ্ক ভঞ্জনৰ** কথা উনুকিয়াব পাৰি। গ্ৰন্থখন সম্পৰ্কে আলোচক সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে — 'গোপীনাথ চক্ৰৱৰ্তীৰ ৰচনাত কামৰূপীয়া কথিত ভাষাৰ প্ৰভাৱ সুস্পষ্ট আৰু ৰুচিবোধো বৰ পৰিমাৰ্জিত নহয়। প্ৰাচীন ৰীতিত লিখা এই সুঁতিটো অতি ক্ষীণ, দুৰ্বল আৰু গতিহীন। ইয়াক এক প্ৰকাৰ বন্ধ পানীৰ লগত ৰিজাব পাৰি। (শৰ্মা, সত্যেন্দ্ৰনাথ; অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত; আগষ্ট, ২০০০; পৃষ্ঠা ২৬১)। গ্ৰন্থখন সম্পৰ্কে লক্ষ্মীনাথ বেজবৰুৱাৰ আলোচনা উনুকিয়ালে সত্যেন্দ্ৰনাথ শৰ্মাৰ এই বক্তব্য পক্ষপাতমূলক আৰু উপলুঙাসূচক বুলি ভাবিবৰ থল আছে। অন্যথা লক্ষ্মীনাথ বেজবৰুৱাৰ মন্তব্য তৈলমৰ্দক হিচাপে বিবেচিত হ'ব। গ্ৰন্থখন সম্পৰ্কে বেজবৰুৱাই লিখিছে — 'উদাৰহৃদয় কালিৰাম বৰুৱাৰ দ্বাৰা প্ৰকাশিত **ৰাধিকাৰ কলঙ্ক ভঞ্জন** কিতাপখনি পঢ়ি আমি মুগ্ধ হওঁ। তেনেকুৱা ৰচনা মোহাৰি মাৰিবলৈ যোৱাটো ভাল নে? (বেজবৰুৱা, লক্ষ্মীনাথ; বাঁহী, ২য় বছৰ ২য় সংখ্যা, পুহ, ১৮৩২, পৃষ্ঠা ৮৩)।

কামৰূপৰ কথিত ভাষাটোক বেজবৰুৱাই 'কামৰূপী ভাষা' বুলি অভিহীত কৰিছে। কামৰূপী ভাষা আৰু লিখিত ৰূপৰ অসমীয়া ভাষাৰ মাজত প্ৰৱৰ্তিত হৈ থকা দ্বন্দ্ব বেচ পুৰণিকলীয়া। তাৰ মাজেৰেই অসমীয়া সাহিত্যত উজনি-নামনিৰ ভাষাৰ অঁৰিয়া-অঁৰিৰ এখন ছবি বাঁহীৰ পাতত দেখিবলৈ পোৱা যায়। **কামৰূপী কবিতাৰ** আলোচনা কৰিবলৈ গ'লে সেই অঁৰিয়া-অঁৰিৰ বুৰঞ্জীখনৰ বকলা মেলাৰ প্ৰয়োজন আছে। লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত — **বাঁহীৰ সাহিত্য-সম্বন্ধীয়া অৰিয়াঅৰি।** (হেমকোষৰ একাদশ সংস্কৰণ, ২০০০, পৃষ্ঠা ৫০ত 'অৰিয়াঅৰি' লিখাৰ বিপৰীতে চন্দ্ৰকান্ত অভিধানৰ চতুৰ্থ সংস্কৰণ; ২০১২ চন, পৃষ্ঠা ৪৪ত 'অৰিয়া-অঁৰি' ব্যৱহাৰ কৰা হৈছে, )। **বাঁহীৰ সাহিত্য-সম্বন্ধীয়া অৰিয়াঅৰি** শিৰোনামাৰে বেজবৰুৱাই বাঁহীত আবেদন জনাইছিল — 'আজিৰ পৰা এমাহৰ ভিতৰত যিসকলে আমালৈ কামৰূপীয়া ভাষাত লেখি গল্প পঠিয়াব, তেওঁলোকৰ ভাষাত যাৰ গল্পটো এটাইতকৈ ভাল হ'ব, তেওঁক আমি সংস্কৃত **শব্দকল্পদ্ৰুম** নাইবা **হেমকোষ** অভিধান এখন বঁটা দিম। বিচাৰৰ ভাৰ আমাৰ হাতত থাকিল।' (বাঁহী, প্ৰথম বছৰ দশম সংখ্যা, পৃষ্ঠা ৩২৮)। বেজবৰুৱাৰ এই আবেদনে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। বাঁহীৰ পাতত আৰম্ভ হ'ল পত্ৰযুদ্ধ, অনুভূতিসম্পন্ন মনোজাগতিক যুদ্ধ।

তেনে সময়তে বাঁহীত ভোলানাথ দাসে লিখিলে **অসমীয়া হুজুগ** শীৰ্ষক এক ৰচনা। অসমীয়া ভাষা আৰু কামৰূপী ভাষাৰ সমিল-মিল স্থাপনেই আছিল সেই লিখাৰ উদ্দেশ্য। লিখাটোত দাসে লক্ষ্মীনাথ বেজবৰুৱাক সমৰ্থন কৰি উনুকিয়াইছে— 'কিন্তু অসমীয়া ভাষাত ঘাইকৈ উজনিৰ মাত-কথা থকাত নামনিৰ মাত-কথাৰ বহুত শব্দ, অইন কি, সুন্দৰ শুৱলা বচন, যোজোনা, ফকৰা, সাঁথৰ, বিয়াহ, আইনাম, ধাইনাম, বিয়াৰ নাম, সাধুকথা, ধেমেলীয়া কথা আদি লোপ পোৱাৰ খুব সম্ভৱ। কিয়নো যিবিলাক কথা ব্যৱহাৰ বা চৰ্চা কৰা নাযায় তাক সময়ত পাহৰা যায়। আসামত মাজতে বঙ্গালী ভাষা চলোৱাত আমাৰ বহুতে নিজৰ বহুত কথা পাহৰা বা নজনাৰ প্ৰমাণ এতিয়াই পোৱা গৈছে। গতিকে সেই শুৱলা নামনিৰ মাত-কথাৰ বচন বিলাক পুথিৰ আকাৰে প্ৰকাশ কৰিলে যে আমাৰ সাহিত্য-ভঁৰাল চহকী হব তাৰ কোনো ভুল নাই। সৰ্ব্বাংগসুন্দৰ ইংৰাজী ভাষাতো ওৱেলচ স্কচ ভাষাৰে (মাত-কথাৰে) লিখা পুথি আমি পঢ়িছোঁ। আৰু স্কচ কবি ৰবাৰ্ট বৰ্ণচৰ সাৰুৱা মধুৰ কবিতা পঢ়ি ইংৰাজী কবিতা পঢ়ি পোৱাৰ দৰে পৰম প্ৰীতি লভি আহিছোঁ। আমাৰ বোধেৰে দশম সংখ্যা "বাঁহী"ত ওলোৱা বাঁহীৰ সাহিত্য সম্বন্ধীয় অৰিয়াঅৰি জাননীখনি দুৰদৰ্শী সম্পাদকে মহৎ উদ্দেশ্যৰেহে দিছে। আৰু এনে মহৎ ভাব স্বদেশ স্বভাষীপ্ৰেমিকৰ মনত হে ঠাই পাব। যদি সম্পাদক ডাঙৰীয়া উজনীয়া নহৈ নামনিৰ মানুহ হলহেঁতেন তেওঁ আমাৰ আৰু শলাগৰ পাত্ৰ হলহেঁতেন।' আক্ষেপৰ সুৰত ভোলানাথ কাকতিয়ে লিখিছে — 'কিন্তু দুখৰ বিষয় কোনো কাকতৰ সম্পাদকে এই সজ উদ্দেশ্যত মাথোন ঠাট্টা বিদ্ৰূপৰ গোন্ধ পাইছে।'

উল্লেখযোগ্য যে বাঁহীৰ একেটা সংখ্যাতে কামৰূপীয়া ভাষাত এটা কবিতা প্ৰকাশ কৰা হয়। ছপা মাধ্যমত এইটোৱে প্ৰথম কামৰূপীয়া ভাষাৰ কবিতা। **হাঁ মোৰ কাপাল** শীৰ্ষক

কবিতাটোৰ ৰচক **শ্ৰীউমেশচন্দ্ৰ বৰুৱা**। পৰৱৰ্তী সময়ত এই কবিতাটো প্ৰকাশ কৰাকলৈও বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

কামৰূপীয়া ভাষাত ভাল গল্প লেখি সংস্কৃত **শব্দকল্পদ্ৰুম** নাইবা **হেমকোষ** অভিধান এখন বঁটা হিচাপে লাভ কৰাৰ বিপৰীতে এচাম লোকে বিজ্ঞাপনটোৰ ভাষাত সংকীৰ্ণতা দেখিবলৈ পালে। **কামৰূপীয়া নিভাঁজ "ধেকেৰী"** বুলি উল্লেখ কৰি **শ্ৰীউত্তমচন্দ্ৰ বৰুৱাই** বাঁহীৰ দ্বিতীয় বছৰ দ্বিতীয় সংখ্যাত লিখিলে **এজন অসমীয়া ডাঙৰীয়াৰ চিঠি** শীৰ্ষক প্ৰবন্ধ। উত্তমচন্দ্ৰ বৰুৱাৰ প্ৰতিক্ৰিয়া ইমানেই উষ্মাসম্পন্ন আছিল যে তেওঁ বাঁহী আলোচনীখনক তিৎকাৰী মাৰি লিখিছিল — 'আশাকৰোঁ মোৰ এই কথাখিনি আপোনাৰ সুবিখ্যাত বাঁহীত লৰচৰ নকৰাকৈ ঠাই দিব।' কামৰূপীয়া ভাষাৰ সপক্ষে যুক্তি দাঙি ধৰি প্ৰৱন্ধটোত বৰুৱাই লিখিছিল — 'আপোনাক কোৱা বাহুল্য যে বৰ্ত্তমানৰ "আসাম" নামটি আগৰ "কামৰূপৰ" ঠাইত ব্যৱহাৰ কৰা হৈছে, সেই কাৰণে "কামৰূপীয়া ভাষা" এতিয়া "অসমীয়া ভাষা" নামে অভিহিত হৈছে। মহাপুৰুষ শঙ্কৰদেৱ কিম্বা তৎপূৰ্ব্বকালৰ কবি সকলৰ ৰচিত প্ৰাচীন গদ্যপদ্যময় গ্ৰন্থসকলৰ ভাষা "কামৰূপীয়া" বুলিয়েই প্ৰখ্যাত আছিল। আৰু এতিয়াও আছে।' প্ৰৱন্ধটোৰ শেষত সম্পাদকে এটা টোকা দি লিখিছিল — 'এই প্ৰৱন্ধটো আমি অলপো লৰচৰ নকৰাকৈ ছপাইছোঁ। কোৱা বাহুল্য যে আমাৰ বিজ্ঞাপনৰ উদ্দেশ্য লিখকে ভুল বুজিছে।'

সম্পাদকীয় টোকাটোৰ উপৰিও আবেদনৰ সুৰত সম্পাদকে লিখিছিল — **আমাৰ নামনি-আসামৰ বন্ধুসকলৰ প্ৰতি**। তাত তেওঁ লিখিছিল — 'আমি শুনি দুখিত হৈছোঁ যে গত সংখ্যা বাঁহীত ওলোৱা **হাঁ মোৰ কাপাল** পদ্যটো পঢ়ি আমাৰ নামনি-আসামৰ বন্ধুসকলে বেজাৰ পাইছে। তেওঁলোকৰ বা আন কাকো বেজাৰ দিবৰ মনেৰে বা ইতিকিং কৰিবৰ মনেৰে তাক ছপোৱা নাছিলোঁ, অথবা অসমীয়া আৰু কামৰূপীয়া যে দুটা ভাষা সেইটো দেখুৱাবলৈও চেষ্টা কৰা নাছিলোঁ। আৰু কৰিমেই বা কিয়? ভাষা তো দুটা নহয়; অসমীয়া ভাষা মানেই কামৰূপীয়া ভাষা কামৰূপীয়া ভাষা মানেই অসমীয়া ভাষা। আমি আমাৰ জাননীখনত ভুলকৈ কামৰূপীয়া ভাষা নেলেখি নামনি আসামৰ মাত বা কথা লেখাহেঁতেনেই বোধকৰোঁ ইমানবোৰ জেঙা নালাগিলহেঁতেন। গত সংখ্যা বাঁহীত শ্ৰদ্ধাস্পদ ভোলানাথ কাকতিৰ প্ৰৱন্ধটো মন দি যি পঢ়িছে তেৱেঁই আমাৰ অভিপ্ৰায় বুজিছে। ভাটীৰ অসমীয়া কথাৰে কেনে একোটি সুন্দৰ কবিতা ৰচনা কৰিব পাৰি এই বাৰৰ **হা মোৰ হৰি** পদ্যটো পঢ়িলেই বুজা যায়। Dialectical Peculiarities ৰাখি একোটি ৰচনা লেখিলেই যে সেই Dialectঅক ইতিকিং কৰা হয় অথবা ঘাই ভাষাৰ প্ৰতিদ্বন্দী কৰি তাক থিয় কৰাবলৈ চেষ্টা কৰা হয় এইটো আমি সমূলি মানিব নোৱাৰোঁ। বৰ্ণ্চ্‌ৰ Burns কবিতাৰ উদ্দেশ্য ইংৰাজী ভাষাৰ বিপক্ষতাচাৰণ বুলি কোনেও বুজা কথা আমি নাজানো।' এইখিনিতে প্ৰণিধানযোগ্য যে লোকনিন্দাৰ আতিশয্যত বাঁহীৰ সম্পাদক লক্ষ্মীনাথ বেজবৰুৱাই **হা মোৰ হৰি** কবিতাটোক 'ভাটীৰ অসমীয়া কথাৰে' ৰচনা কৰা কবিতা বুলিলে।

কামৰূপীয়া ভাষাৰ কবিতাৰ বিষয়ে আলচ কৰিবলৈ লৈ বাঁহীৰ ওপৰোক্ত বাদ-বিবাদ উলাই কৰা নাযায়। এই বাদ-বিবাদৰ পৰা কেইবাটাও কথা স্পষ্ট হৈ পৰিছে। শ্ৰীউত্তমচন্দ্ৰ বৰুৱাই বাঁহীৰ দ্বিতীয় বছৰ দ্বিতীয় সংখ্যাত লিখা 'মহাপুৰুষ শঙ্কৰদেৱ কিম্বা তৎপূৰ্ব্বকালৰ কবি সকলৰ ৰচিত প্ৰাচীন গদ্যপদ্যময় গ্ৰন্থসকলৰ ভাষা "কামৰূপীয়া" বুলিয়েই প্ৰখ্যাত আছিল। আৰু এতিয়াও আছে।' কথা লানিক কোনেও অস্বীকাৰ কৰা নাই। সেই হেতুক বৰ্তমানৰ প্ৰজন্মৰ আলোচকৰ বাবে শংকৰদেৱৰ সাহিত্যৰ ভাষাৰ বিষয়ে আলোচনা কৰোতে 'শংকৰদেৱৰ সাহিত্যত কামৰূপীয়া ভাষাৰ প্ৰভাৱ' এক উল্লেখযোগ্য বিচাৰ্যৰ দিশ হ'ব পাৰে।

**হাঁ মোৰ কাপাল** কবিতাটোৰ ৰচক **উমেশচন্দ্ৰ বৰুৱা** ছদ্মনাম। তেওঁৰ প্ৰকৃত নাম ভুৱনচন্দ্ৰ বৰুৱা। পিতৃ ফটিকচন্দ্ৰ বৰুৱা। সদাগৰ ভোলানাথ বৰুৱাই পোষ্যপুত্ৰ ৰূপে গ্ৰহণ কৰাৰ পিচত তেওঁৰ নাম হয় বিশ্বনাথ বৰুৱা। কবি উমেশচন্দ্ৰ বৰুৱাৰ ১৯১৩ চনৰ ৭ নবেম্বৰৰ দিনাখন অকালতে মৃত্যু হয়। শংকৰাচাৰ্যৰ **নিৰঞ্জনাষ্টক** প্ৰৱন্ধবোৰ কাব্যৰূপেৰে তেওঁ **বাঁহীত** প্ৰকাশ কৰিছিল। চন্দ্ৰকুমাৰ আগৰৱালাই অনুদিত কাব্যৰূপৰ প্ৰৱন্ধৰ ওপৰত মন্তব্য কৰি লিখিছিল — 'এইবোৰ এনে সুন্দৰ যে মূল কবিতা যেনহে লাগে, অনুবাদ যেন নেলাগে।'

**হাঁ মোৰ কাপাল** কবিতাত কবিয়ে কামৰূপী ভাষাটোক পূৰ্ণ ৰূপত উপস্থাপনত বিফল হৈছে। কামৰূপী ভাষা ব্যৱহাৰ কৰা লোকৰ বাবে কবিতাটোৰ ভাষা মিছনেৰীয়ে লিখা অসমীয়া ভাষাৰ লেখীয়া — 'তোহ্‌নাই কিনো কৰাঁহা, এই গ্লান কিনো বকাহাঁ?/দেখ্‌বা শুন্‌বা নৰোঁ আৰু বধ লাগেই সাম্‌ৰি থৰাহাঁ।/বোল্‌বা ন'ৰ্‌ছি ঢেক্‌ৰী আমাক হল নো কিনো তাত?/সেই বোলিয়েই এৰি দিম্ না আমি বাই পিতেইৰ মাত?/শিকোঁৱেই বাৰু নাউমান লিখা পঢ়া পালোঁৱো নহয় পদ মান।/সেই বোলিয়েই নেদোঁ দ্যা আমি এনে গ্লান কথাত কাণ।।/আবু আতাই হামবাই আমাৰ মাতেই যিটো মাত।/সক্‌লো মাতৰ ভিতৰত হৈছি জান্‌বা সেঁটোৱেই ভাল জাত।।' ভাষাৰ লালিত্য আৰু মাধুৰ্য কবিতাটোত অনুপস্থিত — 'যিমান লাগেই তিমান লিখিম দিয়া সেঁটো কিনো টান কাম।/মুঠেই ভাব্‌না ধৰেই ছাপ্‌বাৰ থৰ্চা ক'ত নো কেন্‌কৈ পাম।।/তোহ্‌নাৰ ভাষাত যোনি যিহ্‌কে লিখেই বোলেই সক্লোৱে ভাল।/এনাহা গুণৱতী ভাষা তোহ্‌নাৰ আজি শুকেই হৈছি হাড়

ছাল।'। কবিতাটোৰ সম্পূৰ্ণ পাঠ এনে ধৰণৰ —

**হাঁ মোৰ কাপাল**
**উমেশচন্দ্ৰ বৰুৱা**

For a' that and a' that
'Tis soul and heart and a' that
That makes the king a gentleman,
And not his crown and a' that.
And whether he be rich or poor
The best is he for a' that
Who stands erect in self-respect
And acts the man for that.
Charles Mackay

তোহ্নাই কিনো কৰাঁহা, এই গ্ল্যান কিনো বকাহাঁ?
দেখ্বা শুন্বা নৰোঁ আৰু বধ লাগেই সাম্‌ৰি থৰাহাঁ।
বোল্বা ন'ৰ্ছি ঢেক্ৰী আমাক হল নো কিনো তাত?
সেই বোলিয়েই এৰি দিম্ না আমি বাই পিতেইৰ মাত?
শিকোঁৰেই বাৰু নাউমান লিখা পঢ়া পালোঁৱো নহয় পদ মান।
সেই বোলিয়েই নেদোঁ দ্যা আমি এনে গ্ল্যান কথাত কাণ।।
আবু আতাই হামৰাই আমাৰ মাতেই যিটো মাত।
সক্‌লো মাতৰ ভিতৰত হৈছি জান্বা সেঁটোৰেই ভাল জাত।।
যি মাত মাতি বুকুৰ মাজত গোসাঁইক সুৱাঁ কৰোঁ।
মৰ্বাৰ সময়তো যি মাত মাতি মনৰ সুখত মৰোঁ।।
মান্হে হাঁইহ্বো বোলিয়েই এৰি দিম্না মাত্বা সেঁটো মাত?
নক্বা এনাই কথা আৰু খং উঠি আহেই আমাৰ গাত।।
জ্ঞাতি কুটুমুৰ লগত আমি যি মাতেইদি কওঁ কথা।
সেঁটো মাতেইহা কাণত আমাৰ লাগেই দিয়া বৰ মিঠা।
দুখৰ সুখৰ কথা গিলান যি মাতত ফুটি উঠেই।
আচল মাত্হা সেঁটো তাত সন্দেহ নাই দিয়া মুঠেই।।

হ'ব পাৰেই "শুদ্ধ" তোহ্নাৰ মাত আৰু চহকী তোহ্নাৰ ভাষা।
দিন্‌ক দিনে আৰু চহ্‌কী হক কৰোঁ আমিও আশা।।
শক্তি আমাৰ যিমান আছেই তোহ্নাক সহায় কৰিম তাত।
সেই বোলিয়েই আমি নেদোঁ দিয়া এৰি আবু আতাইৰ মাত।।
লিখ্বা লাগে কিতাপ পুথি লিখিম দিয়া তোহ্নাৰ ভাষাত।
ভয় নাখবা নবঞ্চো দিয়া আমি তোহ্নাৰ এনাটো ডাঙৰ আশাত।।
যিমান লাগেই তিমান লিখিম দিয়া সেঁটো কিনো টান কাম।
মুঠেই ভাব্না ধৰেই ছাপ্বাৰ থৰ্চা ক'ত নো কেন্‌কৈ পাম।।
তোহ্নাৰ ভাষাত যোনি যিহ্কে লিখেই বোলেই সক্লোৰে ভাল।
এনাহা গুণৱতী ভাষা তোহ্নাৰ আজি শুকেই হৈছি হাড় ছাল।।
ম্যাকৰ মাতো পঢ়বাক লেগি এথান ভেটী লাগেই দিবা।
তত লবাহাঁ ছলিগিলান তোহ্নাৰ ডাক্‌বো চাবা জিভা।।
এই গ্ল্যানি দেখি শুনি আমাৰো মৰ বেজাৰ লাগেই দিয়া।
লিখ্বা লাগেই লিখিম দিয়া আমিও ভয় নো খাওৱা কিয়া?
লিখিম পঢ়িম সক্লো কৰিব মুঠেই নাম্‌তো তোহ্নাৰ মাত।
বোলা নোৱা ঢেক্ৰী আমাক আৰু বয়া পাওৱা তাত।।
মুৰ জকৰাছোঁ। কিনো কৰাহাঁ? নাম্‌তা সেঁটো মাত?
নাম্‌তিলা নাই তোহ্নাগিলাই আমাৰ হল নো কিনো তাত?
লিখাপঢ়া শিক্ছা তোহ্নাই কৰ্ছাও পাছ-ফাছ কিবা।
জানা তোহ্নাই কেন্‌কেই পাৰি উল্টেই ফেল্বা জিভা।।
শুনি ভাবি তত লৈ গাত তোহ্নাই মাতা "শুদ্ধ" মাত।
কবা নোখজোঁ আকোই আমি তোহ্নাই সুখ যদি পাওৱা তাত।।
কিন্তু আবু আতাই আৰু আনগিলানে নৰে তো লৰবা জিভা।
কৱাছোঁ বাৰু তাহ্নাৰ নো পাছেই হবো দশা কিবা?
দেখাক দেখি তাহ্নাই যদিহা "শুদ্ধ" মাত মাত্বা ধৰেই।
হাঁইছহি এথান জীয়া মান্হে হাঁইহ্বো তেথান মৰাশৰেই।।
নিজৰ বাই পিতেইকো তেথান তোহ্নাই ৰাখ্বা লাগ্বো লুকেই।
তোহ্নাৰ মতিবুদ্ধি দেখি তাহ্নাই মৰ্বো বুকুত ভুকেই।।
কবো বোলেই পঢ়ি শুনি ছলিগিলান ডাঙাৰ মানুহ হলাক।
আৰু নিজৰ আবু আতাইকো চিন্বাক লেগি লাজ পাৱাত পল্ল্যাক।।
ভাব্‌ছিল তাহ্নাই পঢ়ি শুনি তোহ্নাই জানা বুজা হবা।
হাওঅ! উল্টি দেখোঁ কিচোঁ হল আৰু কিনো বাৰু কবা।।
চহ্‌কী ভাষাত কথা ক'লেই যদিহা ডাঙাৰ মানুহ হুই।
কান্য্যা ডাঙৰীয়াগিলান তেথান নাথকিলহেঁতেন শুই।।
চোৰ ডকাইতেও তেনা মাতত কথা পাৰেই কবা।
সেইবোলি কি ৰাজ্ ঘৰত তেঁহতোৰ আলাগ বিচাৰ পাৰেই হবা?
গৰুৰ বেব্‌নি ভাল লাগেই না গাধাৰ মাতটো মিঠা?
পঢ়ি শুনি চৰ্চা কৰা তোহ্নাই এথান এনাগিলান কথা।
ভাব হোলিহা মাত্‌টি ফুটেই চাওৱাছোঁ ভাবি চাওৱা।
ভাবি লৈ হা ভাষা হুই তোহ্নাই কিনো উল্টেই গাওৱা।।
মনটো ডাঙাৰ হোলিহি তোহ্নাই ডাঙাৰ মানুহ হবা।
কল্ল্যা নকল্ল্যা পাছ-ফাছ তেও যশ মান তোহ্নাই পাবা।।
ডাঙাৰ মানুহৰ ঘৰোত উপ্‌জি কুনিও ডাঙৰ হবা নৰেই।
সমান যদি নেদ্খেই সক্লোকো আৰু মনটো সৰু থাকেই।।
অ্যাক থলৰ পৰাই আইহ্ছোঁ আমি অ্যাকেই থলক যাম।
দুদিন মুঠেই সংসাৰোত থাকিম লৈ সৰু ডাঙাৰ নাম।।
কিয়ানো তেন্তেই তোহ্নাই মিছাই চিয়াঁৰ-বাখাৰ কৰাহ?
লাজ্-কাজ্ তোহ্নাই কাতি কৰি থৈ খপেই-জপেই মৰাহ্?
এই গ্ল্যান দেখি শুনি কৰিয়ে বোলেই "হাঁ মোৰ কাপাল আৰ দেশৰ কিনো বিলেই"!
"থাক্বা লাগ্‌ছিল নিগ্‌নি ভাউৰীয়া তোহ্নাৰ আজি মজা দিলাক্ হয় উলেই।।"

# Haribhakta Katwal : A Dynamic Personality

✍ **Debi Charan Sedai**
Associate Professor
Department of Nepali.

One of the foremost Nepali literary person was Late Haribhakta Katwal. He was born on 2nd July 1935 in a family at Borbil village near Khowang in the district of Dibrugarh erstwhile Lakhimpur district. His father was Bir Bahadur Katwal and mother Vishnumaya chhetry. After one year of his birth, the family migrated from Borbil to 'Bogibil'. Being affected and washed away by the earthquake of 1950 and the flood of the river Brahmaputra the family had further shifted to Pengaree village not far away from Digboi. He had completed his primary education at 'Bogibil and had passed the H.S.L.C. examination in 1955 from Dibrugarh George High School (Now Bagmivar Nilamoni Phukan Higher Secondary School). Later on, he studied at Dibrugarh Kanoi College and then at Digboi College, but before completing graduation he was as a Public Health Inspector in 1956-57. The service could not give him satisfaction and he joined A.O.C. Nepali M.E. School as an Asstt. teacher in Digboi. From here, he stepped into the door of a new life and was shaped into a different personality. He always used to pass a very busy time. He kept



himself busy with the pupils in the School and teach them drill, drawing and poems. He was a very good artist and had a very good concept of dancing. During Prize distribution or other School function he used to teach the pupils dancing and music also.

As a poet and lyricist, he carved out a very clear and real life sketch of the Nepalese of Assam that tells the history of socio-cultural life of the people.

He was a man of respect, of unyielding nature, outspoken, emotional and sentimental. His poetic works reflect the long standing agony of the Nepali people of North Eastern part especially. That is why; he is loved and liked by the common people. In fact, he was a poet of an ordinary man. The poet of common people with a soft heart of emotional touch passed away in 1980. The society in particular and the nation in general is indebted to him for ever. While going through the literary life of Katwal the period is considered from beginning to 1980.

1952-53 has been taken as the starting point of this period. In 1952-53 Katwal published a poem in an Assamese magazine "Parijat", while he was reading in Class VIII. That is why; the base year of his poetic journey is taken for the same year. His complete span of poetic works is divided

into three parts, viz:

1) From 1952-53 to 1965,
ii) From 1966 to 1972 and
iii) From 1973 to 1980.

'SUDHA' the imperfect epic of the poet has been described at the first phase of his creative writing. All the three aspects and phases of his poetic journey comprises the concepts of differentialism in literature. He never favour a particular line without any motive and situation.

It will be worth accepting that he presented mixed romanticism and realism in nepali literature. He gifted a new token to the nepali literature of north east. His works are (1) BHITRI MANCHHE BOLNA KHOJCHHA (1962) and (2) YO JINDAGI KHOI KE JINDAGI (1972), brought a new term in the literary field. He came out with a new style, new ideas and new lyrical approach in the poem. The book "YO JINDAGI KHOI KE JINDAGI" has been proved a milestone in the Nepali literary field in north east and the very work lifted him to a different height of literary society. After 1980 some eminent poets emerged in the literary field viz. Nava Sapkota (EUCALYPTUS AUNE PIRHILAI AASHIRVAD, 1980) Yudhabir Rana (CHIHAN NAPAYEKA TAKMAHARU, 1981) Avinash Shrestha (SAMVEDNA O SAMVEDNA, 1981) Bhabilal Lamichhane (ANAGAT, 1983) Pushpulal Upadhyaya (USHA MANJ ARI, 1987) Loknath Upadhyaya (VIVARTAN, 1990) Chabilal Khatiwoda (PAWAN DOOT, 1990, ASTITWABODH, 1991) and Khemraj Nepal (MERO DESH : HIJO, AAJA RA BHOLI, 1993) are mentioning as worth. However, some new and old poets of the time came out with their works in the Nepali literary field, but only few poets could understand and realize the call of the time and among them are Haribhakta Katwal, Pushpalal Upadhyaya, Nava Sapkota, Yuddhabir Rana and Bhabilal Lamichhane. BADNAM MERA YEE AANKH A HARU, (a Collection of poems and lyric, 1964) by Haribhakta Katwal and USHA MANJ ARI, (Collection of poems, 1987) by Pushpalal Upadhyay a have opened a new era in this field. Haribhakta Katwal has contributed SAMJHANA (Collection of Song 1960), BHITRI MANCHHE BOL NA KHOJCHHA, (Collection of poems 1962) AITIHASIK KATHA SANGRAHA, (edited and co written story book - 1961), SUDHA, (imperfect epic 1965), PURVA KIRAN (collection of poems 1965), YO JINDAGI KHOI KE JINDAGI (collection of poems 1972), SPASHTIKARAN (Collection of short story 1973), BADNAM MERA YEE AANKHA HARU (collection of poems and songs 1973), CHARITRA PATH (Nepali translation) and MERO KITAP (Part I & II).

Besides these complete works, he has published his Various work in different magazines and journals e.g. Mukti, Manthan, Mukut, Malishaya, Madhu park, Nayan Ghumti, Prithivi, Pravash, Ratnashree, Samayik Mukhapatra, Taruni, Yug Rekha, Bhanu, Koshali, Kopila etc. His edited works are Abhivyakti, Banki, Himani, Himalaya, Mukti, Pragya, Sangeet Sarita etc.

He composed not only songs and poems but also he touched almost all aspects of literature viz.- essays, criticism, one act play, story for children, short story, children's song etc.

His contribution in this field cannot be accessed so easily without knowing his complete work and his life history. He was very active in the social field with political consciousness. Non but he could show a vast area of literary works for which he is highly respected and had occupied a unique place in the heart of Nepali people of north east. It was his effort by which many poets, story writer, essayist and various writers of other aspect could emerged in north eastern Nepali literature. Really he has created a new era in Nepali literary society by which he is being established as a dynamic personality in this field. ❑

# জীৱনানন্দ দাশৰ কবিতা

✍ অচ্যুত শইকীয়া
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

আধুনিক বাংলা কাব্যজগতত এক বিশিষ্ট স্থানত অধিষ্ঠিত অন্যতম শ্ৰেষ্ঠ কবি প্ৰতিভা হ'ল জীৱনানন্দ দাশ। ভাব, বিষয় আৰু ৰূপ এই তিনিওটা দিশতে আধুনিক বাংলা কবিতাক স্বকীয় ৰূপত প্ৰতিষ্ঠা কৰা এইজন কবি ৰবীন্দ্ৰ পৰৱৰ্তী বাংলা কাব্যধাৰাৰ আটাইতকৈ প্ৰভাৱশালী কবি। এক বিমূঢ় যুগৰ বিভ্ৰান্তিকাৰী পৰিৱেশত গঢ় লৈ উঠা কাব্য দৰ্শনেৰে জীৱনান্দৰ কবিতাত বাংময় হৈ উঠিছে আধুনিক যুগৰ যন্ত্ৰণা, বিষাদ, সংশয়, অসহায়তা আৰু অস্থিৰতাৰ বৰ্ণময় ছবি। 'আধুনিক বাংলা কাব্য পৰিচয়' শীৰ্ষক গ্ৰন্থত দীপ্তি ত্ৰিপাঠীয়ে জীৱনানন্দৰ কবিতা সন্দৰ্ভত এনেদৰে মন্তব্য কৰিছে — ''আধুনিক কবিসকলৰ ভিতৰত একমাত্ৰ তেওঁৰ কবিতাতে এই যুগৰ সংশয়ী মানৱাত্মাৰ ক্ষতবিক্ষত ৰক্তাক্ত পৰিচয় ফুটি উঠিছে।''



কিন্তু এই কথাও সত্য যে সেইটোৱেই তেওঁৰ কবিতাৰ একমাত্ৰ লক্ষ্য নহয়। স্বকীয় আৰু সুগভীৰ জীৱনবোধসম্পন্ন কবি গৰাকীৰ কবিতাৰ মাজত ধ্বনিত-প্ৰতিধ্বনিত হৈ আছে চিৰশাশ্বত জীৱন সত্যৰেই সবল অনুৰণন।

জীৱনানন্দৰ প্ৰথমখন কাব্যগ্ৰন্থ 'ঝৰাপালক' প্ৰকাশিত হয় ১৯২৭ চনত। এই কাব্যগ্ৰন্থ প্ৰকাশিত হোৱাৰ লগে লগে জীৱনানন্দ তীব্ৰ সমালোচনাৰ সন্মুখীন হয়। আনকি অশ্লীলতাৰ অভিযোগত কবিক চাকৰিৰ পৰা বৰ্খাস্তও কৰা হয়। কবিৰ এইখিনি কবিতা বহু পৰিমাণে ৰুক্ষ আৰু কৰ্কশ। আনহাতে 'ঝৰাপালক'ৰ কবিতাসমূহত কবিৰ পূৰ্বসূৰী ৰবীন্দ্ৰনাথ, বিশেষভাৱে যতীন্দ্ৰনাথ আৰু মোহিতলালৰ স্পষ্ট প্ৰভাৱ অনুভূত হয়। অৰ্থাৎ প্ৰথমখন কাব্যগ্ৰন্থই কবিগৰাকীৰ মৌলিক প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম নহ'ল। তৎসত্ত্বেও —'ঝৰাপালক'ৰ কবিতামুঠিৰ মাজেদিয়ে জীৱনানন্দই আধুনিক যুগৰ যন্ত্ৰনাময় অস্থিৰ জগতখনত যে প্ৰৱেশ কৰিলে —এই কথাত সন্দেহ নাই।

জীৱনানন্দৰ দ্বিতীয় কাব্যগ্ৰন্থ ধূসৰ পাণ্ডুলিপি (১৯৩৬) ৰ পৰা কবি গৰাকীৰ কাব্যপ্ৰতিভাই সম্পূৰ্ণৰূপে স্বকীয়তাৰ পথত অগ্ৰসৰ হ'ল। ইয়াৰ পিছত মহাপৃথিৱী, বনলতা সেন, সাতটি তারার তিমির, জীৱনানন্দ দাশের শ্ৰেষ্ঠ কবিতা এইকেইখন কাব্যগ্ৰন্থৰে জীৱনানন্দই আধুনিক বাংলা কবিতাৰ এক স্বতন্ত্ৰ ধাৰা প্ৰতিষ্ঠা কৰিলে। তেওঁৰ মৃত্যুৰ পিছতো কেইবাখনো কাব্যগ্ৰন্থ প্ৰকাশিত হয়। সেইকেইখন হৈছে — ৰূপসী বাংলা, বেলা অবেলা কালবেলা, প্ৰেমের কবিতা, সুদৰ্শনা, মন বিহঙ্গম আৰু আলোপৃথিৱী।

জীৱনানন্দ দাশৰ কবিতা যন্ত্ৰণা, বিষাদ আৰু সংশয়ৰ ঘন কুঁৱলীৰে আচ্ছন্ন। আধুনিক মানুহৰ যন্ত্ৰণাদগ্ধ ক্ষত-বিক্ষত হৃদয়ৰ অসহায়তাৰ ব্যঞ্জনাময় প্ৰকাশ ঘটিছে তেওঁৰ কবিতাত।

সাৰ্থকভাৱে তেওঁ প্ৰকাশ কৰিছে আধুনিক জীৱনৰ জটিল আৰু বিভ্ৰান্তিকৰ স্বৰূপ —

আমরা যে কমিশন নিয়ে ব্যস্ত- ঘাটি বাঁধি
ভালোবাসি নগর ও বন্দরের শ্বাস
ঘাস যে বুটের নীচে ঘাস শুধু আর কিছু নয়।
আহা-মোটর যে সবচেয়ে বড় এই মানব জীবনে।

জীৱনানন্দ দাশৰ কবিতাৰ এক বিশাল অংশ জুৰি আছে প্ৰকৃতিয়ে। এই প্ৰকৃতি চেতনাত কোমলকান্ত ৰোমান্টিক ভাবোচ্ছাস নাই। তাৰ পৰিৱৰ্তে ইয়াৰ লগত সম্পৃক্ত হৈ আছে আধুনিক জীৱনৰ অসহায় নিসংগবোধ —

চারিদিকে নুয়ে পড়ে ফলেছে ফসল
তাদের স্তনের থেকে ফোঁটা ফোঁটা পড়িতেছে শিশিরের জল
প্রচুর শস্যের গন্ধ থেকে থেকে আসিতেসে ভেসে
পেঁচা আর ইদুরের ঘ্রাণে ভরা আমাদের ভারারের দেশে।

জীৱনানন্দৰ প্ৰকৃতিচেতনাৰ লগত জড়িত হৈ আছে এক বিচিত্ৰ ইন্দ্ৰিয়মগ্নতা। ইন্দ্ৰিয়ৰ মিশ্ৰণ আৰু ৰূপান্তৰৰ মাজেদি প্ৰকৃতিৰ সৌন্দৰ্যময় ৰহস্যক উজ্জ্বলৰূপত প্ৰকাশ কৰিবলৈ তেওঁ সক্ষম হৈছে —

—দেখি নাই তাত
অজস্র চুলের চুমা হিজলে কাঠালে জামে করে অবিরত
জানি নাই এত স্নিগ্ধ গন্ধ ঝারে রূপসীর চুলের বিন্যাসে।

জীৱনানন্দ দাশৰ কবিতাৰ এক সৰ্বব্যপ্ত বিষয় হৈছে প্ৰেম। তেওঁৰ প্ৰথমখন কাব্যগ্ৰন্থতে প্ৰেমৰ তীব্ৰ উচ্ছাস অনুভূত হয়। অৱশ্যে ইয়াৰ মাজত প্ৰেমে মহিমোজ্বল ৰূপত ব্যাপ্তি আৰু গভীৰতা লাভ কৰা নাই। তেওঁৰ কবিতাত প্ৰেমে বহুবৰ্ণময় আৰু মহিমামণ্ডিত ৰূপত প্ৰকাশ লাভ কৰিছে পৰৱৰ্তী কাব্যগ্ৰন্থসমূহৰ মাজেদিহে। জীৱনানন্দৰ প্ৰেমভাবনাৰ মাজত এক স্বকীয় দৃষ্টিভংগী লক্ষ্য কৰা যায়। মৃত্যুৰ চিৰনিদাৰুণ অনিবাৰ্যতা সত্বেও, ধ্বংসৰ অন্ধকাৰত হাজাৰ দুঃস্বপ্নৰ মাজতো মানৱ হৃদয়ত উজ্বলি উঠা প্ৰেমৰ শিখা চিৰ অম্লান হৈ জিলিকি থাকে। জীৱনানন্দৰ বহু কবিতাত জৈৱিক ইন্দ্ৰিয়ই স্পৰ্শও কৰিব নোৱৰা সেই মহত্তৰ প্ৰেমৰে জয়গান গোৱা হৈছে। কবিৰ অনুভৱত —

আমি চলে যাব শুধু-তবু জীবন অগাধ
আমারে রাখিতে ধরে সেইদিন পৃথিবীর পরে
আমার সকল গান তবুও তোমারে লক্ষ্য করে

আকৌ —

আমি শেষ হব শুধু, ওগো প্রেম তুমি শেষ হ'লে
তুমি যদি বেঁচে থাকে-জেগে রব আমি এই পৃথিবীর পর।

সেইবুলি কবিয়ে প্ৰেমৰ ঐহিক ৰূপটোকে অস্বীকাৰ কৰা নাই। সেইবাবেই তেওঁৰ কবিতাত প্ৰেমচেতনাৰ দুটা দিশ লক্ষ্য কৰা যায়। এফালে দেহজ প্ৰেমৰ অচৰিতাৰ্থ বেদনা আৰু আনফালে মনোৰম নৈসৰ্গিক পটভুমিত প্ৰেমৰ অবিস্মৰণীয় প্ৰকাশ। কবিহৃদয়ৰ এনে যন্ত্ৰণাদগ্ধ অনুভৱ বাংময় হৈ উঠিছে এনেবোৰ পংক্তিত —

১) যদি আজ পৃথিবীর ধূলো কাকরে হারাই
যদি আমি চলে যায়
নক্ষত্রের পারে —
জানি আমি, তুমি আর আসিবে না খুঁজিতে আমারে।

২) হৃদয়ে প্রেমের দিন কখন যে শেষ হয়
চিতা শুধু পরে থাকে তার

জীৱনানন্দ দাশৰ কবিতাত প্ৰেমচেতনাৰ তীব্ৰতাৰ লগে লগে প্ৰকাশিত হৈছে মৃত্যুচেতনা। এই মৃত্যুচেতনাৰ সৈতে সম্পৃক্ত হৈ আছে সময় আৰু তাৰেই খণ্ডৰূপ অতীত চেতনা। কবিৰ মৃত্যুচেতনাৰ মাজত যুগৰ বন্ধ্যাৰূপ, জীৱনৰ অচৰিতাৰ্থতা আৰু ক্ষণভংগুৰতাৰ কাৰুণ্যৰ মাজতো পৰিপূৰ্ণ জীৱনৰ আশা — এই তিনিওটাই অংগাংগীভাৱে সাঙোৰ খাই আছে। জীৱনৰ অনিৰ্য সত্য মৃত্যু আছে বাবেই জীৱনৰ সমস্ত সৌন্দৰ্য আৰু আকৰ্ষণৰ সাৰ্থকতা। মৃত্যুক জীৱনৰ স্বাভাৱিক আৰু সহজ পৰিণতি স্বৰূপে গ্ৰহণ কৰিব পৰা বাবেই কবিয়ে স্বচ্ছন্দভাৱে ক'ব পাৰিছে —

মৃত্যুরে বন্ধুর মত ডেকেছিতো প্রিয়ার মতন
চকিত শিশুর মত তার কোলে লুকায়েছি মুখ

অথবা —

মৃত্যুরে ডেকেছি আমি প্রিয়ের অনেক নাম ধরে

জীৱনানন্দৰ কবিতাত নাৰী এক বিশেষ মৰ্যাদাৰে অধিষ্ঠিতা হৈছে। কবিগৰাকীৰ বিচিত্ৰ জীৱনবোধৰ মাজত অন্যতম চালিকা শক্তিৰূপে ক্ৰিয়াশীল হৈ আছে নাৰী। নাৰী তেওঁৰ বাবে আত্মাৰ মুক্তিৰ সোপান, ক্ষতচিহ্ন লাঞ্ছিত পাৰ্থিৱ জীৱনৰ শান্তি আৰু আশ্ৰয়। জীৱনানন্দৰ দৃষ্টিত নাৰী মানৱাত্মাৰ চিৰ আদৰণীয় সৌন্দৰ্য আৰু কল্যাণৰ সমাহাৰ। অস্থিৰ আৰু সংশয়াচ্ছন্ন কবিৰ অনুভৱত নাৰীয়ে ধৰা দিছে প্ৰেম আৰু আশ্ৰয়ৰ প্ৰেৰণাময় উৎসৰূপে। সেয়েহে প্ৰকৃতিৰ প্ৰশান্তিময় সত্তাৰ আধাৰ স্বৰূপে জীৱনানন্দৰ বনলতা সেনে অপেক্ষা কৰি ৰৈছে বিশ্বৰ পথশ্ৰান্ত ক্লান্ত মানৱাত্মাৰ বাবে শান্তিৰ জিৰনি হৈ —

আমি ক্লান্ত প্রাণ এক, চারিদিকে জীবনের সমুদ্র সফেন
আমারে দুদণ্ড শান্তি দিয়েছিল নাটোরের বনলতা সেন

আধুনিক বাংলা কাব্যজগতত যি কেইগৰাকী কবিয়ে অভিনৱ আৰু বৈচিত্র্যময় প্ৰতীকৰ প্ৰয়োগেৰে নতুনত্ব আনিবলৈ সক্ষম হৈছে তাৰ ভিতৰত জীৱনানন্দ দাশ অন্যতম। তেওঁৰ কবিতাত পোহৰ, আন্ধাৰ, ৰাতি, চৰাই, নদী, গাছ আদি বিষয় প্ৰতীকৰূপে সঘনে ব্যৱহৃত হৈছে। মনঃ সমীক্ষাত্মক আৰু অধিবাস্তৱ —এই দুয়োবিধ প্ৰতীকৰে বহুল প্ৰয়োগ তেওঁৰ কবিতাত পৰিলক্ষিত হয়। ই তেওঁৰ কবিতাক এক মননশীল বৌদ্ধিক স্তৰলৈ উন্নীত কৰিছে।

প্ৰতীকৰ দৰেই জীৱনানন্দৰ কবিতাৰ আন এটি লক্ষনীয় দিশ হ'ল চিত্ৰকল্পৰ প্ৰয়োগ। তেওঁৰ কবিতাৰ চিত্ৰকল্পসমূহো দুই ধৰণৰ — অধিবাস্তৱ আৰু মনঃসমীক্ষাত্মক। চিত্ৰকল্পৰ বৈচিত্র্যময় প্ৰয়োগে জীৱনানন্দৰ কবিতাত আঙ্গিকৰ এক অভিনৱ মাত্ৰা প্ৰদান কৰিছে। এই চিত্ৰকল্পসমূহে এহাতে কবিৰ অনুভৱ আৰু উপলব্ধিক সাৰ্থকভাৱে প্ৰকাশ কৰিছে; আনহাতে ইবোৰৰ কলাসম্পন্ন প্ৰকাশে তেওঁৰ অনন্য সাধাৰণ প্ৰতিভাকো উদ্ভাসিত কৰি তুলিছে। উদাহৰণ স্বৰূপে

ক) আমার বুকের প্রেম ঐ মৃত মৃগয়ের মত যখন ধূলায় রক্তে মিশে আছে

খ) বেতের ফলের মত তার ম্লান চোখে মনে আসে

গ) পাখির নীড়ের মত চোখ তুলে নাটোরের বনলতা সেন

জীৱনানন্দ দাশে সমগ্ৰ সত্তা আৰু চেতনাৰে বিশ্ববোধ আৰু ব্যক্তিবোধৰ মাজত এক সাকোঁ সৃষ্টি কৰাৰ প্ৰয়াস কৰিছে তেওঁৰ কবিতাত। এই লক্ষ্য পূৰণৰ বাবে কবিগৰাকী কেতিয়াবা আত্মাৰ অতলত হেৰাই যাব খুজিছে; কেতিয়াবা আকৌ দেশ-কাল আৰু ইতিহাসৰ স্মৃতি-বিস্মৃতিৰ ধূলি-ধূসৰিত পথত খোজ দিছে। এনে কাৰণতে জীৱনানন্দক চিৰ-পথিক বুলি আখ্যায়িত কৰা হয়। কবিয়ে নিজেও কৈছে —''হাজার বছর ধরে পথ হাটিতেছি আমি পৃথিবীর পথে।'' প্ৰজ্ঞা আৰু মেধা, বৌদ্ধিক মননশীলতা, অনুভূতিৰ সূক্ষ্মতা, জীৱনবোধৰ গভীৰতা আৰু সৰ্বোপৰি ভাব, বিষয় আৰু ৰূপৰ অভিনৱত্বই জীৱনানন্দ দাশৰ কবিতাক অভিনৱ আৰু উচ্চ কলা গুণ সম্পন্ন কৰি তুলিছে। জীৱনৰ ক্ষণভংগুৰতা আৰু যুগ পৰিৱেশৰ বিমূঢ়তাৰ মাজতো তেওঁৰ সংবেদনশীল তথা অভ্ৰান্ত কাব্যদৃষ্টিত ধৰা দিছে জীৱনৰ স্বপ্নমেদুৰ সম্ভাৱনাৰ চিৰশাশ্বত সৌন্দৰ্য। স্বকীয় কাব্যভাষাৰে তাৰেই বাংময় প্ৰকাশ ঘটিছে তেওঁৰ কবিতাত। বাংলা কবিতাৰ ইতিহাসত ৰবীন্দ্ৰ পৰৱৰ্তী কাব্যধাৰাৰ সাৰ্থক প্ৰতিভূৰূপে অধিষ্ঠিত হৈছে কবি জীৱনানন্দ দাশ। □




কোনোৱে তোমাক সহায় কৰিব নোৱাৰে। নিজেই নিজৰ সহায় লোৱা।

— বুদ্ধদেৱ



# Are Indian women still held back by gender stereotypes?: A study of R. K. Narayan's women characters with special reference to his novels The Dark Room and The Guide

✍ Mr. Gauri Buragohain
Assistant Professor
Dept. of English

R.K. Narayan has always been regarded as a detached observer of human weaknesses and predicaments. In each of his novels, *The Dark Room* and *The Guide*, he paints intimate pictures of life as he sees it, impartially and dispassionately, on his little canvas of Malgudi – a provincial town where various influences act and interact and which stands as the microcosm of changing Indian thought and culture. Whatever happens in India infact happens at Malgudi. It is against this locale of Malgudi that Narayan studies life's little ironies and focuses on the matters related to ordinary everyday life undergoing a transitional phase between tradition and modernity. He tries to give an intricate and realistic picture of events that occur in the changing Indian society. Human relationship, particularly family relationship constitutes the theme of most of his novels. Narayan particularly writes of the middle class Indian families and tries to present it with all its complexities. Most of the characters, therefore, belong to this category. In this regard, his women characters also play an important role.



R. K. Narayan, in his delineation of female characters, never maintained a radical outlook to present their quest for freedom in a male dominated society rather he acted as a cool, mature and meditative thinker to do the same. He is infact, not a belligerent feminist voicing for the freedom of Indian women rather a person who believes in presenting life's bitter realities in an artistic way. He never ever took the side of any

character to impose his will upon the readers. Even we don't find him acting as a reformer by providing solutions to the problems that arise out of complexities of human life. We find him taking enough care and concern in the delineation of his characters in a realistic way so that the readers themselves pass their judgements and find out possible solutions to the problems.

The plight of Indian women and their quest for freedom are well-expressed in his novels, *The Dark Room* and *The Guide*. No doubt, Indian women stand for love, care and forbearance but one cannot neglect the fire inside them. The futility and meaninglessness of female life often kindle the fire, which, otherwise, remains dormant inside them. The revolt of Savitri in *The Dark Room* is the outcome of continuous exploitation meted out to her by her ruffian husband, Ramani. For fifteen years, Savitri meekly obeys her husband and serves him as much as she can, yet she cannot exercise a single right as a wife. She is badly humiliated when she prevents her son from going to school due to illness. Her world remains confined to the Kitchen of her 'husband's house'. Ramani rebukes her to mind her business in the kitchen and not to interfere in the matters related to the upbringing of his son.

From time immemorial, Indian women, irrespective of class, caste and status, are at the mercy of their husbands. But interestingly, they are treated as symbols of 'pride' and 'honour' in our society. The bitter reality is that the majority of men treat them as slaves and playthings to satisfy their carnal desire. This is well expressed by Savitri in the novel:

I'm a human being. You men will never grant that. For you we are playthings when you feel like hugging and slaves at other time.

The verbal shift from "I" to "We" has its significance. It is the generalisation of her personal experiences. Hence, her sufferings and her struggle can be generalised as the sufferings and struggle of the women as a whole. In the novel, Ramani calls her 'woman' instead of 'Savitri' which put all the women together into a category that shares common characteristics. The condition of Indian women is so distressing that we find her lamenting at their plight:

What is the difference between a prostitute and married women?—the prostitute changes her men, but a married woman doesn't; that's all, but both earn their food and shelter in the same manner.

The inhuman attitude towards the women folk can also be guessed from the words of the priest, the so called protector of *Dharma*:

If she won't let you rest, thrash her; that is the way to keep women sane.

In these days you fellows are impotent mugs, and let your women ride you about.

Even Ramani's cook is not far behind in dominating his wife:

Only once , has my wife tried to interfere and then I nearly broke her bones. She has learnt to leave me alone now. Women must be taught their places.

The irony lie with the fact that Ramani, who is indifferent to the desires and aspirations of his wife, talks about equal treatment of both the sexes when he succumbs to the beauty of the new probationer in his office, Shanta Bai. Like Ramani, there are many men in Indian society who speak of equality of both sexes only for the fulfilment of their personal interests. It is his attraction towards the seductive beauty of the new probationer which makes him speak that. Shanta's beauty is so tempting that at a glance, Ramani becomes her lover and her slave. He acts as a responsible officer and tries to win her physically and in that attempt, also helps her to get her job permanent. He starts devoting more time to please her and in the process, he even starts passing the nights with her, leaving his wife and children under complete negligence. Savitri comes to know about this and late one evening she dares to voice against it:

This sort of thing has to stop, understand?

When she fails in her effort to get a positive response from him, she decides to leave her house:

You are not having me and her at same time, understand? I go out of this house this minute.

For a moment, she transforms into Henrik Ibsen's *Nora* voicing against female atrocities:

Do you think I am going to stay here? ... Do you think that I will stay in your house, breathe the air of your property, drink the water here, and eat food you buy with your money? No, I'll starve and die in the open, under the sky, a roof for which we need to be obliged to no man.

Like Nora, she too goes out towards an unknown destination. She is also barred from taking her children and she sets out leaving behind everything. She laments:

What possession can a woman call her own except her body? Everything else that she has is her father's, her husband's, or her son's.

R. K. Narayan's Savitri is not only a replica of Nora but also the representative of millions of Indian women who lament at the fate of being born as women. The meek and mild nature of Indian women shows enough forbearance in them but it is wrong to judge them weak. Continuous exploitation and subjugation, at times, build up a terrific force inside them and they come out to voice for their freedom. Savitri's revolt against her husband is the outcome of such a force. She herself is bewildered by her behaviour. Even Ramani, with all his bravado before his wife, is also very much shaken by her manner. The force within her culminates when nostalgia for children, home and accustomed comforts seizes her. If modernity kindled the fire to fight for a change, long term practice of a traditional Indian way of life extinguishes it. Baring a few, women in traditional Indian society are simple, modest, gentle, loving and obedient. They are also religious and traditional in their ways and act as the upholders of the ancient Indian way of life in a society which otherwise is indifferent to them. In traditional Indian society, modern scientific thoughts are never allowed to enter and hence, a person is isolated and detached from the society if he or she dares to go against any prevailing practice. It is because of this Savitri feels that she is not good for that fight and that it is better to go back to her family and home.

*Shanta Bai* is Narayan's another character in *The Dark Room* which he has conceived to show a totally different type of Indian woman – a woman who starts her revolt at an early stage when she was just twelve years old. At that tender age, she was married to one of her cousins who was a gambler and a drunkard and from there, her struggle begins. At the age of eighteen, she felt that the person was not going to change and therefore, leaves her home to be later deserted by her parents for not keeping the sanctity of marriage under a Patriarchal system. The condition of Indian woman is so pathetic that once they get married they even loss their right on paternal property. What Savitri says about the possession of woman also comply with her. But Shanta Bai is no Savitri to return back to her husband. She starts her revolt against the male dominating society and tries to make herself self reliant. With the help of an aunt, she successfully completes her graduation and starts her struggle for sustenance. Her struggle makes her reject the popular notion that women's salvation lies in education. Even education could not give her a stable job. Later, we find her joining the Englandia Insurance Company as a probationer, only to act as an intruder to create a rupture in the marital relationship between Ramani and Savitri. She lures Ramani to such an extent that despite her incompetency, Ramani somehow manages to save her job. She, infact, stands as a temptress and unlike Narayan's other women characters, she is purely unconventional by nature. She is a character influenced by commercially advanced society of the west. She herself says:

Oh, I love unconventional things, otherwise I shouldn't be here, but nursing children and cooking for a husband.

The irony lies in the fact that despite her unconventional nature, Shanta Bai is in the need of male support to fulfil her dream. To keep her job, she has to lure a married man ultimately to ruin another woman's life, that of Savitri. The universal truth about male chauvinism in a patriarchal society stated through a simple



TechNova NovaDom UMR 1802904090 15B18 3B

housewife, Savitri is also applicable to a woman no matter how educated she is:

What despicable creation of God are we that we can't exist without a support. I am like a bamboo pole which cannot stand without a wall to support it ...

*Rosie* of *The Guide* is yet another character who despite her qualification gets many turns and turmoils in her life. The irony lies in the fact that she suffers at the hands of her highly qualified husband, an anthropologist by the name *Marco*. He, like any other qualified Indian man, needed a qualified wife but could not value her aims and aspirations. He is infact, as chauvinistic as Ramani of *The Dark Room*. For him, his wife should act like a nodding machine always at the service of his routine life. Joseph, his caretaker, in his opinion, is a wonderful man for he provides right service at the right moment. The same attitude is also shown by *Raju* in *The Guide*. He too wants *Rosie* to act like a money-making machine for him so that he lives a lavish life. Because of such an attitude of men, women in India always suffer and suffering, time and again, compels them to revolt. If Marco can find a meaning in dead and decaying things, why can't Rosie on dance? When Rosie enthusiastically says that she has got so many ideas about dance, Marco simply brushes those comparing dance with street acrobats. Rosie is a dreamer – a character created by R. K. Narayan to show Indian women undergoing a transitional phase between tradition and modernity. She would have been benefited by a husband who cares for her career. Marco seems to be more interested in sculptured figures on walls and stones in caves but not in his wife who as a dancer, is a living embodiment of such images. She is beautiful, talented and full of vitality but Marco is so obsessed with his venture that he even negates her very existence:

If a man has to have a peace of mind it is best that he forget the fair sex.

The same message is also conveyed by his most obedient caretaker Joseph:

Oh, no, he is a gem. A good man; would be even better if his wife left him alone. He was so happy without her.

Marco actually lacks the vitality which is present in Rosie. In the novel, Rosie's jubilant nature is vividly contrasted with his morose and perverse nature. She ran like a child from plant to plant with cries of joy while the man looked on with no emotion. Likewise, Marco also lacks the insight to understand the needs of his beautiful and passionate wife. He, thus tries to subdue Rosie's passion for life and her love of art by denying her both. This indifference towards Rosie is exploited by Raju who, at a glance, finds in her a treasure yet to be discovered. Raju wins her heart and seduces her by flattering and paying her bold compliments. His obsession in helping her is actually guided by his carnal desire and Mammon worship. He himself reveals it through his thoughts when he curses Marco for abandoning her:

Oh, monster, what do you do to her that makes her sulk like this on rising? What a treasure you have in your hand, without realising its worth – like monkey picking up a rose garland!

Raju also considers her a *gold-mine*. Whatever may be the case, Rosie finds in Raju, an admirer and later a promoter of her desire to pursue the career of her choice. If Rosie is driven to the arms of Raju, it is partly because of her devotion to dance and partly because of her husband who is cold and unresponsive to the demands of a young wife. It is the quest for freedom that forces her to leave that monotonous life which Marco imposed on her. The force within her has to come out someday and perhaps Marco couldnot have suppressed her permanently. Raju later in the novel discerns it:

I am now disposed to think that even Marco couldnot have suppressed her permanently. Sometime she was bound to break out and make her way.

Rosie is a woman who wants to aspire high, just like her husband but not at the cost of her marriage. Like any other traditional Indian woman, marriage for Rosie, no matter how educated she is, is sacrosanct and

that is why, time and again, her thought revolve around her husband. She does her best to atone for her unfaithfulness, and is humble and repentant. The storm within her calms down for a moment but she is deserted by her husband and is bound to take refuge at Raju's house. This proves to be a turning point in her life. Under the support of Raju, she starts devoting her time in dancing and a new phase starts in her life with a new name - *Nalini*. Soon she dwells amidst fame and wealth but such glamour and glitters only attracts Raju, her mentor. Her philosophy of life differs from Raju. Dancing for her is a passion and not profession. She cherishes every garland that she gets at the end of a performance. She sniffs its fragrance and says:

To me this is the only worthwhile part of our whole activity.

Rosie actually desires for simple comforts of human life. Love, affection, care and support are what she expects from Marco and Raju. But both of them fail to provide her. If Marco is rigid, self centred and self-righteous man, Raju, on the other hand, is an egotist, an individualist and a self-seeker who exploits Rosie both sexually and commercially. Like Savitri of *The Dark Room*, Rosie's revolt too proves to be a failure. She has to return from where she starts thus making a full circle of the quest for freedom. She herself realises it :

Do you know the bulls yoked to an oil-crusher – they keep going round and round and round, in a circle, without a beginning or an end.

But unlike Savitri, she has to start yet another battle – to live an independent life. She returns back to Madras but not to lead a life with Marco rather to start a life of her own – independent and self-reliant. Ironically, women from the lowest strata of Indian society enjoy more freedom than the rest. In *The Dark Room, Ponni* is such a character. She also displays enough courage while helping Savitri in her distress.

From the above information it has become clear that R. K. Narayan, through his minute observation of Indian women, feels the need for their liberation but at the same time points out at the equally apparent difficulties in its attainment. Narayan is a realist and whatever knowledge he has gathered about the Indian women, he has presented it without any prejudice. The problems and conflicts faced by women in his novels occur for any woman in the fast changing Indian society. In a male dominated patriarchal society, their desires and aspirations are often overlooked. They live like captives and work like slaves. Their attempt to assert themselves only makes their condition worse. Their self-assertion is infact self alienation. Both Savitri and Rosie make a full circle in their quest for liberty when they find themselves on the same place from where they started. Their defeat is a blow to women's quest for freedom in India and tries to prove that women are still held back by gender stereotypes. However, R. K. Narayan at the same time intends to justify that women in India are no longer stereotypes and that, even in a remote traditional Indian village, there exist in them a strong quest for gender equality. ❑

**Works cited :**

1. Narayan R. K. , The Dark Room, Indian Thought Publications, Chennai, 2005 rpt.
2. Narayan R. K. , The Guide, Indian Thought Publications, Chennai, 2005 rpt.
3. Bhatnagar, M.K. ed., New Insight into the novels of R. K. Narayan, Atlantic Publishers and distributors, New Delhi, 2002.
4. Bhongle, Rangrao, ed., The Inside View, Native Responses to Contemporary Indian English, Atlantic Publishers and distributors, New Delhi, 2003.
5. Iyengar, K. R. Srinivasa, Indian Writing in English, Sterling Publishers Pvt. Ltd., Patna, 1990 rpt.
6. Naik, M. K. ed., Aspects of Indian Writing in English, The Macmillan company of India Ltd., 1979.
7. Reddy, K. Venkata and P. Bayapa Reddy, ed., The Indian Novel with a Social Purpose, Atlantic Publishers and distributors, New Delhi, 1990.
8. Singh, Promode Kumar, ed., Indian Fiction in English, Atlantic Publishers and distributors, New Delhi, 2001.
9. Verma, M. R. And A. K. Sharma, Reflections on Indian English Fiction, Atlantic Publishers and distributors, New Delhi, 2004.



# চান্দসাই

হাছান আখটাৰ ফৰিদ
প্ৰাক্তন ছাত্ৰ

গুৰুজনালৈ শত প্ৰণিপাত ঃ
''জয় গুৰু শংকৰ সৰ্বগুণাকৰ
যাকেৰি নাহিকে উপাম।''

মোৰ এই প্ৰবন্ধটোৰ জৰিয়তে অসমৰ খিলঞ্জীয়া হিন্দু আৰু মুছলমানৰ মাজত থকা সম্প্ৰীতিৰ এনাজৰীডাল বজাই ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰা হ'ল।

প্ৰবন্ধ লেখকে পোহৰলৈ নহা কিছুমান কথা ৰাইজক জনোৱাৰ উদ্দেশ্যৰে এই লিখনীটো ডাঙি ধৰিছে যাতে সমাজত বাস কৰা সকলোৰে মিলা-প্ৰীতিৰে বসবাস কৰিব পাৰে আৰু অন্যভাষা, অন্যগোষ্ঠী, অন্য ধৰ্মাৱলম্বী লোকসকলৰ মাজত শ্ৰীমন্ত শংকৰদেৱ আৰু চান্দসাইৰ চিনাকী হয়। কিন্তু এনেকুৱা কিছুমান মানুহ আছে যিসকলে এই কথাবোৰ প্ৰকাশ নকৰে। সেই মানুহসকলে অন্য ধৰ্মৰ মানুহৰ মাজত মিলা-প্ৰীতি হোৱাটো নিবিচাৰে নেকি?

আমাৰ পঢ়ুৱৈ সমাজ উপকৃত হোৱাকৈ জনাব খোজো যে তলত উল্লেখ কৰা গুৰু চৰিত পুথি আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীমাধৱদেৱৰ জীৱনী চৰিত পুথি সমূহত চান্দসাইৰ বিৱৰণ পোৱা যায় —

ক) 'গুৰু-চৰিত' — ৰামচৰণ ঠাকুৰ
খ) 'শ্ৰীগুৰু চৰিত' — ৰামানন্দ দ্বিজ
গ) 'কথা গুৰু চৰিত' —মহেশ্বৰ নেওগ
ঘ) 'গুৰু চৰিত কথা' —উপেন্দ্ৰ চন্দ্ৰ লেখাৰু
ঙ) 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত্ৰ' —দৈতাৰি ঠাকুৰ
চ) 'শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱ' -- লক্ষ্মীনাথ বেজবৰুৱা
ছ) 'জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ বাল্যলীলা আৰু জন্মভূমি বটদ্ৰৱা থান চৰিত্ৰ' —ৰমাকান্ত মুক্তিয়াৰ আতা।

এই প্ৰবন্ধ লেখক (স্বৰ্গীয় আব্দুল কৰিম বৰাৰ জী-নাতি)ৰ ককা স্বৰ্গীয় আব্দুল কৰিম বৰা (১৯২৯-১৯৮৯) আৰু তেওঁৰ পিতৃ স্বৰ্গীয় নবুউদ্দিন বৰাৰ বংশ আহোম ৰজাঘৰীয়া আছিল। আনহাতে প্ৰবন্ধ লেখক (হাছনাৱা বেগম বৰাৰ জী-নাতি)ৰ আইতাক হাছনাৱা বেগম বৰাৰ পিতৃ স্বৰ্গীয় ডাক্তৰ আব্দুল মোতালিব এজন প্ৰথম বিশ্বযুদ্ধত (১৯১৪) যোৱা ডাক্তৰ আছিল।

মই আগতে আমাৰ ওচৰ-চুবুৰীয়া ককা স্বৰ্গীয় শ্ৰীধৰ্মেশ্বৰ হাজৰিকাদেৱৰ লগত প্ৰায়ে একেলগে বহি শ্ৰীশ্ৰী শংকৰদেৱ আৰু তেওঁৰ শিষ্য চান্দসাইৰ মাজত থকা সম্বন্ধৰ বিষয়ে আলোচনা কৰিছিলো।

চান্দসাই শ্ৰীমন্ত শংকৰদেৱৰ এজন প্ৰিয় শিষ্য আছিল। চান্দসাই এজন ইছলাম ধৰ্মাৱলম্বী ব্যক্তি আছিল যদিও বৈষ্ণৱ ধৰ্মগুৰু শ্ৰীশ্ৰী শংকৰদেৱে তেওঁৰ লগত কেতিয়াও কোনোদিনে একো ভেদ-ভাৱ ৰখা নাছিল।

শংকৰদেৱ পাটবাউসীত থকা সময়ত চান্দসাই শংকৰদেৱৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। শংকৰদেৱে চান্দসাইক নিজৰ সান্নিধ্যলৈ আনি ভকতৰ শাৰীত

স্থান দিছিল। চান্দসাইয়ে গুৰুৰ অন্য ভকতৰ লগ হৈ একেলগে শাৰীত শাৰী পোৰাই বহি গুৰু শংকৰদেৱৰ মুখৰ পৰা ধৰ্মবাণী শুনিছিল। শংকৰদেৱে তেওঁৰ আচল ৰূপ চান্দসাইক দেখুৱাইছিল। এবাৰ শংকৰগুৰুৱে চান্দসাই দৰ্জীক চোলা এটা চিলাই দিবলৈ ক'লে। চান্দসাইয়ে বোলে সেই সময়ত শংকৰদেৱৰ বিষ্ণুৰূপ দেখা পাই চোলাটোত চাৰিখন হাত দিলে। শংকৰদেৱে চোলাটোত চাৰিখন হাত দিয়াৰ কাৰণ সুধিলে, তেতিয়া চান্দসাইয়ে ক'লে — ''গুৰুক যি ৰূপত দেখিলো, সেই মতেহে চাৰিহাত দিলো।'' তেতিয়া শংকৰদেৱে কথাটো আনক ক'বলৈ মানা কৰি চোলাটোৰ দুখন হাত কাটি দিবলৈ চান্দসাইক আদেশ দিলে। শংকৰদেৱে চান্দসাইক নিজৰ আচল ৰূপ দেখুওৱাটোৱেই প্ৰমাণ কৰে যে, শংকৰদেৱৰ প্ৰতি চান্দসাইৰ ভক্তি আছিল আৰু চান্দসাইৰ প্ৰতিও শংকৰদেৱৰ অন্তৰত এক এৰাব নোৱাৰা প্ৰীতিভাৱ আছিল।

এবাৰ নামৰ অন্তত শংকৰদেৱে চান্দসাইক প্ৰসাদ বিতৰণ কৰিবলৈ ক'লে। চান্দসাইয়ে গুৰুৰ আদেশ শুনি প্ৰথমে থত্-মত্ খাইছিল। পিছত গুৰুৰ আদেশ মানি গা-পা ধুই যথা নিয়মেৰে প্ৰসাদ বিতৰণ কৰিবলৈ আগবাঢ়ি আহিল। চান্দসাইৰ মুখ ডাড়ি-গোফেৰে ভৰা আছিল। কেনেবাকৈ প্ৰসাদত ডাঢ়ি পৰিব বুলি ভাবি নিজৰ মুখখন গামোচাৰে বান্ধি লৈছিল। শংকৰগুৰুৱে চান্দসাইৰ এই নিয়মটো বহুত ভাল পালে। তেতিয়াৰ পৰাই এই নিয়মটো প্ৰচলন হ'ল বুলি কোৱা হয়। আজিও নামঘৰত বিলনীয়াসকলে প্ৰসাদ বিতৰণ কৰোতে নিজৰ মুখখন গামোচাৰে বান্ধি লয়।

প্ৰবন্ধ লেখকে অসমৰ বহুতো নামঘৰ, সত্ৰ ভ্ৰমণ কৰি আৰু সেই নামঘৰ, সত্ৰলৈ অহা ভক্তপ্ৰাণ ৰাইজৰ লগত আলোচনা কৰি জানিব পাৰিছে যে, মহাপুৰুষ শংকৰদেৱে নামঘৰৰ খুটা এটি চান্দসাইৰ হতুৱাই পুতাইছিল। চান্দসাইয়ে ''লা-ইলাহা-ইল্লাল্লাহত্ৰেক আল্লাৰ বাহিৰে আন কোনো প্ৰভু নাই)'' বাণী উচ্চাৰণ কৰি খুটাতো মাটিত স্থাপন কৰিছিল। ইয়াত শংকৰদেৱে তেওঁৰ দ্বাৰা প্ৰচলিত ''এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ'' এই এক শৰণীয়া ভাগৱতী বাণীৰ লগত সাদৃশ্য দেখিছিল। শংকৰগুৰুৱে পিছত চান্দসাইৰ এই বাণীৰ মহত্ত্ব বুজি পাই খুটাটোৰ নাম ''লাইখুটা'' দিলে বুলি কোৱা হয়। □



এগৰাকী সফল আৰু এগৰাকী অসফল ব্যক্তিৰ মাজত থকা মূল পাৰ্থক্যটো হ'ল সফল ব্যক্তিগৰাকীয়ে তেওঁৰ ভুলৰ পৰাই সদায়েই শিক্ষা লৈ আগবাঢ়ে।

— ডেল কাৰ্নেগী



# বিহংগম দৃষ্টিৰে মহাভাৰত কাব্য

✍ তুষাৰজ্যোতি বড়া
স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

মহাভাৰত এখন মহাকাব্য। পৃথিৱীৰ লেখত ল'বলগীয়া যিকেইখন মহাকাব্যই যুগ যুগ ধৰি মানৱ সমাজক মোহিত কৰি ৰাখিছে তাৰ ভিতৰত ভাৰতৰ মহাভাৰত আৰু ৰামায়ণৰ নাম বিশেষভাৱে উল্লেখযোগ্য। আকাৰত ৰামায়ণতকৈ প্ৰায় আঢ়ৈ গুণ ডাঙৰ মহাভাৰত মহাকাব্যখন পৃথিৱীৰ সমস্ত মহাকাব্যৰ ভিতৰতে সৰ্ববৃহৎ। পৃথিৱীৰ বহুতো ভাষালৈ এই মহাকাব্য দুখনৰ অনুবাদ হৈ আছে। কোনো কোনো বিদেশী ভাষাত একাধিকবাৰ তেনে অনুবাদ হৈ আছে আৰু আধুনিক যুগৰ চিন্তা-চৰ্চাৰ আধাৰত মহাকাব্য দুখনৰ বিভিন্ন ব্যাখ্যা কিম্বা বিশ্লেষণো হৈছে। এই আকৰ্ষণ বা জনপ্ৰিয়তাৰ কথা ক'বলৈ গৈ পণ্ডিত জৱাহৰলাল নেহৰুৱে তেওঁৰ ''ডিছক'ভাৰী অৱ ইণ্ডিয়া'' গ্ৰন্থত লিখিছে যে আনকি ৰাছিয়াতো এফালে যেতিয়া জীৱন-মৰণৰ যুদ্ধ চলি আছিল তেতিয়া ভাৰতত এই মহাকাব্যৰ অনুবাদ ছপা হৈ আছিল।

ৰামায়ণ মহাকাব্যখন মহৰ্ষি বাল্মিকী আৰু মহাভাৰত মহৰ্ষি কৃষ্ণ দ্বৈপায়ন বেদব্যাসৰ দ্বাৰা ৰচিত বুলি জনাজাত হ'লেও দুয়োখন বৃহৎ মহাকাব্যৰ প্ৰতিখনেই এজন মানুহৰ জীৱনকালত সম্পূৰ্ণকৈ ৰচিত হোৱা নাছিল বুলি পণ্ডিতসকলৰ বিশ্বাস। মহাকাব্য দুখনৰ ৰচনাকাল সঠিকভাৱে নিৰ্ণয় কৰিব পৰা হোৱা নাই যদিও এইটো নিশ্চিত যে দুয়োখনৰে ৰচনাৰ প্ৰক্ৰিয়া এতিয়াৰ পৰা আঢ়ৈ হাজাৰ বছৰতকৈও আগতেই আৰম্ভ হৈছিল। সম্ভৱতঃ তাৰো আগৰ গঙ্গা উপত্যকাত আৰ্য-সভ্যতা বিস্তাৰ হ'বলৈ ধৰাৰ সময়ৰ কোনো ঐতিহাসিক ঘটনাৰ আলম লৈ মহাভাৰতৰ কাহিনীটো ৰচিবলৈ লোৱা হৈছিল আৰু কালক্ৰমত তাত নতুন নতুন উপাখ্যান, নতুন ভাব-চিন্তা-দৰ্শন আৰু অসংখ্য বিষয়বস্তু যোগ হ'বলৈ ধৰিছিল। মহাকাব্যখনে তাৰ এক লাখ দুশৰীয়া সংস্কৃত শ্লোকেৰে সৈতে সম্পূৰ্ণ ৰূপটো পাবলৈ আঠশৰ পৰা এহেজাৰ বছৰমান লাগিছিল বুলি ঠাৰৰ কৰা হৈছে।

ৰামায়ণ ৰচিত হৈছে অকল এজন মানুহৰ জীৱনৰ কাহিনীভাগক লৈ। তেওঁ হৈছে শ্ৰীৰামচন্দ্ৰ। কিন্তু মহাভাৰত কোনো এজনৰ বিশেষ কাহিনীভাগক লৈ ৰচিত হোৱা নাই। ইয়াত সন্নিৱিষ্ট হৈছে অসংখ্য মানুহৰ অসংখ্য কাহিনীৰ যোগাযোগ আৰু সেই সকলোকে কেন্দ্ৰ কৰি ৰচিত হৈছে এক ব্যাপক ক্ষেত্ৰৰ ইতিহাস। সেই ক্ষেত্ৰখনৰ নামেই হৈছে ভাৰত আৰু ইতিহাসখনৰ নাম হৈছে মহাভাৰত। অৰ্থাৎ মহাভাৰত হৈছে সমস্ত ভাৰতভূমিৰ কাহিনী।

আমাৰ মানুহৰ মাজত চিৰকাল এটা প্ৰবচন চলি আহিছে যে মহাভাৰতত যি কথা নাই সেই কথা মানুহৰ পৃথিৱীত ক'তো পাবলৈ নাই আৰু মানুহৰ পৃথিৱীত এনে কথা কেতিয়াও কোনোকালে নহ'ব যিটো মহাভাৰতত ঘটা নাই। অৰ্থাৎ এই মহাকাব্যখনত মানুহৰ সমাজ জীৱনৰ সকলো ধৰণৰ

ভাৱ-অনুভূতি, মানুহে প্ৰকাশ কৰিব পৰা সকলো ধৰণৰ অভিব্যক্তি, মানুহৰ সকলো প্ৰকাৰৰ চিৰাচৰিত প্ৰবৃত্তি আদি কোনো কথাই নথকাকৈ থকা নাই। মানুহৰ মাজত থকা হিংসা-কপট, খিয়লাখিয়লি, নিন্দা-ভৰ্ৎসনা, ক্ৰোধ-দয়া, ধৰ্ম-অধৰ্ম, পাপ-পুণ্য, সুখ-দুখ, যুদ্ধ-ক্ষমা, ন্যায়-অন্যায় আদি যিমানবোৰ আচৰণ হ'ব পাৰে সেই সকলোবোৰৰে স্বৰূপ এই মহাকাব্যখন পৰস্পৰ সম্পৰ্কিত বিস্তৰ কাহিনীৰ জৰিয়তে ডাঙি ধৰা হৈছে। সেইদৰে এই সকলোবোৰ কৃতকৰ্মৰ স্বাভাৱিক পৰিণতিও আনি সাজু কৰা হৈছে।

মহাভাৰতৰ কেন্দ্ৰীয় চৰিত্ৰ হৈছে কৃষ্ণ আৰু কেন্দ্ৰীয় ঘটনা হৈছে কুৰুক্ষেত্ৰৰ মহাযুদ্ধ। এই দুয়োটাৰে মাজত সম্পৰ্ক ঘটাইছে এটা কথাই। সেইটো হৈছে ধৰ্ম। কিন্তু সেই ধৰ্মনো কি? ইয়াত ধৰ্মৰ অৰ্থ হৈছে সত্য, ন্যায়, মহৎ আদৰ্শ আৰু সেইবোৰৰ চিৰন্তনতা। সেইবাবে মহাভাৰতৰ সমস্ত ঘটনাৱলীত কৃষ্ণ হৈ পৰিছে ধৰ্ম ৰক্ষাৰ এজন অৱতাৰী পুৰুষ আৰু কুৰুক্ষেত্ৰ হৈ পৰিছে ধৰ্মযুদ্ধ। সেই কৃষ্ণ ঐশ্বৰিক শক্তিসম্পন্ন হ'লেও তেওঁৰো সাধাৰণ মানুহৰ দৰেই মৃত্যু হৈছে। অৰ্থাৎ মৰণশীল মানুহেও ঈশ্বৰত্ব লাভ কৰিব পাৰে। এনে কিছুমান জ্ঞান-বুদ্ধি আৰু শক্তি আছে যিবোৰ কৃষ্ণই লাভ কৰিছিল আৰু সেইমতেই তেওঁ মানৱ জাতিক পৰিচালনা কৰিব পাৰিছিল। কৃষ্ণই মহাভাৰতত তেওঁৰ সকলো লীলা-খেলাৰে তেওঁৰ প্ৰবল উপস্থিতি যেনেকৈ অনুভৱ কৰাইছে তাৰ্লৈ চাই তেওঁক আজিৰ যুগৰ এজন অতি বুদ্ধি আৰু কৰ্মকুশলতাসম্পন্ন বিচক্ষণ ৰাজনীতিজ্ঞৰ লগতহে তুলনা কৰিব পাৰি। কিন্তু সেই কৃষ্ণৰ জৰিয়তেই মহাভাৰতত সৃষ্টি কৰা হৈছে মানুহে লাভ কৰিব পৰা সৰ্বশ্ৰেষ্ঠ জ্ঞানৰ শাস্ত্ৰ ভাগৱত গীতা। সেই ভাগৱত গীতা সুকীয়াকৈও মানৱ জ্ঞানৰ সৰ্বোত্তম কৃতি হিচাপে পৃথিৱীত স্বীকৃত হৈছে। এইবাবেই কৃষ্ণক কোৱা হয় পুৰুষোত্তম বুলি।

মহাভাৰতত কৃষ্ণক সকলো কথাৰে নিয়ন্তা হিচাপে চিত্ৰিত কৰা হৈছে। কৃষ্ণৰ বাহিৰেও ধৰ্ম-যুধিষ্ঠিৰ, প্ৰতিব্ৰতা গান্ধাৰী, আদৰ্শবাদী ভীষ্ম, দৃঢ়চেতা দুৰ্যোধন, মহৎ হৃদয়ৰ কৰ্ণ আদি অনেক আকৰ্ষণীয় চৰিত্ৰ আৰু ব্যক্তিত্ব আছে যিবিলাকৰ কথা কৈ শেষ কৰিব নোৱাৰি। কিন্তু সকলোতকৈ ইয়াত অধিক গুৰুত্ব লাভ কৰিছে ৰাষ্ট্ৰনীতিৰ কথা আৰু জনহিতৰ কথাই। এখন বিশাল দেশ আৰু এটা বৃহৎ জাতিৰ জনসাধাৰণৰ ভৱিষ্যতৰ কল্যাণ আৰু উৎকৰ্ষৰ অন্তৰ্নিহিত কথাকে ইয়াৰ কাহিনীবোৰৰ পৰস্পৰ সম্পৰ্কৰ মাজত বিচাৰি পাবলৈ আছে। সুবিশাল ভাৰতবৰ্ষৰ ঐক্য আৰু সংহতিৰ প্ৰেৰণাই হৈছে মহাভাৰতৰ উৎস। বহু জাতি-উপজাতি আৰু বহুতো সংস্কৃতি-সভ্যতাৰে পৰিপূৰ্ণ এখন দেশ হিচাপে ভাৰতবৰ্ষক কল্পনা কৰাটোৱেই হৈছে যুগান্তকাৰী কথা। মহাভাৰত মহাগ্ৰন্থখন হৈছে তাৰেই সাক্ষী আৰু মানৱ সমাজৰ এখন মহাদলিল।

মহাভাৰত হৈছে ৰাষ্ট্ৰৰ বাবে সামাজিক জ্ঞানৰ ভঁৰাল আৰু ব্যক্তিগত মানুহৰ বাবে নীতিগত জীৱনৰ অভিধান। যুদ্ধই ইয়াত প্ৰাধান্য লাভ কৰিছে যদিও যুদ্ধৰ দ্বাৰা অপৰিনামদৰ্শী লোকসকলে নিজৰ লগতে ৰাষ্ট্ৰ আৰু ৰাইজৰ জীৱনলৈ কেনেদৰে সৰ্বনাশ মাতি আনে তাকেই সবিস্তাৰে দেখুওৱা হৈছে। মহাভাৰতৰ যুদ্ধপৰ্বই মাথোন হিংসাৰ অপ্ৰয়োজনীয়তা আৰু অহিংসাৰ প্ৰয়োজনীয়তাৰ কথাকে চিত্ৰিত কৰি দেখুৱাই গৈছে। মহাভাৰতৰ সাৰ কথা হৈছে ঐক্য আৰু অহিংসা। মহাভাৰতৰ মহৎ বাণী হৈছে — 'তুমি নিজৰ বাবে যি হোৱাটো নিবিচাৰা, সেইটো আনৰ বাবে হোৱাটোও কামনা নকৰিবা' আৰু 'অমৰত্ব আৰু জীৱনতকৈ সদগুণহে মানুহৰ শ্ৰেষ্ঠ বস্তু'।

দাৰ্শনিক মনীষী সৰ্বপল্লী ৰাধাকৃষ্ণণে মহাভাৰতৰ বিষয়ে ওপৰৰ সাৰ কথাখিনি কৈ লগতে আৰু কৈছে যে সত্য, সংযম, সুন্দৰতা, উদাৰতা, অহিংসা, সদগুণ — এইবোৰেই হৈছে মানুহৰ জীৱনত কৃতকাৰ্যতা লাভ কৰাৰ উপায় আৰু সেই উপায় মানুহৰ কোনো জাতি-বৰ্ণ বা কোনো বংশ-পৰিয়ালে দিব নোৱাৰে। ☐

*(সহায় লৈ)*

শিক্ষাই জীৱন, জীৱনেই শিক্ষা।

— লজ

সমাজ আৰু সংস্কৃতি

# বন্ধ সংস্কৃতিৰ বিষয়ে কিছু চিন্তা

জিৎপল গগৈ
প্ৰাক্তন ছাত্ৰ



বৰ্তমান সময়ত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য বিশেষকৈ আমাৰ অসমৰ প্ৰগতিৰ ক্ষেত্ৰত বাধা হৈ থিয় দিয়া এটা প্ৰধান কাৰক হৈছে বন্ধ। আজিকালি প্ৰায়েই বন্ধ দিয়া দেখিবলৈ পোৱা যায়। কেতিয়াবা সপ্তাহত দুই-তিনিদিনলৈকে বন্ধ দিয়াৰ উদাহৰণো আছে। বন্ধ হৈছে এক প্ৰকাৰৰ প্ৰতিবাদ। বিভিন্ন সময়ত জনসাধাৰণে বিভিন্ন সংগঠনৰ হৈ চৰকাৰৰ প্ৰতি থকা কিছুমান ক্ষোভে এই বন্ধক মাধ্যম হিচাপে লৈ প্ৰকাশ কৰা দেখা যায়। কেতিয়াবা কেতিয়াবা জনসাধাৰণৰ কিছুমান দাবী পূৰণ কৰিবৰ বাবে বন্ধক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাও দেখিবলৈ পোৱা যায়। কিন্তু এতিয়া প্ৰশ্ন উত্থাপিত হয় যে বন্ধৰ উৎপত্তি ক'ত, কেতিয়া আৰু কিয় হয়? লগতে আমি এইটোও বিশ্লেষণ কৰিব লাগিব যে বন্ধৰ ফলাফল আৰু প্ৰাসংগিকতা কি?

এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ কিছুমান বৈশিষ্ট্য থাকে যেনে মত প্ৰকাশৰ স্বাধীনতা, আন্দোলন কৰাৰ স্বাধীনতা ইত্যাদি। তেনে ক্ষেত্ৰত বন্ধৰ আহ্বান কৰা এক গণতান্ত্ৰিক পদ্ধতি বুলি ক'ব পাৰি। কিন্তু বহু ক্ষেত্ৰত দেখিবলৈ পোৱা যায় যে যিসকলে বন্ধৰ আহ্বান দিয়ে, তেওঁলোকে বন্ধ সফল কৰিবৰ কাৰণে হিংসাত্মক ৰূপ ধাৰণ কৰে। গতিকে তেনে ক্ষেত্ৰত তেওঁলোকে গণতান্ত্ৰিক পদ্ধতি এটা গ্ৰহণ কৰি অগণতান্ত্ৰিক মাধ্যমেৰে তাক সফল কৰাৰ চেষ্টা কৰাটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। কিন্তু সেই বুলি বন্ধৰ প্ৰাসংগিতা নাই বুলি কোৱা কথাও সত্য নহয়। কিয়নো বহু ক্ষেত্ৰত এনে বন্ধৰে আন্দোলনকাৰীসকলক তেওঁলোকৰ উদ্দেশ্যত সফল হোৱা দেখিবলৈ পোৱা যায় আৰু সেই সফলতাই তেওঁলোকক অন্য বন্ধ আহ্বানৰ বাবে অনুপ্ৰেৰণা দিয়া দেখা যায়।

বন্ধ হ'ল এনে এক ব্যৱস্থা যত কেৱল বন্ধ আহ্বান কৰা লোক সকলেই জড়িত নহয়। এটা বন্ধৰ লগত বন্ধ আহ্বান কৰা লোকসকলৰ লগতে সেই অঞ্চলৰ জনসাধাৰণ, চৰকাৰ, ব্যৱসায়ীসকলো জড়িত হৈ পৰে কিয়নো এই বন্ধই কম বেছি পৰিমাণে এওঁলোকৰ ওপৰতো প্ৰভাৱ পেলোৱা দেখিবলৈ পোৱা যায়। কোনো এটা নিৰ্দিষ্ট দিনত, নিৰ্দিষ্ট অঞ্চলত দিয়া বন্ধৰ বাবে আমি বন্ধ আহ্বান কৰা লোকসকলকে দায়ী কৰিব নোৱাৰো, কিয়নো বন্ধৰ বাবে দায়ী হয় আমাৰ সমাজ ব্যৱস্থাটো। বহু ক্ষেত্ৰত তেওঁলোকে এনে বন্ধৰ আহ্বানৰ বাবে বাধ্য হৈ পৰে। বৰ্তমান সময়ত আন্দোলনকাৰী সকলে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে দুটা মাধ্যমৰ জৰিয়তে সংগঠিত হয়। এটা নৰম ব্যৱস্থা আৰু

আনটো চৰম ব্যৱস্থা। গতিকে তেনে ক্ষেত্ৰত চৰম মাধ্যমেৰে সংগঠিত হোৱা লোকসকলৰ স্বাৰ্থক অধিক অগ্ৰাধিকাৰ দিয়াৰ বাবে নৰম মাধ্যমেৰে সংগঠিত হোৱা লোকসকলো কিছু পৰিমাণে উগ্ৰ হৈ পৰাটো অস্বাভাৱিক নহয়। বৰ্তমান সময়ত আমাৰ অসমতো শ শ সংগঠনে এটা বৰ্যত মাহ হিচাপত দুই মাহ মানতকৈ অধিক বন্ধৰ আহ্বান দিয়া দেখা যায়, তাৰ ভিতৰত ক্ষমতাশালী গোষ্ঠীসমূহে বন্ধক সফল ৰূপ দিবলৈ সক্ষম হয় আৰু কিছুমান বন্ধক জনসাধাৰণে বৰ বিশেষ গুৰুত্ব প্ৰদান নকৰে।

বন্ধৰ কাৰণ বুলি ক'লে বিভিন্ন কাৰণৰ কথা ক'ব লাগিব। বন্ধ সম্পূৰ্ণ দেশত হ'ব পাৰে বা ৰাজ্য ভিত্তিক, জিলা ভিত্তিক বা অঞ্চল ভিত্তিক হ'ব পাৰে। বন্ধৰ লগত সাধাৰণতে জনসাধাৰণৰ আৱেগিক ভাৱধাৰা জড়িত থাকে, কিয়নো তেওঁলোকে যেতিয়াই নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হয় তেতিয়াই বন্ধৰ আহ্বান কৰে।

বহু ক্ষেত্ৰত চৰকাৰে লোৱা কিছুমান সিদ্ধান্ত জনবিৰোধী হোৱা দেখিবলৈ পোৱা যায়। যি সিদ্ধান্ত বা কাৰ্যকলাপে জনসাধাৰণক ক্ষতিগ্ৰস্ত কৰাৰ সম্ভাৱনা দেখিবলৈ পোৱা যায় তেতিয়াই সংগঠন বিলাকে জনসাধাৰণক চৰকাৰৰ এনে কাৰ্যকলাপৰ পৰা সুৰক্ষা প্ৰদানৰ অৰ্থে বিভিন্ন কাৰ্যপন্থা হাতত লোৱা দেখিবলৈ পোৱা যায় আৰু এই কাৰ্যপন্থাবোৰৰ ভিতৰত অন্যতম হৈছে বন্ধৰ আহ্বান। ইয়াৰ লগতে কেতিয়াবা চৰকাৰে জনসাধৰণৰ সমস্যা সমূহ সমাধান কৰাত বিফল হোৱা দেখিবলৈ পোৱা যায় আৰু তেতিয়া সমস্যাৰ লগত জড়িত লোকসকল আৱেগিক হৈ পৰে আৰু তেওঁলোকৰ স্বাৰ্থত বিভিন্ন নেতা বা সংগঠনে নেতৃত্ব বহন কৰি বন্ধক এক অস্ত্ৰ হিচাপে লৈ চৰকাৰৰ বিৰুদ্ধে নিজৰ বিক্ষোভ প্ৰদৰ্শন কৰে।

কেতিয়াবা কেতিয়াবা কোনো লোকে প্ৰাপ্যৰ পৰা বঞ্চিত হৈও এনে বন্ধৰ আহ্বান কৰা দেখা যায়। এনে ক্ষেত্ৰত তেওঁলোকে পৰিকল্পিতভাৱে নিজৰ মাজত বিভিন্ন সংগঠন সৃষ্টি কৰি এনে বন্ধৰ আহ্বান কৰে। উদাহৰণ স্বৰূপে দৰমহাৰ পৰা বঞ্চিত চৰকাৰী কৰ্মচাৰী সকল, বিভিন্ন জনগোষ্ঠীয়ে কৰা নিজৰ অধিকাৰৰ দাবী ইত্যাদি।

কেতিয়াব কেতিয়াবা দুৰ্ঘটনাজনিত কাৰণতো বন্ধৰ আহ্বান কৰা দেখিবলৈ পোৱা যায়। কোনো কোনো অঞ্চলত কেতিয়াবা হঠাতে কোনো দুৰ্ঘটনা হোৱা দেখিবলৈ পোৱা যায়। এনে দুৰ্ঘটনাত সেই অঞ্চলৰ কোনো লোক ক্ষতিগ্ৰস্ত হ'লে, অঞ্চলবাসীয়ে তৎক্ষণাৎ দুৰ্ঘটনা সংঘটিত কৰা বাহনত অগ্নিসংযোগ কৰি সেই অঞ্চলত দোষীক শাস্তি নিদিয়া পৰ্যন্ত বন্ধ দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়।

অন্যহাতে নতুনকৈ গঠিত হোৱা সংগঠন কিছুমানে জনসাধাৰণৰ মাজত নিজৰ প্ৰচাৰৰ বাবে কিছুমান সৰু সুৰা বিষয় লৈ বন্ধ আহ্বান দিয়াৰ উদাহৰণো দেখিবলৈ পোৱা যায়।

অস্তিত্বজনিত কাৰণতো বিভিন্ন সংগঠনে বিভিন্ন জনগোষ্ঠীৰ হৈ বন্ধৰ আহ্বান দিয়া দেখিবলৈ পোৱা যায়। ইয়াত সাধাৰণতে সংগঠনবোৰে নিজ নিজ জাতি-জনগোষ্ঠীৰ নেতৃত্ব বহন কৰে। এই সংগঠনবোৰে নিজ জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে বা তেওঁলোকৰ জাতিৰ প্ৰগতিৰ বাবে চৰকাৰৰ ওচৰত বিভিন্ন অধিকাৰ দাবী কৰে আৰু এনে দাবী উত্থাপন কৰিবলৈ গৈ বন্ধৰ দৰে কিছুমান কাৰ্যব্যৱস্থাও গ্ৰহণ কৰিবলৈ বাধ্য হৈ পৰে। উদাহৰণ স্বৰূপে - তেওঁলোকে স্বায়ত্ব শাসন, বিশেষ সা-সুবিধাৰ দাবী আদি কাৰণত বন্ধৰ আহ্বান কৰা দেখা যায়।

বন্ধৰ আহ্বান যে কেৱল আৱেগজনিত কাৰণতে কৰে, তেনে নহয়। বহু ক্ষেত্ৰত ব্যৱসায়জনিত কাৰণতো বন্ধৰ আহ্বান কৰা দেখিবলৈ পোৱা যায়। সাধাৰণতে ডাঙৰ ডাঙৰ ব্যৱসায়ীৰ পৰা ক্ষুদ্ৰ ব্যৱসায়ীলৈকে সকলোৱে এনে বন্ধৰ সহায় লৈ নিজৰ স্বাৰ্থ সিদ্ধি কৰা দেখিবলৈ পোৱা যায়। তেওঁলোকে সাধাৰণতে ব্যক্তিগত লাভালাভৰ স্বাৰ্থত এনে কাৰ্যব্যৱস্থা গ্ৰহণ কৰে।

ওপৰত বন্ধৰ বিভিন্ন কাৰণ সন্দৰ্ভত আলোচনা আগবঢ়োৱা হ'ল। এইবোৰৰ উপৰিও বন্ধৰ বহুতো কাৰণ আছে যদিও এইকেইটাকে বন্ধৰ প্ৰধান কাৰণ বুলি আখ্যা দিব পাৰি।

**বন্ধ আৰু হিংসাত্মক কাৰ্য্যকলাপ ঃ**

বৰ্তমান সময়ত বন্ধ আৰু হিংসা এই দুটাৰ সম্পৰ্ক এটাক আনটোৰ পৰা এৰাব নোৱাৰা ধৰণৰ। বৰ্তমান সময়ত বন্ধ বুলি কোৱাৰ লগে লগে তাৰ লগত হিংসা শব্দটোও জড়িত হৈ পৰে। কিয়নো বৰ্তমান সময়ত হিংসাৰ অবিহনে বন্ধক সফল ৰূপ দিব নোৱাৰি বুলি বহুতে ভাৱে। আজিকালি বাতৰি কাকত, টেলিভিছন আদিত প্ৰায়েই দেখিবলৈ পোৱা যায় যে বন্ধৰ আহ্বানকাৰীয়ে গাড়ী জলালে, দোকান ভাঙিলে ইত্যাদি। কেতিয়াবা কেতিয়াবা তেওঁলোকে টায়াৰত অগ্নিসংযোগ কৰি ৰাস্তা-পথত উত্তপ্ত পৰিস্থিতি সৃষ্টি কৰাও দেখিবলৈ পোৱা যায়। তেওঁলোকে মুক্ত দোকান আদিত সোমাই বস্তুৰ ক্ষয়ক্ষতি কৰে। বাহন আদিত শিলগুটি মাৰি বিস্তৰ ক্ষয়-ক্ষতি কৰে। প্ৰয়োজনসাপেক্ষে তেওঁলোকে বাহন আদিত অগ্নিসংযোগ কৰি জনসাধাৰণৰ লগত প্ৰত্যক্ষ সংঘাটতো লিপ্ত হয়। এনে কৰিবলৈ গৈ তেওঁলোকে পুলিচৰ হাতত গ্ৰেপ্তাৰ হ'বলগীয়া হোৱাও দেখা পোৱা যায়।

সেই সময়ত আন্দোলনকাৰীসকল সম্পূৰ্ণৰূপে আৱেগিক হৈ পৰে, যাৰ পৰিণতিস্বৰূপে অন্য জনসাধাৰণ ক্ষতিৰ সন্মুখীন হ'বলগীয়া হয়। এনে ক্ষেত্ৰত তেওঁলোকে যে প্ৰত্যক্ষ ক্ষয় ক্ষতিয়েই কৰে, তেনে নহয়, ইয়াৰ উপৰিও তেওঁলোকে পৰোক্ষ ভাৱেও ক্ষয় ক্ষতি কৰে, যেন শাক-পাচলি, আলু অন্যান্য সামগ্ৰী গেলি বিক্ৰেতাসকলো ক্ষতিৰ সন্মুখীন হ'বলগীয়া হয়। এইবোৰৰ উপৰিও তেওঁলোকে বন্ধক সফল ৰূপ দিবৰ বাবে বিভাজিত হৈ লাঠি, শিলগুটি লৈ ঠায়ে ঠায়ে হিংসাত্মক কাৰ্যকলাপ গ্ৰহণ কৰে। গতিকে ক'ব পাৰি যে বৰ্তমান সময়ত বন্ধ এক প্ৰকাৰৰ হিংসাত্মক কাৰ্যলৈ পৰিণত হৈছে।

**বন্ধৰ সফলতা কেতিয়া হ'ব?**

বন্ধৰ সফলতা কেৱল বন্ধ দিয়া দিনটোৰ লগত জড়িত নহয়। তেলঁলোকে বন্ধক সফল ৰূপ দিলেও বাস্তৱিকতে সেই বন্ধ সফল নহবও পাৰে। তেওঁলোকে দোকান, ৰাস্তা-ঘাট বন্ধ কৰি বা বাহন চলাচল আদি বন্ধ কৰিলেও সেই বন্ধক তেতিয়ালৈকে সফল বুলি ক'ব নোৱাৰিব যেতিয়ালৈকে সেই বন্ধই তেওঁলোকৰ প্ৰকৃত সমস্যাৰ সমাধান কৰিব নোৱাৰিব। কিয়নো প্ৰত্যেকটো বন্ধ আহ্বানৰ অন্তৰালত কিছুমান গোষ্ঠী বা জনসাধাৰণৰ দাবী, ক্ষোভ, সমস্যা আদি লুকাই আছে। গতিকে তেনে ক্ষেত্ৰত যেতিয়ালৈকে চৰকাৰে তেওঁলোকৰ দাবী পূৰণ নকৰে বা সমস্যাৰ সমাধান নহয় বা ক্ষোভসমূহ আতৰ নহয়, তেতিয়ালৈকে এটা বন্ধক সফল বন্ধ বুলি ক'ব নোৱাৰি। গতিকে এটা বন্ধৰ সফলতা বা বিফলতাৰ মূল্যায়ন কৰিবৰ বাবে চৰকাৰ অথবা যাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা হৈছে, সেই পক্ষৰ উত্তৰ বা সিদ্ধান্তৰ প্ৰতি বাট চাব লাগিব। কিন্তু সিদ্ধান্ত বা উত্তৰ সাধাৰণতে বন্ধৰ তিনি-চাৰিদিন পিছতহে পোৱা হয়। গতিকে বন্ধৰ তিনি-চাৰি দিন পিছতহে বন্ধৰ সফলতা আৰু বিফলতাৰ বিষয়ে ক'ব পৰা যাব। আৰু যদি চৰকাৰৰ সিদ্ধান্ত বন্ধ আহ্বান কৰা লোক সকলৰ সপক্ষে অথবা চৰকাৰ তেওঁলোকৰ স্বাৰ্থৰ প্ৰতি সহানুভূতি হয়, তেন্তে সেই বন্ধক সফল বুলি ক'ব পাৰি। আৰু ইয়াৰ বিপৰীতে কোনো বন্ধত বন্ধ দিয়া অঞ্চলটোৰ সমগ্ৰ জনসাধাৰণে বন্ধক সমৰ্থন কৰি বন্ধ আহ্বান কৰা লোকসকলৰ সৈতে সহযোগ কৰিলেও সেই বন্ধক বিফল বন্ধ বুলিব পাৰি যদি বন্ধৰ পিছত চৰকাৰে তেওঁলোকৰ বন্ধৰ অন্তৰালত লুকাই থকা কাৰণটোক গুৰুত্ব নিদিয়ে। গতিকে ক'ব পাৰি যে বন্ধৰ সফলতা আৰু বিফলতা বিৰোধী পক্ষৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰশীল।

আমি সকলোৱে জানো যে এখন গণতান্ত্ৰিক দেশত মত প্ৰকাশৰ স্বাধীনতা, সংগঠিত হোৱা অধিকাৰ, প্ৰতিবাদ কৰাৰ অধিকাৰ আদি বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। তেনে ক্ষেত্ৰত চৰকাৰৰ কিছুমান কাৰ্যকলাপৰ বিৰুদ্ধে কিছুমান লোকে সংগঠিত ভাৱে বন্ধৰ মাধ্যমেৰে কৰা প্ৰতিবাদে বহু ক্ষেত্ৰত গণতন্ত্ৰক সফল কৰিব পাৰে বুলি ক'ব পৰা যায়। এই অধিকাৰ এক গণতান্ত্ৰিক অধিকাৰ। গতিকে ক'ব পাৰি যে জনসাধাৰণে কৰা এই প্ৰতিবাদে গণতান্ত্ৰিক ভাৱধাৰাক প্ৰতিফলিত কৰে।

বন্ধই বহু পৰিমাণে প্ৰাপ্য আদায় কৰাত সহায় কৰে, কিয়নো বন্ধ হৈছে এক প্ৰকাৰৰ প্ৰতিবাদ। তেনে ক্ষেত্ৰত নিজৰ অধিকাৰ, প্ৰাপ্য আদিৰ বাবে কৰা দাবীত বন্ধই এক অস্ত্ৰ হিচাপে কাম কৰে।

বৰ্তমানৰ প্ৰচলিত যি সমাজ ব্যৱস্থা, সেই সমাজ ব্যৱস্থাত প্ৰায়েই শোষণ, অন্যায় আদি দেখিবলৈ পোৱা যায়। গতিকে এই অন্যায়, শোষণ আদিৰ বিৰুদ্ধে সংগ্ৰাম কৰি ন্যায় প্ৰতিষ্ঠা কৰি সমতা অনাটো প্ৰয়োজন হৈ পৰে। তেতিয়া তেওঁলোকে ন্যায় প্ৰতিষ্ঠা কৰিবৰ বাবে কঠোৰ সংগ্ৰাম কৰিবলগীয়া হয়। সাধাৰণতে সমাজৰ যি সকল সাধাৰণ লোক বা নিম্ন পৰ্যায়ৰ লোক, তেওঁলোক অতি সহজতে অন্যায়ৰ বলি হোৱা দেখিবলৈ পোৱা যায়। গতিকে তেওঁলোকে প্ৰতিবাদ স্বৰূপে বন্ধৰ সহায় লৈ নিজৰ ন্যায় প্ৰতিষ্ঠাৰ দাবী উত্থাপন কৰে।

বন্ধই বহু সময়ত চৰকাৰৰ জনবিৰোধী কাৰ্যকলাপত বাধা আৰোপ কৰিবলৈ সক্ষম হয়। কিয়নো প্ৰায়েই দেখা যায় যে চৰকাৰে নিজৰ স্বাৰ্থত বা



অন্যান্য কাৰণত জনবিৰোধী স্থিতি গ্ৰহণ কৰে। তেতিয়া জনসাধাৰণে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰক তেনে কাৰ্য কৰাত বাধা আৰোপ কৰে। কিন্তু চৰকাৰে অতি সহজতে জনসাধাৰণৰ প্ৰতিবাদ স্বৰূপে তেনে কাৰ্য বন্ধ নকৰে। তেনে ক্ষেত্ৰত জনসাধাৰণে বিভিন্ন হিংসাত্মক কাৰ্যব্যৱস্থা যেনে হৰতাল, বন্ধ আদিৰ জৰিয়তে নিজৰ সিদ্ধান্ত সলনি কৰিবলৈ চৰকাৰক বাধ্য কৰায়।

বন্ধৰ যি দৰে ধনাত্মক দিশ আছে, ঠিক সেইদৰে ঋণাত্মক দিশ থকাও দেখিবলৈ পোৱা যায়। যি অঞ্চলত বন্ধৰ আহ্বান কৰা হয়, সেই অঞ্চলত শান্তি ভংগ হয় আৰু হিংসাত্মক কাৰ্য সংঘটিত কৰাত অৰিহনা যোগায়। বন্ধ কেতিয়াও শান্তিময় হ'ব নোৱাৰে, কিয়নো বৰ্তমান সময়ত সঘনাই বিভিন্ন সংগঠনে বন্ধৰ আহ্বান কৰে। তেনে ক্ষেত্ৰত জনসাধাৰণে এনে বন্ধৰ প্ৰতি বৰ বিশেষ সহযোগ কৰা দেখা নাযায়। তেতিয়া বন্ধ আহ্বান কৰা লোকসকলে বা সংগঠনে বন্ধক সফল কৰিবৰ কাৰণে হিংসাত্মক কাৰ্যকলাপ কৰিবলৈও কুণ্ঠাবোধ নকৰে। গতিকে দেখা যায় যে বৰ্তমান সময়ত বন্ধ আৰু হিংসাক এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি ক'ব পাৰি।

বন্ধই দেশৰ প্ৰগতিতো বহু পৰিমানে ব্যাঘাত জন্মায়। বৰ্তমান সময় কৰ্মৰ যুগ আৰু বিজ্ঞানৰ যুগ। গতিকে এই যুগৰ লগত সংগতি ৰাখি প্ৰত্যেক ব্যক্তিয়ে নিজকে প্ৰতি মুহূৰ্ততে কামত ব্যস্ত ৰাখে। গতিকে তেনে ক্ষেত্ৰত সংগঠনবোৰে দিয়া বন্ধৰ বাবে বিভিন্ন কাম বৈ যায়। চৰকাৰী কৰ্মচাৰী সকল সময়মতে কাৰ্যালয় পাবগৈ নোৱাৰে, ফলস্বৰূপে চৰকাৰী কামবোৰ পলম হৈ গৈ থাকে। বিভিন্ন ধৰণৰ চৰকাৰী আঁচনিবোৰ বৈ যায়। কোনো কোনো ক্ষেত্ৰত দেখা যায় যে চৰকাৰী বিলবোৰ বৈ যায়, কাম সময়মতে নহয়। সাধাৰণ জনসাধাৰণে নিজৰ কামবোৰৰ বাবে প্ৰয়োজনীয় নথি পত্ৰ নাপায়। গতিকে ক'ব পাৰি যে বন্ধই কেৱল শান্তি ভংগই নহয় দেশৰ প্ৰগতিৰ ক্ষেত্ৰতো এক বাধা ৰূপে থিয় দিয়ে।

বন্ধই শিক্ষাখণ্ডতো সমস্যাৰ সৃষ্টি কৰে। ছাত্ৰ-ছাত্ৰী সকল সময়মতে স্কুল-কলেজ পাবগৈ নোৱাৰে। ছাত্ৰ-ছাত্ৰীক ৰেহাই দিয়া হ'ব বুলি কোৱা হয় যদিও দূৰ-দূৰণিৰ পৰা অহা সকলৰ বাছ চলাচল নহ'লে অহাত সমস্যা হয়, তেতিয়া এনে ৰেহাই প্ৰদানৰ প্ৰয়োজনীয়তা কি? যদি সকলো ছাত্ৰ-ছাত্ৰীৰ কাৰণে সুবিধা প্ৰদান নকৰে, তেন্তে এনে ৰেহাই প্ৰদানৰ কোনো যুক্তি নাথাকে। বহু ক্ষেত্ৰত দেখা যায় যে যি দিনত বন্ধ দিয়ে, সেই দিনটোত যদি বিভিন্ন পৰীক্ষা অনুষ্ঠিত কৰে, তেতিয়া সকলো ছাত্ৰ-ছাত্ৰী তেনে পৰীক্ষাত উপস্থিত থাকিব নোৱাৰে আৰু যদি পৰীক্ষা পিছুৱাই দিয়ে তেন্তে নতুন প্ৰশ্নকাকত প্ৰস্তুত কৰাৰ দৰে সমস্যা আহি পৰে।

বন্ধই সাধাৰণ লোকৰ জীৱনত বিস্তৰ ক্ষয়-ক্ষতি কৰে, কিয়নো আমাৰ সমাজত এনে বহু লোক আছে, যি সকলৰ কোনো জমা ধন নাথাকে। তেলঁলোকে প্ৰতি দিন হিচাপত ধন অৰ্জন কৰে আৰু সেই ধন মাথো এটা দিনৰ খৰচ কৰিবলৈহে হয়। তেওঁলোকে প্ৰতি দিন কাম কৰিবলৈ বাধ্য, কিয়নো তেওঁলোকে এদিন কাম নকৰিলে খাবলৈ নোপোৱাৰ সমস্যাত ভোগে। গতিকে এনেবোৰ বন্ধৰ ফলত তেওঁলোকে এদিন কাম কৰাৰ পৰা বিৰত থাকিব লাগে আৰু তাৰ ফলত তেওঁলোক আৰ্থিক সংকটত ভূগিব লগীয়া হয়।

কেতিয়াবা কেতিয়াবা কোনো এক বন্ধই অন্য এক বন্ধৰ আহ্বান কৰাত এক কাৰক হিচাপে থিয় দিয়াৰ উদাহৰণো দেখিবলৈ পোৱা যায়। কেতিয়াবা কোনো সংগঠনৰ বন্ধৰ আহ্বানে কিছুমান লোকৰ স্বাৰ্থত আঘাত কৰা দেখা যায়। তেতিয়া সেইসকল লোকে নিজৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে অন্য এক বন্ধৰো আহ্বান কৰা দেখিবলৈ পোৱা যায়।

বন্ধৰ ফলত সকলো লোক ক্ষতিগ্ৰস্ত হয়, কিন্তু ইয়াৰ ফলত অতিকৈ গুৰুতৰ ভাৱে ক্ষতিগ্ৰস্ত হোৱা লোকসকল হৈছে —

১) অটোচালক, ৰিক্সাচালক, ঠেলাচালক
২) দিন হাজিৰা কৰা প্ৰত্যেকজন ব্যক্তি আৰু পৰিয়াল
৩) স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকল
৪) ৰোগীসকল
৫) মগনীয়া সকল
৬) শাক-পাচলি বিক্ৰেতাসকল
৭) দোকানীসকল ইত্যাদি।

এতিয়া প্ৰশ্ন উত্থাপন হয় যে বন্ধ আহ্বান কৰা লোকসকলে মাথো নিজৰ স্বাৰ্থৰ বাবে বা অন্যান্য যি কাৰণতে হওক, এইসকল লোকৰ স্বাৰ্থত আঘাত কৰাৰ অধিকাৰ জানো আছে? এইসকল লোকক ক্ষতিপূৰণ কোনে দিব? এইসকল লোকেও যদি নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বন্ধৰ আহ্বান কৰা লোকসকলৰ বিৰুদ্ধে সংগ্ৰাম কৰে তেন্তে ই আহিবলগীয়া দিনত ডাঙৰ সমস্যাৰ সৃষ্টি কৰিব। আজিকালি এনে বন্ধৰ প্ৰতিবাদত বিভিন্ন লোক ওলাই আহিছে। এনে বন্ধৰ ফলত চৰকাৰৰ বিপৰীতে অন্য জনসাধাৰণহে অধিক ক্ষতিগ্ৰস্ত হোৱা দেখিবলৈ পোৱা যায়। গতিকে চৰকাৰৰ বিৰুদ্ধে কৰা প্ৰতিবাদৰ নামত বন্ধ দি সাধাৰণ লোকক ক্ষতিগ্ৰস্ত কৰাৰ কোনো যুক্তি নাথাকে।

**বন্ধ নিৰ্মূল কৰাৰ উপায়ঃ**

বন্ধ যিহেতু বৰ্তমানে সমাজত এক

সমস্যাৰূপে থিয় দিছে, গতিকে এই বন্ধ ব্যৱস্থাটোক নাইকিয়া কৰাৰ প্ৰয়োজনীয়তা আছে। সেই সন্দৰ্ভত কেইটামান উপায় হৈছে —

১) চৰকাৰে সংগঠনসমূহৰ লগত প্ৰত্যক্ষ আলোচনাত মিলিত হ'ব লাগিব।

২) চৰকাৰে এনে সংগঠন,জাতি-জনগোষ্ঠীবোৰৰ ভাৱ-অনুভূতিবোৰৰ প্ৰতি যোগাত্মক মনোভাৱ ৰাখিব লাগিব।

৩) বিভিন্ন জ্ঞানী-গুনী বা সমাজৰ উচ্চ আসন প্ৰাপ্ত ব্যক্তিসকল এই ব্যৱস্থাৰ প্ৰতি সজাগ হোৱাৰ লগতে বিভিন্ন বিকল্প ব্যৱস্থা হাতত ল'ব লাগিব।

৪) সংগঠনবোৰে এনে বন্ধৰ আহ্বান কৰিলেও এনে বন্ধৰ সফল ৰূপ দিয়াৰ স্বাৰ্থত হিংসাত্মক ব্যৱস্থা গ্ৰহণ কৰিব নালাগে।

৫) সংগঠনবোৰ আলোচনাৰ মাধ্যমেৰে সমস্যাৰ সমাধান কৰাত আগ্ৰহী হ'ব লাগিব।

৬) সংগঠনবোৰে সমস্যা সমাধানৰ বাবে বন্ধৰ বিকল্প ব্যৱস্থা কৰিব লাগিব।

৭) চৰকাৰে জনসাধাৰণৰ সমস্যাসমূহ গুৰুত্ব সহকাৰে সমাধান কৰাৰ ওপৰত মনোযোগ দিব লাগিব।

৮) সংগঠনবোৰে নিজৰ স্বাৰ্থ সিদ্ধিৰ লগতে সমাজৰ অন্যান্য জনসাধাৰণৰ স্বাৰ্থতো যাতে আঘাত নহয়, তাৰ ওপৰতো গুৰুত্ব দিব লাগিব।

৯) চৰকাৰে বিশেষজ্ঞৰ সহায় লৈ জনসাধাৰণৰ সমস্যা সমাধানত গুৰুত্ব দিব লাগিব।

**বন্ধৰ প্ৰাসংগিকতা ঃ**

বৰ্তমান সময়ত আমাৰ সমাজ ব্যৱস্থাৰ প্ৰধান সমস্যা ৰূপে বন্ধই থিয় দিছে যদিও ইয়াৰ প্ৰাসংগিকতা একেবাৰে নাই বুলি ক'লেও শুদ্ধ নহ'ব। যিহেতু বৰ্তমান সময়ত প্ৰায়েই সংগঠন, গোষ্ঠী আদিয়ে বন্ধক এক অস্ত্ৰ হিচাপে লৈ নিজৰ অধিকাৰ সমূহ দাবী কৰা দেখিবলৈ পোৱা যায় আৰু এই ক্ষেত্ৰত এই সংগঠন বা গোষ্ঠীবোৰ বহু পৰিমাণে সফল হোৱাও দেখিবলৈ পোৱা যায়। কিয়নো চৰকাৰেও তেনে এক পৰিৱেশ মুকলি কৰাত এক কাৰক হিচাপে কাম কৰিছে। সাধাৰণতে দেখা যায় যে চৰকাৰে জনসাধাৰণৰ সমস্যাৰাজিৰ প্ৰতি বৰ বিশেষ গুৰুত্ব নিদিয়ে আৰু তেওঁলোকৰ সমস্যা সমাধানৰ বাবে জনসাধাৰণৰ লগত প্ৰত্যক্ষ আলোচনাত মিলিত হ'বৰ বাবেও আগ্ৰহ প্ৰকাশ নকৰে। অন্যহাতে যেতিয়া সেই একেই জনসাধাৰণে সংগঠিত হৈ অস্ত্ৰ হাতত তুলি সন্ত্ৰাসৰ সৃষ্টি কৰে তেতিয়া চৰকাৰে তেওঁলোকৰ প্ৰতি উদাৰ মনোভাৱ গ্ৰহণ কৰা দেখিবলৈ পোৱা যায়। তেনে ক্ষেত্ৰত জনসাধাৰণেও চিন্তা কৰিবলৈ বাধ্য হয় যে চৰকাৰে নৰমভাৱে নিজৰ অধিকাৰ দাবী কৰা সকলৰ বিপৰীতে সন্ত্ৰাস সৃষ্টি কৰা সকলৰ প্ৰতিহে বেছি মনোযোগী। ফলত নৰম ব্যৱস্থা গ্ৰহণ কৰা সকলে অস্ত্ৰ হাতত লৈ সন্ত্ৰাস সৃষ্টি কৰাৰ বিকল্প হিচাপে কিছু পৰিমাণে হ'লেও সন্ত্ৰাস সৃষ্টি কৰিব পৰাকৈ বন্ধৰ আহ্বান কৰি হিংসাত্মক কাৰ্যকলাপ গ্ৰহণ কৰে যাতে চৰকাৰ তেওঁলোকৰ সমস্যাৰাজিৰ প্ৰতি মনোযোগী হয়। গতিকে সেই দৃষ্টিকোণৰ পৰা বন্ধৰ প্ৰাসংগিকতা আছে বুলি ক'ব পাৰি। কিয়নো বন্ধই ন্যায়, সমতা, প্ৰাপ্যৰ কাৰণে প্ৰতিবাদ কৰা আন্দোলনকাৰীসকলক নিজৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে। অন্যহাতে বন্ধই যিদৰে বন্ধৰ আহ্বান কৰা সকলৰ স্বাৰ্থ সুৰক্ষিত কৰে, ঠিক সেইদৰে ই সমাজৰ কিছু কিছু ক্ষেত্ৰত ক্ষতি সাধনো কৰে, যিবোৰৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে। গতিকে বন্ধক স্বাৰ্থ সুৰক্ষিত কৰাৰ উপায় হিচাপে বিবেচনা কৰাৰ পৰিৱৰ্তে ইয়াক সমাজৰ প্ৰগতিৰ বাধাৰ এক কাৰক হিচাপে বিবেচনা কৰি আন্দোলকাৰীসকলে ইয়াৰ বিকল্প উপায় অৱলম্বন কৰিব পাৰিলে আহিবলগীয়া দিনবোৰত বন্ধৰ পৰা হোৱা ক্ষয়-ক্ষতি বা হিংসাত্মক কাৰ্যকলাপ আদিৰ পৰিমাণ হ্ৰাস পাব বুলি আশা কৰিব পৰা যায়। ❑

নজনাটো লাজৰ কথা নহয়, শিকিবলৈ যত্ন নকৰাটোহে লাজৰ কথা।

— বেঞ্জামিন ফ্ৰেংকলিন

# অসমৰ মানুহৰ পৰিচয়

✍ ধৰিত্ৰী সোনোৱাল
স্নাতক প্ৰথম ষাণ্মাসিক (কলা)

সমগ্ৰ অসম ৰাজ্যখনেই বিভিন্ন জাতি, উপজাতি আৰু জনজাতীয় মানুহেৰে পৰিপূৰ্ণ হৈ আছে। সংযোগ পথৰ সুবিধাৰ হেতু প্ৰাচীন কালৰ পৰাই বিভিন্ন সময়ত দলে দলে নানা ফৈদৰ মানুহক অসমলৈ আহিছিল; আৰু এই ঠাই সুচল পাই ইয়াতে নিগাজিকৈ বসতি কৰিবলৈ ধৰিছিল। অসমৰ কোনো এটা নৃ-গোষ্ঠীকেই থলুৱা গোষ্ঠী বা প্ৰজাতি বুলি আখ্যা দিব নোৱাৰি কাৰণ অসমৰ সমূহ বাসিন্দা ঘাইকৈ প্ৰব্ৰজনকাৰী। বিভিন্ন সময়ত পৃথিৱীৰ বিভিন্ন খণ্ডৰ পৰা মানুহ আহি অসমত স্থায়ীকৈ থাকিবলৈ লৈছিল আৰু কালক্ৰমত অসম ৰাজ্যত বসবাস কৰা এই বিভিন্ন মানৱ গোষ্ঠীৰ লোকসকল জাতীয় ঐক্যডোলেৰে বান্ধ খাই পৰিছিল। এনেদৰেই বৰ্তমান 'অসমৰ মানুহ' এই অভিধাটি গঢ় লৈ উঠিছে। ঐতিহ্য বিচাৰ কৰিলে দেখা যায় যে আধুনিক যুগত প্ৰায়বোৰ জাতিয়েই বৰ্ণশংকৰ হৈ পৰিছে। প্ৰাচীন কালতো হৈছিল। গতিকে পৃথিৱীৰ প্ৰায়বোৰ মানুহৰ শৰীৰত একাধিক নৃ-তাত্বিক লক্ষণ দেখা যায়। অসমৰ মানুহৰ ক্ষেত্ৰটো একে কথাই খাটে। অতীজৰে পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চল মানৱ প্ৰব্ৰজনৰ এক সুগম পথ হিচাপে ব্যৱহৃত হৈ আহিছে ফলত এই ভূমি খণ্ডত বিভিন্ন নৃ-গোষ্ঠীয় গোটৰ প্ৰৱেশ ঘটিছিল। অৱশ্যে এটা কথা ঠিক যে সময়ৰ গতিত এই প্ৰজাতিগত উপাদানসমূহ স্বাংগীকৰণ (Assimilation) প্ৰক্ৰিয়াৰ ফলত এনেদৰে সংমিশ্ৰিত হৈ পৰিছে যে কোনো এটা জাতিৰ মাজতেই সম্পূৰ্ণ ৰূপত প্ৰজাতিগত উপাদানসমূহ সংৰক্ষিত হৈ থকা নাই।

নৃতাত্বিক আৰু ভাষাতাত্বিকসকলে ভাৰতবৰ্ষৰ সমগ্ৰ মানৱ গোষ্ঠীক জাতিগতভাৱে ৬ টা প্ৰধান ভাগত বিভক্ত কৰিছে। এই ৬ টা প্ৰজাতিৰ ভিতৰত অসমত ৱেষ্টাৰ্ন ব্ৰেকীছেফাল বা পশ্চিমীয়া প্ৰশস্তমস্তকী এই প্ৰজাতিটোৰ বাদে বাকী অষ্ট্ৰলয়ড, মঙ্গোলীয়, দ্ৰাবিড়, ককেছীয় আৰু নেগ্ৰিট' - এই পাঁচটা প্ৰজাতিৰ মানুহ দেখিবলৈ পোৱা যায়। অৱশ্যে অসমৰ জনগাঁথনিত নেগ্ৰিট' প্ৰজাতিৰ উপাদান নিহিত হৈ আছেনে নাই সেই লৈ নৃতত্ত্ববিদসকলৰ মাজত মতভেদ দেখা যায়। অসমীয়া জাতি গঠনৰ ইতিহাস দৰাচলতে সংমিশ্ৰণৰ ইতিহাস। এই সংমিশ্ৰণ প্ৰক্ৰিয়াত কোনে কেনেদৰে কোন পথেদি আহি অসমত ভৰি দিলেহি সেই সম্পৰ্কে বিচাৰ বিশ্লেষণ কৰি দেখা গৈছে যে খ্ৰীঃপূঃ ২০০০ ৰ পৰা খ্ৰীঃ পূঃ ১৩০০ মানৰ ভিতৰত বিভিন্ন গোষ্ঠীৰ মানুহ আহি অসমত প্ৰবেশ কৰিছিল।

(ক) **অষ্ট্ৰলয়ড বা অষ্ট্ৰিকসকলৰ পৰিচয় ঃ** অসমলৈ পোনতে প্ৰব্ৰজন কৰা নৃ-গোষ্ঠীটো হ'ল অষ্ট্ৰিক গোষ্ঠী। খ্ৰীঃ পূঃ ২০০ বছৰ পূৰ্বে হোৱাংহো আৰু ইয়াং চিকিয়াং নদীৰ ফালৰ পৰা আহি অষ্ট্ৰিকসকলে অসমত প্ৰৱেশ কৰে। প্ৰাগৈতিহাসিক কালতে অষ্ট্ৰেলীয়সকলে অসমলৈ প্ৰব্ৰজন কৰিছিল। পৰৱৰ্তী সময়ত অসমলৈ অহা মংগোলীয় তথা আলপাইন আৰু আৰ্য নৃ-গোষ্ঠীৰ সৈতে অষ্ট্ৰিকসকল সংমিশ্ৰিত হৈ পৰিল।

শাৰীৰিকভাৱে অষ্ট্ৰিকসকল বৰ চুটি-চাপৰ, কপাল উচ্চল, নাসিকা নিম্ন চূড়ায়িত, চকু ৰঙা, চুলি তামবৰণীয়া, ডাড়ি-গোফ বৰ ঘন, শৰীৰত নোমৰ প্ৰাচুৰ্য, মস্তক দীৰ্ঘ, থুঁতৰি অনুন্নত, খৰ্বকায় আৰু ক্ষীণকায় আৰু এওঁলোকৰ গাৰ বৰণ আছিল ক'লা।

সাধাৰণতে পাহাৰৰ নামনি অংশত বা নামনি অসমত এই লোকসকলে বাস কৰিছিল। এনে আকাৰ প্ৰকাৰৰ পুৰণি মানুহ এতিয়া পাবলৈ নাই। অসমৰ কেতবোৰ জাতি-জনজাতি যেনে - কেওঁট, চাওতাল, কুকি, মণিপুৰী, মেঘালয়ৰ খাঁচী, জয়ন্তীয়া আৰু অৰুণাচল প্ৰদেশৰ ৱাংচু নামেৰে এটা জনজাতিৰ মাজত অষ্ট্ৰিক প্ৰজাতিৰ লোকসকলৰ কিছু মিল দেখা যায়। পণ্ডিতসকলৰ মতে, অষ্ট্ৰিকসকল হয়তো অসমৰ মাজেদি আহি উত্তৰ বংগ বা নেপাল আদি ঠাইলৈ গৈছিল আৰু তাৰ পাছত মংগোলীয়সকল আহি অসম সোমোৱাত তেওঁলোকৰ সৈতে এই লোকসকল মিলি গৈছিল আৰু সেয়ে এতিয়া তেওঁলোকৰ মংগোলীয় লক্ষণেই বেছি। ঊনবিংশ শতিকাত বৃটিছসকলে

অসমত চাহ-খেতি আৰম্ভ কৰে আৰু চাহ বাগানত কাম কৰিবলৈ বনুৱা হিচাপে মধ্য ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অজস্ৰ লোক আনে। এনেদৰে অহা বনুৱাসকল আৰু তেওঁলোকৰ বংশধৰসকলক লৈয়েই অসমত চাহ জনগোষ্ঠীৰ সৃষ্টি হ'ল। চাহ-জনগোষ্ঠীৰ অন্তৰ্গত কোল, মুণ্ডা, খাৰীয়া, ভূমিজ, চাওতাল আদি লোকসকল অষ্ট্ৰলয়ড প্ৰজাতিৰ।

**(খ) মংগোলয়ড বা মংগোলীয়সকলৰ পৰিচয় ঃ** অষ্ট্ৰিকসকলৰ পাছত অসমলৈ অহা এটা মানৱ প্ৰজাতি হ'ল মংগোলীয় প্ৰজাতি। বৰ্তমান অসমৰ মুঠ জনসংখ্যাৰ অধিকাংশই হ'ল মংগোলীয় লোক। ত্ৰয়োদশ শতিকাত হুকং উপত্যকা আৰু চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ পৰা মংগোলীয় লোকসকল আহি অসমত প্ৰৱেশ কৰে। ব্ৰহ্মপুত্ৰ নদীৰ শাখা-প্ৰশাখাৰে পশ্চিমলৈ আহি মংগোলীয় লোকসকল ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰে। অসমত বসবাস কৰাৰ পাছত ভৌগোলিক অৱস্থিতিয়ে মংগোলীয় জনসমষ্টিক সৰু সৰু জাতি বা জনজাতিত পৰিণত কৰে। কালক্ৰমত উত্তৰে হিমালয়, পূবে উত্তৰ-পূব সীমান্ত অঞ্চল, দক্ষিণে নগা পাহাৰ, লুচাই পাহাৰ আৰু পশ্চিমে ধুবুৰী জিলালৈকে মংগোলীয় জনসমষ্টিৰ বড়ো, ৰাভা, মিচিং, সোণোৱাল, কাৰ্বি, লালুং, কোঁচ, দেউৰী, চুতীয়া, আহোম আদি অনেক লোক বিয়পি পৰে। সাধাৰণতে মংগোলীয় লোক সকলৰ গাৰ বৰণ হালধীয়া, নাক চেপেটা, চকু ঠেক হেলনীয়া আৰু পতা ঢাক খাই থকা, গালৰ হাড় উঠঙা, মুখ বহল, ডাড়ি-গোফ অলপ কম, গাৰ তুলনাত ভৰিৰ অংশ অলপ চুটি।

বিশ্বৰ দ্বিতীয় বৃহৎ ভাষা পৰিয়াল চীন-তিব্বতীয়ৰ অন্তৰ্গত অসমত বাস কৰা মংগোলীয় লোকসকলক ভাষাৰ ভিত্তিত আমি তিব্বত-বৰ্মীভাষী আৰু শ্যাম-চীনীয় বা টাই-ভাষা এই দুটা প্ৰধান ভাগত ভগাব পাৰোঁ। তিব্বত বৰ্মীভাষী লোকসকলৰ আদি বাসস্থান আছিল চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ ইয়াং চিকিয়াং আৰু হোৱাংহো নদীৰ উজনিভাগ। তেওঁলোকৰ এটা দলে এসময়ত দক্ষিণলৈ গতি কৰি ম্যানমাৰৰ উত্তৰ-পূব অঞ্চলত উপস্থিত হৈ তাতে দুটা ভাগত ভাগ হৈছিল। তাৰে এটা ভাগে দক্ষিণলৈ গৈ থাকি দক্ষিণ-পূব এছিয়াত প্ৰৱেশ কৰে। বিভিন্নজনৰ মতে এওঁলোকেই উত্তৰ-পূৰ্বাঞ্চলৰ নগা, কুকি, মিজো আদি জনসমষ্টিৰ পূৰ্বপুৰুষ বা আদি পুৰুষ আছিল। আনটো ভাগে হিমালয়ৰ পাদদেশেৰে পশ্চিমলৈ গতি কৰি নেপাল, ভূটান, তিব্বত আদি অঞ্চলত বাস কৰিবলৈ লয়। ইতিমধ্যে তিব্বত, নেপাল, ভূটান আদিত বিস্তাৰিত হৈ পৰা এই ভাগটোৰ পৰাও কোনো কোনো অংশৰ আকৌ অসমলৈ প্ৰব্ৰজন কৰি তেওঁলোকে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু তাৰ আশে পাশে থকা পাহাৰবোৰত থিতাপি লয়। কিছুমানে আকৌ দক্ষিণফালে আৰু বেছি দূৰলৈ গৈ বৰাক উপত্যকা, ত্ৰিপুৰা আদিত বাস কৰিবলৈ লয়। ভুবন মোহন দাসে তৃতীয় সৰু দল এটাৰ অসমত প্ৰৱেশৰ সম্ভাৱনাৰ কথা কৈছে — এই তৃতীয় দলটোৰ অসমলৈ আগমন হয় উত্তৰ-পূব কোণেৰে ব্ৰহ্মপুত্ৰ নদীৰ গতিপথেৰে। এইদৰেই মংগোলীয় লোকসকল বিভিন্ন পথেৰে উত্তৰ-পূব ভাৰতলৈ আহি নানান ঠাইত সিঁচৰতি হৈ পৰিছিল।

অসমত বাস কৰা মংগোলীয়ৰ আনটো ভাগ শ্যাম চীনীয় বা টাই ভাষীলোকসকল ইতিহাসে ঢুকি পোৱা কালতহে অসমলৈ আহে। টাই-ভাষী বুলি কলেই প্ৰথমে আমাৰ মনলৈ আহোমসকলৰ কথাই আহে যদিও তেওঁলোকৰ অন্যান্য জনগোষ্ঠীৰ বসবাসো অসমত দৃষ্টিগোচৰ হয়। উত্তৰ-ম্যানমাৰৰ পৰা উত্তৰ-পূব কোণত থকা পথেৰে পাটকাই পৰ্বত অতিক্ৰমি আহোমসকলে ১২২৮ খ্ৰীষ্টাব্দত চুকাফাৰ নেতৃত্বত অসমত প্ৰৱেশ কৰে। আহোম অসমত প্ৰৱেশৰ পিছৰেপৰা অসমৰ ৰাজনৈতিক, সাংস্কৃতিক তথা সামগ্ৰিক জীৱনচৰ্যাত এক নতুন বিপ্লৱৰ সূচনা হৈছিল। আহোমসকল ইয়াত উপস্থিত হৈয়ে উজনি অসমত ৰাজ্য স্থাপন কৰি ক্ৰমে পশ্চিমলৈ ৰাজ্য বিস্তাৰ কৰে। তেওঁলোকে স্থানীয় লোকৰ লগত বৈবাহিক সম্বন্ধ স্থাপনেৰে নিজৰ দূৰদৰ্শিতাৰ পৰিচয় দিয়াৰ লগতে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেয়েহে অসমীয়া নৃ-বৈজ্ঞানিক পৰিচয়ৰ বিচাৰ আহোমসকলক বাদ দি কল্পনাই কৰিব নোৱাৰি। টাই-ভাষী অন্যান্য জনসমষ্টিৰ ভিতৰত আমি উজনি অসম তথা অৰুণাচলৰ বিভিন্ন স্থানত বসবাস কৰা আইটন, টাই ফাকে বা ফাকিয়াল, খাময়াং, খামতি, তুৰুং, দোৱনীয়া আদিৰ কথা উল্লেখ কৰিব পাৰোঁ। এওঁলোকেও বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত সদায় এক লেখত লবলগীয়া ভূমিকা পালন কৰি আহিছে।

**(গ) ককেছীয় বা নৰ্ডিক বা আৰ্যসকলৰ পৰিচয় ঃ** অসমৰ জাতি গঠন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা আন এটা প্ৰজাতি হ'ল ককেছীয়সকল। এই ককেছীয় প্ৰজাতিৰ কেইবাটাও উপ-প্ৰজাতি বিভিন্ন সময়ত অসমলৈ প্ৰব্ৰজিত হৈছে। ককেছাচ পৰ্বতমালাত জন্মগ্ৰহণ কৰা এই লোকসকলৰ গাৰ বৰণ বগা, মূৰ দীঘল, বাহু প্ৰশস্ত, চকু নীলা, চুলি বৰ ক'লা নহয়।

প্ৰাগৈতিহাসিক যুগত পশ্চিমৰ পথেৰে ভাৰতত প্ৰৱেশ কৰা জনগোষ্ঠীসমূহৰ ভিতৰত আৰ্যভাষী বা ককেছীয়সকলেই আছিল শেষ নৃ-গোষ্ঠী। নৰ্ডিক বা ককেছীয়সকলে নিজকে আৰ্য বা শ্ৰেষ্ঠ ৰূপে চিনাকী দিছিল। ব্ৰাহ্মন, কলিতা, কায়স্থ, বৈশ্য, ক্ষত্ৰিয় আদি লোক আৰ্যগোষ্ঠীৰ অন্তৰ্গত।

আৰ্যসকলে উত্তৰ-পশ্চিম কোণেদি ভাৰতত প্ৰৱেশ কৰিছিল। স্থানীয় ডাবিড় অধিবাসীসকলক দক্ষিণলৈ খেদি দি

তেওঁলোক গাংগেয় সমভূমি / গংগা উপত্যকা অতিক্রম কৰি ক্ৰমে ক্ৰমে সমগ্ৰ উত্তৰ-ভাৰতত বিয়পি পৰিল। ইয়াৰে কিছুমান আৰ্যই পূব ফাললৈ অগ্ৰসৰ হৈ বিহাৰ আৰু উত্তৰ-বংগৰ মাজেদি আহি অৱশেষত অসমত প্ৰৱেশ কৰিলে। অৱশ্যে শাৰীৰিক লক্ষণ বিচাৰ কৰিলে অসমত আৰ্য তেজৰ পৰিমাণ সতকাই চকুত নপৰে। বিশুদ্ধ আৰ্য তেজৰ অসমীয়া ঘাইকৈ ব্ৰাহ্মণ পণ্ডিতসকলৰ বংশধৰসকলৰ মাজতহে সেৰেঙাকৈ দেখা যায়। এই পণ্ডিতসকলক তেওঁলোকৰ জ্ঞান-গৰিমা আৰু উন্নত সংস্কৃতিৰ কাৰণে অসমৰ আৰ্যোত্তৰ ৰজাসকলে তেওঁলোকৰ নিজৰ ৰাসভৱনলৈ অনাইছিল। আনহাতে বহিৰাগত আৰ্যসকলৰ লগত স্থানীয় মহিলাৰ বৈবাহিক মিলনৰ ফলতো এটা নতুন সম্প্ৰদায়ৰ সৃষ্টি হৈছিল। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত ঘাইকৈ আৰ্য-বংশোদ্ভৱ লোকৰ বসতি দেখা যায়।

(ঘ) মেডীটেৰেনীয়ান বা দ্ৰাবিড়সকলৰ পৰিচয় ঃ অসমলৈ অহা এটি সুপ্ৰাচীন মানৱ গোষ্ঠী হ'ল দ্ৰাবিড়সকল। কোনো কোনো পণ্ডিতৰ মতে দ্ৰাবিড়ীবিলাক আফ্ৰিকা মহাদেশৰ মানুহ আছিল আৰু বুৰঞ্জীয়ে ঢুকি পোৱা কালৰ অনেক আগেয়ে তেওঁলোক আৰৱ দেশেদি আহি ভাৰতৰ উত্তৰ-পশ্চিম ফালৰ পৰ্বতৰ মাজৰ ঠেক বাটেদি ভাৰতত সোমাইছিলহি। আকৌ কোনো কোনো পণ্ডিতে কয়, দ্ৰাবিড়ীবোৰ ভাৰতৰে আদিবাসী মানুহ। বাহিৰৰ পৰা অহা নহয়। যি কি নহওক, এইটো ঠিক যে ভাৰতলৈ ববলৈ ধৰা প্ৰৱল আৰ্যসোঁতে দ্ৰাবিড়ীবিলাকক ঠেলি নি দক্ষিণত পেলালেগৈ। এই বাবেই ভাৰতৰ উত্তৰ-পশ্চিম ফালে দ্ৰাবিড়ী জাতিৰ মানুহ এতিয়া পাবলৈ নাই। কিন্তু ভাৰতৰ উত্তৰ-পূব চুকত দ্ৰাবিড়ৰ চিন এতিয়াও চুকে-কোণে লাগি থকা পোৱা যায়। অতি প্ৰাচীন কালৰে পৰা অসমত বাস কৰি অহা মৎসজীৱি কৈৱৰ্ত্ত সকল দ্ৰাবিড়ীয় নৃ-গোষ্ঠীৰ বংশধৰ বুলি কোনো কোনোৱে ক'ব খোজে। বৰ্তমান অসমৰ কয়লা খনি, তেলৰ পুং থকা অঞ্চলত বিস্তৃত পৰিমাণে দ্ৰাবিড়ীয় লোকৰ বসতি দেখা যায়। এই লোকসকল পশ্চিমৰ পৰা ভিন্ন সময়ত বনুৱাৰূপে অসমলৈ আহিছিল। নৃতাত্বিক বিচাৰ অনুসৰি দ্ৰাবিড়সকলৰ গাৰ বৰণ ক'লা, চুলি ক'লা, নাক চেপেটা, মূৰ দীঘলীয়া, ডাড়ি গোফ ঘন।

(ঙ) নেগ্ৰিট'সকলৰ পৰিচয় ঃ- নেগ্ৰিট'সকলৰ উদ্ভৱ স্থান আফ্ৰিকা বুলি ধৰা হয়। এওঁলোকৰ চুলি চুটি, কেঁকোৰা আৰু ঘন, ওঁঠ ডাঠ, দাঁতৰ আলু বহল, গাৰ ৰং ক'লা-মটীয়া, চেপা খোৰা মূৰৰ খোলা। নেগ্ৰিট'সকলে আফ্ৰিকাৰ ফালৰ পৰা আহি আৰব আৰু ইৰাণৰ উপকূলেদি পশ্চিম আৰু দক্ষিণ ভাৰতত প্ৰৱেশ কৰিছিল যদিও অষ্ট্ৰিক সংস্কৃতিৰ ওচৰত টিকিব নোৱাৰি দক্ষিণ ভাৰতৰ পৰা পূব ভাৰতৰ দ্বীপসমূহত বিয়পি পৰে। অৱশ্যে তেওঁলোক কোন সময়ত ভাৰতলৈ আহিছিল তাৰ কোনো ঐতিহাসিক তথ্য নাই। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত নিগ্ৰোসকলৰ সাংস্কৃতিক ঐতিহ্য কিছু পৰিমাণে নিগ্ৰো বংশধৰসকলে ধৰি ৰাখিছে। নিগ্ৰোসকলে জংঘলী ঠাইত বসবাস কৰি বনৰ জীৱ-জন্তু চিকাৰ কৰিছিল। অসমৰ পৰ্বতীয়া মংগোলীয় লোকৰ সৈতে নিগ্ৰোসকলৰ চিকাৰ প্ৰথাৰ মিল আছে। কিন্তু শাৰীৰিক অৱয়বৰ কোনো মিল নাই।

অসমৰ জনগাঁথনিৰ ক্ষেত্ৰত কোনো কোনো নৃতত্ববিদে নেগ্ৰিট' প্ৰজাতিৰ উপাদান সংমিশ্ৰিত হৈ আছে বুলি মত পোষণ কৰিছিল যদিও সাম্প্ৰতিক কালত সম্পন্ন কৰা ৰক্তজিন পৰীক্ষাত প্ৰমাণ হৈছে যে এই ভূ-খণ্ডৰ কোনো জনসমষ্টিৰ গাত নেগ্ৰিট' প্ৰজাতিৰ উপাদান নাই। মূলত বৰ অসমৰ বাসিন্দা নগা জনগোষ্ঠীৰ মাজত দেখা পোৱা কেঁকোৰা চুলিৰ বৈশিষ্ট্যটোৰ লগতে তেওঁলোকৰ সাংস্কৃতিক জীৱনত দেখা পোৱা দুই এক বৈশিষ্ট্যৰ আধাৰত তেওঁলোকৰ গাত নেগ্ৰিট' গুণ আছিল বুলি বিবেচনা কৰা হৈছিল।

বৰ্তমান অসমৰ মানুহৰ শাৰীৰিক গঠন আৰু তেজত উপৰোক্ত এই পাঁচঠা নৃ-গোষ্ঠীৰ লক্ষণ দেখা যায়। অৰ্থাৎ অসমত বাস কৰা লোকসকল উল্লেখিত এই পাঁচটা নৃ-গোষ্ঠীৰ অন্তৰ্গত। অৱশ্যে অসমৰ জনগাঁথনিত নেগ্ৰিট' প্ৰজাতিৰ উপাদান থকাটো এতিয়াও সন্দেহাতীত নহয়।

ওপৰৰ এই থূলমূল আলোচনাৰ পৰা স্পষ্ট হৈ পৰিছে যে অসমৰ সমূহ বাসিন্দা মূলতঃ প্ৰব্ৰজনকাৰী। অসমৰ মাটি সাৰুৱা। অলপ আয়াসতে ইয়াত শস্য উৎপাদিত হয়। সেইদেখি ভাৰতৰ আন ঠাইৰ পৰা আৰু ভাৰতৰ বাহিৰৰ পৰাও অসমলৈ মানুহ আহি সূচল পাই ইয়াতে নিগাজিকৈ বসতি কৰিছিল। ঘাইকৈ অসমত কামাখ্যা, পৰশুৰাম কুণ্ড আদি তীৰ্থস্থান থকাৰ নিমিত্তে অসমলৈ তীৰ্থ কৰিবলৈ অহা বিদেশী মানুহেও উৰ্বৰা অসম এৰি নিজৰ দেশলৈ উভতি নগৈছিল। কালক্ৰমত সেইসকল লোকে অসমতে বসতি কৰি স্থানীয় মানুহেৰে সৈতে বিয়া বাৰুৰ সম্বন্ধ কৰি অসমতে থাকি অসমীয়া হৈছিল। সেই দেখি আমি ক'ব পাৰোঁ যে যাক আজি আমি অসমীয়া মানুহ বোলোঁ, সি কোনো এটা জাতিৰ লোক নহয়; সি হ'ল অনেক জাতিৰ, অনেক দেশৰ মানুহৰ সংমিশ্ৰণত গঢ়ি উঠা জাতি। অৰ্থাৎ, বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণ আৰু সমন্বয়ৰ মাজেৰে অসমীয়া জাতি গঢ় লৈ উঠিছে। ❑



# আধুনিকীকৰণ সন্দৰ্ভত যৎকিঞ্চিত

✍ প্ৰতিমা ছেত্ৰী
স্নাতক ৫ম ষাণ্মাসিক (কলা)

আধুনিকীকৰণ বুলিলে পুৰণি কিছুমান ৰীতি-নীতিক আৱশ্যকীয় ঔদ্যোগিক অৱস্থালৈ আগুৱাই নি পুৰণা প্ৰতিৰূপ আৰু সৌধৰ পৰিৱৰ্তন সাধন কৰি নতুন সৌধ আৰু প্ৰতিৰূপৰ সৃষ্টি কৰাকে বুজা যায়। আধুনিকীকৰণ সম্পৰ্কে বিভিন্ন সমাজবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। উদাহৰণস্বৰূপে —

ডব্লিউ. ই. মুৰৰ মতে, ‘‘এখন সমাজে প্ৰচলিত প্ৰযুক্তিবিদ্যা আৰু অৰ্থনৈতিক দিশত উল্লেখনীয় উন্নতি লাভ কৰাকে আধুনিকীকৰণ বোলা হয়।’’

ডব্লিউ ৰুষ্টৰ মতে, ‘‘সমাজৰ প্ৰচলিত অৰ্থনৈতিক পদ্ধতি, উৎপাদন পদ্ধতি আদিৰ পৰিৱৰ্তন ঘটাই যেতিয়া সমাজ প্ৰগতিৰ পথেৰে অগ্ৰসৰ হয়, তেতিয়া তাকে আধুনিকীকৰণ বোলা হয়।’’

ৰুট আৰু ৱাৰ্ডৰ মতে, “Modernisation is the application of modern science to human affairs.”

মুঠৰ ওপৰত আধুনিকীকৰণ এক গতিশীল প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াই পৰম্পৰাগত ৰীতি-নীতিসমূহক ঔদ্যোগিক অৱস্থালৈ আগুৱাই নিয়ে।

শিক্ষা আৰু আধুনিকীকৰণৰ মাজত এক নিবিড় সম্পৰ্ক আছে। শিক্ষাই ব্যক্তিক জ্ঞান আহৰণত সহায় কৰাৰ লগতে সামাজিক, নৈতিক, আধ্যাত্মিক মূল্যবোধৰ বিকাশ, আগ্ৰহৰ সৃষ্টি, সমাযোজন কৰা, বিচাৰ-বিশ্লেষণ কৰা আৰু বিভিন্ন কৌশল আয়ত্ব কৰাত সহায় কৰে। শিক্ষাৰ দ্বাৰাহে আধুনিকীকৰণ সম্ভৱ হয় আৰু আধুনিকীকৰণে শিক্ষাৰ বিকাশত সহায় কৰে। সমাজত বৰ্তি থকা অজ্ঞতা, অন্ধবিশ্বাস, নিৰক্ষৰতা আদি দূৰ কৰিব পাৰিলেহে আধুনিকতাৰ বীজ ৰোপণ কৰিব পৰা যায়। আধুনিকীকৰণ আৰু শৈক্ষিক বিকাশৰ মাজৰ সম্বন্ধ সম্পৰ্কত ভাৰতীয় শিক্ষা আয়োগ বা কোঠাৰী আয়োগে মত পোষণ কৰিছিল এনেদৰে — ‘‘The progress of modernisation will therefore, be directly related to the pace of educational advancement and the one sure may to modernise quickly is to spread education, produce education and skilled citizens and train an adequate and competent intelligentsia.” গতিকে শিক্ষাৰ বিকাশ হ’বৰ বাবে সমাজ বা দেশত পৰিৱৰ্তনৰ লগত খাপ খাব পৰাকৈ আধুনিকীকৰণ হ’ব লাগিব। ঠিক সেইদৰে আধুনিকীকৰণ হ’বৰ বাবে সমাজৰ ব্যক্তিসকল শিক্ষিত, কৌশলী, দক্ষ আৰু প্ৰশিক্ষণপ্ৰাপ্ত মানৱ সম্পদলৈ ৰূপান্তৰ হ’ব লাগিব।

এটা কথা লক্ষ্যণীয় যে আধুনিক শিক্ষাৰ ব্যাপক প্ৰচলনে এখন সমাজ আধুনিকীকৰণ হোৱাৰ দিশত তীব্ৰভাৱে আগবাঢ়ি যোৱাত বিশেষ ইন্ধন যোগায়। ঠিক সেইদৰে আধুনিকীকৰণ ব্যৱস্থাই সমাজৰ ব্যক্তি সকলৰ মাজত শিক্ষাৰ মান আৰু গুৰুত্ব অধিক উন্নত কৰাৰ

লগতে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু সমাজৰ অন্যান্য দিশত উন্নত সামাজিক স্থান ৰক্ষা কৰাত সহায় কৰে। আধুনিকীকৰণৰ ধাৰণাই প্ৰসাৰ লাভ কৰাৰ ফলস্বৰূপেই ভাৰতবৰ্ষত আধুনিক শিক্ষা ব্যৱস্থাত জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে সকলোৰে একেলগে একেটা কোঠাতে, স্কুল, কলেজ, বিশ্ববিদ্যালয় আদিত অধ্যয়ন কৰি উচ্চ শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ উদ্দেশ্যে দেশজুৰি ''সৰ্বশিক্ষা অভিযান'' প্ৰয়োগৰ দ্বাৰা অহৰহ প্ৰচেষ্টা চলাই অহা হৈছে। ভাৰত চৰকাৰে শিক্ষাক আধুনিকীকৰণ কৰাৰ উদ্দেশ্যেই মাধ্যমিক শিক্ষাক সাৰ্বজনীন কৰাৰ আঁচনি গ্ৰহণ কৰিছে। এনেদৰে বিভিন্ন উন্নয়নমূলক আৰু শিক্ষামূলক নতুন আঁচনিৰ সহায়ত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ব্যৱস্থা, বিভিন্ন দিশত আধুনিক শিক্ষাৰ ওপৰত প্ৰশিক্ষণ, কাৰিকৰী, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত প্ৰদান কৰা অধিক গুৰুত্বই ভাৰতীয় সমাজক আধুনিকীকৰণৰ দিশত বিশেষ সহায় কৰিছে।

আধুনিকীকৰণে ব্যক্তিৰ স্বকীয় চিন্তা, স্বকীয় চেতনা, মৌলিক শক্তি, মানসিক, নৈতিক আৰু আধ্যাত্মিক যোগ্যতাৰ প্ৰকাশ আৰু বিকাশৰ পথত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। সামাজিক জীৱনত সুস্থ, সুশৃংখলিত, সুনিয়ন্ত্ৰিত, বলিষ্ঠ আৰু গভীৰ নৈতিক আৰু আধ্যাত্মিক শক্তিৰ প্ৰভাৱৰ ফলস্বৰূপেহে আধুনিকীকৰণ সম্ভৱ হয়।

এনে দিশসমূহৰ প্ৰতি লক্ষ্য ৰাখিয়ে দেশৰ শিক্ষাৰ সামগ্ৰিক পাঠ্যক্ৰমত শিক্ষাক আধুনিকীকৰণ কৰিবৰ বাবে বিজ্ঞানভিত্তিক শিক্ষা, কাৰিকৰী জ্ঞানৰ শিক্ষা আৰু প্ৰযুক্তিবিদ্যাৰ জ্ঞানৰ বিকাশৰ বাবে ব্যৱহাৰিক বিষয়সমূহ অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এনে বিষয়সমূহৰ জ্ঞানৰ জৰিয়তে ব্যক্তিৰ অন্তৰ্নিহিত মানৱীয় সামৰ্থৰ প্ৰকাশ আৰু বিকাশ সম্ভৱ হয়। এনে জ্ঞানে আকৌ দেশৰ অৰ্থনৈতিক সম্পদৰ বিকাশ আৰু উন্নতি ঘটোৱাৰ লগতে দেশৰ নাগৰিকসকলৰ উন্নতি আৰু সমাজখন বিকশিত আৰু প্ৰগতিশীল কৰি তোলাত সহায় কৰে। এনেদৰেই শিক্ষাই সমাজ তথা দেশক প্ৰকৃত আধুনিকতাৰ ফালে অগ্ৰসৰ হোৱাত সহায় কৰে। আধুনিকীকৰণৰ ধাৰণাই মানুহক মানৱীয় গুণ, যোগ্যতা, দক্ষতা আহৰণ কৰিবৰ বাবে উপযুক্ত শিক্ষা আহৰণৰ প্ৰতি আগ্ৰহী কৰি তোলে। গতিকে, দুয়োটাকে একেটা মুদ্ৰাৰে দুটা ফাল বা পিঠি বুলি ক'ব পাৰি। শিক্ষা আৰু আধুনিকীকৰণ এটা আনটোৰ পৰিপূৰকহে, বিৰোধী নহয়। ❑

প্ৰতিকূলতাৰ বিৰুদ্ধে গৈ সম্পন্ন কৰা কামখিনি সচাঁই বৰ মধুৰ।

—উইলিয়াম শ্বেইক্সপীয়েৰ



# Role of Social Networking sites

✍ **Amit Biswakarma**
B.Com 4th sem

"Social Media is more about Sociology, Psychology then it is about Technology!"

In the recent years, social networking has played a pivotal role in knitting the fabric of our society. In fact, one would agree that social networking has transformed our society from a naive society to a more mature society. Social networking websites such as Facebook, Whatsapp, twitter and Youtube have given the people a platform to raise their voice against injustic and inequality.

Social networking sites have revolutionized the way we view ourselves, the way we see other and the way we interact with the world arround us. While social media has many positive implications, including promoting awareness of specific causes, advertising business and helping faster friendship between individuals who may have never met without social networking. The over usage of social media networks can also lead to negative implications.

It is inevitable to ignore the fact that now a days social network plays an essential role in teenagers lives. Most youths are spending at least an hour in these popular social media sites. Generally, 1 out of 7 minutes which are spent online by most of these who can access internet spent on facebook according to Shea. Bennett. One may ask how spending all that time in the social media sites may have a positive impact on them. Well, social media helps the youth and any other user updated with what is happening around the world, help the teenagers to stay connected and interact with each other even if they are many miles apart. This strengthens their relationship even if they finished school and moved to different locations and they stay connected and update one another.

In addition, social networking sites have provided a platform whereby the youth can create groups and pages based on their common discipline and can upbuilding connections opportunities for their respective careers by updating various topics to discuss. Youth who have been interviewed they say that social media has

become their lifestyle and it makes their lives easier and efficient.

In the survey conducted by few Internet project's research, found that 67 % of online adults use social metworks. This data describes the fact that social networks can be used to improve the education of adults and students since they already have certain influence on the learners.

The main advantage is that students can further explore topics that they are interested in by using online networking since they may have limited resources and time in school . Apart from that, for adults with unique interests, it is not easy to find friends with same interest to chat or discuss with. However, social metworks link these people with the ones with same passion, where they can interact with people from different parts of the world.

On the other hand, teachers can take the advantage of social networking abilitities to create discussion forums, class blogs and online teaching. Such collaborations between students and teachers, acting social networks as a medium can help the students to gain opportunities to cover knowledge in wider area and pursue interest.

Social sites are also used by schools as an intermediate to keep in touch with students and often used by teachers to connect with students and to hold out of classroom discussions.

So, it is quite obvious that several advantages are observed for the impact of social networks in the education field.

Social networking takes place online where people meet and share ideas, recommendations and experiences. So, it is similar to a non-stopping communication with a broad audience through a variety of platform or sites. This is one of the factor that the organizations are interested in social media since they can get different kinds of suggestions and feedbacks from people.

Many companies use social networks such as twitter and facebook to connect with customers and prospective clients . This leads to a golden opportunity for job seeker to learn more about the organisation and easily connect with people who work there. Job seeker can become acquainted with the ones working, through these social media and once they achieve strong presence on these networks, it becomes feasible to reach the people with the authority to be an employee.

Different kinds of social networks convey effective ways to find jobs. One can search about the company in google by simply typing the name of that company. Facebook, twitter and four square are excellent social networks to interact with the people who work in the organisation. If lucky, one can meet with a recruiting agent and have some conversation and discussions which can increase the chance to get the job. Moreover, one's profile can be distributed on the social networking which will increase the probablity of getting job. Miriam Salpeter, the founder of keppie careers suggests that, creating an online presence allows hiring managers , recruiter, colleagues and friends to know more about you, what you offer and what you want. It's a way to draw jobs to you instead of you spending your time searching the job". (Salpeter, 2011, P 75)

One of the most important thing to point out the role of social networking on business field is social media marketing. By acting social networks as stepping stones, social marketing can gain a lot of benefits including relationship building, brand building, publicity, promotions and so on. It can be concluded that social media marketing proposes several opportunities for entrepreneurs, small business, midsize companies and large corporations to build their brands and business.

Advent of the social networking platform helps to enhance communication between the people and business. World has become a smaller place. Thanks to facebook and twitter where people can meet their friends and colleagues both old and new. They can post their thoughts, chat or even play games. In short, it is a virtual world of entertainment and information for the users and is difficult to imagine life without the presence of social media sites as they provide multiple benefits to the users.

Social network offers integrated meeting platform for the visitors offering more options in terms

of time and place. Individuals can communicate through message applications via video and voice. Virtual collaboration has replaced physical collaboration providing maximum effectiveness to the users. They do not need to travel to distant places for conducting the meeting.

People can callaborate with each other to highlight the social causes affecting the society through social media. It is a powerful platform to create opinion that attracts the attention of the business and authorities towards the problem.

Younger generation has learnt a lot from social networking because it helps in developing their communication skills and also teaches them to work within a group. They can also create social norms and have their skills while operating within the community.

**Negative roles of social networking sites :**

The rise of social media has not played only positive role but has also created quite a few damaging ones. Let's have a look at a few of them –

The rise of media has made not only the young generation but also the former generation more social and has thus reduced the real life communication between everyone. The more people indulge themselves in social media, the more they get addicted to it and try to avoid physical one-on-one with their families and friends.

Highlighting the benefits of social networks, it does not means that there are no draw backs in them. Recently, online crime which is also known as cybercrime proposes an increasing threat to all the internet users. This includes online sexual exploitation and cyber bullying. One of the main problems to eradicate cybercrime is that it is hard to identify the offender and it is almost impossible to keep full time surveillance in such a wide network.

One of the most aggressive forms of cybercrime is the online sexual exploitation. This includes sharing pornography, persuading for sex and sex chat. There are over 665000 registered convicted sex affenders in the United States of America, according to a study commissioned by the National Center for Missing and Exploiting Children. This means that one in every seven kids has been approached by a sexual predator online. That is 13% of children who use the internet.

Moreover, the center for Sex Offender Management (SOM) mentioned that the average Sex offender offends for 16 years before he is finally caught. In that life span, he has committed an average of 318 offenses and violated 110 victims. Regarding these data, it can be clearly seen that online sexual exploitation has been destroying the lives of children who use social networks (Hoffman, 2002)

Cyber bullying is different from face to face bullying as the bullies cannot be identified easily and they have sense of security that convince them they won't get caught. Not knowing the harm that they caused to victim, the bullies do not feel any guilt or empathy.

Cyber bullying is also a form of cybercrime which include different branches. The most common type is called harassment, where the abusive and insulting messages are repeatedly sent to the victim. Other kinds of cyber bullying such as flaming, impersonation, outing, trickery and exclusion are also found in the world of social networks. The most crucial way is called cyber stalking which is full of harassment with significant threats and creates fear.

Social networks, being used as a form of assistant in the field of education, also show negative impacts on students. One of these impects is addiction to the networks. A survery done by the University of Mayland's International Center for Media & the Public Affairs (ICMPA) showed that people under the age of 25 have more chance to addict social networks and two third of the students who use social media have already shown some addiction. Fifty percent of people between the age of 25 and 35, admitted that they are so attached to social networks that they even use them during office hours. Besides, children can also become attached to social media, if there is no parental guidance.

Apart from the negative aspects of social networks, there are some occasions that they can influence people's lives positively in future. One of these influences is that people will obtain more

convenient ways of living. Holding meetings and discussion by using social networks will make time for the busy businessmen to spend more time with their family. Online shopping will reduce the time consuming of housewives, when they can do other house cares. Moreover, students can have online learning days where they can interact with people from different parts of the world and share their ideas and debate issues.

The next fact is that social networks help people to be able to keep in touch with the developing world. This includes sharing latest news, stock share prices and gold proces. Since social networks become avaiable on mobile phones during these days, people will always be informed with the current news of the world.

Last but not least, some experts of social networking want to advance it to the stage of communication where it can replace telephone. So far, social networking sites such as google, Facebook and skype become major media for oversea communication. Scientists of social networks beleive that it can create new communication technology that could possibly replace mobile phones in the future.

Although the social networks can have many positive influences they impose negative ones at the same time. The major drawback is that people may start to minimise physical communication and interaction in the real world. For example, two people become best friends online but they do not talk to each other in the real world. Besides , there will be no conversation between partners in the job, as the systems are computer controlled and they can commnicate by simply typing some words in chat box.

The second influence is the case of students and children. While student can gain knowledge when they use social networks they can also face with threats and online hazards. Most people believe that cyber crime rate will increase in the future as the criminals can manipulate different ways and methoods of crimes in such a world with over 300 social networking sites.

On the other hand, there is possibility that people, specially between the age 15 and 25, will become more addicted to social networks in the future. Moreover since social networks start to focus their websites on entertainment and business commercials rather than on education people may spend more of their time on the networks instead of reading or doing physical exercises. Spending over time on social networking sites is not favourable to health also because when one is using the networks he or she is doing nothing but sitting in front of a screen or lying on a sofa.

So, in short, a social metworking site has innumerable pros and cons. What is needed is awareness among people about the cons while enjoying the pros of it. And on the part of the social networking sites, they should be more responsible about security issues and protection of information of individual users . Hence, it can be said that social media is a blessing to humanity if used appropriately and also a weapon of mass destruction if misrepresented. So, I am concluding this essay with a famous quote of Siman Mainuaring -

"Social Media is not about the exploitation of techology but service to community." ❑

*(This article got 1st prize in Annual College Week, 2017-18)*

আমি যি জানো সি অতি সামান্য। আমি যি নাজানো তাৰ সীমা নাই।

—পাৰলেচ

# অসমীয়া মানুহৰ সাজ-পাৰ

✍ চঞ্চল হাজৰিকা
স্নাতক ৫ম ষাণ্মাসিক (কলা)

সভ্যতা-সংস্কৃতিৰ অন্যতম পথ নিৰ্দেশক হৈছে সাজপাৰ। এই সাজপাৰে এটা জাতিক স্বকীয় বৈচিত্ৰ আৰু পৰিধান বৈশিষ্ট্যই সেই জাতিটোৰ সংস্কৃতিক স্বৰূপ প্ৰকাশ কৰে। পৃথিৱীত প্ৰত্যেক জাতি-জনজাতিৰ সাজপাৰ, আ-অলংকাৰ পৰিধান পদ্ধতি তেওঁলোকে বসবাস কৰা অঞ্চলৰ ভৌগোলিক অৱস্থান; সামাজিক পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে এটা জাতিৰ সাজপাৰ, আ-অলংকাৰে জাতিটোৰ পুৰুষ-নাৰীৰ সৌন্দৰ্য্যবোধ, অৰ্থনৈতিক অৱস্থা, শিল্পীসুলভ মানসিকতাক প্ৰতিনিধিত্ব কৰে।

জাতিৰ সাজ-পাৰ আৰু তাৰ উপকৰণত ভৌগোলিক প্ৰভাৱ আৰু ব্যৱহাৰিক প্ৰয়োজন অস্বীকাৰ কৰিব নোৱাৰি। তথাপি সাজ-পাৰত বৰ্ণ, ধৰ্ম, বয়স, লিংগ এইবোৰৰ প্ৰভেদসমূহৰ সংকেত পোৱা যায়। পুৰোহিত, ব্ৰাহ্মণ, মহন্ত, সত্ৰাধিকাৰ, বৈৰাগী-সন্যাসীৰ লগত সাধাৰণতে সাজ-পাৰৰ আজিও পাৰ্থক্য দেখা যায়। বিধবাৰ সাজ-পাৰ, বিবাহিতা তিৰোতাৰ সাজপাৰ, পাতগাভৰুৰ সাজ-পাৰ একে নহয়। ধনী-দুখীয়াৰ প্ৰথম পৰিচয় বেশ-ভূষাৰে। সাজ-পাৰে যিদৰে শ্ৰেণী বিভাজন সুচায় সেইদৰে ব্যক্তিকো সাজপাৰে বিশেষ মৰ্য্যদা দিয়ে।



অসমৰ পৰম্পৰাগত সাজ-পাৰ আৰু আ-অলংকাৰৰ কথা আদি স্তৰৰ চানেকীত আভাস পোৱা যায়। শিলামূৰ্ত্তি, কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, চৰ্যাপদ, ডাকৰ-বচন, ফকৰা-যোজনা, প্ৰাক্‌বৈষ্ণৱ যুগৰ কবি-কাব্য, বৈষ্ণৱ যুগৰ কবি-কাব্যৰ মাজতো পোৱা যায়।

অসমীয়া নাৰীৰ সাজ-পাৰলৈ লক্ষ্য কৰিলে তেওঁলোকে তিনিপদ প্ৰধান সাজপাৰ পৰিধান কৰা দেখা যায়। মেখেলা, চাদৰ আৰু ৰিহা —এই সাজ-পাৰ মংগোলীয় সংস্কৃতিৰ অৱদান।

মেখেলাখন কঁকালৰ পৰা ভৰিৰ পানী গাঠিলৈকে ঢাকি সন্মুখৰ ফালে প্ৰায় তিনিটা ভাজ দি পিন্ধা হয়। এই মেখেলাবোৰ অসমীয়া নিপুণ শিপিনীসকলে মুগা, মেজাংকৰী, পাট, বন কৰা, বুটাবছা আদি ৰূপত বৈ কাটি লয়।

মেখেলাৰ ওপৰত অসমীয়া নাৰীয়ে ৰিহা পৰিধান কৰে। নাৰীয়ে সোঁকান্ধত পেলাই ৰিহাখন বুকুৰ পৰা ককাললৈকে মেৰিয়াই লয়। ৰিহাৰ কাঁচলিয়ে স্তনপট্টনৰ কাম কৰে আৰু ৰিহা লোৱাৰ এই ভংগিমাৰে পিঠি সম্পূৰ্ণভাৱে আচ্ছাদিত কৰে। পিছপিনে একাংশই মেখেলাৰ ওপৰত তপিনা টানি ঢাকি ধৰাৰ হেতু বতাহত মেখেলাই টৌ খেলিব নোৱাৰে। ৰিহাৰ একাংশৰে কেতিয়াবা ওৰণিও লয়। ৰিহা ব্যৱহাৰত শৰীৰৰ ঋজুতা আৰু বিভিন্ন অঙ্গৰ ৰেখাসমূহ ৰমনীয়ভাৱে উদ্ভাসিত হয়। সাধাৰণতে উৎসৱ-অনুষ্ঠানত নাৰীয়ে ৰিহাৰ আঁৰত চাদৰ বা চেলেং ব্যৱহাৰ কৰে। নাৰী দেহৰ কোনো অংগই যাতে লোকদৃষ্টিৰ গোচৰীয় নহয় তাৰ বাবেই অসমীয়া তিৰোতাই চাদৰ-চেলেং ব্যৱহাৰ কৰে। ৰিহা বিভিন্ন প্ৰকাৰৰ আছে — কেচ-বছা ৰিহা, দহিকটা, গাৰীদিয়া ৰিহা,

গুণাকটা ৰিহা, আচল পাৰিয়ে গুণাকটা ৰিহা, আচুতীয়া ৰিহা। কলীয়াই ৰিহা মৰাণ জনগোষ্ঠীৰ মাজত দেখা পোৱা যায়।

প্ৰাক-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগত অসমীয়া কাব্য আন কি কোচ ৰজাই আহোম ৰজালৈ দিয়া উপহাৰত শাড়ীৰ কথা উল্লেখ আছে যদিও অসমত শাড়ী পৰম্পৰাগত সাজ-পাৰ নহয়। ৰিহা বৰ্তমান উৎসৱ অনুষ্ঠানতহে ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে সূতা, ৰিহা, মেখেলা, সোণবৰণীয়া সাজ-পাৰ বিহুৰ নাচনীৰ সৈতে একচেতীয়াভাৱে সাজু হৈ থাকে। পূৰ্বতে নাৰীয়ে চোলা নিপিন্ধিছিল। আহোম সম্ভ্ৰান্ত নাৰীয়ে হাত দীঘল চোলা পিন্ধিছিল। বৰ্তমান এই চোলা বিভিন্ন ৰূপত (ব্লাউজ) পোৱা দেখা যায়। অসমত পুৰুষৰ পৰম্পৰাগত সাজ-পাৰ বুলি ক'লে ধুতি বা চুৰিয়া আৰু চোলাৰ নাম ল'ব পাৰি। পূৰ্বতে আহোম ৰাজত্ব কালত পুৰুষে দীঘল চোলা আৰু ধুতি পিন্ধিছিল। সমাজৰ সম্ভ্ৰান্ত শ্ৰেণীৰ লোকে আঠুলৈকে চুৰিয়া পিন্ধি এটা আচলেৰে সন্মুখত দীঘলকৈ থোৱ মাৰি লৈছিল। মুগা চুৰিয়া, মুখা বৰ চুৰিয়া, পাটৰ চুৰিয়া, চঁপা কাপোৰৰ চুৰিয়া, কপাহী কাপোৰৰ চুৰিয়া আদি পুৰুষৰ সাজ-পাৰ। মিৰ্জাই, নৰ চোলা, গোমচেং, চাপকণ, জালিচোলা, বুকুচোলা আদি অসমীয়া পুৰুষে পৰিধান কৰা বস্ত্ৰ। চোলাটো, চোলাৰ ওপৰত গামোচা আৰু চেলেং লোৱাটো পুৰুষৰ এক ব্যক্তিত্বৰ প্ৰকাশ। গামোচা বিভিন্ন ধৰণৰ আছে যেনে তিয়নী গামোচা, পানী গামোচা, ফুলাম গামোচা ইত্যাদি। পাটৰ গুণা কটা টঙালি, জৰদৰ টঙালি বিহুৱা ডেকাৰ ককালত মৰা অপৰিহাৰ্য্য বস্ত্ৰ। পাগ বা পাগুৰি প্ৰচলনৰ কথা বিহুৱা ডেকা সকলৰ মূৰত মৰা ফুলাম গামোচাই সোঁৰৰাই দিয়ে। কুহুমবুলীয়া পাগ, উকা পাগ, মথুৰা পাগ, মোগলাই পাগ, বৰপাগ আদি পাগুৰিৰ নাম।

অসমত বসবাস কৰা জনজাতিৰ নাৰী-পুৰুষে পৰিধান কৰা সাজ-পাৰ সমূহ নিজস্ব বৈশিষ্ট্য সম্পন্ন। বৰ্তমানেও উৎসৱ-অনুষ্ঠানবোৰত তেওঁলোকে নিজস্ব জনগোষ্ঠীয় সাজ-পাৰ পৰিধান কৰি সংস্কৃতি ৰক্ষাত প্ৰধান ভূমিকা গ্ৰহণ কৰা দেখা যায়। বড়ো জনগোষ্ঠীয় নাৰীসকলে দখনা আৰু মেখেলা পৰিধান কৰে। কমলা আৰু ৰঙা ৰঙক প্ৰাধান্য দিয়া বড়ো নাৰীয়ে দখনা সমূহত মনোমোহা ফুল বাচি লয়। বড়ো পুৰুষ নাৰী উভয়েই আৰনাই পৰিধান কৰে। কাৰ্বি নাৰীসকলে পৰম্পৰাগত ভাবে 'পিনী' (মেখেলা), বামকক (কঁকালত মৰা সৰু টঙালি), জিছচেপেৰ (মেঠনী), পেকক (চাদৰ) পেছেলেং (গাত জাপি লোৱা কাপোৰ) পৰিধান কৰে। তেনেদৰে কাৰ্বি পুৰুষসকলে ৰিকংবেতৰত (চুটি চুৰিয়া), ছই (দহি থকা চোলা), প'হ' (পাগুৰি) পৰিধান কৰে। অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভিতৰত মিচিং জনগোষ্ঠী বয়ন শিল্পৰ ক্ষেত্ৰত নিপুণ বুলি আখ্যা দিয়া হয়। তেওঁলোকৰ সাজ-পাৰ বাৰেৰহণীয়া আৰু উচ্চ মানদণ্ডৰ। মিচিং নাৰীসকলে ৰিবি গাচেং, 'মবুং গাচৰ', পুৰুষসকলে 'গনন উগন', 'মিবু গালুক', 'দুমৌৰ' 'গাদুক' পৰম্পৰাগতভাৱে পৰিধান কৰে। অসমৰ এটা অন্যতম জনগোষ্ঠী দেউৰীসকল সাজ-পাৰত চহকী। দেউৰী কিশোৰীসকলে মেখেলা আৰু 'বাইগা' পিন্ধে। গাভৰু আৰু বিবাহিতা নাৰীয়ে বুকুত মেঠনি মাৰে। মেঠনি মৰা পৰম্পৰা অসমৰ জনজাতীয় নাৰীসকলৰ মাজত সচৰাচৰ দেখা যায়। বিবাহিত নাৰীয়ে কঁকালত 'জকাচ্ছিবা' আৰু খোপাত 'গাতিগী' গামোচা পিন্ধে। পুৰুষে সাধাৰণতে চুৰিয়া চোলা পিন্ধে। ৰাভা জনগোষ্ঠীৰ নাৰীসকলে 'কাম্বুং', 'ৰিফান', 'পাটনি' আৰু 'খাদাবং' পিন্ধে। পুৰুষসকলে 'ফালি' আৰু 'পাজাম' পৰিধান কৰে। ❑




**প্ৰাসংগিক গ্ৰন্থ ঃ**

১) সাহিত্য সংস্কৃতিৰ সমীক্ষা বিশ্লেষণ, সম্পাদনা - ড° ৰমেন হাজৰিকা, ৰুণজুন শইকীয়া

২) অসমৰ লোক সংস্কৃতি, - ড° বিৰিঞ্চি কুমাৰ বৰুৱা।

# Role of students in society



Usha sharma
B. Sc. 2nd sem

We know that students are the backbone of the society. Students are the one who can change the society by their activities because all the students in today's world are properly educated. In one day or the other, they have much more talent than other because in Schools, Colleges, Universitys, they gain knowledge in different aspects which they can use for the improvement of the society.

Now, society is a term, by which we mean "many people living in different houses but at the same place i.e living together. The people living in a society share their happiness, sadness, problems etc. with each other and try to solve it.

Again, we know that students because of their education can totally change the society by applying their ideas in different field. Just for an example.Students can formulate the idea of progressing the society by making aware of the cleanliness, importance of education among the people living in a society. If in a society, there are people who are uneducated and they are facing some problems that can be solved by the students because they had already learned above all the problems in their earlier classes. Or if they haven't learned about that, they can be able to find a solution any how because they can open their brain and find the solution.

Just, let us consider, a natural calamity occured say earthquake, which destroyed a lot causing damages of different material and above all lost of lives of many people . Here, a student can inform everyone by his social media network and can seek help. There are many groups who are always ready to provide help online.

Students can also know about the newly organized oranisation and can inform the people who don't have any idea at that aspect.

Students can also motivate their parents or people of the society to make recessary steps for their future life. Those children who are not able to continue their further study due to their parents' economic problem can continue their study if all the students get united and help him. By this, the

children can learn many things and also the students are able to share their talents to the children by which the poor children will also be educated and can do many things for the progress of the society.



Students can also make aware of the fact that cleanliness is very much neccessary for our health. They should tell all the people of the society to keep their surrounding clean to have fresh oxygen. Students know the importance of planting trees which should be applied in the society. They should also tell the people, if they cut one tree, instead of that they should plant two trees. By these the people living in a society can get fresh oxygen and live a happy life. Students those who are expert in lectures or giving speech can write and can give a talk on important aspects for the improvement of the society. They can collect idea in different things and make use in the society like they can collect idea on solar tree and try to implement it.

Students also can collect all the uneducated children and can help them for bright future of the society. In a society, all the people may not be disciplined, they can use unwanted things and also can consume a high amount of drink. So, the students can tell those people about the negative effect of consuming unwanted things and can save their life. They can also teach discipline by which a society's people will feel good among themselves.

So, by all these we come to know how students are important in a society and plays important role therein . ❑

প্ৰতিকূলতাই কোনো কোনো মানুহক প্ৰায় ভাঙি দিয়ে, আকৌ এচাম মানুহ আছে, যিসকলে প্ৰতিকূলতাই ভাঙি পেলোৱাটো জীৱনৰ প্ৰত্যাহ্বান বুলি গ্ৰহণ কৰে।

-উইলিয়াম এ ৱাৰ্ড

# নৱপ্ৰজন্মৰ দৃষ্টিভংগীৰে মানৱীয় মূল্যবোধ

✍ ৰুমা সোনোৱাল
স্নাতক প্ৰথম ষাণ্মাসিক (কলা)

মানৱীয় মূল্যবোধ বুলি ক'লে বহুতো দিশেই সামৰি লোৱা যায়। মানুহৰ নৈতিকতাবোধ, ইজনে সিজনৰ বাবে বন্ধুভাবাপন্ন মনোভাৱ অথবা ধনাত্মক চিন্তাধাৰা আদিকে ধৰি আৰু বহু এনেধৰণৰ ধাৰণাৰে মানৱীয় মূল্যবোধৰ সংজ্ঞা দিব পৰা যায়, যাক ইংৰাজীত হিউমেন ভেল্যুজ (Human values) বুলি কোৱা যায়। আজিৰ চামৰ দৃষ্টিভংগীৰে মানৱীয় মূল্যবোধৰ বিষয়ে চমুকৈ ক'বলৈ গ'লে মানুহৰ মূল্য তথা মানৱমূল্য হৃদয়ংগম কৰিব পৰাটো বুজাব পাৰি। অল্ড জেনেৰেচন অৰ্থাৎ পুৰণি চামৰ ধাৰণামতে সাধাৰণতে নৱ প্ৰজন্মৰ মানৱীয় মূল্যবোধৰ অভাৱ। অন্য কথাত ক'বলৈ গ'লে আজিৰ যুৱ প্ৰজন্মই মানৱীয় মূল্যবোধৰ মূল বুজি নাপায়, এনেকুৱা এটা চিন্তাধাৰাই আমাৰ সমাজৰ বেছিভাগ মানুহৰ মস্তিস্কত বৰ্তমান। কিন্তু এটা শুদ্ধ, পৰিস্কাৰ আৰু নিকা মন লৈ সকলোবোৰ দিশ ভালদৰে চালিজাৰি চালে দেখা যায় যে হয়তো আজিৰ প্ৰজন্মইহে তুলনামূলকভাৱে মানৱীয় মূল্যবোধৰ ধাৰণাটো মনত সুমুৱাই ল'ব পাৰিছে। আমাৰ পুৰণি প্ৰজন্মৰ ফালে পিছুৱাই চালে বহুতো ঋণাত্মক দিশ যেনে অস্পৃশ্যতা, জাত-পাতৰ ভেদভাৱ অৰ্থাৎ উচ্চ-নীচৰ পাৰ্থক্য এইধৰণৰ মনোবৃত্তিসমূহ লক্ষ্য কৰিব পৰা যায়। কিন্তু নৱপ্ৰজন্মৰ মাজত এনেধৰণৰ ভাৱসমূহ খুবেই কম। এইটোও ক'ব নোৱাৰি যে শূন্য শতাংশই, কিন্তু তুলনামূলকভাৱে বহু কম অৰ্থাৎ খুব বেছি ৩০ ৰ পৰা ৪০ শতাংশ মানুহে তেনে ঋণাত্মক চিন্তাধাৰা সমূহৰ দ্বাৰা সমাজখনত ভেদভাৱৰ সৃষ্টি কৰিছে বা সমাজখন দোপতদোপে উন্নীত কৰাত বাধা জন্মাইছে। বহুতো যুৱচামৰ লোকেই নিজৰ অভিজ্ঞতাৰ পৰা বৰ্ণনা কৰে যে তেওঁলোকৰ চকুৰ আগতেই পূৰ্বপুৰুষসকল তথা আইতা-ককা সকলে নীচ জাতৰ মানুহসকলক অস্পৃশ্য জ্ঞান কৰে, আনকি নিজৰ ঘৰৰ চৌহদত আদৰণি জনাবলৈও দ্বিধাবোধ কৰে। এনে যুক্তিবিহীন দৃষ্টিভংগীসমূহ ৯০ শতাংশ পুৰণিচামৰ ব্যক্তিৰ মনতে পোৱা যায় আৰু ইয়াক কোনোৰে নুই কৰিব নোৱাৰে। অথচ উচ্ছৃংখল, গুৰু গোসাঁই নমনা, শিষ্টাচাৰবিহীন আদিৰে সংজ্ঞা দিয়া আজিৰ যুৱপ্ৰজন্মৰ মাজত কিন্তু এনেধৰণৰ অমানৱীয় চিন্তাধাৰা অতি কমকৈ দেখা পোৱা যায়। ইয়াৰ কাৰণ মইও ভালদৰে স্পষ্টকৈ উল্লেখ কৰিব পৰা নাই বা উলিয়াবও পৰা নাই। আশা কৰোঁ পাঠকসকলে নিজেই ইয়াৰ কাৰণ বিচাৰি উলিয়াবলৈ সক্ষম হ'ব। সাধাৰণতে কোৱা যায় বা অধিক সংখ্যক বয়সস্থ ব্যক্তিৰ মুখত শুনিবলৈ পোৱা যায় যে আজিৰ প্ৰজন্মৰ মাজত মানৱীয় মূল্যবোধৰ নাটনি, কিন্তু ভালদৰে চিন্তা কৰি চালে তেওঁলোকে নিজে আৱিষ্কাৰ কৰিব পাৰিব যে কোনসকলৰ মাজত মানৱীয় মূল্যবোধবিহীন ঘটনাসমূহ বেছিকৈ ঘটি থাকে। আমাৰ সমাজৰ উচ্চ লোকসকল অৰ্থাৎ অৰ্থনৈতিকভাৱে মজবুতসকলে দৰিদ্ৰসকলক হেয় জ্ঞান কৰাও দেখা যায়। ইয়াৰ হেতু কি, কোনে আনিলে এই ভেদভাৱ? সৃষ্টিকৰ্তাইতো ব্ৰহ্মাণ্ডখন সৃষ্টি কৰোঁতে এনেধৰণেৰে ভাগ কৰি দিয়া নাছিল। তেন্তে কোনে আনিল এনে চিন্তা? নিশ্চয় মানুহেই আনিলে। তেনে ধৰনেৰে জাত, ধৰ্মৰ ক্ষেত্ৰত চাবলৈ গ'লে, আপুনি হিন্দু, মই খ্ৰীষ্টান, তেওঁ মুছলমান, এইবিলাক কোনে সৃষ্টি কৰিলে? মানুহে নিজৰ মাজতে ভেদভাৱ আনিছে আৰু সেইধৰনেৰে আধ্যাত্মিক চিন্তাধাৰা আৰু সাধাৰণ খোৱা-লোৱা থকা পদ্ধতিসমূহো ভিন্ন ভিন্ন কৰি পেলালে। ইয়াৰ পৰা সমাজৰ বহু ক্ষতি হোৱা দেখা গৈছে হয়তো পাঠকেও সেইবিলাক লক্ষ্য কৰিছে। গতিকে এই যুক্তি নথকা ধাৰণাসমূহ আঁতৰাই মনটো নিকা কৰি সমাজখনৰ উন্নতিৰ চিন্তা কৰাটোহে বাঞ্ছনীয়। ❑



# Dig-Boy-Dig

✍ **Subham Jaiswal**
B.Sc. 2nd sem.






Located in the far north-eastern corner of Assam, Digboi is a small and beautiful town. The well tied society and rich culture allures the peoples' eye to know its history, is adorable.

It was the late 19th century, India has recovered from its loss in the first war of Independence British crown of Queen Victoria took away the reign into its hand. Modernisation and services rose high. An event in 1882 paved the way to naming of the twon. It is believed that a crew of engineers were trying to build a railway line in upper Assam for the conveneince of Assam Railway & Trading Company. Legend says these engineers were travelling on elephant in the dense malaria infested jungles of upper Assam. W. L. lake (an engineer of the crew) discovered oil stains on the foot of the elephants. He asked an Assamese male servant from his crew to dig up the ground, to find from where the oil was coming. "Dig, boy dig" ordered by Mr. Lake. He noticed, the ground was the source of fossil fuel called petroleum. They were one of the first people to discover petroleum in Assam. The place where the officer had ordered "Dig, boy Dig" became famous as Dibgoi – a small remote place in India which all of a sudden became a landmark place in mankinds history.

This is how the great history of our town landed in a few paragraphs. The vibes of our town and history is still unknown to some whom to have to know through these sentences. ❑

শিক্ষা

# Challenges of Vocationalization of School Education in India




Dr. Amar Upadhyaya
Asst. Professor
Dept. of Education, Dibrugarh University

At the time of independence, India was educationally and economically backward. The literacy rate was around 16% and GDP growth rate was around 1%. The prime focus was industrial growth and agricultural sustainability. Education was at bottom of the preferred list. But how a country can attain higher productivity without skilled human resources? Education has always been considered as a main factor of human capital formation of a country. There is a close and positive relationship between the process of education and the process of economic development of a country. It is the responsibility of the education system to create a skillful as well as a knowledgeable human capital in the country. As a developing country, India has always focused to educate its citizen at least through school education. After completion of the school education, majority of the learners move towards to the world of work. It is quite impossible in a country to access higher education for all. So, if the learners are not equipped with proper skill and knowledge before moving to the world of work, they would not be able to contribute to the national productivity at the higher levels. In this context, the importance of vocationalization of school education in India is highly realized.

The emphasis on vocationalization of school education in India is not a new area of discussion. It has been initiated long ago. The importance of Vocationalization of school education was formally realized during the era of Modern education system in India. This trend of emphasizing on the issue has been seen in the recommendations made by the committees and commissions both during pre independence and post independence period. In **The Hunter Commission of 1882,** the concept of vocationlization of education was seen as recommendation in Hunter commission report. But it was not implemented very effectively. With regard to vocational and technical education, the commission recommended that in a particular class of high schools there should be two avenues, one leading to University education and the other based on a more practical character to prepare the young children for commercial, vocational or non-literary pursuits. In spite of such specific recommendations, it was ignored by the government. In 1929, **the Hartog**

**Committee** was appointed to review the position of education in the country. In the opinion of this Committee, the Matriculation of the University still dominated the whole of the secondary course. In order to obviate this defect, the Committee recommended that a large number of pupils intending to follow certain vocations should stop at the middle school stage. There should be "more diversified curricula in the schools". The Committee also recommended "diversion of more boys to industrial and commercial careers at the end of the middle stage, preparatory to special instruction in technical and industrial schools." **The Sapru Committee appointed in 1934** by the U.P. Government which enquired the causes of unemployment in Uttar Pradesh (United Provinces) came to the conclusion that much of the unrest was primarily due to mass unemployment and that the system of education commonly prevalent prepared pupils only for examinations and degrees and not for an avocation in life. "In a situation like that", the Committee remarked, "the real remedy is to provide diversified courses of study at the secondary stage and to make that stage more practical and complete in itself and more closely related to the vocational requirements of different types of students. At the secondary stage, side by side with the general course leading to the University, there should be parallel courses offering instruction in technical, commercial, industrial and other vocational subjects". In **1937 under Basic Education Model** the Father of Nation initiated the concept of 'Nai Talim', which was a perfect model of vocationalization of School Education. **In1944, the Sargent Report** was submitted which recommended that at the Middle School stage, provision should be made for a variety of courses extending over a period of five years after the age of 11. These courses while preserving an essentially cultural character should be designed to prepare the pupils for entry into industrial and commercial occupations as well as into the Universities. It was recommended that the High School course should cover 6 years, the normal age of admission being 11 years and that the High Schools should be of two main types (a) academic, and (b) technical. The objective of both should be to provide a good all-round education combined with some preparation in the latter stages for the careers which pupils will pursue on leaving schools.

During the post independence period also, the vocationalization of school education has been a major thrust area of educational policies and programmes. Each and every policy and commission recommended the vocationalization of school education but it is a matter of regret that the recommendation has not been found to be successfully implemented.

**The report of Secondary Education Commission, 1953** mentioned that *"We expect that at the successful conclusion of the Secondary course, a majority of students will take up some suitable vocational pursuit and in due course achieve a reasonable degree of competence in it either through practice and experience or through apprenticeship training. But there would be many who would like, and would be in a position, to pursue higher studies. For such students, Polytechnics or Technological institutions should be available where technical courses covering two or more years would be provided. They should be eligible to take the Certificates or Diplomas awarded by the State or by the All India Council for Technical Education. Those who take the Higher Secondary Certificate with vocational subjects may be exempted from the first year of the course, while those who obtain the High Schools Certificate should be required to put in the full period of training. These courses of studies will have to be planned by the expert Boards of Studies set up by the States or by the All India Council for Technical Education."*

**Education and National Development Report of the Education Commission, 1964-66** or Kothari Commission (1964-66) has rightly mentioned that *India is in transition from a society in which education is a privilege of a small minority to one in which it could be made available to the masses of the people. The immense resources*

*needed for this programme can be generated only if education is related to productivity so that an expansion of education leads to an increase in national income which, in turn, may provide the means for a larger investment in education. Education and productivity call thus constitute a 'rising spiral' whose different parts sustain and support one another.*

**The National Policy on Education 1986** (NPE) has also stressed much on Vocationalization of School Education in a dynamic way. The policy recommended Vocationalisation through specialized institutions or through the refashioning of secondary education will, at this stage, provide valuable manpower for economic growth. The introduction of systematic, well planned and rigorously implemented programmes of vocational education is crucial in the proposed educational re-organization. Vocational Education will be a distinct stream, intended to prepare students for identified occupations spanning several areas of activity. These courses will ordinarily be provided after the secondary stage, but keeping the scheme flexible, they may also be made available after class VIII. These courses may include, Health Planning and Health Service Management, Agriculture, Marketing, Social Services, etc. An emphasis in skills for entrepreneurship and self-employment are the proposed area of NPE for vocationalizing the school education. The policy has also recommended a clear path for vocationalization of education sector-

- The establishment of vocational courses or institutions will be the responsibility of the Government as well as the employers in the public and private sectors; the Government will, however, take special steps to cater to the needs of women, rural and tribal students and the deprived sections of society. Appropriate programmes will also be started for the differently able class.
- Graduates of vocational courses will be given opportunities under predetermined conditions for professional growth, career improvement and lateral entry into courses of general, technical and professional education through appropriate bridge courses.
- Non-formal, flexible and need-based vocational programmes will also be made available to neo-literates, youth who have completed primary education, school drop-outs, persons engaged in work and unemployed or partially employed persons. Special attention in this regard will be given to women.
- Tertiary level courses will be organized for the youths who graduate from the higher secondary courses of the academic stream and may also require vocational courses.
- It was proposed that vocational courses cover 10 per cent of higher secondary students by 1995 and 25 per cent by 2000. Steps will be taken to see that a substantial majority of the products of vocational courses are employed or self-employed. Review of the courses offered would be regularly undertaken. Government will also review its recruitment policy to encourage diversification at the secondary level.

So, from the above discussions it is seen that the issue of vocationalisation has always been in positive trends. But its implementation has not been highly successful due to some real challenges that the country faces.

The challenges of vocationalization of School education are quite different from other system of education. Despite the availability of natural and other resources, potentiality of skilled employability, the school education is still knowledge based and traditional. The challenges of vocationalization of schools education can be summarized as-

- Lack of an effective Government policy.
- Highly lacking in Industry-Academia linkage.
- Lack of motivation among the young learners.
- Focus on traditional curriculum.
- Infrastructural problems or academic shortage.
- Negligence to the concept of self employability.

- Job oriented mindset.
- High dropout rate at secondary level.
- Lack of participation by private players in the field of vocational education.
- Lack of opportunities for continuous skill up-gradation.
- Unclear provision of certifications and degrees for the unorganized/informal sector.
- Challenges like poor quality trainers, lack of flexibility and outdated infrastructure.

To overcome these challenges of vocationalization of school education the following measures can be suggested.

- Effective policy measures for vocationalization of school education in the state as well as in the country.
- Potential areas of vocationalisation in the state can be identified. These may include: Tea Processing, Oil Industries, Vehicle Management including Driving, Sports Coaching, Bamboo Industry, Fishery and Live Stock Firming, Mobile Technology and Computer, Tourism Management, Online Marketing, Construction Sector, Hotel Management, Retail Management, Village Tourism, Secretarial Works, Security Personal, Material Management, Handicraft, Designing etc.
- Industry Academia linkage has to be assured.
- Policy to be initiated for creation of self employability.
- Focus on self employment rather than seeking jobs.
- Modification of school curriculum from traditional to skill based.
- Development of school infrastructure suitable for introducing vocational courses.
- Involvement of private parties in vocational school education under PPP mode.

Education and employability should be the two sides of a coin. Education becomes meaningless and worthless if it does not create employability. Education needs to develop certain productive skills among the learners, so that it become a source for livelihood. If education system focuses only on knowledge transmission instead of creation of skilled human, it makes the learners handicap in the world of work. ❑

তুমি যদি প্ৰকৃততেই নিজৰ চৰিত্ৰ গঢ়ি জীৱনত সফলতা লাভ কৰিব বিচাৰিছা, তেন্তে দুটা কথাৰ বিচাৰ তুমি সদায়েই কৰিবা। সেয়া হ'ল কোনবোৰ কাম তোমাৰ সাধ্যৰ ভিতৰত আৰু কোনবোৰ তোমাৰ সাধ্যৰ অতীত।

- ফ্ৰান্সিছ থমছন

# পৰীক্ষালৈ কেনেকৈ সাজু হ'বা

ডঃ ৰীপা শৰ্মা
সহকাৰী অধ্যাপিক, দৰ্শন বিভাগ

আমাৰ এটা অন্যতম অংগ হ'ল পৰীক্ষা। এজন ছাত্ৰ বা ছাত্ৰীয়ে পাঠ্যক্ৰমৰ কিমান বিদ্যা আয়ত্ব কৰিব পাৰিছে তাৰ হিচাপ লবৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰা হয়। যদিও প্ৰচলিত শিক্ষা ব্যৱস্থাত পৰীক্ষাৰ নম্বৰে সদায়ে এজন ছাত্ৰ বা ছাত্ৰীৰ প্ৰকৃত মেধা নিৰ্ধাৰণ নকৰে তথাপিও পৰীক্ষাৰ নম্বৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বৰ গুৰুত্বপূৰ্ণ। কাৰণ এটা পৰীক্ষাত পোৱা নম্বৰ ছাত্ৰ বা ছাত্ৰী এগৰাকীৰ বাবে তাৰ পৰবৰ্ত্তী শ্ৰেণীত নামভৰ্ত্তিৰ ক্ষেত্ৰত যোগ্যতাৰ মাপকাঠি হয়। তদুপৰি পৰীক্ষাৰ নম্বৰৰ তালিকাখনেই ভৱিষ্যতে চাকৰি লাভৰ ক্ষেত্ৰত যোগ্যতা নিৰ্ণয়কৰ্ত্তাৰ ভূমিকা লয়। গতিকে ছাত্ৰ-ছাত্ৰীৰ জীৱনত পৰীক্ষাৰ গুৰুত্ব অপৰিসীম।

বৰ্তমান অসমৰ মহাবিদ্যালয়সমূহত ষাণ্মাসিক পদ্ধতি প্ৰৱৰ্ত্তিত হৈছে। এই পদ্ধতি যদিও ছমহীয়া প্ৰকৃততে কিন্তু ছমাহৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে প্ৰায় চাৰে তিনি বা চাৰি মাহ মানহে শ্ৰেণীকোঠাত পাঠগ্ৰহণ কৰিবলৈ পায়। ইমান কম সময়তে যিহেতু ছাত্ৰ-ছাত্ৰীসকলে এটা যথেষ্ট দীঘলীয়া পাঠ্যক্ৰম পঢ়ি শেষ কৰিব লাগে সেইবাবে এই পদ্ধতিত প্ৰতিটো দিনেই বৰ গুৰুত্বপূৰ্ণ। প্ৰতিটো দিনকেই প্ৰণালীবদ্ধভাৱে সদ্ব্যৱহাৰ কৰিলেহে এজন ছাত্ৰ বা ছাত্ৰীয়ে সাফল্য লাভ কৰিব পাৰিব।

পৰীক্ষালৈ সাজু হ'বলৈ যথেষ্ট সময়ৰ প্ৰয়োজন। তদুপৰি এই কাম যথেষ্ট মানসিক চাপযুক্ত। তলত ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ পৰীক্ষাৰ বাবে সাজু হ'বলৈ কেইটামান কিটিপ আলোচনা কৰা হ'ল —



১) আৰম্ভণিতে পঢ়াৰ এখন সঠিক ৰুটিন বনাই লব লাগে আৰু পৰীক্ষাত বহিব লগা সকলো বিষয়কে এই সময়সূচীত সমান গুৰুত্ব দিব লাগে।

২) পঢ়িবৰ বাবে সদায় ঘৰৰ নিৰল আৰু হুলস্থূল নাইকিয়া ঠাইডোখৰ নিৰ্বাচন কৰিব লাগে। পঢ়াৰ ঠাইডোখৰত যথেষ্ট পোহৰৰ ব্যৱস্থা থাকিব লাগে।

৩) প্ৰতিটো পাঠ পঢ়ি যাওতে দৰকাৰী কথাবোৰ পেঞ্চিল বা ৰঙীন চিঞাহীৰে দাগ দি যাব লাগে। পঢ়ি উঠি

প্ৰতিটো পাঠৰে এটা টোকা বনাব লাগে কাৰণ এই টোকাই পিছত কথাবোৰ মনত পেলোৱাত সহায় কৰে।

৪) প্ৰতিটো পাঠ পঢ়ি শেষ হোৱাৰ পিছত পৰীক্ষাত সেই পাঠৰ পৰা কেনে ধৰণৰ প্ৰশ্ন সুধিব পাৰে তাক উলিয়াবলৈ আৰু উত্তৰ দিবলৈ চেষ্টা কৰিব লাগে।

৫) এটা বিষয় যিমান বাৰ পঢ়া যায় সিমান বাৰ বা তাতকৈ বেছি পঢ়া কথাখিনি মনত পেলাব লাগে। ই আমাক শিকা কথাবোৰ স্থায়ীভাৱে মনত ৰখাত সহায় কৰে।

৬) পাৰিলে পঢ়া কথাবোৰ পিছত নোচোৱাকৈ লিখি চাব লাগে। এই অভ্যাসে আখৰ লিখাৰ গতি বৃদ্ধি কৰে। যিহেতু আমাৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীৰে পৰীক্ষা গৃহত হাতৰ গতি লেহেম হোৱাৰ বাবে উত্তৰ জনা স্বত্তেও সকলো প্ৰশ্নৰ উত্তৰ লিখি সম্পূৰ্ণ কৰিব নোৱাৰে।

৭) একেৰাহে বেছি সময় পঢ়ি থাকিব নালাগে। পঢ়াৰ মাজে মাজে নিয়মীয়াকৈ কিছু বিৰতি ল'ব লাগে আৰু এই বিৰতিৰ সময়ত নিজৰ ভাল লগা কাম কৰিব লাগে।

৮) পৰীক্ষাৰ সময়লৈ পঢ়িবলৈ নৰৈ নাথাকি আগতীয়াকৈ পঢ়াটো অতি দৰকাৰী। নহ'লে পৰীক্ষাৰ সময়ত সকলোবোৰ একে সময়তে মূৰত সোমোৱাবলৈ চেষ্টা কৰিলে ই ফলপ্ৰসু নহ'বও পাৰে।

৯) প্ৰতিটো পাঠ এটা নিৰ্দিষ্ট সময়ৰ মূৰত পুনৰ অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয়। কাৰণ এইদৰে নিৰ্দিষ্ট বিৰতিৰ পিছত অতি কমেও তিনি চাৰি বাৰলৈ পঢ়াৰ পিছতহে বিষয়টোৱে মগজুত স্থায়ীভাৱে ঠাই লয়।

১০) প্ৰতিটো পাঠ পঢ়ি উঠাৰ বাবে নিজকে কিবা পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। ই পঢ়াৰ প্ৰতি ধাউতি বঢ়ায়।

১১) বজাৰৰ Note Book কেতিয়াও পঢ়িব নালাগে, পাঠ্যপুথি বা তাৰ Reference Book বোৰ খৰচি মাৰি পঢ়িলেই সকলো উত্তৰ ভালদৰে কৰিব পাৰি।

১২) পৰীক্ষাগৃহত সময় জোৱাব নোৱাৰাটো যিহেতু আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ এটা ডাঙৰ সমস্যা গতিকে আগৰ বৰ্ষবোৰৰ প্ৰশ্নকাকত সমূহ চাই কেনে ধৰণৰ প্ৰশ্ন আহে বা কিমান নম্বৰৰ প্ৰশ্ন এটাৰ উত্তৰ লিখোতে কিমান সময় দিব পাৰি আদি কিছুমান কথা ঘৰতে ঠিক কৰি যাব লাগে।

১৩) পৰীক্ষাৰ বহীত প্ৰশ্নসমূহৰ ক্ৰমাংকবোৰ সঠিক ভাৱে লিখিব লাগে।

১৪) পৰীক্ষালৈ কেতিয়াও ভয় কৰিব নালাগে। সদায় মনত এটা ইতিবাচক মনোভাৱ থাকিব লাগে। পৰীক্ষাটোক ছাত্ৰ-ছাত্ৰীয়ে সদায় নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ এটা সুবৰ্ণ সুযোগ বুলি ভাৱিব লাগে।

১৫) সু-খাদ্য আৰু উপযুক্ত পৰিমানৰ টোপনি পৰিক্ষাৰ্থীৰ বাবে অতি প্ৰয়োজনীয়। আহাৰে যিহেতু মগজুত ক্ৰিয়া কৰে আৰু মগজুৱে মনোযোগ দিয়াত সহায় কৰে গতিকে আমি খাদ্য সম্পৰ্কে সচেতন হ'ব লাগে। লগতে পৰিক্ষাৰ্থীসকলে দিনটোৰ অতি কমেও ৭ ঘন্টা শোৱাটো দৰকাৰী।

১৬) পৰীক্ষালৈ যোৱাৰ আগতে ৰাতিপুৱা সম্ভৱ হ'লে গোটেই পাঠ্যক্ৰমখনৰ বিষয়বোৰ এবাৰ চকু ফুৰাই চাব লাগে যাতে সব উত্তৰ মনত সতেজ হৈ থাকে।

১৭) পৰীক্ষাগৃহত সদায় ঘন্টা বজাৰ ১০-১৫ মিনিট আগতে প্ৰবেশ কৰিব লাগে । দেৰি হ'লে মনৰ চাপ বাঢ়ি যাব পাৰে।

১৮) পৰীক্ষাগৃহত বহি প্ৰথমতে প্ৰশ্নকাকতখন দুবাৰমান ভালকৈ পঢ়িব লাগে। কোনটো প্ৰশ্নই কি উত্তৰ বিচাৰিছে তাক ভালদৰে ঠিক কৰি লব লাগে।

১৯) ইষ্ট দেৱতাক চিন্তা কৰি প্ৰচুৰ আত্মবিশ্বাসেৰে সৈতে লিখা আৰম্ভ কৰি ঘন্টা বজাৰ পাঁচ মিনিট আগতে শেষ কৰিবলৈ চেষ্টা কৰিব লাগে যাতে সেই পাঁচ মিনিট সময় বহীখন পুনৰীক্ষণ কৰিব পাৰি।

২০) পৰীক্ষাত ভালদৰে জনা উত্তৰবোৰ আগতীয়াকৈ কৰিব লাগে। হাতৰ আখৰবোৰ যিমান পাৰি পৰিপাটিকৈ লিখিবলৈ চেষ্টা কৰিব লাগে। ☐

যি মানুহৰ ধৈৰ্য শক্তি আছে, তেওঁৰ অসাধ্য একোৱে নাই।

- বেঞ্জামিন ফ্ৰেংকলিন

# শিক্ষা আৰু মূল্যবোধ



✍ ড° বিশ্বজিত শইকীয়া
সহকাৰী অধ্যাপক
ৰসায়ন বিজ্ঞান বিভাগ

সমাজৰ উন্নতিৰ মূল বা আধাৰ হৈছে শিক্ষা। শিক্ষাই আমাৰ জ্ঞানৰ দুৱাৰ মুকলি কৰি উন্নতিৰ পথ প্ৰশস্ত কৰি তোলে। এখন দেশৰ অথবা জাতিৰ সৰ্বোত্তৰ উন্নতি সাধন কৰিবলৈ এজন লোক কেৱল আক্ষৰিক অৰ্থত শিক্ষিত হোৱাই নহয় বিজ্ঞ হোৱাটোও খুবেই প্ৰায়োজনীয়। বৰ্তমান সমাজত শিক্ষিত লোকৰ সংখ্যা বাঢ়ি গৈছে যদিও মানৱীয় মূল্যবোধ কমি যোৱা যেন পৰিলক্ষিত হৈছে। আজিকালি যৌথ পৰিয়াল কমি অহাৰ লগে লগে আমি যথেষ্ট পৰিমাণে আত্মকেন্দ্ৰিক হৈ পৰিছো আৰু এই আত্মকেন্দ্ৰিকতাই আমাৰ সামাজিক মূল্যবোধ বহু পৰিমাণে হ্ৰাস কৰি আমাক পৰনিৰ্ভৰশীল আৰু সুবিধাবাদী কৰি তুলিছে। আমি নিজৰ উৎকৰ্ষ সাধন কৰাতকৈ আনৰ লগত প্ৰতিযোগিতাতহে নামি পৰিছো। আজিকালি শিক্ষা ব্যৱস্থাত ৮০/ ৯০ শতাংশ বা ততোধিক নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কোনো গুণে কম নহয়। অকল নম্বৰৰ ওপৰত ভিত্তি কৰিয়েই এজন ছাত্ৰ বা ছাত্ৰীক শিক্ষিত বুলি ক'ব পাৰিনে? পাঠ্যপুথিৰ জ্ঞানে যেনেকৈ আমাক শিক্ষিত কৰি তোলে তেনেকৈ জীৱনৰ অভিজ্ঞতাই এজন ব্যক্তিক অভিজ্ঞতাৰে পুষ্ট কৰি বিজ্ঞ কৰি তোলে। কথাতে কয় লেখি শিকে, দেখি শিকে, ঠেকি শিকে। কিন্তু ইয়াৰ সকলোখিনি জানো পাঠ্যপুথিৰ পৰা অৰ্জন কৰাতো সম্ভৱ?

দয়া, ক্ষমা, সহনশীলতা ইত্যাদি গুণসমূহ ব্যক্তিত্বৰ প্ৰধান সম্পদ। এজন স্বাৰ্থলোভী তথাকথিত 'শিক্ষিত'ত কৈ এজন অভিজ্ঞতা সম্পন্ন 'নিৰক্ষৰ'ৰ স্থান ওপৰত যদিহে তেওঁৰ ব্যক্তিত্ব এইখিনি গুণসম্পন্ন হয়। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক কিছুমান কাৰ্য সহজে কৰাৰ কৌশল প্ৰদান কৰে সঁচা কিন্তু সেই কাৰ্য কিয় কৰিব লাগে বা সমাজৰ ওপৰত তাৰ প্ৰভাৱ কি সেই বিষয়ে সম্যক জ্ঞান দিয়াত ব্যৰ্থ হৈছে। যাৰ ফলত পাঠ্যপুথিত থকা প্ৰতিষ্ঠিত পদ্ধতি/ ধাৰণাৰ বাহিৰেও যে আৰু কিবা বিকল্প পদ্ধতি/ ধাৰণা থাকিব পাৰে সেই বিষয়ে চিন্তা কৰাৰ বাবে তেওঁলোকৰ সময় আৰু মানসিকতাৰ অভাৱ দেখা যায়। এক কথাত পাঠ্যপুথিৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীক এটা বিষয়ত পাৰ্গত কৰি তুলিব পাৰে যদিও তেওঁলোকৰ বাহ্যিক বহু জ্ঞানেই আধৰুৱা হৈ ৰয়। দেশৰ উন্নতিৰ কাৰণে বিষয় পাৰ্গত (সেয়া লাগিলে বিজ্ঞানী, অভিযন্তা, ডাক্তৰ, কৃষক যিয়েই নহওক) অত্যন্তই জৰুৰী কিন্তু সামাজিক উন্নতিৰ কাৰণে প্ৰকৃত বিজ্ঞ জনৰহে প্ৰয়োজন। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী তেতিয়াহে সঁচা অৰ্থত 'শিক্ষিত' হৈ উঠিব যেতিয়া তেওঁলোকে নিজক সংস্কাৰিত কৰি মানৱীয় মূল্যবোধেৰে পূৰ্ণ কৰি তুলিব। যুৱ প্ৰজন্মৰ মনত ধনাত্মক চিন্তাশক্তি বঢ়াই তুলি শুদ্ধ অশুদ্ধ বিচাৰ কৰিব পৰাৰ যোগ্য কৰি তোলাটোৱেই হৈছে মূল্যবোধ শিক্ষাৰ প্ৰধান উদ্দেশ্য। যাতে ভৱিষ্যতে তেওঁলোক দয়া, সহিষ্ণুতা, পৰোপকাৰী আদি গুণৰ অধিকাৰী হৈ এখন

শান্তিপ্ৰিয় সমাজ গঢ়ি তুলিব পাৰে। মূল্যবোধ-শিক্ষাৰ আদিপাঠ আৰম্ভ হয় নিজ ঘৰখনৰ পৰা। জ্ঞান অৰ্জনত আগ্ৰহী এজন ছাত্ৰই সেয়া নিজতকৈ বহু অভিজ্ঞতা সম্পন্ন পিতৃ-মাতৃ, শিক্ষক আৰু জ্যেষ্ঠজনৰ পৰা গ্ৰহণ কৰিব পাৰে। এজন শিক্ষিত ব্যক্তিৰ পৰা এখন সমাজে, দেশে আৰু সৰ্বপ্ৰথমে পৰিয়ালে বহুখিনি আশা কৰে। গতিকে সেই বিশ্বাসৰ ওপৰত থিয় হৈ সকলোখিনিকে আগবঢ়াই লৈ যোৱাটোৱেই হৈছে তেওঁৰ প্ৰথম আৰু প্ৰধান দায়িত্ব।



সৰুতে ককা-আইতাই কোৱা সাধু-কথাত কিছুমান নীতি শিক্ষা আছিল যি আমাৰ মনত মূল্যবোধৰ লগতে কল্পনা শক্তিও বঢ়াই তুলিছিল। তেনেকৈ আগৰ দিনৰ ''গুৰুকুল'' শিক্ষা-ব্যৱস্থাত এজন শিষ্যক গুৰুৱে জীৱনৰ সকলো দিশতে কেনেকৈ কাৰ্যক্ষম কৰি তুলিব পাৰি তাৰেই যত্ন কৰিছিল। সেই শিক্ষাত শিষ্যই এটা নিৰ্দিষ্ট বিষয়ত পাৰ্গত হোৱাৰ উপৰিও জীৱনটো সুচাৰুৰূপে পালন কৰিব পৰাকৈ সকলো শিক্ষাই লাভ কৰিছিল। খুব কম সময়তে তেওঁলোকে একতা, সমতা, সৰলতা, আধ্যাত্মিকতা, নৈতিকতাৰ শিক্ষা লাভ কৰি যিকোনো পৰিস্থিতিতে উচিত সিদ্ধান্ত লোৱাৰ উপযোগী হৈ উঠিছিল। বৰ্তমানৰ শিক্ষা পদ্ধতিয়ে সংখ্যাগতভাৱে বহু সংখ্যক শিক্ষিতৰ সৃষ্টি কৰিছে সঁচা কিন্তু তেওঁলোকৰ গুণগত মান কিমান উন্নত হৈছে সেইটো সঁচাকৈ চিন্তনীয়। বৰ্তমান সময়ত পৰীক্ষাৰ নম্বৰ আৰু এটা চাকৰি জীৱনক সুস্থিৰতা প্ৰদান কৰিবলৈ খুবেই প্ৰয়োজনীয়। কিন্তু সেয়াই ছাত্ৰ-ছাত্ৰীৰ শেষ উদ্দেশ্য নহে তেওঁলোক ইমান আত্মবিশ্বাসী হৈ উঠিব লাগিব যাতে জীৱনৰ যিকোনো পৰিস্থিতিতেই তেওঁলোকে পোৱা শিক্ষা ব্যৱহাৰ কৰি নিজেই নিজৰ জীৱন সুখী কৰি তুলিব পাৰে।

শিক্ষা কেতিয়াও কাৰো কাৰণে গধুৰ বোজা হৈ পৰিব নালাগে। ই সকলোৰে কাৰণে এক জ্ঞান অৰ্জনৰ মাধ্যম হ'ব লাগে যাৰ উচিত ব্যৱহাৰে আমাৰ সীমাবদ্ধতাক আঁতৰাই নৈতিক উৎকৰ্ষ সাধন কৰে। নিজৰ লগতে আন দহজনকো জ্ঞানৰ পোহৰ বিলোৱাই হৈছে শিক্ষাৰ উদ্দেশ্য আৰু আমাৰ কাম্য। গতিকে এচাম তথাকথিত 'শিক্ষিত'ত কৈ প্ৰকৃত মানৱসম্পদ সৃষ্টি কৰাতোহে আজিৰ শিক্ষা ব্যৱস্থাৰ মূল উদ্দেশ্য হোৱা উচিত বুলি আমাৰ অনুভৱ। ❑

মানুহৰ জন্ম হয় সফল হ'বলৈকে, ব্যৰ্থ হ'বলৈ নহয়। আত্ম-বিশ্বাসেই মানুহৰ জীৱনৰ সাফল্যৰ প্ৰথমটো সপোন।

-প্ৰখ্যাত দাৰ্শনিক হেনৰি ডেভিদ থৰো

# মানৱ সম্পদৰ বিকাশ আৰু শিক্ষা

পৰিস্মিতা দহোটীয়া
স্নাতক পঞ্চম ষাণ্মাসিক (কলা)

অৰ্থবিজ্ঞানৰ ভাষাৰে বিচাৰ কৰিলে সম্পদ হৈছে এক প্ৰকাৰৰ উৎস। অৰ্থাৎ যাৰ উৎপাদন ক্ষমতা আছে, যাৰ পৰা অগণন সমৃদ্ধি আশা কৰিব পাৰি তাকেই দৰাচলতে সম্পদ আখ্যা দিয়া হয়। সেই অৰ্থত চাবলৈ গ'লে মানৱ সম্পদৰ তাৎপৰ্য 'শিক্ষা'তকৈ যথেষ্ট গভীৰ আৰু গুৰুত্বপূৰ্ণ। উৎপাদনশীল, কৰ্মঠ, কৰ্মক্ষম মানুহ বা ব্যক্তি যি দেশৰ উৎপাদন ক্ষেত্ৰলৈ অবিহণা যোগাব পাৰে তেনেবোৰ মানুহ বা ব্যক্তিকে মানৱ সম্পদ বোলা হয়। যিকোনো কৰ্মক্ষেত্ৰতে কৰ্মক্ষেত্ৰৰ লগত জড়িত লোকসকলকে মানৱ সম্পদ বোলা হয়। এখন দেশৰ বাবে দেশৰ মানুহখিনিয়েই সম্পদ। সেয়ে দেশৰ জনসাধাৰণক দেশখনৰ 'মানৱ সম্পদ' বুলি কোৱা হয়। ভাৰতবৰ্ষতো ভাৰত চৰকাৰে সেই কথা উপলব্ধি কৰিয়েই পূৰ্বৰ 'শিক্ষা বিভাগ'ক ১৯৮৫ চনৰ ২৬ চেপ্তেম্বৰত 'মানৱ সম্পদ বিকাশ' মন্ত্ৰণালয় হিচাপে পুনৰ গঠন কৰে। সাধাৰণতে ১৫ বছৰৰ পৰা ৬০ বছৰীয়া কৰ্ম শক্তিসম্পন্ন সকলো ব্যক্তিকে মানৱ সম্পদ বুলি ক'ব পাৰি। মুঠতে মানৱ সম্পদৰ বিকাশ বুলিলে ব্যক্তিৰ বুদ্ধি, সামৰ্থ, কৌশল আৰু অন্তৰ্নিহিত যোগ্যতাসমূহৰ পৰিমাণগত আৰু গুণগত দুয়োটা দিশৰ বিকাশকে বুজা যায় যাৰ সহায়ত ব্যক্তি আৰু সমাজৰ মংগল সাধন হয়।



আধুনিক যুগত মানৱ সম্পদ বিকাশৰ ধাৰণাটো এক নৱ চিন্তা বা নতুন দিশ। এই মানৱ সম্পদৰ বিকাশৰ বিভিন্ন লক্ষ্য আৰু উদ্দেশ্য আছে। এই উদ্দেশ্যসমূহ হ'ল —

১) মানৱ সম্পদ বিকাশৰ মূল উদ্দেশ্য হৈছে মানুহক তেওঁলোকৰ ব্যক্তিগত কৌশল আৰু যোগ্যতা সম্পৰ্কে সজাগ কৰা।

২) সুস্বাস্থ্য, পৰিপুষ্টি, দক্ষতা, সচেতনতা আৰু যথোপযুক্ত শিক্ষাৰ জৰিয়তে মানৱ সম্পদৰ বিকাশ সাধন কৰি দেশৰ উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰা।

৩) বৃত্তিমূলক বা ব্যৱসায়িক যোগ্যতাৰ উন্নতি সাধন কৰাৰ লগতে ব্যক্তিৰ মনত সামাজিকতাৰ মনোভাৱ বৃদ্ধি কৰা।

৪) ব্যক্তিসকলক তেওঁলোকৰ দায়িত্ব সম্পৰ্কে সজাগ কৰি তোলা আৰু কামৰ লগত মানুহৰ সমন্বয় সাধন কৰা।

৫) ব্যক্তিসকলক সমাজত তেওঁলোকৰ ভূমিকা সম্পৰ্কে সজাগ কৰি তোলা।

৬) বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠান আদিৰ সহায়ত ব্যক্তিসকলৰ মনত আবেগিক, জাতীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংহতিৰ ভাৱ জাগ্ৰত কৰা।

৭) মানৱ সম্পদ বিকাশৰ জৰিয়তে জনসংখ্যা বৃদ্ধি, বনাঞ্চল ধ্বংস, ভূমিস্খলন, প্ৰদূষণৰ কাৰণসমূহৰ বিষয়ে ব্যক্তিক সচেতন কৰি তোলা আৰু এইসমূহৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰি প্ৰাকৃতিক ভাৰসমতা ৰক্ষা কৰাৰ বাবে সজাগ কৰি তোলা।

শিক্ষাৰ দ্বাৰা শিশু তথা শিক্ষাৰ্থীৰ সামৰ্থ, যোগ্যতা, দক্ষতা, কৰ্মদক্ষতা বৃদ্ধি কৰি উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তুলিবৰ বাবে কিছুমান প্ৰক্ৰিয়া আছে। এই প্ৰক্ৰিয়াকেইটা হৈছে —

১) সৰলীকৰণ প্ৰক্ৰিয়া ঃ এই প্ৰক্ৰিয়া অনুসৰি শিশুক সাধাৰণভাৱে কিছুমান প্ৰয়োজনীয় অৰ্হতা আহৰণ কৰিবলৈ দিয়া দৰকাৰ। সেয়ে এই প্ৰক্ৰিয়াৰ যোগেদি শিক্ষা ব্যৱস্থাত

শিশু তথা শিক্ষাৰ্থীক তেওঁলোকৰ বৰ্তমান আৰু ভৱিষ্যত জীৱনৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন অৰ্হতাবিলাক আহৰণ কৰিবৰ বাবে সুযোগ–সুবিধা প্ৰদান কৰিব লাগে।

২) দলীয় কৰ্মপ্ৰৱণতাৰ প্ৰক্ৰিয়া ঃ শিক্ষানুষ্ঠানত শিক্ষকসকলে শিক্ষাৰ্থীৰ মাজত দলীয় কৰ্মপ্ৰৱণতা বৃদ্ধি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিভিন্ন প্ৰকল্পৰ মাধ্যমেৰে শিক্ষাৰ্থীৰ মাজত বুজাপৰা আৰু দলীয় কৰ্মপ্ৰৱণতাৰ মনোভাৱ বৃদ্ধি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এনে কৰিলে শিক্ষাৰ্থীৰ মনত সহযোগিতাৰ মনোভাৱ বৃদ্ধি পাব আৰু এখন সৰ্বাংগ সুন্দৰ সমাজ গঢ়ি তোলাৰ প্ৰতি শিক্ষাৰ্থীসকল আকৰ্ষিত হ'ব।

৩) অন্তৰ্নিহিত গুণৰ বিকাশৰ প্ৰক্ৰিয়া ঃ প্ৰত্যেক শিশুৱেই কিছুমান অন্তৰ্নিহিত গুণ লৈ জন্মগ্ৰহণ কৰে। এই অন্তৰ্নিহিত গুণাৱলীৰ উপযুক্ত বিকাশ আৰু প্ৰকাশ ঘটাব পাৰিলেহে মানুহক মানৱ সম্পদ বুলি ক'ব পাৰি। সেয়ে শিক্ষাৰ যোগেদি আৰু উপযুক্ত পৰিৱেশ ৰচনা কৰি শিক্ষাৰ্থীৰ অন্তৰৰ নিভৃত কোণত নিহিত হৈ থকা গুণৰাজীৰ বাহ্যিক প্ৰকাশ আৰু বিকাশ ঘটাব লাগিব।

মানৱ সম্পদ বিকাশৰ কৌশলসমূহ কাৰ্যনিৰ্বাহক দলৰ দ্বাৰা তৈয়াৰ কৰা হয়। কিন্তু প্ৰকৃতাৰ্থত কিছুমান বিশেষ কাৰণবশত সেই সমূহক যথোপযুক্তভাৱে পৰিপালন কৰিব পৰা নাই। মানৱ সম্পদ বিকাশৰ কৌশলসমূহ কৃতকাৰ্য নোহোৱাৰ প্ৰধান কাৰণসমূহ হ'ল —

১) মানৱ সম্পদ বিকাশৰ কৌশলসমূহ কৃতকাৰ্য নোহোৱা বা পৰিপালনত উদ্ভৱ হোৱা সমস্যাৰ এটা প্ৰধান কাৰণ হ'ল সংগঠনৰ কাৰ্যনিৰ্বাহক দলৰ উৰ্দ্ধমুখী আৰু নিম্নমুখী যোগাযোগত সৃষ্টি হোৱা ব্যাঘাত।

২) কোনো এক ব্যৱসায়িক সন্থাৰ কৃতকাৰ্যতাৰ বাবে শক্তি, ভাৰসমতা, ঐক্য, কৌশল আৰু বিত্তীয় স্বাধীনতাৰ প্ৰয়োজন। কিন্তু ব্যৱসায়িক সন্থাৰ কাৰ্যনিৰ্বাহক দলৰ মাজত এই ক্ষেত্ৰত দেখা দিয়া দুৰ্বলতাসমূহে মানৱ সম্পদ বিকাশৰ কৌশলসমূহৰ কৃতকাৰ্যতাত কিছুমান সমস্যাৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে।

৩) সংগঠনৰ কাৰ্যনিৰ্বাহক আৰু কৰ্মচাৰীৰ মাজত উদ্দেশ্যগত পাৰ্থক্য পৰিলক্ষিত হয়। যাৰ ফলত উৎপাদন হ্ৰাস হয় আৰু নৈতিকতাৰ স্খলন ঘটে। ফলত মানৱ সম্পদ বিকাশৰ কৌশলসমূহৰ সফল ৰূপায়ণত অসুবিধাৰ সৃষ্টি হয়।

৪) মানৱ সম্পদ বিকাশৰ কৌশলসমূহৰ সফল ৰূপায়ণৰ বাবে প্ৰস্তুত কৰা আঁচনিসমূহ বহু ক্ষেত্ৰত ত্ৰুটিপূৰ্ণ হোৱা পৰিলক্ষিত হয়। সংগঠনৰ আসোঁৱাহপূৰ্ণ পৰিকল্পনাৰ ফলত মানৱ সম্পদৰ বিকাশত বাধাৰ সৃষ্টি হয়।

৫) সংগঠনৰ কৰ্মচাৰীসকলে তেওঁলোকৰ বিপদ–আপদৰ সময়ত উত্থাপন কৰা ওজৰ–আপত্তি সমূহৰ প্ৰতি সংগঠনৰ কাৰ্যনিৰ্বাহক দলৰ আওকনীয়া মনোভাৱেও মানৱ সম্পদ বিকাশৰ কৌশলসমূহৰ ৰূপায়ণত সমস্যাৰ সৃষ্টি কৰিছে।

মানৱ সম্পদ বিকাশৰ বাবে ল'বলগীয়া শৈক্ষিক ব্যৱস্থাৱলী ঃ

১) শিক্ষাৰ সকলো ধৰণৰ পৰিকল্পনাৰ সাৰ্থক ৰূপায়ণ শিক্ষকৰ ওপৰতে নিৰ্ভৰ কৰে। সেয়ে শিক্ষা ব্যৱস্থাক মানৱ সম্পদৰ বিকাশৰ বাবে উপযুক্ত কৰি তুলিবৰ বাবে এচাম যোগ্যতাসম্পন্ন আৰু নিষ্ঠাবান শিক্ষক নিয়োগ কৰিব লাগিব।

২) শিক্ষানুষ্ঠানত অত্যাধুনিক শিক্ষণীয় সা–সঁজুলি আৰু পাঠ্যপুথিৰ যোগান ধৰিব লাগিব।

৩) শিক্ষানুষ্ঠানত আটক ধুনীয়া আৰু গ্ৰন্থসমৃদ্ধ পুথিভঁৰালৰ ব্যৱস্থা কৰিব লাগিব।

৪) শিক্ষানুষ্ঠানত বিজ্ঞানাগাৰ আৰু পৰীক্ষানাগাৰৰ সু–ব্যৱস্থা থাকিব লাগিব।

৫) শিক্ষানুষ্ঠানত সহ–পাঠ্যক্ৰমিক কাৰ্যসূচীৰ সু–ব্যৱস্থা কৰি সেইসমূহত শিক্ষাৰ্থীক অংশগ্ৰহণৰ বাবে উৎসাহিত কৰিব লাগে।

৬) শিক্ষাৰ উচ্চ মান বজাই ৰাখিবৰ বাবে বিদ্বান আৰু উচ্চ বৃত্তিধাৰী ব্যক্তিৰ সহযোগিতা আৰু উপদেশ কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে।

৭) নিবনুৱা সমস্যা সমাধানৰ বাবে কাৰ্যকৰী ব্যৱস্থা হাতত ল'ব লাগিব।

৮) দেশৰ অৰ্থনৈতিক উন্নয়নত সহায় কৰিবৰ বাবে বিভিন্ন বৃত্তিৰ বাবে উপযুক্ত ব্যক্তি গঢ়ি তোলাৰ ব্যৱস্থা হাতত ল'ব লাগিব।

৯) শৈক্ষিক পৰিকল্পনাবোৰৰ সফল ৰূপায়ণৰ বাবে সময়, বিত্ত আৰু শক্তি বিনিয়োগৰ ব্যৱস্থা কৰিব লাগে।

১০) সম্প্ৰতি বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশ, গোলকীকৰণ আৰু আধুনিকীকৰণৰ ফলত আন্তৰ্জাতিক ক্ষেত্ৰত অভাৱনীয় পৰিৱৰ্তন সাধন হৈছে। এনে পৰিৱৰ্তনৰ লগত খাপ খাব পৰাকৈ শিক্ষাৰ উচ্চ মান ৰক্ষা কৰিবৰ বাবে সকলো শিক্ষা ব্যৱস্থাতে আন্তৰ্জাতিক যোগাযোগৰ ব্যৱস্থা কৰিব লাগে। □




# ব্যক্তিত্বৰ বিকাশ আৰু কিছু প্ৰাসংগিক চিন্তা

✍ গৌৰৱ প্ৰতীম কোঁৱৰ
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)

ব্যক্তিত্ব হৈছে মানুহৰ অপৰিহাৰ্য আৰু সবাতোকৈ পৃথক সূচক বৈশিষ্ট্য। ই এক জটিল ধাৰণা। এজন মানুহ বা ব্যক্তিৰ শাৰীৰিক গঠন, ব্যৱহাৰৰ প্ৰকৃতি, বিভিন্ন লক্ষণসমূহ একত্ৰিত হোৱাৰ ফলত সৃষ্ট ধাৰণাটোৱেই হৈছে ব্যক্তিত্ব। ইয়াৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'personality'। এই 'personality' শব্দটো মূল লেটিন ভাষাৰ শব্দ 'persona' ৰ পৰা উৎপত্তি হৈছে। লেটিন শব্দ 'persona' ৰ অৰ্থ হ'ল 'player's mask' অৰ্থাৎ 'ভাৱৰীয়াৰ মুখা'। এজন মানুহে আন মানুহৰ আগত যি ৰূপত ধৰা দিয়ে সেই ৰূপটোৱেই হ'ল সেই মানুহজনৰ ব্যক্তিত্ব।

মনোবিদ মাৰ্টিন নিউমেয়াৰৰ মতে, "এজন ব্যক্তিক যিবিলাকে বিশেষ গুণ বা লক্ষণে বিভূষিত কৰে সেই গুণ বা লক্ষণৰ সমষ্টিয়ে ব্যক্তিত্ব।"

মনোবিদ উড্‌ৱৰ্থৰ মতে, "ব্যক্তিৰ আচৰণৰ সামগ্ৰিক প্ৰকৃতিয়েই হ'ল ব্যক্তিত্ব।"

ব্যক্তিত্ব হৈছে ব্যক্তিয়ে জৈৱিক বা জন্মসূত্ৰে আহৰণ কৰা দেহ-মানসিক গুণ।

ব্যক্তিৰ ব্যক্তিত্বৰ গঠন তথা বিকাশৰ ক্ষেত্ৰত পৰিৱেশৰ বিভিন্ন দিশ, যেনে — ঘৰ বা পৰিয়াল, বিদ্যালয়, সম্প্ৰদায়, সমাজ, সংস্কৃতি, যোগাযোগ মাধ্যম আদিৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। এই দিশসমূহে ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশত কেনেদৰে প্ৰভাৱ পেলায় সেই সম্পৰ্কে তলত আলোচনা কৰা হ'ল —

**১) ঘৰ বা পৰিয়াল ঃ**

ঘৰ বা পৰিয়ালেই হৈছে ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰধান ক্ষেত্ৰ। ব্যক্তিৰ ওপৰত ঘৰখনৰ প্ৰভাৱ সমগ্ৰ জীৱনজুৰি থাকে। শিশুক সমাজৰ বিভিন্ন পৰিৱেশৰ লগত সুস্থ সমাযোজন কৰি এজন সুস্থ সামাজিক ব্যক্তি হিচাপে গঢ়ি তোলাত পৰিয়ালে এক বিশেষ ভূমিকা পালন কৰে। শিশুৱে জন্মৰ পিছৰ পৰাই পিতৃ-মাতৃৰ পৰা আচাৰ-আচৰণ, মৰম-দয়া, সহযোগিতা, ধৈৰ্য্য, ত্যাগ আদি গুণবোৰ শিকে। অন্যান্য ঘৰৰ সদস্যসকলৰ সহায়ত সামাজিক পৰিৱেশত খাপ খাবলৈ শিকে। শিশুৱে ভাষা আৰু সামাজিক ধৰ্মনিষ্ঠা আয়ত্ব কৰে পৰিয়ালৰ পৰাই। গতিকে শিশুৰ সুস্থ বিকাশৰ বাবে পৰিয়ালে এক সুন্দৰ পৰিৱেশৰ যোগান ধৰে। পিতৃ-মাতৃৰ পৰা মৰম-চেনেহ, আদৰ যত্ন নাপালে শিশুৰ আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয় ভাৱ নাইকীয়া হয়। ফলত তেনে শিশু হৃদয়হীন আৰু অসামাজিক হোৱা দেখা যায়। পৰিয়ালত থকা বিভিন্ন সমস্যা

যেনে —হাই-কাজিয়া, বিবাহ-বিচ্ছেদ, অসামাজিক আচৰণ, মাদকদ্ৰব্য পান আৰু লগতে পিতৃ-মাতৃৰ অত্যাধিক ব্যস্ততা, বিলাসিতা আদিয়েও শিশুৰ ব্যক্তিত্বত প্ৰভাৱ পেলায়। ঘৰখনেই হ'ল শিশুৰ তথা প্ৰত্যেক ব্যক্তিৰ প্ৰথম বিদ্যালয় আৰু পিতৃ-মাতৃয়ে হ'ল প্ৰথম গুৰু। শিশুৰ সুস্থ শাৰীৰিক, মানসিক বিকাশ সাধন হ'লেহে সুস্থ ব্যক্তিত্ব গঢ়ি উঠিব। গৰ্ভাৱস্থাৰ পৰাই সেয়ে শিশুৰ সুস্থ বিকাশৰ ওপৰত গুৰুত্ব দিয়াটো মাকৰ প্ৰধান কৰ্তব্য। পৰিয়ালৰ দৰিদ্ৰতা, অতিপাত ধনী, নিম্ন সাংস্কৃতিক মানদণ্ড, বিপৰ্যস্ত পৰিয়াল, অনুপযুক্ত মনোভাৱ, স্বাধীনতাৰ অভাৱ, সংগতিবিহীন আচৰণ, অতি মাত্ৰা শাসন, শাসনৰ অভাৱ আদিয়ে শিশুৰ ব্যক্তিত্ব গঠনত বেলেগ বেলেগ ধৰনেৰে প্ৰভাৱ পেলায়। ফলস্বৰূপে বেয়া ঘৰুৱা পৰিৱেশত বেয়া স্বভাৱ-চৰিত্ৰ গঢ়ি উঠে। ভাল পৰিৱেশত ভাল চৰিত্ৰ বা ব্যক্তিত্ব গঢ়ি উঠে। পৰিয়ালৰ সদস্যসকলে সজাগ তথা উদ্দেশ্যপূৰ্ণ পৰিবেশ গঢ়ি তুলিলেহে শিশুৰ সুস্থ ব্যক্তিত্বৰ বিকাশ সম্ভৱপৰ হৈ উঠিব।

২) সমাজ ঃ

শিশুৰ ব্যক্তিত্ব গঠনত সমাজৰ ভূমিকা অতিকে গুৰুত্বপূৰ্ণ। ব্যক্তিয়ে সামাজিক পৰিৱেশৰ মাজত বিকাশ লাভ কৰে। শিশুসকলৰ প্ৰতিভাৰ দিশসমূহ বিভিন্ন ধৰণৰ মানসিক অভীক্ষাৰ দ্বাৰা নিৰ্ণয় কৰিব পাৰি। যিবোৰ দিশত তেওঁলোক অসাধাৰণ বুলি প্ৰমাণিত হয় সেই দিশৰ বিকাশত সমাজে সহায় কৰিব লাগে। বিভিন্ন ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ প্ৰতিভা বিকাশৰ বাবে আধুনিক সমাজে বিত্তীয় সাহাৰ্য্য আগবঢ়োৱাটো অত্যন্ত আৱশ্যক। কাৰণ আৰ্থিক দুৰ্দশাগ্ৰস্ত শিক্ষাৰ্থীসকলৰ মাজত থকা প্ৰতিভাসম্পন্ন সকলক বিত্তীয় সাহাৰ্যৰ যোগেদিহে ব্যক্তিত্বৰ সৰ্বাংগীন বিকাশ সাধন কৰিব পৰা যায়। বৰ্তমান প্ৰতিযোগিতামুখী শিক্ষা ব্যৱস্থাই গতানুগতিক শিক্ষা পদ্ধতি আৰু কৌশলৰ পৰিৱৰ্তে আধুনিক প্ৰযুক্তি-বিদ্যাৰ পদ্ধতি আৰু কৌশলসমূহ প্ৰয়োগ কৰা উচিত। এনে কৌশলে শিক্ষাৰ্থীসকলৰ সুস্থ ব্যক্তিত্ব বিকাশত বিশেষভাৱে সহায় কৰে।

৩) সম্প্ৰদায় ঃ

সম্প্ৰদায় তথা সাম্প্ৰদায়িক পৰিৱেশেও ব্যক্তিৰ ব্যক্তিত্ব গঢ়ি তোলাত বিশেষ তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে। সম্প্ৰদায় হৈছে এক ক্ষুদ্ৰ সামাজিক গোট। এই সামাজিক গোটক সাংস্কৃতিক সমৰূপতাই এক বিশিষ্ট জনগোষ্ঠীত পৰিণত কৰে। এই সম্প্ৰদায়ৰ লোকৰ মাজত জৈৱিক বা তেজৰ সম্বন্ধ থাকে। এনে সম্প্ৰদায়ৰ লোকসকলক আস্থা নিষ্ঠা, ধৰ্ম-বিশ্বাস, ৰীতি-নীতি, উৎসৱ-পাৰ্বণ আদিৰ যোগেৰে গঢ়ি তোলা সাংস্কৃতিক প্ৰভাৱ বৈবাহিক সূত্ৰে স্থাপন কৰা জৈৱিক প্ৰভাৱ আদিয়ে এক অতি শক্তিশালী গোট হিচাপে পৰিগণিত কৰে। এনে সম্প্ৰদায়ৰ লোকসকলৰ বৃত্তি-ব্যৱসায়, জীৱন-নিৰ্বাহৰ পদ্ধতি আদিৰ মাজতো মিল থাকে, যিবোৰে সেই সম্প্ৰদায়ৰ প্ৰায় সকলোবোৰ সদস্যৰ ব্যক্তিত্ব গঢ়ি উঠাৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়।

৪) বিদ্যালয় ঃ

শিশু শিক্ষাৰ্থীৰ সুস্থ ব্যক্তিত্বৰ বিকাশত বিদ্যালয়ে নানা ধৰণৰ ভূমিকা গ্ৰহণ কৰে। বিদ্যালয়ক শিশু শিক্ষাৰ্থীৰ শিক্ষা বিকাশৰ এক নিৰ্বাচিত আৰু নিয়ন্ত্ৰিত পৰিৱেশ স্বৰূপে গণ্য কৰা হয়। বিদ্যালয়ৰ মুখ্য উদ্দেশ্য হৈছে শিশু বা শিক্ষাৰ্থী তথা ব্যক্তিক সুস্থ সামাজিক পৰিৱেশত শাৰীৰিক, মানসিক, সামাজিক আৰু আনুভূতিক দিশসমূহৰ বিকাশ সাধন কৰি সুস্থ সামাজিক ব্যক্তিত্ব গঢ়ি তোলা। বিদ্যালয়তে শিশুৰ সৃজনীশীল প্ৰতিভাৰ বিকাশৰ প্ৰাধান্য দিলে শিশুৱে ডাঙৰ হৈ নতুন তথ্য আৱিস্কাৰ কৰাত উৎসাহ-উদ্দীপনা পাব পাৰে। ইয়াৰোপৰি শিক্ষকৰ ব্যক্তিত্বৰ প্ৰভাৱ আৰু তেওঁৰ গুণসমূহে শিক্ষাৰ্থীৰ ব্যক্তিত্ব গঠনত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পাৰে আৰু সি ভৱিষ্যতৰ বাবে প্ৰেৰণাস্বৰূপ হৈ উঠিব পাৰে। গতিকে শিশু তথা শিক্ষাৰ্থীৰ ব্যক্তিত্ব গঠনত সৰ্বতোপ্ৰকাৰে সহায় কৰাৰ বাবে বিদ্যালয় হৈছে এক শক্তিশালী মাধ্যম। □

আজিৰ কাম কাইলৈ কৰিম বুলি থৈ নিদিবা, কাৰণ কাইলৈ তোমাৰ কি অৱস্থা হ'ব তুমি নাজানা।

— হজৰত মহম্মদ

# KNOWLEDGE AND IMAGINATION

Prantik Mukherjee
B.Sc 4th Sem

It is a view in the society that knowledge is the most crucial and costly thing of the human civilization.It is very well true also because there is always a need of a human with vast and wonderful knowledge in the society. Peoples with vast knowledge always get a good status in the society. Knowledge always takes us to a step ahead towards understanding the society. Knowledge has many applications in our day to day life. For example, with the proper knowledge of languages we can express our views to the people of the society and make them aware of various things. So, suppose we have gain some knowledge about something. Now if we want to express these knowledge to others than again we need knowledge of languages. So knowledge is most the fundamental part of the human life. There is no person who has all the knowledge and also there is no person with zero knowledge. Everyone has some knowledge about something. We can get knowledge through various books,internet or from other peoples in the society. Or sometimes by simply observing something if you are intelligent enough. Now the word **intelligence** has deep and direct connection with the word **imagination.**

Now what is imagination? In a simple way it can be define as the capability to go more and more close to the reality of any thing or of any situation. We can also define it as your ability to understand a thing with more perfection. Because more perfectly you understand a thing, ypu will be more and more close to the reality of that thing. Imagination is the wonderful weapon of human beings that transforms earlyman to modern day humans. The things that we see in our surroundings like television, mobile, aeroplane, cars, designable cloths etc are all the work of imagination by different peoples. For human civilization imagination is the only most important thing to learn first. Because the various things that we learn from books or any other sources are only the by-products of imaginations of other great minds.

Now let us understand the relation between imagination and knowledge. These two words are actually interrelated. And it is an interesting relation. **Knowledge not always but sometimes leads to imagination. But imagination always leads to knowledge.** Like if you imagine something eagerly than you will definitely get some knowledge about it. But If you have some knowledge about something than you may not imagine about it. With great imagination we can discover a whole new thing or a whole new concept, which after sometimes become a thing of knowledge for other peoples. For ex: Edison imagine about how to produce light with the help of electricity to use in our day to day life. So with his imagination he invented bulb. After that his imagination becomes knowledge for other peoples like, what is bulb? How it works?

Not only these way but the other way(i.e. knowledge leads to imagination) is also possible. For ex: Albert Einstein knows what

gravity is and that all planets revolve around the sun because of gravity. But Einstein imagine more deeply to it and finds out how gravity actually works. So with the existing knowledge of gravity, Einstein introduces new knowledge about gravity.

Knowledge and imagination are similar to space and time, because they cannot exist independently. To imagine something we must have some knowledge about that thing. And to gain knowledge about something properly, we must have bit, not actually a bit but a byte or a kilobyte of imagination. And for bringing great changes in the society we need Gigabyte or Terabyte of imagination power.

So now we know that imagination and knowledge are interrelated. Now to understand the work of these two words in leading a successful and great life, let us consider an example of a motor boat with a propeller sailing in the river. On comparing these example with human life, here river place the role of society. Motor boat place the role of knowledge. And propeller plays the role of imagination. So with knowledge we can live in the society. We can go in flow with the society. But with imagination we can give our own direction to our life. Like the propeller of the boat. So without going to others path we can make our own path if we can imagine. All the great peoples of the world becomes great because of their great imaginations.

So the important thing to remember is that—

With great knowledge we can compare ourselves with qualified persons of the society. But with great imagination qualified people will compare themselves with us.

With great knowledge we can live in society. But with great imagination we can lead a society. ❑



কৈশোৰ মনস্তত্ত্ব

# বয়ঃসন্ধি কালৰ কিছু যোগাত্মক দিশ

✍ ৰাধাকান্ত গগৈ
বিশিষ্ট শিক্ষাবিদ, ডিগবৈ

প্ৰাণীশ্ৰেষ্ঠ মানৱ জীৱন পৰিক্ৰমা নদীৰ গতিৰ দৰে এক বৈচিত্ৰ্যময় ধাৰাৰ, নদীৰ গতিৰ দৰে ইয়াৰো আছে বিভিন্ন স্তৰ আছে উত্থান–পতন আৰু আছে কিছু চাৰিত্ৰিক বৈশিষ্ট্য। বিকাশৰ ধাৰাত আছে প্ৰাক্–শৈশৱ কাল, শৈশৱ কাল, বাল্যকাল, কৈশোৰ বা যৌৱন কাল আৰু প্ৰাপ্তবয়স্ক কাল। আমাৰ এই লেখাত সন্নিৱিষ্ট কৰিবলৈ বিচৰা হৈছে কৈশোৰ বা যৌৱন কাল, যাক বয়ঃসন্ধিকাল বুলিও আখ্যা দিয়া হয়। তদুপৰি, এই স্তৰ (কাল)টোক অত্যন্ত জটিল (crucial) আৰু নিৰ্ণায়ক বুলি ধৰা হয়। এফালে ই সন্ধিক্ষণ স্বৰূপ হ'লেও ভৱিষ্যত জীৱনৰ ই নিৰ্ণায়ক স্বৰূপ। প্ৰাপ্তবয়স্ক কালত ঘটা প্ৰতিটো প্ৰতিফলন বয়ঃসন্ধি কালত পালন কৰা ভূমিকাৰ ফল। সহজ ভাষাত ক'বলৈ হ'লে প্ৰাপ্তবয়স্ক কালৰ সফলতা কিম্বা ব্যৰ্থতা নিৰ্ভৰ কৰে বয়ঃসন্ধি কালৰ ভূমিকা আৰু দায়বদ্ধতাৰ ওপৰত।

বয়ঃসন্ধি কালৰ এই সময়ছোৱা অতিশয় জটিল আৰু গুৰুত্বপূৰ্ণ এই বাবেই যে, জীৱনৰ পৰিপূৰ্ণতা লাভৰ গতি লাভ কৰে এই সময়ছোৱাতেই। যুৱক–যুৱতী সকলৰ ক্ষেত্ৰত শাৰীৰিক তথা মানসিক পৰিৱৰ্তন দেখা পোৱা যায় এই সময়খিনিতেই। এই স্তৰত সাধাৰণতে চকুত পৰা আৰু ঘটা পৰিৱৰ্তন এনে ধৰণৰ —

১) পূৰ্বৰ স্তৰতকৈ শাৰীৰিক পৰিবৰ্দ্ধন দেখা যায় ল'ৰা–ছোৱালী দুয়োটা পক্ষতে।
২) কণ্ঠস্বৰৰ পৰিৱৰ্তন ঘটে প্ৰায় বিলাকৰ ক্ষেত্ৰত।
৩) ল'ৰাৰ বীৰ্য ধাৰণ আৰম্ভ হোৱাৰ সমান্তৰালকৈ ছোৱালী ৰজস্বলা হ'বলৈ আৰম্ভ কৰে।
৪) স্বাধীনভাবে চলা–কৰাৰ হাবিয়াস
৫) কল্পনাপ্ৰৱণতা আৰু সপোন দেখাৰ সময়। ইবিলাক পৰিৱৰ্তন আৰু পৰিবৰ্দ্ধনৰ লগে লগে তেওঁলোকৰ মানসিক পৰিৱৰ্তনো ঘটে।
৬) কল্পনাপ্ৰৱণতা বয়ঃসন্ধি কালৰ প্ৰধান বৈশিষ্ট্য। কোনো সময়ত এই বয়সৰ ল'ৰা–ছোৱালীৰ দৃষ্টিত পৃথিৱীখন অনিন্দ্য–সুন্দৰ, মনোমোহা কানন ৰূপে আকৌ অন্য এক সময়ত একেখন পৃথিৱীয়েই ধৰা দিয়ে এক খলাবমা নিৰস আৰু বীভৎস নৰক ৰূপে।

এই বয়ঃসন্ধি কালত স্বাধীনভাবে কিবা এটা কৰাৰ প্ৰয়াসৰ উন্মেষ ঘটে। পিছে এই ক্ষেত্ৰত সুবিবেচনাৰ প্ৰয়োজন। ভাল–বেয়াৰ বিচাৰ আবেগ–অনুভূতিৰ ওপৰত নহৈ যুক্তি তথ্য আৰু প্ৰামান্য তথ্য ভিত্তিক হোৱা উচিত। বেছি ভাগ ক্ষেত্ৰত কেৱল আবেগৰ বশৱতী হৈ কৰা কামৰ ফলাফল বেয়া হোৱা দেখা যায়। আৱেগ অনুভূতিক নিয়ন্ত্ৰণ কৰিব পৰাটোহে ইয়াৰ বিকাশ। মানুহৰ জীৱন পৰিক্ৰমাৰ বিভিন্ন সময়ত উদ্ভৱ হোৱা প্ৰতিকুল পৰিবেশ, আকস্মিক দুৰ্যোগ, পাৰিবাৰিক দাৰিদ্ৰতাত ধৈৰ্য–সংযম, সাহসৰ প্ৰয়োজনীয়তা এই ক্ষেত্ৰসমূহত অতিশয় গুৰুত্বপূৰ্ণ। এটা সুন্দৰ আৰু সফল জীৱন গঢ়াত বয়ঃসন্ধি কালৰ গুৰুত্ব আৰু ভূমিকা অপৰিসীম।

আমি এই আপাহতে শ্ৰদ্ধা সহকাৰে কেইগৰাকীমান সন্মানীয় বিশিষ্ট ব্যক্তিৰ জীৱন পৰিক্ৰমাৰ কিছু অংশ ডাঙি ধৰিব খুজিছো যি কেইগৰাকী ব্যক্তিয়ে বাধাৰ প্ৰাচীৰ, দৰিদ্ৰতাকো অতিক্ৰম কৰি জীৱনৰ শীৰ্ষ লক্ষ্যত উপনীত হ'ব পাৰিছে। এই সন্মানীয় ব্যক্তি কেইগৰাকীৰ জীৱনালেখ্য এইবাবেই গুৰুত্বপূৰ্ণ যে তেওঁলোকে প্ৰত্যাহ্বান গ্ৰহণ কৰা সময়ছোৱা আছিল বয়ঃসন্ধি কালৰ।

প্ৰথম উদাহৰণত উল্লেখ কৰিব খুজিছো এগৰাকী দশম শ্ৰেণীৰ বাছনি পৰীক্ষাত অনুত্তীৰ্ণ ছাত্ৰ, যি জনে তৎসত্ত্বেও মেট্ৰিকুলেশ্চন (গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত পৰীক্ষা

চলিছিল) পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ শিক্ষক সকলক খাটনি ধৰাৰ উপৰিও সুযোগটো দিলে যেনে-তেনে পাছ কৰি দিব বুলি লিখাও দিছিল। অসমীয়া বিষয়ৰ বাদে আন কেইটা বিষয়ত অনুত্তীৰ্ণ হোৱা ছাত্ৰজনক বাছনি পৰীক্ষাত তুলি দিয়াত তীব্ৰ বিৰোধিতা কৰিছিল গণিতৰ শিক্ষক গৰাকীয়ে। ইফালে নিয়মীয়া খোৱা-বোৱা এৰি শিক্ষকৰ দুৱাৰে দুৱাৰে ঢপলিয়াই ফুৰোতে ছাত্ৰজনৰ স্বাস্থ্যও বেয়া ধৰণেৰে পৰি যাবলৈ ধৰিলে। উপায়বিহীন হৈ প্ৰধান শিক্ষকৰ মধ্যস্থতাৰ ফলত গণিতৰ শিক্ষকৰ সিদ্ধান্ত সলাব লগাত পৰিল আৰু ছাত্ৰজনে মূল পৰীক্ষাত অৱত্তীৰ্ণ হ'বলৈ সুযোগ পালে। যথাসময়ত পৰীক্ষাৰ ফলাফল ঘোষণা হ'ল। সকলোকে আচৰিত কৰি ছাত্ৰজনে তৃতীয় বিভাগত মেট্ৰিকুলেশ্চন পৰীক্ষাত উত্তীৰ্ণ হ'ল।

লগে লগে গণিতৰ সন্মানীয় শিক্ষাগুৰু গৰাকীক গুৰু দক্ষিণা প্ৰদানৰ সংকল্পৰে গণিতসহ আই. এচ. চি.ত নামভৰ্তি কৰিলেগৈ গুৱাহাটীৰ কটন কলেজত। দুবছৰ অধ্যয়ন কৰি পৰীক্ষাত অৱত্তীৰ্ণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হ'ল ছাত্ৰজন। পৰৱৰ্তী দুটা বছৰত বি. এচ. চি. পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰি প্ৰচুৰ দক্ষতা প্ৰদৰ্শন কৰিলে। এই জয়যাত্ৰা তেওঁৰ এম. এচ. চি. (গণিত) পৰীক্ষাতো অব্যাহত ৰখা দেখা পোৱা গ'ল। এইবাৰ অৱশ্যে প্ৰথম শ্ৰেণীৰ ৩য় স্থানলৈ অৱনমিত হ'ব লগা হ'ল, বিশেষকৈ এটা ঘৰুৱা বিপৰ্যয়ৰ বাবে। পৰৱৰ্তী দিন বিলাকত গৱেষণাৰ দৰে জটিল চৰ্চাত নিজকে জড়িত কৰি সন্মানীয় ডক্টৰেট উপাধি লাভ কৰি আমেৰিকাত সংস্থাপিত তাহানিৰ আমগুৰি হাইস্কুল (বৰ্তমান আমগুৰি আউনিআটী হেমচন্দ্ৰ দেৱগোস্বামী উচ্চতৰ মাধ্যমিক বিদ্যালয়)ৰ [illegible] সাধাৰণ ছাত্ৰ শ্ৰীবলীন বৰা (চুতীয়া) পৰৱৰ্তী কালত ড° বলীন বৰা Failure is the pillar of success ৰ জীৱন্ত নিদৰ্শন হিচাপে চিহ্নিত হোৱাৰ লগতে এক আদৰ্শ পুৰুষ হৈ উঠিল।

দ্বিতীয় জীৱন্ত কিম্বদন্তী পুৰুষ গৰাকী হ'ল ড° নোমল চন্দ্ৰ বৰা। অতি সম্প্ৰতি উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে স্নায়ুৰোগ চিকিৎসাৰ অগ্ৰণী প্ৰতিষ্ঠান জি. এন. আৰ. চি. (গুৱাহাটী নিউৰ'জিকেল ৰিছাৰ্চ চেণ্টাৰ)ৰ তেখেত অধ্যক্ষ-পৰিচালন সঞ্চালক। ঘৰ আছিল গহপুৰৰ দুৱিয়া জাৰণি গাঁৱত, চহা খেতিয়কৰ সন্তান। পৰিয়ালত আৰ্থিক দীনতাই পঢ়া-শুনা আৰু ঘৰ চলোৱাত এখন বাধাৰ প্ৰাচীৰ হিচাপে থিয় দিছিল। শৈশৱৰে পৰা হাল-কোৰ বোৱা, ধান খেতি, শাক-পাচলিৰ খেতি আৰু তামোল-পাণৰ খেতি কৰি তাৰ ফচল-সাত মাইল দূৰৈৰ হাটত বেচি নিজৰ লগতে ভায়েক দুটাৰ বাবে খৰচৰ জোৰা মাৰিব লগা হৈছিল। তেওঁ সৰু হৈ থাকোঁতে এবাৰ মাকৰ বৰকৈ অসুখ হৈছিল। চিকিৎসাৰ বাবে বাহিৰলৈ নিবলৈ অৰ্থাভাৱে হেঙাৰ হৈ থিয় দিছিল। তেনে অসহায় পৰিস্থিতিত নিজৰ মাক আৰু মাকৰ দৰে অন্য অসহায় তিৰোতাক চিকিৎসা কৰিবলৈ এজন ডাক্তৰ হোৱাৰ অংগীকাৰ কৰিছিল মনতে। হায়াৰ চেকেণ্ডেৰী পৰীক্ষা সুখ্যাতিৰে পাছ কৰাৰ পিচতে অশেষ ত্যাগ আৰু কষ্টৰ মাজেৰে চিকিৎসা বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰি আন বন্ধুৰ লগত কৰ্ম সংস্থানৰ বাবে আমেৰিকা পালেগৈ যদিও স্বদেশত সেৱা কৰা মানসেৰে নোমল বৰা অসম পালেহি। আশাশুধীয়া প্ৰচেষ্টাৰ বলত শৈশৱত দেখা সপোন আৰু অংগীকাৰে সাকাৰ ৰূপ লাভ কৰিলে। ২০০৭ চন মানত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত ডাঃ বৰাই জনাই যে পিচলৈ তেওঁ মাকক সুস্থ কৰি তুলিলে আৰু সেই সময়ত এগৰাকী ৯৫ বছৰীয়া সুস্থ বৃদ্ধা।

মহৎ উদ্দেশ্য সাধনত দীনতা যে বাধাৰ প্ৰাচীৰ হ'ব নোৱাৰে তাৰ জীৱন্ত উদাহৰণ ডাঃ নোমল বৰাৰ জীৱন পৰিক্ৰমা।

তৃতীয় তথা শেষৰ জীৱন্ত কিম্বদন্তীত সামৰি ল'বলৈ বিচৰা হৈছে পাকিস্তানৰ স্বাত উপত্যকাৰ এগৰাকী জনজাতি ষোড়শী যাৰ নাম মালালা ইউচুফজাই আৰু জন্মৰ দিন যাৰ ১২ জুলাই, ১৯৯৭ চন। মালালাৰ জন্মৰ প্ৰায় এবছৰ পূৰ্বে তালিবান সন্ত্ৰাসবাদীয়ে আফগানিস্তানৰ পৰা নিজৰ দখল বঢ়াই আনি স্বাত উপত্যকাত প্ৰবেশ কৰে। ফলত এই অঞ্চলটোত সন্ত্ৰাসবাদী সংগঠনটো শিপাবলৈ ধৰে আৰু তাৰ লোক সকলৰ ওপৰত জাপি দিয়ে কিছুমান নীতি-নিয়ম। সেই মতে পুৰুষে দীঘল ডাড়ি ৰখা আৰু নাৰীয়ে বোৰ্খা পিন্ধিবলৈ বাধ্য কৰোৱা হয়। নাৰী স্বাধীনতা সম্পূৰ্ণৰূপে বিলোপ ঘটোৱা, নাৰীয়ে শিক্ষা গ্ৰহণ কৰাত বাধা আৰোপ কৰা, বজাৰ-সমাৰলৈ যোৱাটো নিষিদ্ধ কৰাৰ উপৰি নাৰী শিক্ষাৰ কেন্দ্ৰবিলাক ধ্বংস কৰি দিয়া হৈছিল। উল্লিখিত নিষেধাজ্ঞা অৱমাননা বা ভংগ কৰা মানেই গুৰুতৰ শাস্তি। এনে পৰিবেশৰ মাজতেই জীৱনৰ বাটত বাট বুলিছিল মালালাই। কিন্তু যেতিয়াই কথাবোৰ বুজি উঠিছিল তেতিয়াৰ পৰা মালালাই ইবিলাকৰ কোনোটোৱেই মানি চলা নাছিল, বৰঞ্চ বিভিন্ন প্ৰকাৰে ইবিলাকৰ বিৰুদ্ধে মুকলিলৈ বিদ্ৰোহ কৰিছিল। এই ক্ষেত্ৰত তেওঁৰ পিতৃ জিয়াউদ্দিনৰ পৰা সকলো সময়তে প্ৰেৰণা লাভ কৰিছিল। পিতৃৰ প্ৰত্যক্ষ সহযোগত মাত্ৰ এঘাৰ বছৰ বয়সত এই ছোৱালীজনীয়ে ২০০৮ চনৰ ছেপ্টেম্বৰ মাহৰ প্ৰথম দিনটোতে পেছোৱাৰৰ এখন সংবাদ মেলত মুকলিকৈ তালিবানী

নিষেধাজ্ঞাৰ বিৰুদ্ধে এক চিত্তাকৰ্ষক ভাষণ আগবঢ়াইছিল। মালালাই নিৰ্ভয় মনেৰেই সকলো কৰিছিল। অৱশ্যে এইটো সত্য যে, পিতৃ আৰু কন্যাই কৰা স্বাধীনচিতীয়া কাম বিলাকৰ বাবে একাধিকবাৰ সাৱধানবাণী শুনিব লগাত পৰিছিল তালিবান বিদ্ৰোহীৰ পৰা। মালালাই কৰা কামবিলাকৰ-প্ৰচাৰ কেৱল পাকিস্তানতে কেন্দ্ৰীভূত নহৈ সমগ্ৰ বিশ্বতে প্ৰচাৰ হৈছিল। নাৰী শিক্ষা আৰু নাৰী স্বাধীনতাৰ সপক্ষে আৰু তালিবানৰ বিৰুদ্ধে আৰম্ভ কৰা অভিযানৰ কোনো স্তৰতে থমকি ৰোৱা নাছিল মালালা ইউচুফজাই। এই অভিযান অকলেই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ মালালাই সম্প্ৰসাৰিত কৰিলে। তেওঁ ছদ্মনাম লৈ যুগুতোৱা সকলো খবৰ-বিৱৰণ আদি ২০০৯ চনৰ ৩ জানুৱাৰীত বি. বি. চি. (ব্ৰিটিছ ব্ৰডকাষ্টিং কৰপৰেচন)ত প্ৰথম প্ৰকাশ হৈ ওলায়। 'গুল মাকৈ' (গোমধানৰ ফুল) মালালাৰ ছদ্মনাম। ধাৰাবাহিক ভাবে মালালাই চলাই যায় কলম যুঁজখন। এই যুঁজখনত তালিবান সকলে থৰকাচুটি হেৰুৱাবলৈ ধৰিলে। আন্তঃৰাষ্ট্ৰীয় ভাবে বিদ্ৰোহী সংগঠনটো বাধাৰো সন্মুখীন হ'ল।

মালালাৰ কৰ্মকাণ্ড চিনাক্ত কৰাটো, অত্যন্ত গোপনীয় যদিও, তালিবানৰ পক্ষে বৰ জটিল নাছিল। বাটৰ কাঁইট আঁতৰাবলৈ তালিবানে চূড়ান্ত সিদ্ধান্ত ল'লে। মালালাৰ জীৱনৰ আটাইতকৈ ভয়াবহ দিনটো বৈ আছিল ১৫ বছৰ ২ মাহ ২৭ দিনৰ দিনা। স্কুলৰ পৰীক্ষা দি বাহনেৰে ঘৰলৈ গৈ থাকোতে বাটত হঠাতে এজন যুৱকে গাড়ীখন ৰখাই দিলে। মুখত কাপোৰ বন্ধা অন্য এজন যুৱক উঠি গৈ কৌশলেৰে মালালাক চিনাক্ত কৰি তিনিজাই গুলী এৰি দিলে। সৌভাগ্যৰ কথা মালালাৰ শৰীৰত এটা গুলী প্ৰত্যক্ষভাৱে লাগিল — প্ৰথম গুলীটো মালালাৰ বাওঁচকুৰ কাষেৰে সোমাই গৈ কান্ধত লাগিল। বাকী দুটা গুলী মালালাৰ সহপাঠীৰ গাত লাগিল।

পাকিস্তান চৰকাৰৰ তৎপৰতাত মালালাক বিশেষ বিমানেৰে অতিশয় সংকটাপন্ন অৱস্থাৰে লণ্ডনৰ কুইন এলিজাবেথ হস্পিটেললৈ উন্নত চিকিৎসাৰ বাবে পঠিয়াই দিয়া হ'ল। সুখৰ কথা যে, ছোৱালীজনী লাহে লাহে তাতে থাকি আৰোগ্য হ'ল। ২০১২ চনৰ ৯ অক্টোবৰৰ আপদীয়া ঘটনা আৰু তাৰ পিচত ঘটনাক্ৰমে আন্তঃৰাষ্ট্ৰীয় গুৰুত্ব লাভ কৰিলে আৰু এই ঘটনাই ৰাষ্ট্ৰসংঘৰ মজিয়াও কঁপাই তুলিলে। মালালাই গ্ৰহণ কৰা নাৰী স্বাধীনতা তথা শিক্ষাৰ সপক্ষে চলোৱা আন্দোলনে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিলে আৰু ৰাষ্ট্ৰসংঘৰ মজিয়াত এই সম্পৰ্কত মালালাই ভাষণ ৰাখিবলৈ পালে। পৰিশেষত, দুৰ্দান্ত সাহসী ১৭ বছৰীয়া কিশোৰী মালালাক ২০১৪ বৰ্ষৰ শান্তিৰ নোবেল বঁটা যঁচা হয়। কনিষ্ঠতম্ নোবেল বঁটা প্ৰাপক মালালাই ৬০ বছৰীয়া কৈলাস সত্যাৰ্থীৰ (ভাৰতীয়) লগত যুটীয়াভাৱে এই বঁটা গ্ৰহণ কৰে। সম্প্ৰতি মালালাই পিতৃ-মাতৃসহ লণ্ডনত থাকি পঢ়া-শুনা কৰি আছে। □

---

সংযোজন — উল্লিখিত তিনিওটা কাহিনী সুকীয়া সুকীয়া পটভূমিৰ তথা সময়ৰ, উদ্দেশ্য আৰু লক্ষ্যও পৃথক। কিন্তু এই তিনিওটা কাহিনীৰ মাজত সাদৃশ্য থকা কেন্দ্ৰীয় বিষয়টো হ'ল বয়ঃসন্ধিকাল। এই জটিল অথচ গুৰুত্বপূৰ্ণ সময়ছোৱাতে চিন্তা, ধ্যান-ধাৰণা, পণ লোৱাৰ অংকুৰণ ঘটিছিল আৰু তাৰ ৰূপায়ণৰ ধাৰাই গতি লৈছে এই কাহিনী কেইটাত। উদাহৰণ হিচাপে অনেক কাহিনীৰ মাজৰ পৰা মাত্ৰ তিনিটা বিশেষ পৰিক্ৰমাক সামৰি লোৱা হৈছে যদিও সকলো যুৱক-যুৱতীয়েই এই সময়ছোৱাৰ (বয়ঃসন্ধিকাল) মূল্যায়নৰ চেষ্টা কৰিব বুলি আশা কৰা হৈছে আৰু সেয়ে হ'ব যোগাত্মক দিশ।

সহায় লোৱা হৈছে ঃ

১। প্ৰথমটোৰ ক্ষেত্ৰত 'স্মৃতি' আৰু ব্যক্তিগত অভিজ্ঞতা

২। দ্বিতীয়টোৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যম, সংবাদ পত্ৰ, দূৰদৰ্শন

৩। তৃতীয়টোৰ ক্ষেত্ৰত মহানন্দ শৰ্মাৰ 'মালালা' নামৰ পুথি আৰু প্ৰচাৰ মাধ্যম।

(লেখক শ্ৰীযুত ৰাধাকান্ত গগৈদেৱ ডিগবৈ হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক। ৰাজ্যিক চৰকাৰৰ পৰা কৃতী শিক্ষক বঁটা প্ৰাপ্ত শিক্ষাবিদ গৰাকী ৰাজ্যিক অধিবিদ্যা পৰিষদৰ পৰাও গুৰু মহীয়ান বঁটা প্ৰাপ্ত। বিশিষ্ট সমাজকৰ্মী গগৈদেৱ ৰাজ্যিক অধিবিদ্যা পৰিষদৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি)




✍ সুশান্ত দত্ত
উঃ মাঃ ২য় বৰ্ষ (কলা)

# কৈশোৰ কাল আৰু কিছু প্ৰাসঙ্গিক চিন্তা

জীৱনৰ ১২ বছৰ বয়সৰ পৰা ১৮ বছৰ বয়সৰ ভিতৰৰ এই সময়ছোৱাক বয়ঃসন্ধি বা কৈশোৰকাল বোলা হয়। বয়ঃসন্ধিকালেই হৈছে মানৱ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু জটিল সময়। কিয়নো এই সময়ছোৱাত ল'ৰাই বীৰ্য ধাৰণ ক্ষমতা লাভ কৰে আৰু ছোৱালী প্ৰথম ঋতুমতী হয়। জনন সামৰ্থৰ বিকাশ এই কালৰ প্ৰধান বৈশিষ্ট্য। এই সময়ছোৱাৰ কিশোৰ-কিশোৰীসকলে পৃথিৱীখনক কেতিয়াবা খুব ধুনীয়া, আনন্দদায়ক, সুন্দৰতাৰে পৰিপূৰ্ণ, ৰসে-গোন্ধে পৰিপূৰ্ণ গোলাপৰ শয্যা বুলি ভাবে। কেতিয়াবা আকৌ জীৱনক কাঁইটীয়া খলা-বমা বুলি ভাবি বিপথগামী হোৱাও দেখা যায়। এজন মনোবিদে সেয়ে এই সময়ছোৱাক খলা-বমা, চাকনৈয়াৰে ভৰা এছোৱা কষ্টকৰ সময় বুলি কৈছিল। ষ্টেনলি হলে (Staney Hall) এই সময়ছোৱাক উৎপীড়ন আৰু কষ্টৰ সময় (Stress and Storm Period) বুলি কৈছে। এই সময়ছোৱাত ল'ৰা-ছোৱালীৰ দ্ৰুত আৰু বহুমুখী বিকাশ সাধন হয়। সেয়ে ষ্টেনলি হলে এই সময়ছোৱাক নৱ জন্ম (New birth) বুলি কৈছে। আৰ্নেষ্ট জোনছে এই সময়ছোৱাক শৈশৱকালৰ পুনৰাবৃত্তি বুলি অভিহিত কৰিছে। কাৰণ এই সময়ছোৱাত শৈশৱকালৰ অসংযত আৰু উচ্ছৃংখল আচৰণৰ পুনৰাবৃত্তি হয়।

শিক্ষা ব্যৱস্থাৰ মাধ্যমিক স্তৰ কৈশোৰ কালৰ অন্তৰ্গত। শৈক্ষিক দিশৰ পৰা এই কালছোৱা বিশেষ তাৎপৰ্যপূৰ্ণ। শিক্ষাৰ ক্ষেত্ৰত এই বয়সৰ ল'ৰা-ছোৱালী সকলৰ স্বাভাৱিক বিকাশৰ ধাৰা যাতে কোনো কাৰণতে ব্যাহত নহয় তাৰ প্ৰতি চকু ৰাখিব লাগে। আধুনিক শিক্ষাৰ মূল কথা হ'ল শিশুৰ চাহিদা, আগ্ৰহ আৰু সামৰ্থ অনুযায়ী শিক্ষা প্ৰদান কৰা। কিশোৰ সকলৰ নিজস্ব চাহিদাসমূহ শিক্ষাৰ মাধ্যমেৰে পৰিতৃপ্ত কৰিব নোৱাৰিলে এই বয়সত ল'ৰা-ছোৱালীসমূহ বিপথে পৰিচালিত হোৱাৰ সম্ভাৱনা থাকে। কিশোৰ-কিশোৰীসকলে যাতে তেওঁলোকৰ সকলো সমস্যাৰেই সুস্থ সমাধান লাভ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা ব্যৱস্থাক পৰিচালিত কৰিব লাগে।

কৈশোৰ কালৰ দ্ৰুত দৈহিক বিকাশে সাধাৰণতে দুই ধৰণৰ সমস্যা সৃষ্টি কৰে। প্ৰথমতে, এই সময়ৰ বিভিন্ন দৈহিক পৰিৱৰ্তন সমূহে কিশোৰ-কিশোৰীসকলৰ মনত লজ্জা আৰু সংশয়ৰ ভাৱ সৃষ্টি কৰে। শিক্ষকে এই

ক্ষেত্রত শিক্ষাৰ্থীক এই পৰিৱৰ্তনসমূহ সহজে গ্ৰহণ কৰিবলৈ শিকাব লাগে। দ্বিতীয়তে, এই সময়ছোৱাত ল'ৰা-ছোৱালীৰ দেহ-সঞ্চালনমূলক সক্ৰিয়তা বৃদ্ধি পায়। এই বৃদ্ধিৰ ধাৰা অনুকূলে বিভিন্ন ধৰণৰ খেলা-ধূলা, ব্যায়ামৰ ব্যৱস্থা কৰিব লাগে। এই সময়ত দৈহিক বিকাশৰ ফলত বিভিন্ন দেহযন্ত্ৰৰ কাম-কাজৰ পৰিৱৰ্তন হয়। পুষ্টিকৰ খাদ্য এই সময়ৰ বিশেষ প্ৰয়োজন। সেয়েহে শিক্ষক আৰু পিতা-মাতাসকলে এই দিশৰ প্ৰতি লক্ষ্য ৰখা উচিত।

কৈশোৰ কালত আবেগিক দিশত এক আলোড়নৰ সৃষ্টি হয়। এই তীব্ৰ আবেগে আনেক সময়ত তেওঁলোকৰ বুদ্ধি-বৃত্তি আছন্ন কৰি ৰাখে । এই আবেগিক প্ৰক্ৰিয়াসমূহ সুস্থভাৱে পৰিচালিত কৰাটো শিক্ষকৰ কৰ্তব্য। শিক্ষকে শিক্ষাৰ্থীৰ আবেগিক প্ৰৱণতাসমূহ সহানুভূতিৰে বিশ্লেষণ কৰা প্ৰয়োজন। এই আবেগিক শক্তিক সমাজৰ নিৰ্দেশিত পথত পৰিচালিত কৰিবৰ বাবে যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আবেগিক উত্তেজনাৰ বাবেই তেওঁলোকে অনেক সময়ত পৰিবেশক দূৰ দৃষ্টিৰ সাহাৰ্যত ব্যাখ্যা কৰাত বাধা প্ৰদান কৰে। ফলত তেওঁলোকৰ মনত এক অসহায় ভাৱৰ সৃষ্টি হয়। এই অসহায়বোধৰ বাবেই শৈশৱৰ এক অনুৰূপ নিৰ্ভৰশীলতাৰ সৃষ্টি হয়। আবেগিক প্ৰৱণতাসমূহ সহানুভূতিৰে বিশ্লেষণ কৰাৰ প্ৰয়োজন। এই আবেগিক শক্তিক সমাজৰ নিৰ্দেশিত পথত পৰিচালিত কৰি শিক্ষাৰ্থীৰ পৰৱৰ্তী জীৱনতো যাতে বৰ্তি থাকে, তাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ্থীৰ বিশেষ অনুৰাগ অনুযায়ী গ্ৰন্থ অধ্যয়নৰ নিৰ্দেশনা দিব লাগে। সেইদৰেই বহুমূখী পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব পাৰিলে শিক্ষাৰ্থীৰ বিভিন্নমুখী আগ্ৰহ পৰিতৃপ্ত হয়।

এই সময়ছোৱাত নৈতিক মূল্যবোধসমূহৰ প্ৰতি শিক্ষাৰ্থীক অনুপ্ৰাণিত কৰিবৰ বাবে শিক্ষকে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। শিক্ষকে নিজৰ জীৱনত এই মূল্যবোধ সমূহক গুৰুত্ব প্ৰদান কৰি শিক্ষাৰ্থীসকলৰ আগত আদৰ্শ ডাঙি ধৰিব লাগে। অৰ্থাৎ শিক্ষকে নিজে নৈতিক আদৰ্শৰ অধিকাৰী হ'লেহে শিক্ষাৰ্থীসকলৰ মাজত নীতিবোধ জাগ্ৰত কৰিবলৈ সক্ষম হ'ব। বিদ্যালয়ৰ অন্যান্য কাৰ্যসূচীৰ জৰিয়তেও শিক্ষাৰ্থীৰ মনত আদৰ্শবোধ আৰু নীতিবোধ জাগ্ৰত কৰিব পাৰি।

এই সময়ত শিক্ষাৰ্থীসকলৰ জীৱনাদৰ্শন গঢ় দি তোলাৰ এক প্ৰৱণতা দেখা যায়। এই ক্ষেত্ৰত উপযুক্ত জীৱনাদৰ্শন গঢ় দি তোলাত শিক্ষকে শিক্ষাৰ্থীক সহায় কৰিব লাগে। প্ৰকৃত জীৱনাদৰ্শন গঠন চৰিত্ৰ গঠনৰ অংগ। জীৱনাদৰ্শন যাতে বাস্তৱৰ সংঘাতত ভাঙি নপৰে, শিক্ষকে এই দিশৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। শিক্ষাৰ্থীৰ অহম্‌সত্তাৰ পৰিপূৰ্ণ বিকাশৰ মাধ্যমেৰে যি জীৱনাদৰ্শন গঢ় লৈ উঠে তাৰ লগত বাস্তৱৰ কোনো সংঘাত হোৱাৰ সুযোগ নাথাকে। সেয়েহে শিক্ষকে শিক্ষাৰ্থীক এই অহম্‌সত্তাৰ (Self) বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

কৈশোৰ কালত ল'ৰা-ছোৱালীয়ে যৌথ প্ৰবৃত্তিৰ তাড়নাত বিভিন্ন দল গঠন কৰে আৰু দলগত কামৰ প্ৰতি আকৰ্ষিত হয়। এই চাহিদাৰ বশৱতী হৈ যাতে শিক্ষাৰ্থীসকল কুসংগৰ প্ৰভাৱত নপৰে তাৰ প্ৰতি শিক্ষক সচেতন হোৱাৰ প্ৰয়োজন। সামাজিক কৰিবৰ বাবে যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আবেগিক উত্তেজনাৰ বাবেই তেওঁলোকে অনেক সময়ত পৰিৱেশক দূৰদৃষ্টিৰ সাহাৰ্যত ব্যাখ্যা কৰাত বাধা প্ৰদান কৰে। ফলত তেওঁলোকৰ মনত এক অসহায়ভাৱৰ সৃষ্টি হয়। এই অসহায়বোধৰ বাবেই শৈশৱৰ এক অনুৰূপ নিৰ্ভৰশীলতাৰ সৃষ্টি হয়।



এই বয়সৰ শিক্ষাৰ্থীসকলৰ মাজত প্ৰৱলভাৱে দেখা দিয়া স্বাধীনতাৰ চাহিদা পৰিতৃপ্তিৰ বাবে শিক্ষক সচেষ্ট হ'ব লাগে। বিদ্যালয় বিভিন্ন কাম-কাজত তেওঁলোকক স্বাধীনভাৱে অংশ গ্ৰহণৰ সুবিধা দিব লাগে। বিভিন্ন বিতৰ্ক,

আলোচনা সভা আদিৰ জৰিয়তে স্বাধীনভাৱে মত প্ৰকাশৰ সুযোগ প্ৰদান কৰিব লাগে। বিদ্যালয়ৰ বিভিন্ন সৰু-সুৰা কাম-কাজৰ দায়িত্ব দি শিক্ষাৰ্থীৰ আত্মপ্ৰকাশৰ চাহিদাক পৰিতৃপ্ত কৰিব লাগে যাৰ ফলত তেওঁলোকৰ চাহিদাৰ পৰিতৃপ্তিৰ লগতে তেওঁলোকৰ আত্মনিৰ্ভৰশীলতা আৰু আত্মবিশ্বাস বৃদ্ধি পায়।

এই সময়ত কৌতুহল আৰু জ্ঞানৰ চাহিদাৰ ফলত শিক্ষাৰ্থীসকলে বিভিন্ন বিষয় সম্পৰ্কত সূক্ষ্মভাৱে জানিবলৈ আগ্ৰহী হয়। সেইবাবেই কোনো বিশেষ সমস্যাৰ উপস্থাপন বা সমাধানৰ সময়ত শিক্ষকে সমস্যাৰ গভীৰলৈ প্ৰবেশ কৰিব লাগে। সমস্যাৰ বিভিন্ন দিশ বিশ্লেষণ কৰি শিক্ষাৰ্থীৰ সন্মুখত উপস্থাপন কৰিব লাগে। এই বয়সত বুদ্ধিৰ পৰিপূৰ্ণ বিকাশ হোৱাৰ ফলত শিক্ষাৰ্থীৰ বিচাৰ-বিবেচনাৰ ক্ষমতা বৃদ্ধি পায়। ফলত তেওঁলোক অধিক সমালোচনা-প্ৰৱন (critical) হৈ পৰে। তেওঁলোকৰ এই মনোভাৱক বিদ্যালয়ত যোগ্য মৰ্যদা দিব লাগে।

কৈশোৰ কালত জ্ঞানৰ আকাংক্ষা প্ৰবাহিত হয়। শিক্ষাৰ্থীক বিভিন্ন বিষয়ৰ গ্ৰন্থ অধ্যয়নৰ প্ৰতি শিক্ষকে উৎসাহিত কৰিব লাগে। গ্ৰন্থ নিৰ্বাচনৰ ক্ষেত্ৰত শিক্ষকে সাৱধানতা অৱলম্বন কৰিব লাগে। এই গ্ৰন্থ অধ্যয়নৰ চাহিদাৰ গঠনাত্মক পৰিতৃপ্তিৰ বাবে শিক্ষকে বিদ্যালয়ত যৌথ কাজ-কৰ্মত অধিক গুৰুত্ব প্ৰদান কৰিব লাগে। বিদ্যালয়ৰ বিভিন্ন উৎসৱ বা অনুষ্ঠান আদিৰ পৰিচালনাৰ ভাৰ শিক্ষাৰ্থীসকলৰ ওপৰত দলগতভাৱে প্ৰদান কৰিব লাগে।

যৌন জীৱনৰ বিকাশ এই সময়ৰ এক গুৰুত্বপূৰ্ণ ঘটনা। এই যৌন চাহিদাৰ যাতে যথাযথ উন্নীতকৰণ (Sublimation) হয় তাৰ বাবে শিক্ষকে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যৌন চাহিদাৰ লগত যুক্ত সৃজনী স্পৃহাক যি কোনো ধৰণৰ সৃজনাত্মক কাৰ্যত প্ৰয়োগ কৰাৰ সুযোগ প্ৰদান কৰিব লাগে। ছবি অঁকা, সাহিত্য চৰ্চা, অভিনয়, সংগীত সাধনা আদি কাৰ্যৰ সুযোগ দি এই চাহিদাৰ পৰিতৃপ্তি আনিব পৰা যায়। যৌন চাহিদাৰ লগতে এই সময়ত যৌন কৌতুহলৰো সৃষ্টি হয়। সাধাৰণতে এই কৌতুহল দমন কৰি ৰখা হয়। এই ব্যৱস্থা যথেষ্ট অনিষ্টকাৰী। সেয়েহে যৌন কৌতুহলৰ নিবৃত্তিৰ বাবে উপযুক্ত যৌন শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। □

যিজন ব্যক্তিয়ে জীৱনত এবাৰো ভুল কৰা নাই ইয়াৰ অৰ্থ হ'ল যে তেওঁ শিকিবলৈ কোনো চেষ্টা কৰা নাই।

-এৰিষ্টটল

ভ্ৰমণ / পৰ্যটন

# Sasoni Merbeel (Naharkatiya) : A Prospect of Eco-Tourism



Dr. Sangeeta Boruah Saikia
Asst. Prof., Dept. of Geography

**History of Merbeel :**

With an unbeaten scenic beauty a beautiful place called Merbeel situated at Naharkatiya block, Sasoni Mouza in Dibrugarh District holds an ancient folklore of its formation from ancient times in between the inhabitants of the entire region. At about 1700 century Sri Sri Ram Ata Prabhu, the Gosai of Chaliha Baregharea Satra lived with his family at the bank of the Burhi Dihing river (At present Oil Town Duliajan mohmari region). He laid the foundation of unity between hills and plains by educating his disciples. During that period a girl child had born (his daughter) and they gave her the name 'Dwiti'(Aitee) with utmost love and affection. In her childhood when she did some unusual things her mother sometimes tried to keep her quiet by saying that if she did not obey her mother they will give her (Dwiti) in the hands of Jaldevta.

With the passage of time Dwiti grew up and became a young beautiful girl. One night Dwiti's mother experienced a dream that Jaldevta appears like a prince and shows his interest to marry her daughter. But showing disagreement to give their daughter to Jaldevta suddenly, patches of black spread over the whole sky with the help of supernatural power of Jaldevta and flooded the entire region encompassing the Satra. Within the whole night the flood inundated the houses, trees etc. and the family of Gosai Prabhu escaped from the flooded area with the help of his disciples and reached a place called 'gosai bheti' at Merbeel in Sasoni mouza and lived there. Gosai Prabhu once again laid the foundation of a Satra with the general people distributed here and there in the region and started to motivate towards

acquiring spiritual power. Again Jaldevta appeared in the dream of his wife and other close disciples. A serious discussion was there between Gosai Prabhu and his disciples. The discussion ended up with no result. The threshold of belief and non-belief made them helpless. This time also Gosai Prabhu opposed.

From the interior of the earth and the entire region was again flooded. The people believed that it was an act of Jaldevta against the Gosai showing his dissatisfaction. And at last, Gosai agreed to give his daughter to Jaldevta. Sri Sri Ram Ata Gosai Prabhu and some other saw a golden boat with some cloud like a tall-healthy wearing Gomseng chador at his body with a dhoti and they felt that Jaldevta come to marry his daughter with all customs and traditions. Dwiti (Aitee) get married with Jaldevta with some drops of tears. She stepedp into the boat and suddenly speed up into the water and disappeared.

It still prevails within the people of the region that, just after the marriage Sri Sri Ram Ata Prabhu prayed to Jaldevta for the recovery of the flooded area and Jaldevta created a highland at the west direction and through that road Gosai Prabhu recovered from the region and re-established the Satra at Bhakat gaon near Godhabeel at present. Due to the surrounded flooding of the region by Jaldevta and at his own willingness the region was later known as Merbeel and the place where underground water blasted to appear Jaldevta was named as Bhumukmukh and later known as Bhumukmukh Merbeel Gaon.

Inspite of having such a strong folklore in the formation of Merbeel some other raise their Geographical point of view that, at the past Merbeel was a distributary of Burhi-Dihing River. But with the passage of time due to different Geographical actions the river changes its course and Merbeel was left as an oxbow-Lake.

**Location :**

The Sasoni Merbeel area is located at the South bank of the river Burhi Dihing. The surveyed Merbeel is an oxbow lake of the river Burhi Dihing. The surveyed Merbeel Ecotourism project is located 7 k.m. away from district headquarter of Dibrugarh district at the mid of Sasoni Mauza which is 13 k.m. far away from Naharkatiya circle.

**Climate & Temperature :**

The climate of Sasoni Merbeel area can be largely described as a tropical monsoon type with hot wet summer and cool dry winter. Most of rain comes during June to September, although winter rains are not so uncommon. The annual rainfall varies from 2,300 mm to 3,800 mm. June to August being the hottest month and December to January being the coolest months. The mean temperature in Biosphere Reserve ranges from 7°c to 34°c and average temperature ranges from maximum 36°c to minimum 6° c and the relative humidity ranges between 69%-80%. It is an awesone sight to see the fog often covering the Merbeel in the winter like a thick sword in the night and early morning.

**Soil :**

As the region lies on the river bank area hence the soil of the region is composed of alluvium and sediments.

**Flora & Fauna :**

**Flora :** The forest area of Merbeel comprises of deciduous and mixed forest, swamp forests and patches of wet evergreen forest. Some important tree species found in Merbeel are Diptro carpus, Terminalia excelsa, Teak etc. and various types of grasses are found some of them are demadroclamees hamittoni, Calamus, Lalifaliees, Leptaspadia Calamus tenuis etc. Other species of flora are- Terminalia batarica, Dillenia India, Phragmatis Harka, Imperata, Cylindrical cusata reflena etc.

**Fauna :**

The Merbeel ecosystem boasts of impressive list of wild life. It is an ideal habitat for many birds and few animals, total 11 species of fauna are found here such as- Deer, Assamese Anacaque, Common Mongoose, Common squirrel, Rhesus Macaque, Leopard cat, etc. Some species of reptiles are also found like Mangalian, King Cobra, Monocled Cobra, Burmese Python, Common viper

etc. The Merbeel area is rich in aquatic fauna like species of fishes and 4 species of turtle like spotted pond turtle, Asian leaf turtle etc.. More than 100 species of birds are being recorded from Merbeel including commareany,Lesser whistling, Common teal, spot wood duck, Bronze winged jakana, Indian robin bird etc.

**Transport and Communication :**

The Sasoni Merbeel area is well connected by metal road, which is connected by OIL and PWD. A PWD road runs from Digboi to Naharkatiya, which is of 42 k.m. A metal road connected to the Naharkatiya main road. The conditions of the roads are quiet well from Digboi to Naharkatiya. From Digboi various Govt. and private vehicles such as bus trucks, trackers etc. runs daily and connect Naharkatia with the rest-part of the state. Beside these, tracker and four wheelers are the local means of communication.

**Relief features :**

The setting of Sasoni Merbeel is undeniably dramatic. It is located in the alluvial flood plain zone of Burhi Dihing at an altitude of 113m. above the mean sea level. The extension of Merbeel latitude is 27 $^0$17 N to 54 $^0$ 86 N and its Longitude is 95 $^0$10 E to 38 $^0$09 E.



During rainy seasons the rich flow in the area also includes a large one of perennial and seasonal chanals locally known as Jans and Nalas. There are also many large and small wetlands or beels like Godha beel, Dighali beel, Taku beel, Itakhuli beel etc. and lagoons or Ghulis along the river margins whose size - shape and location change annually and found inside the core area. The alluvial soil therefore is mainly sandy to-sandy-loam.

**Conservation History of Merbeel :**

"The story of conservation of Merbeel grazing was dated back in the year 1932 by British when an area of 1550 acre declared as Merbeel grazing subsequently by another one notification in the year 2010, 26 September. The Merbeel grazing was re-opened as Merbeel Eco-Tourism Project with the help of local people of that area. To conserve the rich Bio-diversity of Merbeel and for its infrastructure development Rs.3 Crore was sanctioned by State Govt. Tourism Department. Again for infrastructural development of the ecotourism a project committee was formed by State Govt. G.D Tripathi, the Deputy Commissioner of Dibrugarh has already promised to extend financial support for the conservation and tourism effort through the National Rural Employment Guarantee Act. Once Merbeel declared a conservation reserve the Wetland will get a protected area status. The forest department also planned to highlight Merbeel during the Joypur rainforest festival. Villagers too have shown interest in conservation efforts. Moni Manik Gogoi, a social worker who has been trying to mobilize local support to protect the wetland has persuaded. Oil Indian Limited also provided financial help for the project. Lila Saikia, a farmer has donated one Lakh fingerlings to released in the beel.

**PROBLEM AND PROSPECT :**

**Problem :**

Inspite of having a great tourist spot Merbeel experiences some problems that hampers in the development of the place as a tourism attraction hub.

The **transport** and communication system is a great emerging problem in Merbeel, which affect the free flow of the local and other foreign tourist to explore the place. Secondly, the entering

and sightseeing media i.e. boating is not so developed but it is the only mode of seeing the place or to observe the flora and fauna. Thirdly, though the state government announced sanction of 3 crore and the project was reopened in 2011 the project has not well developed yet.

The lodging facility for the tourists is not also well developed. Lastly, the facility of electricity is not observed. They use solar power as a means of electricity.

**Prospects:** - i. The Monacharia hastate solms locally calls as Matakas can be used as a means of natural fertilizer, which has great demand as fertilizer in tea estates.

ii. The Ipomoea aquatica forssk locally knowns as Kalmws can be used as medicinal vegetable.

iii. If the lodging facilities can be developed to some extent the place can attract more tourist.

**Conclusion :**

Sasoni Merbeel is at its preliminary stage of development. It will be in its due course one of the most important tourist place in upper Assam. It is one of the large and richest beel in the Naharkatiya region of Dibrugarh. Many endangered and threatened wildlife are also found in the beel. Along with the development of the infrastructure, tourism industry needs to be developed in Naharkatiya region. By this industry local people of the region will be greatly benefited in many ways as hotel business, enterprise for supplying camp equipment for tourism, boating in Merbeel and local tourism guidance etc.

Merbeel is a wetland and important birds' area. Merbeel is endowed with such characteristics, feature and potential that it is likely to be one of the most important tourist spot in the world one day. Let us try for the development of this wonderful wetland and preserve this for the future generation. ❑

**Bibliography :**

i. Prantik : 1-15 Dec, 2013.
ii. Prantik : 16-31 Aug, 2013.
iii. Guide Book of Merbeel Project By Moni Manik Gogoi.
iv. w.w.w. Google. com.

সফলতাৰ পিছে পিছে দৌৰি নুফুৰিবা, যদি তুমি সচাঁকৈয়ে সফল হ'ব বিচাৰিছা তেন্তে ক্ষন্তেক জিৰণি লোৱা আৰু ভাবা - তুমি কি কৰি ভাল পোৱা আৰু কিহত বিশ্বাস কৰা। দেখিবা এইবেলি সফলতাই তোমাক খেদি ফুৰিছে।

- ডেভিদ ফ্ৰষ্ট



# টাংচা সংস্কৃতিৰ সুবাস বিচাৰি

✍ পূৰ্ণকান্ত বৰুৱা
প্ৰশিক্ষাৰ্থী, D. El. Ed. পাঠ্যক্ৰম

ডিগবৈ মহাবিদ্যালয়ত চলি থকা D. El. Ed. পাঠ্যক্ৰমৰ দ্বিতীয় বৰ্ষৰ প্ৰদত্ত কৰ্মৰ অন্তৰ্গত ক্ষেত্ৰ ভ্ৰমণৰ প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ মাৰ্ঘেৰিটা মহকুমাৰ কেনিয়া গাঁৱৰ চৰকাৰী গাওঁবুঢ়া টাংচা নগা অনুসূচীত জনজাতিৰ লোক শ্ৰীযুত নিকচন টাইৰিং দেৱৰ ঘৰত উপস্থিত হৈছিলোঁগৈ। উদ্দেশ্য অনুসূচীত জনজাতিটোৰ বাসস্থান, খাদ্য আৰু সাজ পোছাকৰ বিষয়ে কিছু কথা জনা আৰু সাধাৰণ ৰাইজক অৱগত কৰা।

অতি সহজ সৰলভাৱে জীৱন যাপন কৰা পৰিয়ালটি বেচ অতিথি পৰায়ণ। মই অহাৰ উদ্দেশ্য তেখেতক অৱগত কৰাত মুখত এমোকোৰা হাঁহি বিৰিঙাই অতি আন্তৰিকতাৰে মোৰ উদ্দেশ্যত সহযোগিতা আগবঢ়াইছিল তেখেতে। চাহ আৰু তামোল পাণেৰে আপ্যায়িত কৰি তেখেতে মই সুধি যোৱা কথাবোৰৰ চমু আভাস দি গৈছিল।

সাধাৰণতে কৃষিপ্ৰধান উক্ত অনুসূচীত জনজাতিটো অৰুণাচল প্ৰদেশৰ চাংলাং জিলা আৰু অসমৰ তিনিচুকীয়া জিলাত বসবাস কৰি আছে। টাংচা নগা অনুসূচীত জনজাতিটো এটা সবল সুঠাম আৰু শিক্ষিত বৃহৎ জনগোষ্ঠী। এই জনজাতিটোৰ ভালেমান ভাগ আছে যদিও বিশেষকৈ য়ংকুক আৰু তিখাক নামৰ দুটা ভাগেই প্ৰধান। সাধাৰণতে তেওঁলোক সংস্কৃতিপ্ৰেমী আৰু উদাৰ মনৰ। তেওঁলোকৰ পুৰুষ অৰ্থাৎ থ'ল আৰু মহিলা অৰ্থাৎ ইয়েছেসকল অত্যন্ত পৰিশ্ৰমী আৰু সকলো কৰ্মতে পাৰ্গত। ধৰ্মত তেওঁলোক বৌদ্ধ ধৰ্মাৱলম্বী আৰু আমিষভোজী।

তেওঁলোকৰ ঘৰবোৰ সাধাৰণতেই খুব সুন্দৰ আৰু পৰিপাটি। তেওঁলোকে চাংঘৰ মানে হোম বা টাবত বসবাস কৰে। তেওঁলোকে টাববোৰ কাঠ, বাঁহ, বেত, জেঙুপাত, টকৌপাত আদিৰে খুউব সুন্দৰকৈ সাজি লয়। ইয়াত এটা বিশেষত্ব আছে যে টাবৰ উচ্চতা অনুসৰি চাঙত উঠিবলৈ ব্যৱহাৰ কৰা জখলাখনৰ খটখটী ৫ (পাঁচ) বা ৭ ডাল হ'ব লাগিব। ঘৰবোৰ সদায় পূব মুখীয়াকৈ সজা হয়। ঘৰবোৰত পাকঘৰ, বৰঘৰ, অতিথিঘৰ আদিৰ ব্যৱস্থা আছে। বিভিন্ন লাগতিয়াল গছ বন ৰুই ঘৰ বা টাববোৰ বেছি মনোমোহা হয় সেই পাতি লোৱা ভৰাবাৰীখনৰ বাবেই। মুঠৰ ওপৰত তেখেতসকলৰ ঘৰবোৰৰ বৰ্ণনা লিখি শেষ কৰিব নোৱাৰা ধৰণৰ।

দুপৰীয়াৰ ভাত সাজ তেখেতৰ পৰিয়ালৰ লগত গ্ৰহণ কৰি থাকোতে কথা পাতি গম পালো যে তেখেতসকলৰ প্ৰধান আহাৰ হ'ল ভাত। লাহী ধানৰ চাউলৰ টোপোলা ভাতে বেছি মান্যতা পায়। অতি চাফ চিকুণ পাকঘৰটি। আগতে কোৱা হৈছে যে তেওঁলোক নিৰামিষভোজী। ভাতৰ লগত খোৱা আঞ্জা বা ব্যঞ্জনবোৰ সাধাৰণতে সিজোৱা অৰ্থাৎ উহোৱা প্ৰকৃতিৰ। তেল বা বজাৰৰ মা-মচলা কম ব্যৱহাৰ কৰে। হাবিৰ মচলা জাতীয় গছৰ ব্যৱহাৰ বেছি। তেখেতৰ ঘৰত টোপোলা ভাত, বাঁহগাজৰ খৰিচা, টেঙা-মাছ, কলডিল আদিৰে খোৱা ভাতসাজ বেছ তৃপ্তিদায়ক পালো। চাহৰ লগত আলু-কচুৰ ব্যৱহাৰ বৰ জুতিদায়ক। তেওঁলোকে আলু-কচুক 'তাম আচাম', খেতি-বাতিক 'পোকনা' আৰু খাদ্যক 'আচাক-চা-ফান' বুলি কয়। ৰন্ধনৰ বাচন হিচাপে কাঁহৰ বাচন ব্যৱহাৰ কৰে।

মুঠৰ ওপৰত তেওঁলোকে গ্ৰহণ কৰা পুষ্টিকৰ খাদ্যৰ বাবেই তেওঁলোক ৰোগ ব্যাধিহীন এক দেহৰ গৰাকী হয়। বাসস্থানৰ দৰেই তেওঁলোকৰ খাদ্য প্ৰণালীৰ কথা ভাষাৰে লিখি শেষ কৰিব নোৱাৰা ধৰণৰ।

দুপৰীয়াৰ সাজ খাই বৈ উঠি সাজপাৰ অৰ্থাৎ আচাক চাম খাটৰ ওপৰত আলোচনাত দেখা গ'ল যে তেওঁলোকৰ পিন্ধন উৰণ মাৰ্জিত। মহিলাসকল বা ইয়েছে সকলে নিজে বোৱা-কটা কৰি সাজপাৰ যুগুতাই লয়। পুৰুষসকলে লুঙী (পায়ান), চোলা (চামফং) আৰু পাগুৰি (খুক) পিন্ধে। মহিলাসকলে মেখেলা (খাইলং) আৰু মূৰত বগা পাগুৰি (খুক) পিন্ধে। তেওঁলোকৰ ডেকা (য়াৰো) আৰু গাভৰু(য়েচাং) ৰেও নিজৰ জনজাতীয় সাজপাৰেই ব্যৱহাৰ কৰে। তেখেতসকলৰ বিবাহৰ (মইলাখ) নিয়ম-নীতিবোৰো নিজৰ জনজাতীয় পদ্ধতিৰ দ্বাৰাই হয়। এই অনুসূচীত জাতিটোৰ সকলো লোকেই দেখিবলৈ অতি মোহনীয়।

তেওঁলোকৰ জীৱন ধাৰণৰ ওপৰত লিখিবলৈ বিনা গৱেষণাৰ দ্বাৰা সম্ভৱ নহ'ব বুলিয়ে ভাবো।

তেওঁলোকৰ পৰা লোৱা বিদায় সময়কণ মোৰ জীৱনৰ এক স্মৰণীয় ক্ষণ হৈ ৰ'ব। ❑

# শিৱসাগৰে ৰিঙিয়াই মাতে

✍ পূৰ্বজ্যোতি দাস
প্ৰশিক্ষাৰ্থী, D. El. Ed. পাঠ্যক্ৰম

ভ্ৰমণে মানুহক আনন্দ দিয়ে আৰু মানসিক ভাৱে সতেজ কৰি তোলে। সেয়ে হয়তো পৃথিৱীৰ প্ৰত্যেকজন মানুহেই ভ্ৰমণপ্ৰিয়। এজন প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যক্ৰমৰ প্ৰশিক্ষাৰ্থী হিচাপে কোনো ঐতিহাসিক, সাংস্কৃতিক বা পৰ্যবেক্ষণৰ গুৰুত্ব থকা ঠাই পৰিভ্ৰমণ কৰিব লগা হোৱাত মই অসমৰ প্ৰাণস্থল নানান ঐতিহাসিক সমলেৰে সমৃদ্ধ শিৱসাগৰ জিলাখন নিৰ্বাচন কৰিলোঁ।

কোনো ঠাই ভ্ৰমণ কৰাটো শিক্ষাৰ এক অংগ হৈ পৰিছে। সেয়েহে বৰ্তমান শিক্ষা ব্যৱস্থাত ক্ষেত্ৰ ভ্ৰমণ শিক্ষাৰ বিষয় হিচাপে অৰ্ন্তভুক্ত কৰিছে। ভ্ৰমণৰ জৰিয়তে আমি কিছুমান জ্ঞান আৰু অভিজ্ঞতা লাভ কৰোঁ। এই জ্ঞান আৰু অভিজ্ঞতাবোৰে আনন্দ উপভোগৰ সুবিধা দিয়াৰ লগতে ব্যস্ত জীৱনৰ অৱসাদবোৰ উপশম ঘটাই কৰ্ম উদ্যম বঢ়াই তোলে। মই এই পৰিভ্ৰমণৰ বাবে নৱেম্বৰ মাহৰ দ্বিতীয়টো দেওবাৰ অৰ্থাৎ ১১ তাৰিখটো ঠিক কৰোঁ।

১২২৮ খ্ৰীষ্টাব্দতে আহোমসকলে পাটকাই পাৰ হৈ আহি চুকাফাৰ নেতৃত্বত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰে। ইয়াৰ পাছৰে পৰা তেওঁলোকে অসমত ৬০০ বছৰ ৰাজত্ব কৰে। সেই কালছোৱাত তেওঁলোকে বহুতো আটকধুনীয়া শৈলীৰ কীৰ্তিচিহ্ন নিৰ্মাণ কৰি যায়। যিবোৰে আহোম ৰাজত্বৰ গৌৰৱময় কালছোৱা আজিও সোঁৱৰাই আছে। এজন শিক্ষক হিচাপে আহোম বুৰঞ্জী আৰু তেওঁলোকৰ



কীৰ্তিচিহ্নৰ বিষয়ে পৰ্যাপ্ত জ্ঞান থকাটো বৰ দৰকাৰ। সেই কীৰ্তিচিহ্নবোৰ ওচৰৰ পৰা পৰিদৰ্শন কৰি আহোম ৰাজত্বৰ বিষয়ে ধাৰণা গ্ৰহণ কৰা আৰু তেওঁলোকৰ সামাজিক-সাংস্কৃতিক তথা ভাস্কৰ্য সম্পৰ্কে সতেজ জ্ঞান লাভ কৰিবলৈ মই এই ঠাইটুকুৰা নিৰ্বাচন কৰোঁ।

ছাত্ৰ কালৰে পৰা ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলা চোৱা আৰু তাত থকা কীৰ্তিচিহ্নসমূহ ওচৰৰ পৰা দেখাৰ এটা হেঁপাহ বুকুত কঢ়িয়াই লৈ ফুৰিছিলোঁ। সেয়ে তালৈ যোৱাৰ এটা সুবিধা হোৱাত মই বৰ উৎসাহী হৈ পৰিছিলোঁ। কেইদিনমানৰ আগৰে পৰাই প্ৰয়োজনীয় সামগ্ৰী কিছুমান বজাৰ কৰি প্ৰায় প্ৰস্তুতি কৰিয়েই পেলাইছিলোঁ। হাতত বন্ধৰ দিন নাছিল বাবে এদিনতে পাৰ্যমানে কীৰ্তিচিহ্নবোৰ চোৱাৰ হেঁপাহেৰে সোনকালে যোৱা বাছৰ খবৰ কৰিলোঁ। খবৰ কৰি গম পালোঁ যে মাৰ্ঘেৰিটাৰ পৰা 'আটলাণ্টা' নামৰ এখন বাছ পুৱা ৫.১৫ বজাতে যোৰহাটলৈকে যায়। পিছদিনা পুৱা সোনকালে উঠি বাছ ধৰিলোঁ আৰু ৰাওনা হ'লো হেঁপাহেৰে বান্ধি ৰখা শিৱসাগৰ চাবলৈ। শিৱসাগৰ প্ৰায় দহমান বজাত উপস্থিত হৈ এখন হোটেলত সোমাই গা-পা ধুই কীৰ্তিচিহ্নবোৰ চাবলৈ ওলালোঁ।

প্ৰথমেই মই এখন অটোৰিক্সা দিনটোৰ বাবে বুকিং কৰি ল'লো। শিৱদ'লৰ ভিতৰত মূৰ দুওৱাৰ

পৰিকল্পনাৰে প্ৰথমে দৌললৈ গ'লো। তাত আশীৰ্বাদ লৈ কাষতে থকা বিষ্ণু দৌল, দেৱী দৌল, শিৱসাগৰ পুখুৰী, যাদুঘৰ পৰ্যবেক্ষণ কৰোঁ। এইসমূহ চাই মই তেতিয়াৰ যুগৰে ভাস্কৰ্য কলা দেখি তবধ মানিলোঁ। যাদুঘৰ চোৱাৰ সময়ত নিজকে আহোম যুগৰ সদস্য যেন অনুভৱ কৰিলোঁ। এই যাদুঘৰে পৌৰাণিক যুগৰ ব্যৱহৃত সামগ্ৰী, সাজ-পাৰ, বাচন-বৰ্তনৰ ধাৰণা ধৰি ৰাখিছে। এইবোৰ হ'ল জ্ঞানৰ এক ভঁৰাল।

ইয়াৰ পাছতে তলাতল ঘৰলৈ যাওঁ। টিকট কাউণ্টাৰৰ পৰা টিকট সংগ্ৰহ কৰি তলাতল ঘৰত প্ৰৱেশ কৰোঁ। আহোম ৰজাসকলে যুদ্ধ-বিগ্ৰহৰ কাৰণে সুবিধা হোৱাকৈ নিৰ্মাণ কৰা এই ঘৰটোত কেইবাটাও মহল আৰু অসংখ্য দুৱাৰ আছে। এই ঘৰটোৰ কোঠা আৰু দুৱাৰবোৰ একে, সেয়েহে ইয়াৰ ৰাস্তা উলিওৱাটো যথেষ্ট কঠিন। আটাইতকৈ আচৰিত কথা এয়ে যে এই তলাতল ঘৰৰ পৰা ভূগৰ্ভ হৈ দিখৌ নৈৰ পাৰত ওলাব পৰা এটা সুৰংগ আছে। এই ঘৰটোৰ সমুখতে দুটা বৰটোপ আছে।

ইয়াৰ পাছত ঐতিহাসিক জয়সাগৰ পুখুৰীৰ পাৰত অৱস্থিত জয়দ'ল গৈ পাওঁ। স্বৰ্গদেউ ৰুদ্ৰসিংহই মাতৃ জয়মতীৰ সোঁৱৰণত স্মৃতিচিহ্ন হিচাপে নিৰ্মাণ কৰা দৌলটোত স্থাপত্য কলাৰ সুন্দৰ নিদৰ্শন দেখি অভিভূত হওঁ। জয়দৌলৰ কাষতে খন্দোৱা বৃহৎ আকাৰৰ জয়সাগৰ পুখুৰীটোৱে ঠাইখিনিৰ সৌন্দৰ্য অধিক বঢ়াই তুলিছে। ইয়াৰ পাছতে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰোঁ।

আহাৰ গ্ৰহণৰ পাছতে মই গড়গাঁৱত থকা কাৰেংঘৰ চাবলৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ। কাৰেংঘৰৰ দুৱাৰ মুখতে থকা টিকট কাউণ্টাৰৰ পৰা টিকট সংগ্ৰহ কৰি কাৰেংঘৰৰ প্ৰতিটো মহল পৰ্যবেক্ষণ কৰোঁ।

কাৰেংঘৰৰ প্ৰতিটো মহলা ইমান মজবুতকৈ সজা যে ইমান বছৰৰ পাছতো ইয়াৰ কোনো ক্ষয়-ক্ষতি হোৱা নাই। ইয়াত থাকিয়েই ৰজাই গোটেই ৰংপুৰ ৰাজ্য শাসন কৰিছিল বুলি শুনা যায়।

ইয়াৰ পিছতে এছিয়া মহাদেশৰ প্ৰথমটো পেভিলিয়ন হিচাপে খ্যাত ৰংঘৰত উপস্থিত হওঁ। স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৪-১৭৫১ খ্ৰীষ্টাব্দত এই ৰংঘৰ নিৰ্মাণ কৰাইছিল। এই ৰংঘৰে আজিও সগৌৰৱে থিয় হৈ আহোম যুগৰ কীৰ্তি চৌপাশে বিয়পাই আছে। ৰংঘৰৰ বাকৰিত সেই সময়ত বুলবুলি চৰাইৰ যুঁজ, মহযুঁজ, মল্লযুঁজ আদি খেল হৈছিল। এই অনুষ্ঠানবোৰৰ আমোদ ল'বৰ বাবেই স্বৰ্গদেৱে ৰংঘৰ নিৰ্মাণ কৰিছিল।

সময় তেনেই কমি অহাৰ বাবে মই লৰালৰিকৈ শিৱসাগৰ বাছ আস্থানলৈ আহি ডিব্ৰুগড়লৈকে বাছ ধৰোঁ। ডিব্ৰুগড় পোৱাৰ পাছত DEMO ট্ৰেইনেৰে ৭.১৫ মিনিটত মই মাৰ্ঘেৰিটা আহি পাওঁ।

পৰিভ্ৰমণে আমাক আনন্দ দিয়ে। আনন্দৰ লগতে দি থৈ যায় এক নৱ অভিজ্ঞতা। এই অভিজ্ঞতাই জ্ঞানৰ বিকাশৰ লগতে ঠাইডোখৰৰ বিষয়ে অধিক জানিবলৈ উৎসাহিত কৰে। ভ্ৰমণে মনৰ অৱসাদ দূৰ কৰি কৰ্মস্পৃহা বঢ়াই তোলে। শিৱসাগৰ জিলাৰ এই ঐতিহাসিক ঠাইসমূহ ভ্ৰমণ কৰি আহোম যুগৰ লগতে অসমৰ ইতিহাসৰ বহু কথা জানিব পাৰিলোঁ। এই ভ্ৰমণে আহোম বুৰঞ্জীৰ বিষয়ে অধিক জানিবলৈ মোক অনুপ্ৰেৰণা যোগালে। ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও ই এক চাবলগীয়া ঠাই যিয়ে ছাত্ৰ-ছাত্ৰীৰ মনত অনুসন্ধিৎসাৰে জ্ঞানৰ বিকাশত উদ্‌গনি যোগাব। প্ৰাথমিক পৰ্যায়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যিহেতু এই কীৰ্তিচিহ্নসমূহৰ বিষয়ে পঢ়িবলৈ পাইছে গতিকে ছাত্ৰ-ছাত্ৰীসকলে এই ঠাইসমূহ দেখিবলৈ পালে আনন্দিত হ'ব আৰু ব্যৱহাৰিক জ্ঞানে মানসিক শক্তিৰ উন্মেষ ঘটাব। অনাগত দিনত মই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষামূলক ভ্ৰমণৰ জৰিয়তে এই ঠাইলৈ লৈ যোৱাৰ এটা আশা পুহি ৰাখিছোঁ। □





Dr. Rashmi Patowary
Asstt. Prof., Dept. of Physics

# Tools made up of light : Nobel Prize in Physics 2018

My earliest acquaintance with the word "laser" is an English movie where a bank was robbed by making a well cut hole through its metallic doors by a special gun which my elder brother who was in high school at that time explained to me as something very strong and penetrating called Laser. As he made me memorize the full form of LASER : Light Amplification by Stimulated Emission of Radiation he told me that it was a "tool made up of light".

When the Nobel Prize in physics 2018, was announced, the term "tools made of light" referring to the prize winning discovery ( in fact discoveries) rang a bell in my mind.

The Nobel Prize in Physics 2018 was awarded for two different groundbreaking inventions in the field of laser physics: One half of it was awarded to **Arthur Ashkin** -for the **optical tweezers** and their application to biological systems- while the other half jointly to **Gérard Mourou** and **Donna Strickland** -for their method of generating **high-intensity, ultra-short optical pulses.**

Being a student of physics I had the opportunity to learn about this amazing discovery called laser that can be strong enough to burn a strong metal, yet soft enough to be used in surgery of tender human cells human eye surgery as in Lasik surgery . A laser is effectively a machine that makes billions of atoms pump out trillions of photons(particles constituting light) all at once so they line up to form a really concentrated light beam.The word laser is used interchangeably for both : the instruments which forms this concentrated beam as well as the beam itself.

The difference between an ordinary light and laser light is somewhat like difference between ripples in a bathtub and huge waves on the sea. When one moves ones hands and create waves in the bathtub the waves keep getting stronger and stronger. One can imagine that if this process would have been continued it would have created waves as huge and as strong as ocean waves. In this concept, a laser does something similar with light waves to make them much stronger than ordinary light waves. The process makes light into a highly directional beam, having a single wavelength which can focused to a microscopic dot of extremely high energy density. Which is if not incorrect, an over simplified explanation of "lasing" or creating a laser beam.

The versatility of laser can hardly be overstated. From Laser

Being a part of the nation, our college took the honour to participate in the internship. With the help of the NSS Nodal Officer of Digboi College Mr. Rajib Rudra Tariang , a number of 60 students successfully registered for the internship, where NSS volunteers , non-NSS volunteers and also the passed out students were involved . The interns were later divided into groups as well as individuals in accordance with their convenience. 18 number of villages located near the residence of the interns were selected. The interns chose to work on the internship on their respective villages.

Total number of students registered: 60

Number of villages covered: 18

Invested time: 1950 hours approx.

Involvement of people: 3600

**Villages covered :**

1. Bura Buri, Sadiya.
2. Borbil No.3, Notun Gaon, Digboi.
3. Pathar Basti, Borbil No.1, Digboi.
4. Balijan , Digboi.
5. Golai No.3, Digboi.
6. 1No. Brmua, Doomdoma.
7. Barahmajan, Pengree.
8. Pengree Garh NC, Pangree.
9. Daisajan TE, Doomdoma.
10. Munkung Pathar.
11. Botani Gaon, Makum.
12. Dibrujan 1 No., Brahmajan.
13. Parbati Pur.
14. Malang Pathar.
15. Mankhua Gaon, Doomdoma.
16. Pengeree.
17. Pengree T.E.
18. Borjan, Digboi.

**Observations :**

After visiting the different selected villages by the interns it was observed that the most of the villages were economically under developed. Due to poor economic condition of the villages it create barriers for the infrastructural development of the village and hence they lack in




educational facilities, medical facilities, clean drinking water facilities, sanitary toilets , proper drainage system, waste management system, proper roadways and also they are cursed with bad or no electricity connection. Along with the bad infrastructural condition it was found that health of children in these villages gets affected frequently. Also the women and adolescents were unconscious about the care they required during the menstruation cycle. For some rural society or people even today in this 21st century periods is defined as a shameful part of women's life. The most unexpected scenario was the practice of open defecation. The survey conducted by the volunteers from their different respective villages portrayed them a schedule to progress for their working scheme.

**Initiatives :**

The interns after the collection of the aggregate survey report of their respective village proceeded to work with their prepared schedules. They took several initiatives for fruitful outcomes of those villages.

**The initiatives and schedules are as follows :**

**1. Door to door visits:** Door to door visits were conducted to collect accurate data of the households to avoid wrong assumptions and fake data. Also the door to door visits made the interactions smoother between the interns and the villagers.

**2. Awareness campaigns and interactions sessions:** The door to door surveys undertaken by the interns tended to target the behaviour of the villagers. Villagers were asked to gather in their nearby schools or in some appropriate public places where the interns organised awareness campaigns, which were monitored and headed by our Nodal Officer. The behaviour noted was being processed as a presentation which was later displayed by the interns with related examples mentioning the limitations and advantages required for development of their areas. The awareness campaigns were conducted keeping in mind the objectives of internship. The presentations displayed were described by the interns of that area followed by our Nodal officer, and interns of other areas to join them. Lectures were given to create a strong awareness among the people. Many screening of swachhta dramas, songs, short movies and to encourage and motivate them many videos on contributions of the volunteers' and people's of different places were shown.

Interactive sessions were also held so that they could speak their problems out and interact well. Women and adolescent girls attaining periods were given specials talks about the hygiene need to maintain during menstruation cycle. Also people were being taught about hand wash procedures, water filtration procedures, personal hygiene and clean environment.

**3. School level rallies, swachhta songs:** School level rallies were conducted to make the students as well as the villagers aware. Slogans and posters were displayed in the rally. Also swachhta songs were being taught to the school students.

**4. Waste collection drives and street cleanings:** The interns took the initiative to motivate the villagers by actions. They themselves got involved in collecting waste and cleaning the streets. Inspired by their works the villagers too joined them and helped out in their works.

**5. Contributions of the volunteers:** The interns took some small initiative to help the villagers by observing the poor economic conditions of the villagers. They collected affordable amounts among them and contributed hands of help to the villagers. They made eco-friendly bamboo dustbins and installed them on appropriate places. Pits for waste disposal were dug by the volunteers on some villages. Filters were provided to the households who couldn't afford it. Wall paintings were made in the appropriate places visible to the people so that they would remember about the Swachh Bharat Mission.

**Challenges faced :**

The common problem being faced was communication problem, language differentiation made small troubles which was tackled by cooperation. Also another hurdle was the lack of transportation in the villages made it difficult for the interns to travel, but they chose to walk along the muddy roads besides the paddy fields without stopping. Telecommunication too was a hurdle; it made them difficult to stay connected with the other interns. June and July "the months of rain", the harsh and unpredicted weather condition made a disturbing platform, it too was overcome.

**Outcomes :**

The works carried by the interns ended on 31st of July. The practical works later were presented in theoretical forms and the reports were being sent to the SBSI website. The pictures and videos of works of Digboi College which were captured during the internship were displayed in the social platforms ; YouTube links were shared and very soon it got viral all over the state. The works were highly praised and people were motivated by observing the works of Digboi College team. Very soon news from District Administration a[illegible]ved that Digboi College was at the leading team in the district. On 2nd of October on the Birth Anniversary of Mahatma Gandhi, Digboi College was awarded the 'Best College Award' towards Swachhta from Tinsukia District Water & Sanitation Committee. The outcome was fruitful for the hard workers.

**Field experience :**

By the end of July the interns ended up being an experienced analyser on cleanliness. They were on a high note of feeling community service for humanity. Accepting the challenges that came as a barrier during the internship proved that they would be a responsible future citizen who could hold on to save their future nation.

**Conclusion :**

The Swachh Bharat Summer Internship, 2018 , the 100 hour camp led our students to a platform where they refined their hidden qualities and the various aspects of the community service helped them to understand how to socially involve in promoting humanity. It was a project with full of practical as well as theoretical knowledge which developed the skills of our students. With the support of our respected Principal sir Dr. Dip Saika and our NSS Nodal Officer Mr. Rajib Rudra Tariang sir the team Digboi College finally succeed in receiving a colourful results with the phase " ACTION SPEAKS LOUDER THAN WORDS". ❑






*অনুবাদ*

(অনুদিত গল্প)

# আদাব

দীপেশ মণ্ডল
সহকাৰী অধ্যাপক, বংলা বিভাগ

শৰতৰ আগমনত চৌপাশে আনন্দৰ বেশ। কোনোবা পূজাৰ বস্তু কিনাত ব্যস্ত, আন কোনোবাই পৰবৰ আগমনলৈ চাই আছে। চাৰিওফালে আনন্দৰ বন্যা। হঠাৎ আজি তাৰ মাজতে কিবা এটা গণ্ডগোলক কেন্দ্ৰ কৰি ১৪৪ ধাৰা জাৰী হৈছে। মানুহৰ মাজত ঘৰলৈ ঘুৰি যোৱাকলৈ চিন্তা। কেনেকৈ ঘৰ পাবগৈ পাৰি। পৰিৱেশটো হঠাতেই যেন জোনাকৰ পৰা অমাৱস্যা হৈ পৰিছে। মানুহৰ মন ভয়ে গ্ৰাস কৰিছে। বিশ্বাসৰ মাজত অবিশ্বাস প্ৰকট হৈ উঠিছে। চাৰিওপাশে যেন শত্ৰুৰ আবিৰ্ভাৱ। কোনেও কাকো বিশ্বাসত ল'ব পৰা নাই। সাধাৰণ মানুহ দিকভ্ৰান্ত, পথভ্ৰষ্ট। পুলিচৰ টহল, ডাঙৰ-সৰু ৰাস্তাৰ মাজত পুলিচৰ গাড়ী-গোড়া পল্টনৰ দল। ঘোৰাৰ-পিঠিত ইফাল সিফাল কৰি ঘুৰি ফুৰিছে। মাজে মাজে গুলিৰ শব্দ, বাৰুদৰ গোন্ধে বতাহ দুষিত কৰিছে। ব্যস্ত চহৰ আজি যেন মহামাৰীৰ ৰোষত পৰিছে। কলিকতাৰ চিনাকী ছবি আজি হঠাৎ বদলি হৈ গল। পটুয়াতলিৰ গলিৰ ভিতৰেদি অলপ আগবাঢ়িলে বুঢ়ীগঙ্গা। সিটো গলিৰ মুখত পুলিচৰ ভ্যান। ঘোড়াৰ পিঠিত পুলিচ দেখি এজন মানুহে আশ্ৰয় ললে ডাষ্টবিনৰ পিছফালে। মানুহটো এজন সূতাকলৰ মজদুৰ। আজি শনিবাৰ। কাৰখানা বন্ধ হোৱাৰ বাবে ঘৰলৈ যোৱাৰ দিন। কিন্তু হঠাৎ হিন্দু-মুছলমানৰ গণ্ডগোলত চিনাকী চহৰখনে একেবাৰে অচিনাকী ৰূপ লৈছে। এই খবৰবোৰ ঘৰৰ মানুহৰ কানতো পৰিছে। যিমান সোনকালে পৰা যায় ঘৰ পাবগৈ লাগিব। ঘৰৰ মানুহে চিন্তা কৰিব। মাক, স্ত্ৰী, ল'ৰা-ছোৱালী চিন্তাত থাকিব।

ডাষ্টবিনৰ পিছফালে অপেক্ষা কৰি থাকোঁতে সি ভাবিলে কেতিয়া পুলিচ ইয়াৰ পৰা আতৰি যাব। মানুহ দেখিলেই গুলি কৰাৰ হুকুম। এই কথা ভাবিয়ে সূতাকলৰ মজদুৰজন ওলাব পৰা নাই। এক ঘন্টা, দুই ঘন্টা, তিনি ঘন্টা পাৰ হৈ গ'ল। লাহে লাহে দিনৰ পোহৰ অস্তমিত হৈছে, আন্ধাৰ হোৱাৰ আগতে ইয়াৰ পৰা যাব লাগিব। হঠাৎ ডাষ্টবিনটো কঁপি উঠিল। সূতাকলৰ মজদুৰজনে ভয় খালে। দেখিলে কুকুৰ। ডাষ্টবিনত খোৱা বস্তুৰ সন্ধানত আহিছে। অলপ সময়ৰ নিৰবতা। আকৌ ডাষ্টবিনটো কঁপি উঠিল। এইবাৰ সূতাকলৰ মজদুৰৰ গা শিয়ৰি উঠিল। কোনো অচিনাকী দুৰ্বৃত্তই বোধকৰো প্ৰান নাশৰ কাৰণে আন্ধাৰৰ সুযোগ লৈছে। মূৰ দাঙি এবাৰ চাবলৈ চেষ্টা কৰিলে। কিন্তু কাকো দেখি নাপালে। আকৌ অলপ সময়ৰ নিৰবতা। অলপ পাছতে অকৌ সূতাকলৰ মজদুৰজনে যেতিয়া মুৰ দাঙি চালে মানুহ এজন দেখা পালে। দুয়ো ডাষ্টবিনৰ পাছফালে লুকালে। এনে অৱস্থাতে দুয়ো কথা পাতিবলৈ ললে। আপোনাৰ ঘৰ ক'ত? কলৈ যাব আপুনি?



সূতাকলৰ মজদুৰৰ প্ৰশ্নত ইফালৰ পৰা কোনো উত্তৰ নাহিল। ইফালৰ পৰা প্ৰশ্ন কৰিলে, তুমি আগতে কোৱা, তোমাৰ ঘৰ ক'ত? সূতাকলৰ মজদুৰে ক'লে, 'তুমি কোৱা আগতে? আকৌ সুধিলে, 'তুমি কি কাম কৰা।'

এতিয়া সিফালৰ পৰা উত্তৰ আহিল, 'মই নাৱৰীয়া। নাৱৰীয়াই প্ৰশ্ন কৰিলে, 'তুমি কি কাম কৰা?'

সূতাকলৰ মজদুৰে উত্তৰ দিলে, 'মই সূতাকলৰ মজদুৰ। আকৌ চুপ্‌চাপ্। এনেকুৱা প্ৰশ্ন কোনেও কাকো সুধিব নোৱাৰে 'তুমি কোন জাতৰ।'

এতিয়া সূতাকলৰ মজদুৰে প্ৰশ্ন কৰিলে, 'তুমি ক'লৈ যাবা?'

নাৱৰীয়াই উত্তৰ দিলে, 'মই ঘৰলৈ যাম।

'তুমি'? নাৱৰীয়াই প্ৰশ্ন কৰিলে সূতাকলৰ মজদুৰক।

সূতাকলৰ মজদুৰে উত্তৰ দিলে, 'ঘৰলৈ যাম।'

আকৌ চুপ্‌চাপ্। অলপ সময় গ'ল। চাৰিওফালে পুলিচৰ গাড়ীৰ শব্দ আৰু গোৰ্া পল্টনৰ বুটৰ শব্দ। ক'ৰ পৰা যে কি হ'ল! এই অলপ সময়ৰ আগতে প্ৰতিদিনৰ নিচিনাকৈ দোকানত বহি আড্ডা, গল্প, ঘৰ সংসাৰৰ খবৰ হাঁহি-ধেমালী। হঠাৎ শুনা গ'ল হিন্দু-মুছলমানৰ কাজিয়া। দেশখন যে কি হ'ল! সূতাকলৰ মজদুৰ আৰু নাৱৰীয়াই চিন্তা কৰি থাকে। হঠাৎ সূতাকলৰ মজদুৰে নাৱৰীয়াক সুধিলে, 'বিড়ি খাবা?' নাৱৰীয়াই উত্তৰ দিলে, 'দিয়া'।

সূতাকলৰ মজদুৰে পকেটৰ পৰা জুইশলাটো উলিয়াই জলাবলৈ চেষ্টা কৰিলেও ঘামত ভিজি যোৱা পকেটত থাকি জুইশলাটো তিতি গৈছে। জলাব পৰা নাই। নাৱৰীয়াই অপেক্ষা কৰি থাকি, ধৈৰ্যাতীত হৈ ক'লে –'হেৰা মোক দিয়া, জ্বলাব পৰা নাই?'

নাৱৰীয়াই এবাৰ-দু'বাৰ চেষ্টা কৰাৰ পাছত ফস্‌কে জ্বলি উঠিল কাঠিটো আৰু তেতিয়াই সূতাকলৰ মজদুৰে নাৱৰীয়াৰ ডাঢ়ি খিনি দেখি পালে। সন্দেহে আৰু জটিল ৰূপ ধাৰণ কৰিলে। সূতাকলৰ মজদুৰ এইবাৰ ভীত-সন্ত্ৰস্ত হৈ পৰিল। সূতাকলৰ মজদুৰে নাৱৰীয়াক প্ৰশ্ন কৰিলে, 'তুমি মুছলমান?

নাৱৰীয়াই উত্তৰ দিলে – 'অ' লগে লগে ক'লে 'তো কি হ'ল?'

সূতাকলৰ মজদুৰে ক'লে, 'না-মানে।'

নাৱৰীয়াই ক'লে —''হেৰা আমি ঘৰলৈ যাব লাগে। এইবোৰ হিন্দু নে মুছলমান আমি নাজানো। এইবোৰ গণ্ডগোল লগাইছে দেশৰ নেতাসকলে। সেইবোৰ মানুহ নহয়, জানোৱাৰ। আমি হ'লো খাটি খোৱা মানুহ, আমি এইবোৰ জাতি-ধৰ্ম বুজি নাপাও। নেতাসকলে নিজৰ স্বাৰ্থৰ কাৰণে আজি আমাৰ মাজত কাজিয়া লগাব বিচাৰে। নেতাসকল মৰকগৈ।'' এইবাৰ সূতাকলৰ মজদুৰে অলপ ভৰসা পাই ক'লে, ''মইও একমত। সেইবোৰৰ কাৰণে আমি সাধাৰণ মানুহবোৰে কাজিয়া কৰো। সেইবোৰৰ মৰণ নহয় নেকি? সিহঁত মৰক। কি ধুনিয়াকৈ আমি একেলগে আছিলো, আজি কি এটা খবৰত একেলগে থকা আমিবোৰে বিশ্বাস কৰিব নোৱাৰা হ'লো।''

সূতাকলৰ মজদুৰে তথাপি নাৱৰীয়াক একেবাৰে বিশ্বাস কৰিব পৰা নাই। সুধিলে, 'হেৰা তোমাৰ মোনাত কি আছে?' বেলেগ কিবা নাই তো?'

নাৱৰীয়াই ক'লে, ''নাই হে, কাইলৈ আমাৰ পৰব। ল'ৰাৰ কাৰনে আৰু বিবিজানৰ কাৰণে কাপোৰ লৈছোঁ। সবে কাইলে চাঁদ চাম, বিবিজান আৰু মোৰ ল'ৰাই আনন্দ কৰিব, সিহঁতৰ কাৰণে কাপোৰ লৈছো। সিহঁতৰ সুখেই মোৰ সুখ। আজি ভাবিছিলোঁ সোনকালে ঘৰ পালে বিবিজান আৰু পোলাৰ মুখেৰে হাঁহি ফুটিব। ক'ৰ পৰা কিযে হ'ল? চাৰিও ফালে গুলিৰ শব্দ, বোমাৰ শব্দ। প্ৰানটো লৈ বিবি-পোলাৰ সাক্ষাৎ পালে বাছি যাও। সিহঁতি মোলৈ বাট চাই কিমান চিন্তা কৰি আছে নাজানো। দিনটো শেষ হ'লত ঘৰলৈ যাম বুলি সোনকালে ঘাটত নাও বান্ধি বজাৰলৈ আহিছিলো। ক'ৰ পৰা কি খবৰ ওলালে, চাৰিওফালে মানুহৰ দৌৰা-দৌৰি আৰু বোমা-গুলিৰ শব্দ, লগে লগে চাৰিওফালে জন-মানৰ শূন্য হৈ এটা বিভীষিকাময় পৰিৱেশ সৃষ্টি হ'ল। হয়তো এইক্ষনত মোৰ নাওখনো বেটাৰা খুলি নদীত ডুবাই দিছে। সিহঁতক আল্লাইও ক্ষমা নকৰে।

নাৱৰীয়াই সূতাকলৰ মজদুৰক সুধিলে, 'তোমাৰ বেগত কি আছে?' কাপোৰৰ বাহিৰে একো নাই।' চোৱা বুলি বেগটো খুলি দেখুৱাই দিলে।

লাহে লাহে অলপ হ'লেও ইজনে সিজনক বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছে। ইজনে সিজনৰ পৰিয়ালৰ সুখ-দুখৰ চিন্তা কৰিছে। এনেকুৱা পৰিস্থিতিত ঘৰ-সংসাৰৰ কথা চিন্তা কৰি ঘৰলৈ যোৱাৰ চিন্তাত দুয়োকে চিন্তিত কৰি তুলিছে।

এইবাৰ সূতাকলৰ মজদুৰে নাৱৰীয়াক সুধিলে, 'তোমাৰ ঘৰ কত নাৱৰীয়া?'

নাৱৰীয়াই উত্তৰ দিলে, 'বুঢ়ীগঙ্গাৰ সিপাৰে।'

নাৱৰীয়াই সূতাকলৰ মজদুৰক সুধিলে, 'তোমাৰ ঘৰ?'

সূতাকলৰ মজদুৰে উত্তৰ দিলে, 'নিতাইপুৰ'।

আকৌ স্তব্ধতা, চৌপাশে কুকুৰৰ মাত। পৰিৱেশে আৰু বেছি ভয়ংকৰ ৰূপ গ্ৰহণ কৰিছে। মাজে মাজে পুলিচৰ

হুইচেলৰ শব্দই দুয়োজনৰ বুকুত ভয়ৰ সঞ্চাৰ কৰিছে। সন্ধ্যাৰ পিছত প্ৰায় দুঘন্টা এনেকৈয়ে গ'ল। কোনেও স্থিৰ কৰিব পৰা নাই কেনেকৈ ঘৰলৈ যাব।

সূতাকলৰ মজদুৰে নাৱৰীয়াক সুধিলে, 'নাৱৰীয়া ইমান ৰাতি তুমি কেনেকৈ ঘৰ পাবাগৈ? তাতকৈ ক'ৰবাত ৰাতিটো থাকি কালিলৈ ৰাতিপুৱা যাবা। যি পৰিস্থিতি দেখিছো আজি যোৱাটো উচিত নহ'ব।'

নাৱৰীয়াই প্ৰত্যুত্তৰত ক'লে, 'যিমান ৰাতি নহওক লাগে আজিয়ে ঘৰলৈ যাবই লাগিব।ঘৰত সকলোৱে মোলৈ বাট চাই থাকিব।কাইলে বিবিজানে মোৰ বুকুৰ মাজত বৈ পৰবৰ চাঁদ চাব, বহুত আশা কৰি বৈ থাকিব, যাবই লাগিব। চাৰিআলিৰ পৰা পুলিচ কেইটা গলেই মই যাম। এবাৰ গলিৰ মুখলৈ সোমাব পাৰিলেই বুঢ়ীগঙ্গা, নাও নাপালেও সাঁতুৰি পাৰ হৈ যাম।' সূতাকলৰ মজদুৰে নাৱৰীয়াৰ কথাত বাধা দিব পৰা নাই। মাত্ৰ নাৱৰীয়াৰ মঙ্গল কামনাত ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাই ক'লে, নাৱৰীয়াই যেন ভালকৈ নিজৰ বিবিজান আৰু ল'ৰা–ছোৱালীৰ ওচৰ পাবগৈ পাৰে। অলপ পাছত ঘোড়াৰ পিঠিত ইংৰাজ গোঢ়া সৈন্যৰ দল গলিটোৰ মুখেদি বাঁওফালে ভিতৰলৈ সোমাই যোৱাৰ লগে লগে চাৰিআলিৰ পুলিচকেইটাও গুচি গল। নাৱৰীয়া আৰু সূতাকলৰ মজদুৰে ইফালে সিফালে চাই আৰু দুয়ো অলপ আগুৱাই গৈ এটা গলিৰ ভিতৰলৈ সোমাই গল। গলিৰ ভিতৰত অলপ সময় থাকিল সুযোগৰ অপেক্ষাত। আকৌ কেইজনমান পুলিচৰ ভৰিৰ শব্দ। হুইচেল বজাই কিবা ইঙ্গিত দি গুচি গল।

নিস্তব্ধ পৰিৱেশ। ৰাস্তাত কোনো মানুহৰ দেখা দেখি নাই। চহৰখন যেন শ্মশানত পৰিণত হৈছে। যি ৰাস্তা মানুহৰ ব্যস্ততাৰে ভৰপূৰ সেই ৰাস্তা আজি নিস্তব্ধ।

এবাৰত এটা সুযোগ আহিল। কামত লগাব নোৱাৰিলে আকৌ সুযোগ নাহিব পাৰে।

নাৱৰীয়া সুযোগৰ অপেক্ষাত আছিল। এইবাৰ বিদায় লবই লাগিব। নাৱৰীয়াই যোৱাৰ আগে আগে সূতাকলৰ মজদুৰক সাবটি ধৰিলে। দুয়োৰে মাজৰ বন্ধুত্ব কেতিয়াও পাহৰিব নোৱাৰিব বুলি অশ্ৰুপূৰ্ন নয়নেৰে বিদায় লোৱাৰ আগতে নাৱৰীয়াই জনালে, 'আদাব'।

সূতাকলৰ মজদুৰেও ক'লে, 'আদাব'।

নাৱৰীয়াই হঠাৎ দৌৰ মাৰি গলিৰ ভিতৰলৈ সোমাবলৈ চেষ্টা কৰিলে।

সূতাকলৰ মজদুৰে শুনি পালে পুলিচৰ হুইচেলৰ শব্দ আৰু লগে লগে বন্দুকৰ শব্দ। সূতাকলৰ মজদুৰে চকু মুদিলে। অলপ দূৰত ৰাস্তাৰ ওপৰত এটি মানুহৰ দেহ লুটি খাই পৰিছে। নাৱৰীয়াৰ ঘৰলৈ যোৱা নহ'ল।

সূতাকলৰ মজদুৰৰ চকু সেমেকি উঠিল। নাৱৰীয়াৰ কথা মনত পৰিল। আশা কৰিছিল আজি পৰবৰ দিন পৰিয়ালৰ লগত ফূৰ্তি কৰিব। বিবিজানে তেওঁৰ বুকুত সোমাই আল্লাৰ ওচৰত প্ৰাৰ্থনা জনাব, কিন্তু এই পৃথিৱী, এই ৰাজনীতি, এই চয়তানৰ দলে তেওঁৰ এইবোৰ কাঢ়ি লৈ গ'ল। ভগবানে কেতিয়াও ইহঁতক ক্ষমা নকৰে। সূতাকলৰ মজদুৰৰ কানত নাৱৰীয়াৰ মুখৰ এটা শব্দ বহু সময়লৈকে বাজি থাকিল 'আদাব'। ❑

(গল্পটো সমৰেশ বসুৰ 'আদাব' গল্পটোৰ আধাৰত অনুবাদ কৰিবলৈ চেষ্টা কৰিলো যদিও হুবহু অনুবাদিত নকৰি নিজৰ কল্পনাৰ দুই এটা মিশ্ৰণ থাকিল, ভুল হ'লে ক্ষমা প্ৰাৰ্থনা – লেখক)

মানুহে যিমান কিতাপ পঢ়িবলৈ শিকে সিমানে ভাবিবলৈ শিকে।

– জৱাহৰলাল নেহৰু

অনুভৱ-অনুষংগ

# A TOAST TO ALL THE MOTHERS



✍ **Sneha Gogoi**
Asstt. Prof, Dept. of Education

Each mother is the God's gift to their children without whom we would be a radarless ship moving aimlessly along with the tide. A mother is a selfless loving human who sacrifices many of their wants and needs to satisfy the needs of their children. Mother's love is a feeling, something which requires unlimited words to explain because it is as deep as an ocean .

I often go through post pictures , write-ups etc. dedicating to the parents by their children on Facebook, or any other social site. Parents do mean a lot to their children. They are precious, priceless and irreplaceable while going through the dedicated pictures and posts shared by my friends and acquaintances. I too feel the urge to do the same but some uncanny feeling prevents me from doing so.

But deep down inside I always had this constant propensity to pen down the feelings and emotions child can have for their mother.

In, my case as a single parent my mother has given her best to make our(including my brother as well) lives full of roses but at the same time prepared us very well to overcome the thorns of our lives bravely .

I very well know the fact that I am no exception of having a single parent. Many of us are like me and understand the difficulties and hardship of having one. But what I want to focus here is how a woman can become a Hero of the family amidst agony, affliction and misery. Taking care and looking after the children single handedly is not a walk in a park. It requires immense strength and sacrifice to face the obstacles and raising up a child. There is nothing that a woman cannot do. In a very fragile situation, my mother stood up head strong to provide us with a quality life. And I know every mother would do that for her children.

We should give special thanks to the women who are raising children on their own. And lets vow to do more to support them everyday. I have personally witnessed the challenges my mother went through to raise us up. "To move ahead in life along with the grief and to make up for the loss of the other parent when it comes to the children takes a lot." It's like you can't slip out of the invisible white Saree that the society drapes on you. The pitiful glances fails to acknowledge the very strength required to wake up, smile and lead a joyful and independent life"!

We need to understand that it takes a community to raise children and that so many of our single mothers need and deserve a much more supportive community.

A woman, no matter how hard it is can achieve victory and can mould herself up to play any role to perfection as demanded by the society or life. But with a more supportive, secure, loving and co-operating society, family and community our mothers would no longer feel helpless and insecure.

However the unfortunate circumstance of being a single parent that has to worry about is the issue of social balances, financial hardships and the child behaviour is one tough cookie to swallow.

Therefore, we as daughters and sons can play the best role to fulfill the desires and needs of our parents which once they sacrificed for us to make us what we are today. Let's gift a better life to them as they wished the same for us. ❑

# এজাহাৰ ঃ মোৰ মনৰ কথাৰে

প্ৰজ্ঞানজ্যোতি কাত্যায়ণ
স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

'মই', মই আনৰ অভাজন, এই পৃথিৱীৰ বোজা। মোৰ এই পৃথিৱীখন বোলে ধ্বংসমুখী। সেয়ে, পৃথিৱীখনক ধ্বংসৰ মুখলৈ ঠেলি দিয়াত মোৰো হাত আছে। তথাপিও যিমান দূৰ সম্ভৱঃ মই এনে দুঃকাৰ্য্যৰ পৰা আঁতৰি থাকিব বিচাৰো। সেয়েহে মোৰ প্ৰায় লগবোৰ নোহোৱা হৈ পৰিছে। আনৰ বাবে কামোৰ সদৃশ হৈ পৰিছো।

বৰ্তমানে মই আৰু মোৰ মনটো এটা এলাৰ্জি জনিত ৰোগত ভুগি আছো। মোৰ এলাৰ্জিটো হ'ল বৰ্তমানৰ সমাজব্যৱস্থা আৰু এই সমাজব্যৱস্থাক এনে ৰূপ দিয়া সেই সকলৰ ওপৰত। অৱশ্যে মই মোৰ এই এলাৰ্জি ৰোগ নিৰাময়ৰ বাবে ডাক্তৰৰ পৰামৰ্শমৰ্মে সৰ্বত্ৰে চেষ্টা চলাই আছো।

মোৰ আচলতে চৰাই হৈ গোটেইবোৰ উৰিবলৈ মন। পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰ ফুৰিবলৈ মন। বৰ্তমান সময়ৰ লগত খোজ মিলাই বৰ্তমানৰ উদ্ভাৱন সমূহক চুই চাবলৈ মন। শান্তিৰ সমাৱেশত স্থিতি ল'বলৈ মন। কিন্তু বৰ্তমানে মোৰ ডেউকাৰ পাখিবোৰ কাটি পেলাই মোক পথভ্ৰষ্ট কৰিব বিচাৰিছে। তাৰবাবে মই তৃতীয় বিশ্বযুদ্ধ ঘোষণা কৰি হ'লেও চিকাৰীৰ কাঁড়ৰ পৰা বাচি বহুদূৰ উৰি যাব লাগিব।

মই আচলতে হাঁহি ভাল পাওঁ। আনক হঁহুৱাই ভাল পাওঁ। আনক হঁহুৱাবলৈ যদি মই কিবা বান্দৰামি কৰিব লগাও হয়, মোৰ আপত্তি নাই। বিষাদক হাঁহিলৈ ৰূপান্তৰ কৰাৰ মজাই যে বেলেগ। ইও যে এক পুণ্যৰ কাম। হাঁহি এক প্ৰকাৰৰ ব্যায়াম। হাঁহি সুখৰ উৎস স্বৰূপ। আনে মন পাতল কৰিবলৈ চিগাৰেটৰ ধোঁৱা ব্যৱহাৰ কৰে, মই হাঁহিক ব্যৱহাৰ কৰোঁ।

আজিৰ প্ৰজন্মই চিগাৰেট, গোটখা খায়। গোটখা, চিগাৰেটৰ পেকেটত লিখি দিয়া থাকে যে এইবোৰ স্বাস্থ্যৰ বাবে হানিকাৰক, ইয়াক সেৱন কৰিলে কেঞ্চাৰ হয়। তথাপিও মানুহে এইবোৰ খায়। এইটো সেৱনে নিজৰ লগতে আনৰো জীৱনলৈ যন্ত্ৰণা কঢ়িয়াই আনে। এই চিগাৰেট, গোট্‌খা আদি মাদক দ্ৰব্য সেৱনৰ আঁৰত কি আছে? এইবোৰৰ সেৱনে বোলে মানুহৰ মন পাতল কৰে, চিন্তা দূৰ কৰে। মনলৈ শান্তি আনিবলৈ এইবোৰৰ সেৱনেই বোলে উত্তম মাধ্যম। এইবোৰে মনলৈ ইমানেই শান্তি আনে যে তাৰ তুলনাত কেঞ্চাৰ বেমাৰো একো নহয়। আজিৰ প্ৰজন্মই এইবোৰ সেৱন কৰাৰ উপৰিও সমাজৰ বহুতো গণ্য-মান্য শিক্ষিত ব্যক্তিয়ে এইবোৰ সেৱন কৰা মোৰ পৰিলক্ষিত হৈছে। এইসমূহ লাজৰ বিষয় নহয়নে? মোৰ দৃষ্টিত এইবোৰ আচলতে মুখৰোচক, বেছিকৈ সেৱন কৰিলে নিচা আৰু শেষত এইবোৰেই কাল হয়গৈ। কথাতেই কোৱা হয়, প্ৰথমতে মানুহে চিগাৰেট, গুট্‌খা খায়, আৰু পিছত চিগাৰেট গুট্‌খাই মানুহক খায়। সেয়েহে এইবোৰৰ পৰা আঁতৰি থকাই উচিত কাম।

বৰ্তমানে এটা নৱজাতক বা কেঁচুৱাই মোবাইল পোহৰৰ প্ৰতিহে আকৰ্ষিত হয়। ইওঁ যে বিজ্ঞান তথা আধুনিকতাৰ থল। বৰ্তমানৰ বুঢ়া-মেথাবোৰ ইপুৰীলৈ যোৱাৰ পাছত বৈজ্ঞানিকতাই ৰাজত্ব কৰিব যেন পাওঁ। বৰ্তমানৰ সময়ছোৱাত অতীজৰে পৰা প্ৰচলিত ঐতিহ্য-পৰম্পৰা, নীতি-নিয়ম সমূহ সময়ৰ লগত খাপ-খোৱাকৈ তৈয়াৰ কৰি ল'ব নোৱাৰিলে বা এৰা-ধৰাৰ মাজেৰে নচলিলে বৰ্তমানত তথা ভৱিষ্যতত ইয়াৰ গত্যন্তৰ নাই। অৱশ্যে অন্ধবিশ্বাসবোৰ সমাজৰ পৰা আঁতৰ হ'ব, সেয়া হ'লে সঁচা।

মোৰ খং উঠে, আজিৰ সমাজৰ শিক্ষকৰ সঠিক দৰ-দাম নোহোৱাৰ বাবে। আজিৰ যুগত শিক্ষক দুই প্ৰকাৰৰ। এজন হৈছে গেলামাল দোকানৰ বহু দামী বাচমতি চাউল আৰু আনবিধ সেই একেইখন দোকানৰে কম দামী সস্তীয়া

চাউল। দামী বা সস্তীয়া দুয়োবিধেই মানুহৰ ভোক গোচায়। কিন্তু বাচমতি চাউল কেৱল সমাজৰ ধনী সকলৰ বাবেহে। সেইদৰে শিক্ষকসকল হৈছে আমাৰ জ্ঞান দিওঁতা ভগৱান স্বৰূপ। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সকলৰ পৰা মহাবিদ্যালয়ৰ প্ৰবক্তা সকললৈকে সকলোৱে আমাক জ্ঞান দিয়ে। জ্ঞান প্ৰদানৰ ক্ষেত্ৰত উচ্চ-নিম্ন বুলি ভাগ-বতৰা হোৱাটো ভাল জানো? মোৰ দৃষ্টিত প্ৰাথমিক স্তৰৰ জ্ঞান দাতা শিক্ষকসকলৰ পৰিশ্ৰম অধিক কিন্তু পাৰিশ্ৰমিকহে অতি নগণ্য। এই ক্ষেত্ৰত অন্য স্তৰৰ শিক্ষকসকলে অধিক বিলাসিতাৰ জীৱন অতিবাহিত কৰি আছে। পৰ্য্যায় হিচাপে এনে শিক্ষক সকলৰ গুণ, পদমৰ্যাদা উচ্চ যদিও অ, আ, ক, খ শিকোৱা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰো গুৰুত্ব অপৰিসীম। উচ্চ স্তৰৰ শিক্ষকৰ বিলাসিতাৰ আঁৰত এনে প্ৰাথমিক বিদ্যালয়ৰে শিক্ষকৰ কষ্ট অপৰিসীম। কিয়নো এখন মহাবিদ্যালয়ত কৰ্মৰত কৰ্মচাৰীৰ পাৰিশ্ৰমিকৰ লগতহে প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষকৰ পাৰিশ্ৰমিক তুলনা কৰিব পাৰি। এয়াই হৈছে আজিৰ যুগৰ দুই ধৰণৰ শিক্ষকৰ পৰ্যায়। ইয়াৰ আঁৰত এই উচ্চতম কৰ্তৃপক্ষ আৰু বৰ্তমানৰ সমাজব্যৱস্থাই দায়ী নহয় জানো?

টকা! আজিৰ দিনত টকাই সকলো। টকাই আমেৰিকা, লণ্ডণ কি, মানুহৰ জীৱনটোকো নিয়ন্ত্ৰণ কৰিব পৰা হ'ল। বৰ্তমানৰ সমাজ ব্যৱস্থাত ভাল মানুহ বুলি ক'বলৈ গ'লে তেওঁলোকৰ মাহিলী ইনকামক বুজায়, মানুহজনৰ চৰিত্ৰক নুবুজায়। আৰু যদি কেনেবাকৈ সেই ভাল মানুহজন অপকৰ্মত লিপ্ত হৈ ধৰা পৰে, তেতিয়া তেওঁ তেওঁৰ টকাৰে সমাজত তেওঁৰ হেৰাই যোৱা সন্মানখিনিও ক্ৰয় কৰি লয়।

সাধাৰণতে মহাবিদ্যালয় এখনত ছাত্ৰ-ছাত্ৰী সকলক মোবাইল ফোনৰ ব্যৱহাৰৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হয় আৰু ই অতি প্ৰয়োজনীয়ও। কিয়নো আজিকালি ছাত্ৰ-ছাত্ৰীয়ে মোবাইল ফোনত বেছিকৈ সময় দিয়ে তথা অন্যান্য প্ৰয়োজনীয় কাম-কাজসমূহ সমাপন কৰাত পিছ হোহুকিব লগা হয়। কিন্তু সেই একেইখন মহাবিদ্যালয়তে, প্ৰবক্তা এজনে শ্ৰেণীকোঠাত পাঠদান কাৰ্য্য চলাই থকা অৱস্থাত হঠাৎ প্ৰবক্তাজনৰ মোবাইল ফোনটো বাজি উঠে। সেয়া জানো নীতিসংগত হ'ব? আচলতে এয়াই বৰ্তমানৰ সমাজব্যৱস্থা আৰু এনেদৰেই সমাজখন চলি আছে।

মানুহ মাত্ৰেই ভুল। ভুল সকলোৱে কৰে। ময়ো কৰো। ভুলৰ শুধৰণিও থাকে আৰু ভুল কৰাৰ শাস্তিও থাকে। মনলৈ বিভ্ৰান্তি বা দোমোজা আহিলেই ভুলৰ সৃষ্টি হয়। কিছুমান ভুলে ব্যক্তিক সমাজত কলংকৰ উপাধি প্ৰদান কৰে। শিক্ষিত আৰু অশিক্ষিত সকলোৱে ভুল কৰে। বহু সময়ত শিক্ষিত সকলৰ ভুলৰ ভোগ অশিক্ষিত সকলেই কৰিব লাগে।

মনোৰঞ্জন! মোৰ মনটোক এতিয়া কেৱল মনোৰঞ্জনহে লাগে। সেয়েহে মনোৰঞ্জনৰ কাৰণে মই যি কোনো কামেই কৰিবলৈ ইচ্ছুক হৈ থাকো। আচলতে মনোৰঞ্জনেই এতিয়া মোৰ মনটোক শান্তি দিয়ে, সুখ দিয়ে। আৰু এনে ধৰণৰ কৰ্মৰ প্ৰতি থকা উদ্যম আৰু হেঁপাহৰ আঁৰত আছে মোৰ সেই মনৰ মনোৰঞ্জন আৰু মোক সহযোগিতা কৰা মোৰ বন্ধু-বান্ধৱীসকল আৰু এই সমাজব্যৱস্থা। ❑



# তোমাৰ অবিহনে সুখী মই

হীনা আহমেদ
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)



কেতিয়াবা অকলশৰে বহিবলৈ মন যায়। নিজৰ স'তে কেৱল নিজৰ স'তে কিছুসময় কটাবৰ মন যায়। কোনেও নেদেখাকৈ, কোনেও নজনাকৈ, কাকো নমতাকৈ, আঁতৰাই পেলাবলৈ মন যায় কৃত্ৰিম হাঁহিৰ এই মুখাখন। কোনোবা নৈৰ পাৰত অথবা পাহাৰৰ ওপৰত বহি অন্তৰৰ কথা পাতিবলৈ মন যায়, নৈৰ নিৰ্মল পানীখিনিৰ সৈতে, নীলাভ আকাশখনৰ সৈতে, অৰণ্যৰ সেউজীৰ সৈতে আৰু এই চৰাইজাকৰ সৈতে। এতিয়া আৰু আগৰ দৰে অকলশৰীয়া অনুভৱ নকৰো। কিয়নো? মোৰ লগত আছে এতিয়া মোৰ নীৰৱতা, মোৰ নিঃসংগতা, বুকুৰ ধপ্‌ধপনি, নৈৰ কুলু কুলু শব্দ, মলয়াৰ মৃদু স্পৰ্শ আৰু মূৰৰ ওপৰত বিশাল পৰিধিহীন আকাশ। কেনেকৈনো অকলশৰীয়া বুলি কম মই নিজক? কেৱল তুমি নথকাৰ বাবেইনে! তুমি থাকোতেওতো মই উশাহ লৈছিলো, এতিয়া লৈছো। তুমি থাকোতেও মই জীয়াইছিলো, আৰু এতিয়াও জীয়াই আছো। কেৱল পাৰ্থক্যটো হ'ল তোমাৰ বাস্তৱিকতা। কিন্তু আজি যে তুমি মোৰ কাষত নাই, মইতো মৰি যোৱা নাই। আচলতে কি জানা, তুমিবিহীন এই দিন-ৰাতিবোৰত মই আগতকৈও বেছি সৌন্দৰ্য দেখিছো। আকাশখন যেন আৰু বেছি বিশাল আৰু নীলাভ দেখিছো য'ত তুমি নোহোৱাৰ সকলো দুখ মই মেলি দিছো, আৰু এই চৰাইজাকে এই দুখ মোৰ কাষৰ পৰা আঁতৰাই নিছে কোনোবা অজান দেশলৈ। সেয়ে মই আৰু সুখী হৈ পৰিছো। তোমাৰ স্মৃতিৰ বাবে নৈৰ নিৰ্মল পানীখিনিক আৰু উজ্জ্বল দেখিছো। এই বেলিটিয়ে যেন মোৰ দুগালত চুমা খাই তোমাৰ স্পৰ্শৰ ৰহন সানিছে। এই বতাহজাকে যেন মোৰ কাণত আহি তোমাৰ অশৰীৰী উপস্থিতিৰ ইংগিত দিছে। সেয়ে সুখী মই। তুমি কাষত নাথাকিলেও, সদায় মোৰ লগত। মোৰ প্ৰতিটো উশাহত, হৃদয়ৰ প্ৰত্যেক স্পন্দনত তোমাৰ উপস্থিতি। এই কোমল বতাহজাকত আছে তোমাৰ স্নিগ্ধ সৌৰভ। পুৱতিৰ নিয়ৰত দেখা পাইছো তোমাৰ মুখনি। এক অনাবিল আনন্দৰে এনেদৰেই প্ৰতিটো পুৱা মোৰ ভৰি পৰে। মাজ নিশাও অকলশৰে কোনোবা অচিন চৰাইৰ মাতত তোমাৰ কণ্ঠস্বৰ বিচাৰি ফুৰো। কিন্তু লগে লগে নৈঃ শব্দত বিলীন হৈ যায় সকলো। বাৰিষাৰ প্ৰথমজাক বৰষুণত তিতি তোমাৰ স্পৰ্শ অনুভৱ কৰোঁ। এনেদৰেই তুমি মোৰ কাষতে চিৰদিন। তুমিতো চাগৈ এতিয়া সুখী। তোমাৰ বাস্তৱিকতাৰ পৰা বহু দূৰৈত মই। এয়াইতো বিচাৰিছিলা তুমি। তোমাৰ প্ৰতিটো ক্ষণ সুখৰ হওঁক, তাৰ বাবেই তোমাৰ বাস্তৱৰপৰা সোঁৱৰণীৰ ৰাজ্যলৈ ঢাপলি মেলিলো। কিন্তু ইয়াত যে মই আগতকৈও সুখী। জানানে কিয়? কাৰণ ইয়াৰ বাসিন্দাবোৰ স্বাৰ্থপৰ নহয়, ইয়াত প্ৰতিদানৰ নীতি নাই। আছে কেৱল নিঃস্বাৰ্থ ভালপোৱা। এই ৰাজ্যৰ প্ৰত্যেক সম্পদে মোক তোমাৰ স্পৰ্শ দিয়ে। দিয়ে তোমাৰ আলিংগন আৰু সেয়ে তোমাৰ নামেৰেই নামাংকিত কৰিলো মোৰ কল্পনাৰ ৰাজ্য '.....'। ❑

# বিদায়

✍ সুভাষ চন্দ্ৰ দহোটীয়া
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)

দিনৰ পিছত দিন ধৰি কেনেকৈ বছৰবোৰ পাৰ হৈ গ'ল গমেই নাপালো। এই মহাবিদ্যালয়ত মোৰ প্ৰথম খোজ দিয়াৰ পৰা আজিলৈকে সকলো কথাই মনত আছে। এতিয়া আমাক তিনিটা আখৰে গঠিত এটা অতি বিষাদেৰে ভৰা শব্দ অৰ্থাৎ 'বিদায়' শব্দটিয়ে সকলোৰে চকুলো বোৱাইছে। এই বিদায় শব্দটি ইমানেই নিষ্ঠুৰ যে ই কাৰো দুখ মৰম বুজি নাপায়। এই 'বিদায়' শব্দটিক এদিন আমি সকলোৱে আদৰি ল'বই লাগিব। আমাৰ মহাবিদ্যালয়ৰ স্মৃতিবোৰ মোৰ হৃদয়ৰ এচুকত চিৰযুগমীয়া হৈ ৰ'ব। সকলো ছাৰ-বাইদেউৰ মৰম-চেনেহবোৰ আৰু মূৰত আশীৰ্বাদ লৈ আমি সদায় আগুৱাই যাব লাগিব। 'বিদায়' শব্দটি তিনিটা সামান্য আখৰৰ। এই শব্দটিক কোনেও আদৰি নোলোৱাকৈ থাকিব পৰা নাই। শিশুকালৰ পৰা আৰম্ভ কৰি বৃদ্ধকাললৈকে কোনোৱে ইয়াৰ পৰা সাত সাৰি থাকিব পৰা নাই আৰু ভৱিষ্যতলৈও নোৱাৰে। জন্মৰ পৰা মৰণৰ অৱস্থালৈকে একো একোজন ব্যক্তিক বিদায় দি অহাটো মানুহৰ প্ৰকৃতিৰ নিয়ম হৈ পৰিছে। বৰ্তমান এই বিদায় শব্দটি আমাৰ চাৰিওকাষে বিয়পি পৰিছে। বিদায় শব্দটিৰ এটা নিজস্ব ভূমিকা আছে। আমি বিদায় শব্দটি দুটা নিজস্ব অৱস্থাত ব্যৱহাৰ কৰিব লাগে। এটা হ'ল ছাত্ৰ-ছাত্ৰীৰ জীৱনত আৰু আনটো জীৱনৰ শেষ নিশ্বাসত। আমি ভৱিষ্যত গঢ়িবৰ বাবেই এই বিদায় শব্দটিয়ে দিয়া বিষাদ দুখ হৈ এই বিদ্যালয়/ মহাবিদ্যালয়বোৰ এৰি যাবই লাগিব। ছাৰ-বাইদেউকে আদি কৰি মোৰ ভণ্টী-ভাইটি আৰু বন্ধুসকলৰ মৰম-চেনেহ আশীৰ্বাদ লৈ বিদায় শব্দটিক গ্ৰহণ কৰি আমি এটা নতুন পথত খোজ দিবই লাগিব। সেয়েহে 'বিদায়' তোমাক জনাইছো প্ৰণাম। ❑



# Cleanliness

✍ **Alka Yadav**
B.Sc. 3rd sem

"Cleanliness" the term itself soothes our tongue, when pronounced. No doubt, everybody knows what the term cleanliness speeifies. Everybody knows how to clean, but not everybody does. Cleanliness is not just about to keep our body clean, but also about the surroundings of our mind and our heart. Streets have become the new dustbin and rivers have become the new canals. It's high time, we must learn and understand the concept of cleanliness. Our laziness leads to dirtiness, which is the home to diseases. Every now and then, we see waste collectors cleaning down the streets, canals, picking plastics etc. And then magicallly the clean street gets littered the very next day. And nobody else but we ourselves are resposible for this. The amount of litter we produce is disgusting. It has great affect on our surrounding, which eventually harms our physical and mental environment.



Cleanliness should be a habit. Cleanliness is not about posing with a broom, just to get a perfect picture. A person who is habituated to cleanliness is the most healthy person. And it is only possible if we take our individual resposibility towards cleanliness, to make our body, home and surrounding clean. A little change can bring a great difference and change starts from us.

"The more we litter, the more we will regret" ❑




# Aim in Life

✍ **Bishal Bhattacharjee**
B.Sc. 1st sem.

Every human being should have
"perfect aim in life"

Every human being should have a perfect aim in his/her life because if a person doesnot have perfect aim in his or her life then he/she cannot reach own destination or cannot achieve success in life. An aimless person is like a ship which has no radar. As like a radarless ship, it sails in water but it cannot reach its destination & it drifts in the mercy of waves. In the same sense, if a person does not have perfect aim or perfect goal in his/her life then he/she cannot achieve success in life.

In human life, their should be only one perfect aim and after achieving that, he/she should be satisfy with it. But if a person has more than one aim in his or her life then he/she never get success in his/her life & such aim are not termed as perfect or real aim. Perfect aim is always one and it doesnot changes with time. And this is the main reason, why people doesnot achieve success in life after making aim also. People make aim but their aim changes with the passig of time & so they don't achieve success in their life.

One more reason of not achieving success in life is 'lack of strong determination.' It is another major cause of failure in life. Sometime what happen, people use to make aim in their life but then also they does not achieve success because, they are not strongly determined to their aim & if they are not strongly determined to their aim then they easily get distracted from their aim which leads to failure.

So every person should have only one perfect aim in his or her life & also he/she should be strongly determined to their aim in order to achieve success. ❑

# LIFE AT COLLEGE : MY EXPERIENCE

✍ **Sweta Sharma**
B. Com. 3rd sem.

One of the most interesting stages in life that gives us an opportunity to explore is the college phase. Life at college is the time when we all drive deep into the ocean of new beginning and possiblities. This golden period better equips us for all the challenges we will face in life and creates a strong foundation of knowledge.

My experience at Digboi College has taught me one fundamental thing that life is unpredictable. It might be good it might be bad, it might be weired and it might not interest you, but expect anything to happen. For example we might have a wonderful job this moment and can be suddenly meet with an accident the very next moment. College life prepares us for all this. It is a perfect blend of joy and hardships. We meet different people and interact with them and we learn about their cultures. We will understand how to talk to different people. How to judge their behaviour thus helping us with important life skills.

We learn to sit through lectures try to cope up with the suprisingly elaborated syllabus and we have the opportunity to learn from some great research minds.

During my school life people tried to motivate me by telling me that we need to study only through our school years and chill during the college life but that isn't true. I felt this statement to be completely fake one when I attended my first class in my college.

Another life lesson that I learnt and will always remember is the learning never ends. I found many students groups where we can explore our co curricular skills along with many other students. Another interesting thing which taught me and I think is helpful for all the semester students is career counselling, which is presented by great intelligent persons . Here , we get to know about different career opportunity and options after competition of our bachelor degrees. It helps us to pave our way towards bright future.

Along with great academic experiences I can't forget about the friendships. The friendships we make in college life is the most important aspect. These people gives us strength and the time spent with our friends will always stay in our hearts

So one day when we will see pictures from colleges of us and our friends having a good time, we will definitely land up smiling silently. That's the beauty of college life. It stays with us long after we have climbed those ladders of success. Life at college is a wild mich-mash of experiences with all sorts of hilarious stuffs going down. ❑





# পথভ্ৰষ্ট

✍ মনোজ মৰাণ
স্নাতক তৃতীয় ষান্মাসিক (কলা)

হয়তো এজাক বৰষুণ দিব। ধূসৰ পৃথিৱীক গা ধোৱাব। সেউজী আই প্ৰাণময় হ'ব। জ্যোতিস্ময়ৰ গাৰ কাপোৰ ভিজাই তুলিব। কিন্তু তাৰ ধূলিময় মনটো কোনে ধোৱাব? বৰষুণ ভাল পোৱা জ্যোতিস্ময়ৰ বাবে আজি বৰষুণ অশান্তি হৈ পৰিছে। যেন শিলাবৃষ্টিহে পৰিছে। চুৰমাৰ কৰিছে জ্যোতিস্ময়ৰ দেহা। এই পৃথিৱীৰ পৰা হেৰাই যোৱাৰ হাবিয়াস জাগিছে। ডুব গৈছে অতীতৰ সেই দিনবোৰৰ স্মৃতিত। তৈল নগৰী ডিগবৈত পোৱা প্ৰথম জাক বৰষুণ। এজাক বৰষুণ আজিৰ দৰেই। ৰূপমৰ লগত আহি হীৰামণি বাছৰ পৰা নামিয়েই পোৱা বৰষুণ এজাক। ডিগবৈ মহাবিদ্যালয়ত নামভৰ্ত্তি কৰা দিনাই ইটাভাটাত এটা ৰুম ঠিক কৰি থৈ গৈছিল। প্ৰয়োজনীয় বস্তু কেইপদমান লৈ আহিছিল বাছতে। বৰষুণ জাকে কিছু বস্তু তিয়াই পেলাইছিল। ৰিক্সা এখনলৈ বস্তু কেইপদ উঠাই যেনে তেনে ৰুম পোৱালেগৈ। দিনটো বজাৰ সমাৰ কৰোঁতেই গ'ল।

ঘৰখনৰ আশা, নিজৰ সপোন বুকুত বান্ধি কলেজীয়া জীৱন আৰম্ভ কৰিবলৈ বুলি ওলাল। ৰুমৰ পৰা অলপ দূৰ গৈয়ে মেঘৰ গাজনি শুনিবলৈ পালে। হয়তো বৰষুণৰ আগমন। ছাতি এটাও লোৱা নহ'ল। ৰূপমে মাত ল'গালে -- ঐ "কি কৰিবি এতিয়া, বৰষুণ দিব।" জ্যোতিৰ স্পষ্ট উত্তৰ— "দেখা যাব।"

অলপ দূৰ যোৱাৰ পাছতে বৰষুণ। কি কৰিব, নকৰিব ভাবি দোকান এখনত সোমাল। বৰষুণ নেৰেহে নেৰে। বৈ বৈ আমনিও লাগিছে। এনেতে, দুজনী ছোৱালীয়ে দুটা ছাতি লৈ অহা দেখা পালে। জ্যোতিয়ে ক'লে —যি হয় হব, তই যাৱ নাই নাজনো, মই এতিয়া যাম। ৰূপমে ক'লে — কেনেকৈ যাবি?

জ্যোতি ঃ সৌ ছোৱালী দুজনী দেখিছ, দুটা ছাতি লৈ আহিছে।

ৰূপম ঃ অচিনাকী ছোৱালী দুজনীৰ লগত যাবি নেকি?

জ্যোতি ঃ উপায় নাই ভাই, কলেজৰ প্ৰথম দিনটো মিচ কৰিব নোৱাৰি।

দুয়ো ছোৱালীদুজনীৰ লগত জ্ঞানৰ পথ বিচাৰি মহাবিদ্যালয়লৈ গ'ল।

দিনটো ভালদৰে ক্লাচ কৰাই নহ'ল। শ্ৰেণীকোঠা সমূহ বিচাৰি ফুৰোতেই গ'ল। আকৌ আবতৰীয়া বৰষুণ জাক। দুয়ো ৰুমলৈ আহি খন্তেক জিৰালে। গধূলিহে দুয়োৰে কথা-বতৰা।

ৰূপমে ক'লে —ঐ তোৰ ক্লাচ কেনে গ'ল অ'।

জ্যোতি ঃ ভালে গ'ল দে।

ৰূপম ঃ কাৰোবাৰ লগত চিনাকী হলি নাই অ' তই?

জ্যোতি ঃ কিয় নহম! জীৱন, সীমান্ত, ৰুবুল, বাব্‌লী...।

ৰূপম ঃ বাবলী জনী কোন অ' ?

জ্যোতি ঃ কিয়! ছাতিৱালী।

ৰূপম ঃ অ' তই মানে চিনাকীও হলি।

জ্যোতি ঃ অকল চিনাকী হোৱাই নে! নাম্বাৰো ল'লো।

ৰূপম ঃ ৱাহ, ...। তই কম নহয় দেখোন। ক'ৰ হয়নো তাই।

জ্যোতি ঃ শদিয়াৰ হয়। কোনোবা P.G ত থাকে।

মজ্জা আছে কিন্তু দেই।

ৰূপম ঃ হয় নেকি! কিন্তু এটা কথা, প্ৰেমত নপৰিবি।

জ্যোতি ঃ দেখা যাব! প্ৰেমততো পৰো বুলি নপৰে।

ৰূপম ঃ চাঃ জ্যোতি, তোক আৰু মোক গাঁও খনে, ঘৰখনে কিমান আশা কৰে। কিমান কষ্টৰে আমাক পঢ়িবলৈ পঠাইছে।

জ্যোতি ঃ হ'ব-ৰূপম, তই অলপ সুবিধা পালেই লেক্‌চাৰ নিবিবি। তই পঢ় মই ভাত বনাম।

ৰূপমে ভাবিলে, কি যে হ'ব ইয়াৰ। একো এটাক চিৰিয়াছকে নলয়।

এদিন দুদিনকৈ দুটা মাহ গুচি গ'ল। জ্যোতিৰ বন্ধুৰ সংখ্যাও বাঢ়িল। তাৰ বাবে কলেজৰ অন্য আকৰ্ষণ হ'ল বাব্‌লী। কলেজত নিৰ্বাচনৰ বতাহ বলিছে। সেই বতাহে যেন কোবাইছে জ্যোতি ওৰফে জ্যোতিস্ময়ক। নিৰ্বাচনৰ প্ৰচাৰ কৰিবলৈ গৈ জ্যোতি ৰুমত ৰাতি দেৰিকৈ সোমায়। ৰূপমে মানা কৰে যদিও একো ফল ধৰা নাই। এদিন আহি সি বমিও কৰিছিল। নিৰ্বাচনৰ প্ৰচাৰত ঘূৰি ফুৰোতে সময় মতে নোখোৱাৰ বাবে হৈছে বুলি ভাবিছিল। কিন্তু উৰহিৰ উৰ পাছতেই ওলাল। এদিন ৰূপমে কলেজৰ পৰা আহি ঘৰলৈ যাবলৈ ওলাল। গাড়ী নাপাই ৰূপমে ৰুমলৈ ঘূৰি আহি দেখে কেইবাজনো বন্ধু আৰু জ্যোতিৰ ম'দৰ আড্ডা। ৰূপমে তেতিয়া একো নক'লে। এটা অনিচ্ছাকৃত হাঁহি মাৰি বজাৰৰ ফালে ওলাই গ'ল। গধূলি আহি ৰূপমে ভালকৈ বুজালে জ্যোতিক। জ্যোতিয়ে তলকা মাৰি বহি থাকিল। ৰূপমে ভাবিলে সি আৰু তেনেকুৱা ভুল নকৰিব চাগে। কিন্তু গৰুৰ আগত জানো টোকাৰী বজাই লাভ আছে? নিৰ্বাচনৰ প্ৰচাৰ কৰিবলৈ গৈ সদায় মাতাল হৈ আহে। ৰূপমে চিন্তা কৰিলে ঘৰত জনাই দিব নেকি? নাই অলপ চাই লওঁ, কিজানি নিৰ্বাচন শেষ হ'লে আৰু তেনেকুৱা নকৰিব। কিন্তু কি এয়া। নিৰ্বাচনৰ ইজন বন্ধু জয়ী বুলি এদিন, সিজন বন্ধু জয়ী বুলি পাৰ্টী কৰি মাতাল হৈ আহে। আহি আকৌ ম'বাইলত বাব্‌লীৰ লগত কি কথা পাতে জানো ইমান। কাজিয়া হোৱা যেন লাগে। এইবাৰো ৰূপমে ঘৰত জনাবলৈ ভাবিও কিন্তু নজনালে।

বেছি ওপৰলৈ উঠিলে এদিন তললৈ পৰিযোৱাৰ ভয় থাকে। জ্যোতিৰো তেনেকুৱাই হ'ল। নিৰ্বাচন, গাৰ্লফ্ৰেণ্ডৰ বাবে ল'ৰালিৰ বন্ধু ৰূপমক অলপো সময় দিব নোৱাৰা হ'ল। কিন্তু বন্ধুৰ আন্তৰিক জানো পৰাজয় কৰিব পাৰিব। বাব্‌লী এদিন আঁতৰি গ'ল জ্যোতিৰ জীৱনৰ পৰা। জ্যোতিয়ে বেছি ম'দ খোৱাৰ বাবেই নে, নিৰ্বাচনৰ প্ৰচাৰত ঘূৰোতে তাইক সময় দিব নোৱৰাৰ বাবে সেয়া বুজা নগ'ল। জ্যোতিয়ে বাব্‌লীক হেৰোৱাৰ বেজাৰত আৰু মদ খাব ধৰিলে।

সেইদিনা ৰাতিপুৱাই বৰষুণজাক দিছিল। আনদিনা ৮ বজালৈ শুই থকা জ্যোতি দেখোন আজি পুৱাতেই নাই। ক'ৰবালৈ ওলাই গ'ল বুলি ৰূপমে ভাবিলে। কিন্তু কলেজলৈ গৈহে গম পালে জ্যোতিয়ে মাতাল হৈ কলেজত বাব্‌লীক দম দিবলৈ গ'ল। কলেজত পৰিস্থিত উত্তপ্ত হৈ পৰিল। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ অধ্যক্ষ আহি পালে। জ্যোতিক মহাবিদ্যালয়ৰ পৰা এমাহৰ বাবে বহিষ্কাৰ কৰা হ'ল।

ৰূপমৰ মাততহে জ্যোতি বাস্তৱলৈ ঘূৰি আহিল। ৰূপমে ভাত খাবলৈ মাতি আছে। মাংস ৰান্ধিছে। তাৰ ৰূপমলৈ বেয়া লাগিল। সি যদি ৰূপমৰ কথা শুনিলেহেঁতেন তাৰ আজি এনে অৱস্থা নহ'লহেঁতেন। সি সলনি হ'ব নিজৰ বাবে নহ'লেও ৰূমপৰ বাবে, তাৰ ঘৰখনৰ কাৰণে, গাওঁখনৰ কাৰণে। ভিজাদেহাটো গামোচাৰে মচি লৈছে। ক্ৰমশঃ বৰষুণ জাক আতৰিছে। ৰূপমৰ মসৃণ মুখখন দেখি জ্যোতিৰ মনটো বতৰটোৰ দৰেই ফৰকাল হৈ পৰিল। □

উশাহ লৈ থকা মানেইতো জীয়াই থকা নহয়।

- মেথিউ



# জীৱন এক চাকনৈয়া

বিশ্বজিৎ গগৈ
স্নাতক চতুৰ্থ ষান্মাসিক (বিজ্ঞান)

কলেজৰ কৃষ্ণচূড়া জোপাৰ তলত বহি সিহঁত দুটাই হাতত তুলি ল'লে মাহেকীয়া আলোচনী দুখন। মিন্টুৱে গলগলীয়া মুখেৰে ক'লে ঐ নিবিৰ এইটো শুন ''বৰ্তমানৰ মাদকপ্ৰেমী''...

''চৰকাৰৰ গতি ঢাল খাব ধৰিছে বিপৰীত দিশে। চৌদিশে দুৰ্নীতি, ক'ৰবাত ধন আত্মসাৎ আকৌ ক'ৰবাত ৰাজনৈতিক নেতাৰ নাৰী কেলেংকাৰী।

''এতিয়া আহো মাদকতাৰ ৰসেৰে ৰাম নাম লোৱা কিশু যুৱকৰ কথালৈ। জীৱনটো ধ্বংস হোৱালৈ ভয় নাই সিহঁতৰ। মাথো মাদকতাত ডুবি মাতাল হৈ ঘূৰি ফুৰে। জীৱনৰ সুৰাপান কৰাৰ আগতে মাদকতাত বিভোৰ হোৱা এই যুৱক কেইজন বৰ বেছি বয়সীয়া নহয়'' — ''ঐ নিবিৰ যেন আমাক কোনোবাই আঙুলিয়াই কৈছে তেনেকুৱা লগা নাই নে? চাল্লা কুকুৰৰ কাম নাই আমি খাইছো তাৰ কি গৈছে তাৰ বাপেৰৰ পইছা নেকি?'' মিন্টুৰ কথালৈ কেৰেপ নকৰি নিবিৰে ক'লে, ''চুপ থাক পঢ়ি যা তই — মিন্টুৱে পঢ়িব ধৰিলে —

''প্ৰাপ্ত বয়স্ক হোৱা নাই যেনেই লাগে। ইহঁত হৈছে মোৰ কাল্পনিক চৰিত্ৰ। এতিয়া সমাজৰ এই কৰ্মত আজি উপদেশ দিয়াটো শুদ্ধ পথ নহয় বৰঞ্চ এই আধুনিকতাৰে Modern বুলোৱা পিলিঙা ডেকাহঁতক উপদেশ নালাগে শাৰিৰীক ভাৱে অত্যাচাৰহে চলাব। মোৰ বোধেৰে লগ সঙ্গই সকলোৰে ঘাই শিপা, ইহঁতক শুদ্ধ পথো সঙ্গেহে দেখুওৱাব পাৰিব। সমাজৰ চকুত ইহঁত পিশাচ, নৰাধম। জীৱনৰ প্ৰথম স্তৰৰ পৰীক্ষা মেট্ৰিক পাছ কৰাৰ লগে লগে হোটেলত গৈ দ্বিতীয় স্তৰৰ কিতাপৰ বোজা কঢ়িয়াব। গাঁৱলীয়া পৰিৱেশৰ পৰা চহৰীয়া হোৱাত সিহঁতৰ গাত চহৰীয়া বতাহ বলে। ব্যক্তিগত হোষ্টেলৰ কোনো নীতি–নিয়ম নোহোৱা সেঁতুখন পাৰ হোৱাত কষ্ট নোহোৱা অৱস্থাত হোষ্টেলৰ বাহিৰৰ কোনোৱে এখন বাৰত নাইবা বাইকৰ পাছফালে কোনোবা অপেশ্বৰীক লৈ Night club, park ত গৈ ডেটিং মাৰে। এইটো বয়সত ইহঁত মখা–মাদকতাৰ প্ৰতি আৰু বিপৰীত লিংগৰ প্ৰতি বেছিকৈ আকৰ্ষণ বোধ কৰে। এজন ভাল ল'ৰাও লগ–সঙ্গত পৰি কুকৰ্মত লিপ্ত হয়। মাদকতাৰে মত্ত হৈ পৰা যুৱকসকলেও কেতিয়াবা এজন ভদ্ৰলোকৰ দৰে আচৰণ কৰে। বাহিৰত কিছুমান যুৱকে নিজকে সুপৰিশীল যুৱক হিচাপে চিনাকী দিয়ে কিন্তু আজি সমাজৰ লাজৰ বিষয় যে এইচাম যুৱকো কোনোপধ্যেই কুকৰ্মৰ পৰা বিৰত নাথাকে। কিছুমান এনে যুৱক আছে সিহঁত যেন দিনত যুদ্ধ বিৰতি লয় আৰু ৰাতি হ'লে ফেঁচাৰ দৰে যুদ্ধলৈ পাতনি মেলে। এইয়া আজিৰ যগত স্বাভাৱিক। ''হ'ব বহুত পঢ়িলো। এইবোৰটো আমাকেই শুনাইছে চাল্লা কুকুৰে। কি নাম লিখকটোৰ? — এজন চিন্তাবিদ, অলকেশ্বৰ। চাল্লা বুঢ়াই লিখিছে। কাম নাই তাৰ যে পুতেক এটা আছে ৰাজ নে কি? সেইটো এটা কবিগিৰি দেখুওৱা দালালি হে। সাহিত্যক লৈ দম্ভ মৰা কুকুৰহঁত ইহঁতেই পৰাই মোৰ নিচিনা ল'ৰাক বেয়া কৰিছে'' মিন্টুৰ কথাৰ শেষত নিবিৰে ক'লে— ''চা মিন্টু, হয় আমি বেয়া বস্তু খাও, বাৰত যাও, কিন্তু ৰাজক বেয়া বুলি নকবি কাৰণ তাক মই লগ পাইছো। সি ইমান বেয়া নহয়। ল'ৰাটো মোৰ ভন্টীৰ লগৰ হয়।''

মিন্টু ''হ'ব, হ'ব তোৰ ভন্টীৰ লগৰ বুলি কৈছ, গম নাপাৰ নেকি, বাপেকৰ তেজ পুতেকৰ গাত থাকে। সিও যদি তোৰ ভন্টীক কিবা কিবা কৰি দিয়ে তেতিয়া? চা ৰাজক বিশ্বাস নকৰিবি, কৈ দিছো। মই এই সাহিত্যৰ পাল্লা ভাল নাপাও কৈ দিছো।''

নিবিৰ — (কিছু সময় মনে মনে থাকি ক'লে — ''হ'ব দে ব'ল বাৰু কেন্টিনলৈ যাও, কিবা এটা খাই লও, নতুন ল'ৰা ছোৱালীও চাব পাৰিবি।''

মিন্টুৱে হয়সূচক কথাৰে লগতে গ'ল। কলেজৰ যি অপূৰ্ব পৰিৱেশ সকলোকে চুই যায়। কাষেদি পাৰ হৈ যোৱা মেঘালীক চাই চাই ৰৈ যায় নিবিৰ। মেঘালী তাৰ ভনীয়েক নীলাৰ বান্ধৱী। ছোৱালীজনীক কোনোবাখিনিত ভাল লাগে নিবিৰৰ। এপলকৰ বাবে যেন হি তাইৰ খোজত, হাঁহিত মিলি যাব খোজে। মেঘালীৰ মেঘালী চুলিকোছাৰ গোন্ধটোৱে তাক আপ্লুত কৰি তোলে। কেন্টিনৰ সন্মুখত থকা ছাত্ৰ জিবনী কোঠালৈ মিন্টুৰ চকু গ'ল —

''উৰলি যাব ধৰিছে
সৌন্দৰ্যৰ আকাশখন
আৰু
জন্মৰ সাৰ্থকতা ...
কলিজাখন মৌ-ৰাহঁৰ দৰে হোৱা নাইতো?
চিগাৰেট খাই খাই
আৰু
গেলাগাল পী পী ...

—ৰাজ বৰগোহাঁই।

''ঐ চা চা ... ই কবিতা লিখি বিশ্ব জয় কৰিব আহিছে... চাল্লা। কি লিখিছে ... চিগাৰেট খাই খাই আৰু ... আৰু... গেলাগাল পী পী ... কটা নিধক ই আমাক ইনচান্ট কৰিব আহিছে। এইটো বুঢ়াৰ পুতেক নহয় জানো। ৰহ তাক Intro ত দিম। অসমীয়া বিভাগৰ নহয় জানো।''

যেন মিন্টুৰ মুখমণ্ডলত ফুটি উঠিছে প্ৰতিবাদ আৰু প্ৰতিশোধৰ অগ্নি। ৰালখনত আৰি থোৱা কবিতাটোৰ কবিজনে মিন্টুক যেন হিংসাৰ নিমন্ত্ৰণ দিছে। আৰু এই নিমন্ত্ৰণ সি প্ৰত্যাখ্যান কৰিব বিচৰা নাই । গোটেইটো লংকা জয় কৰিবলৈ যোৱা যেনহে লাগিছে, এসোপা বেসুৰীয়া কথাৰ প্ৰলেপ সানি।

আন এটা চৰিত্ৰই ভুমুকি মাৰিল সিহঁত দুটাৰ মাজলৈ ''ই ইয়াত কবিগিৰি দেখাই চাগে ছোৱালীক Impress কৰিব আহিছে। Class এটা কৰি লও ব'ল, ইয়াৰ পাছত বুঢ়াইহে পঢ়াব, নকৰো।'' —অশোকৰ কথাত দুয়োটা উঠি গ'ল।

''ওস ঃ ৰক্ষা'' মিন্টুৰ মুখেদি এটা হুমুনিয়াহ ওলাই আহিল আৰু গেটৰ সন্মুখৰ দোকানখনৰ পৰা চিগাৰেট এটা জ্বলাই ওলাই আহিল আৰু বাইকখন ষ্টাৰ্ট দি নিবিৰৰ লগত ওলাই গ'ল গেলেক্সি লৈ বুলি। ফাগুণৰ নাঙঠ গছবোৰৰ মাজে মাজে বতাহত সৰি পৰা শুকান পাতবোৰে গোটেই ৰাস্তাটো লুকুৱাই ধৰিছে । গছবোৰৰ মাজত পৰি থকা নিদ্ৰাত আছন্ন ৰাস্তাটো। আস! কি মনোৰম দৃশ্য! সময় এক বাজি পাৰ হৈছে ইতিমধ্যে। কলেজৰ পৰা টাউনলৈ যাবলৈ লাগে প্ৰায় বিছ মিনিটৰ সময়। লুকাই থকা কৃষ্ণচূড়াজুপিৰ অন্তিম পাতখিলাই খিলখিলাই হাঁহিছে সিহঁত দুটাক দেখি।

আজি তাইৰ জন্মদিন। গতিকে সুন্দৰ উপহাৰ দিব লাগিব। ৰাজে মাকক তাইৰ কথা ক'লে যে মাকৰ পিছতেই তাৰ বুকুৰ আপোন নীলাক্ষী। তাইৰ জন্মদিনত যাতে তাই এটা সুন্দৰ পুৰাৰ সৈতে ব'দালিৰ এটা আমেজভৰা হাঁহি মাৰি থাকে সেই সময়লৈ অপেক্ষা কৰিলে। ৰাজে কবিতা লিখে গতিকে সি তাৰ কিছু ভাল লগা কবিতা নিজৰ কণ্ঠত ৰেকৰ্ড কৰিলে আৰু এখন চিডি ত বন্ধ কৰি তাইক দিলে। দিনটো ব্যস্ততাৰে পাৰ হ'ল। জন্মদিনৰ শুভেচ্ছাৰে ভৰপূৰ কৰি দিলে তাইৰ জীৱনটো। ৰাজৰ দেউতাকেও নীলাক্ষীক শুভেচ্ছা জনালে। কিন্তু নিবিৰ? সি জানো ভনীয়েকৰ জন্মদিন মনত ৰাখিছিল, নাই? সি নিজক ব্যস্ত ৰাখিয়েই পাৰ কৰিলে জীৱনটো।

হঠাৎ নিবিৰক খবৰ এটা দিলেহি ৰাজে। নীলাক্ষীয়ে কবলৈ কৈছে বোলে তাৰ দেউতাকৰ গাটো ভাল নহয়। গাঁৱলৈ যাব লাগে এতিয়াই। ৰাজে নিবিৰক নিজৰ গাড়ীত উঠাই ল'লে আৰু ক'লে ''নীলাক্ষী ৰাতিপুৱাই যাব লৈছিল তুমি খবৰ পোৱা বুলি। কিন্তু তোমাক কলেজত দেখা পাই তাই অলপ আগতে হোষ্টেলৰ পৰা গুছি গ'ল। ''মিন্টুৰ মগজুৱে কাম কৰা নাই ৰাজক সন্মুখত দেখা পাই, তাতে সি সহায় কৰিব আহিছে। উপায় নোহোৱাত সি ৰুমৰ দৰ্জা বন্ধ কৰি লগতে উঠিলে। টিক্ ... টিক্ ... টিক্... সময়বোৰ যেন স্তব্ধ হৈ যাব ধৰিছে। দেউতাকেই সিহঁতক ডাঙৰ কৰিছে। নিবিৰৰ দুচকুৱেদি একো যেন ধৰিবই পৰা নাই। কিছুসময়ৰ পিছত সিহঁত গৈ গুৱাহাটীৰে এখন উচ্চ শাৰীৰ হস্পিটেলত দেউতাকক ভৰ্তি কৰিলেহি। নিবিৰে একো কৰিব পৰা নাই। টকা পইছাৰ পৰা দেউতাকৰ চিকিৎসাৰ কথাবোৰ সকলো ৰাজে কৰি গৈছে মিন্টুৱেও তাত হতা উজান দিছে। এনিশা তেনেদৰেই গ'ল। লাহে লাহে মিন্টু আৰু নিবিৰৰ এটা গাঢ় সম্পৰ্ক হৈ উঠিল ৰাজৰ লগত। দুদিনৰ পিছত দেউতাক সুস্থ হৈ পৰিল। সিহঁত ব্যস্ত মহানগৰীত আৰু দেউতাক ব্যস্ত নিজৰ হেপাঁহৰ ঘৰখনৰ বাৰীত, পথাৰত সোণালী সোণগুটিৰ ৰঙৰ ফাঁকু খেলাত।

''মিন্টু আজি হেনো কলেজত প্ৰগ্ৰেম আছে যাবি নে? নিবিৰৰ কথাত সি ক'লে ''যাম কিন্তু ৰাজক একো নকবি'' মিন্টুৰ কণ্ঠত ভাহি উঠিল এটা নতুন স্বৰ য'ত বিচাৰি পোৱা যায় সহানুভূতি, দয়াশীল হৃদয়ৰ ভাৱনা। দুয়োটা ওলাই গ'ল বাইকত ধীৰে ধীৰে। আজি যেন দুয়োটা এক নতুন পৃথিৱীৰ পৰা আহিছে। আনকালে ৰাস্তাৰ কাষেদি যোৱা ছোৱালীবোৰক

অসভ্যালি কৰি যায়। কিন্তু আজি শান্ত সিহঁতৰ মন। নাই তেনে কোনো আকোৰা-পকোৰা বাইকৰ এটা উদণ্ড পৰিচয়। কলেজ গৈ পাই ৰাজক দেখি নিবিৰে মাত লগালে —আহিলা বুলি ৰাজৰ সৈতে কথা পাতি পাতি ক্লাছ ৰুম পালেগৈ। আৰম্ভ হ'ল এটি অনুষ্ঠান য'ত প্ৰথমবাৰলে নিবিৰ-মিন্টুৰ দৰে ল'ৰাই শান্তিৰ জখলাত বহি আছে। নাই কোনো অসভ্য চাৱনি নতুবা অসভ্য আচৰণ নাই সিহঁতৰ ধেমেলীয়া ইংগিত আছে ভদ্ৰতাৰ সাঁজ। মুখমণ্ডলত ফুটি উঠিছে বিনম্ৰতাৰ হাঁহি। আহি পৰিল চিনাকি পৰ্ব। নিজৰ চিনাকি দাঙি ধৰিলে দুয়োটাই। লাহে লাহে দিনটো পাৰ হ'ল। সময়ৰ তীব্য গতিত সিহঁত আগবাঢ়িল, আগবাঢ়িল নিৰ্দিষ্ট গতিত সিহঁতৰ জীৱন।

''ধৰ্ ধৰ্ ধৰ্ মিন্টু ভালকে ধৰ, পৰিব চাবি। মই গাড়ীখন আনিছো ৰ'' এইবুলি নিবিৰে গাড়ীখন লৈ ওলাল। ৰাজৰ দেউতাকৰ প্ৰেছাৰ ষ্ট্ৰক। কিন্তু ৰাজ ঘৰত নাই। সিহঁত দুটাই খবৰ পাই গুচি আহিল, সিহঁতৰ এসময়ৰ বুঢ়া আৰু সেইজন অনুৰাগী যাৰ কাৰ্য-কলাপত আজি সিহঁত নিজে সহায় কৰিবলৈ অহাত উৎসাহ পাইছে, তেওঁৰ দেউতাকক মেডিকেললৈ নিছে। ''খৰ-ধৰ কৰ নিবিৰ নহ'লে প্ৰেছাৰ ফাটি যাব।'' মিন্টুৰ কথাত নিবিৰে ৰাজৰ দেউতাকক গাড়ীত উঠাই নিলে। ইমাৰজেন্সি ৰুমত ডাক্তৰজনক পাই সিহঁতৰ মন ভৰি গ'ল। বাহিৰত সিহঁত দুটাৰ মনত গভীৰ চাপ যদি ৰাজৰ দেউতাক সুস্থ হৈ নপৰে। ইফালে ৰাজেও ফোন অফ কৰি থৈছে। সময়বোৰ পাৰ হৈ গৈছে লাহে লাহে ৰাজৰ দেউতাকে গভীৰ উশাহ ল'ব ধৰিছে। গধূলি হ'বৰ হ'ল। তেনে সময়তে নিবিৰৰ ফোনটো বাজি উঠিল। ম'বাইলৰ স্ক্ৰীনত চাই দেখে মেঘালীৰ নম্বৰ। এনে মূহুৰ্তত সি উচপ্ খাই উঠিল। সি মাত দিলে,''হেল্ল''... ইফালে নাৰীৰ কণ্ঠস্বৰ কিছু কন্দুনমুৱা, যেন মেঘালী নহয়। কিন্তু মেঘালীৰেটো হয় সেই কণ্ঠস্বৰ। কিন্তু তাইৰ মাতটো কিয় থুকা-থুকি। মেঘালীয়ে ক'লে 'নীলা ... নীলা ... আৰু নাই''... নিবিৰ অবাক, সি তলকিবই পৰা নাই হঠাৎ এইবোৰ কি শুনিছে! ইফালে ৰাজৰ দেউতাকৰ অৱস্থা বেয়া। সি যেন কান্দিবই পৰা নাই। তাৰ চকুলো যেন স্তব্ধ। আজি ৰুদ্ধ হৈ পৰিছে তাৰ কণ্ঠ। সি একো নোকোৱাকে ওলাই গ'ল হোষ্টেললৈ। গৈ দেখে ভনীয়েকৰ মৃতদেহ আকাশলংঘী হৈ ওলমি আছে ৰুমত। চাৰিওফালে নিস্তব্ধ। কেইটামান পুলিচ। সি শুনিবলৈ পালে কৰবাৰ পৰা ভাহি অহা এক কণ্ঠ ''কোন কাপুৰুষৰ জীয়েক, আনৰ ল'ৰাৰ বাবে এনে ঘৃণনীয় কাম কৰিছে, থু...ই।'' সি তলমুৰ কৰিলে মনত কিছুমান ছবি ভাঁহি আহিছে। সেইজনেই কাপুৰুষ নে যিজনে খেতি কৰি সিহঁতহালক ডাঙৰ কৰিলে, পঢ়োৱালে, দেউতা বুলি সম্বোধন কৰে। ভনীয়েকৰ মৃতদেহটো নমাই আনিলে। আৱিস্কাৰ হ'ল এখন বগা কাগজ য'ত লিখা আছে ... ''দাদা, ক্ষমা কৰিবি। মোৰ ধৈৰ্য নোহোৱা হ'ল। ৰাজ... ৰাজ বহুত ভাল। কিন্তু সি যে দেশৰ বাবে যে এখন মুক্তি যোদ্ধা হ'বলৈ ওলাই গ'ল দাদা। মোৰ প্ৰতিটো সময় দিছিলো। হয়, মই এতিয়া তহঁতৰ বাবে ঘৃণনীয় হ'লো। কিন্তু মই আৰু নোৱাৰিলো দাদা।''

চিঠিও নহয় এখন বগা কাগজত লিখা ৰুলা চেঁকা পৰা কথা মাথো। সি বহি পৰিল... দুচকুৰে চকুলো বাগৰি আহিল। যেন এখন গধুৰ পৃথিৱীৰ সি এজন চিন্তক হৈ পৰিছে। তাৰ যেন কোনো নাই জীৱনৰ বাট দেখুৱাবলৈ। লাহে লাহে সিও কঠোৰ হৈ পৰিছে। নিজক যেন অস্থিৰ মন এটালৈ পৰিৱৰ্ত্তন কৰিছে। ৰাজৰ কথাটো ভাৱি সি বেছিকৈ ভাবুক হৈ পৰিছে। ইপিনে মিন্টুৱে খবৰেই নেপায় নীলাক্ষীৰ কি হৈছে। সি ধীৰে ধীৰে মৃতদেহৰ কাষলৈ আগবাঢ়িল আৰু একেথৰে চাই থাকিল বগা কাপোৰেৰে ঢাকি ৰখা তাইৰ ৰাংঢালী দেহটোলৈ। পাছফালৰ পৰা যেন কোনোবাই তাৰ কান্ধত হাত থৈ তাক সান্তনা দিছে। সি চকুদুটা মুদি দিলে। □

খং নকৰিবা নিজৰে সৰ্বনাশ হ'ব। অহংকাৰ নকৰিবা পতন হ'ব, কাকো ঘৃণা নকৰিবা, নিজেও ঘৃণিত হ'বা, ফাঁকি নিদিবা, ফাঁকত পৰিবা।

—বিবেকানন্দ



# আশা

কংকনা বৰুৱা
স্নাতক তৃতীয় ষান্মাসিক (কলা)

চহৰ খনৰ এটা বিশেষস্থানত অৱস্থিত কলেজখনত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। এটা বিশেষ কাৰণত এই পৰিৱেশৰ সৃষ্টি হৈছে। কলেজখনৰ এদল ছাত্ৰ-ছাত্ৰীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ-সমাৰোহত অতি সুন্দৰ ফলাফল লৈ ঘূৰি আহিছে। সেই দলটোৰ মাজৰে এজন বিশেষ যুৱকে সকলোৰে দৃষ্টি আকৰ্ষন কৰিছে। যুৱকজনৰ নাম অম্লানজ্যোতি হাজৰিকা। অম্লানজ্যোতিয়ে বিশ্ববিদ্যালয়ৰ ভিতৰতে শ্ৰেষ্ঠ গায়কৰ খিতাপ অৰ্জন কৰিছে। কলেজৰ অধ্যক্ষাই সকলোকে সম্বৰ্ধনা জনালে। অম্লানক হিয়া উজাৰি প্ৰশংসা কৰিলে, কিন্তু সেই ল'ৰাটোৰ মুখত নাই কোনো আনন্দৰ চিন। তাৰ বুকুত যেন কিবা এটা ভয়ে বাহৰ পাতিছেহি। কলেজৰ আনুষ্ঠানিকতা শেষ কৰি অম্লানে লগৰ এজনক ক'লে ''আকাশ, বলছোন মোক বাছ ষ্টেছনত থৈ আহিবি, আইতাৰ স্বাস্থ্যটো বোলে বেয়া হৈ গৈ আছে। মই ঘৰলৈ যাওঁ'' আকাশে আহ বুলি কলত অম্লানে তাৰ মটৰ ছাইকেলৰ পাছফালে বহি ল'লে। সিহঁত দুয়োটা ষ্টেছনৰ ফালে গ'ল।

অম্লানৰ আজি মনটো বৰ দুখ লাগি আছে। সি যেন পায়ো একো পোৱা নাই। তাৰ বৰকৈ ঘৰলৈ মনত পৰিছে। মাকে যোৱা ৰাতি ফোন কৰি তাক কৈছিল পোনে পোনে ঘৰলৈ যাবলৈ, আইতাকে তাক বোলে চাবলৈ বৰ আশা কৰি আছে। দেউতাকেও মনটো বৰকৈ মাৰি থাকে। অম্লানে মাকক বহুত ভাল পায়। দেউতাকৰটো তাৰ খবৰ ল'বলৈ সময়ে নাই। ঘপহককৈ অম্লাণ অলপ হাউলি গ'ল। বাছ ষ্টেছন পাইছেহি ইতিমধ্যে। আকাশে ক'লে ''অই নাম নাম, পালোঁহি কিনো ভাবি থাক, মই আকৌ কলেজলৈ যাওঁ'' অম্লানে খৰধৰকৈ বাছখনত উঠিলেগৈ। অলপ পাছতে বাছখন হাতীমৰাৰ দিশে আগবাঢ়িল। 'হাতীমৰাৰ' বিখ্যাত ''হাজৰিকা'' পৰিয়ালৰ একমাত্ৰ সন্তান অম্লান। কালৰ গ্ৰাহত এতিয়া মাত্ৰ নামটোহে আছেগৈ। সকলো শেষ হৈ গ'ল। বংশীধৰ হাজৰিকাই সুদূৰ শিৱসাগৰৰ পৰা আহি এই অৰুণাচল সীমান্তৰ হাবি-জংঘলৰ মাজত বাঘ-ভালুকৰ মাজত থাকি ৰজাৰ দৰে যি সম্পত্তি গোটাইছিল। তাকে দেখি মানুহ অবাক হৈ পৰিছিল। সেই বংশৰ ল'ৰা অম্লানে অতি দৰিদ্ৰৰ দৰে দিন কটাব লগা হৈছে। বংশীধৰ হাজৰিকাৰ পত্নী মধুবালা হাজৰিকাও তেওঁ সহধৰ্মিনীৰ সকলো গুণ আছিল। তেওঁ লোকৰ দুজন পুত্ৰ-এজনী পুত্ৰী। পুত্ৰী আনৰ ধন, বিয়া দিলে। দুই পুত্ৰক তেওঁ সকলো আধুনিক সা-সুবিধাৰ ল'গে ল'গে অসম্ৰ সম্পত্তিৰ গৰাকী কৰিলে। কিন্তু তেওঁ এটা বৰ ডাঙৰ ভুল কৰিলে যিয়ে তেওঁৰ সন্মান ধূলীৰ লগত মিহলি কৰি দিলে। সেয়ে হ'ল তেওঁ নিজৰ পুত্ৰক শিক্ষাৰ পোহৰকণ দিব নোৱাৰিলে। তেওঁ নিজৰ পুত্ৰক বুকুৰ মাজৰ পৰা আতৰাই দূৰত শিক্ষা গ্ৰহণৰ বাবে পঠিয়াব নুখুজিলে। তেওঁৰ মতে ''মই 'ক' টোৰ কেইটা চোক থাকে নজনাকৈ ইমান সম্পত্তি আৰ্জিলো সিহঁতে আকৌ চেকনীৰ কোব খাই চাহাব হ'ব নালাগে।'' তেওঁৰ পত্নীয়ে কোনো উত্তৰ দিব নোৱাৰে।

''হাতীমৰা, হাতীমৰা'' চিঞৰত অম্লান বাছৰ পৰা নামি গ'ল। বাছৰ পৰা নামিলত সকলো ফালে আন্ধাৰে আৱৰি ধৰিছিল। লাহে লাহে সি ঘৰৰ ফালে আগবাঢ়িল। তাৰ বাপেকৰ লগত মাতবোল নোহোৱা আজি তিনিবছৰেই হ'ল। কানি খাই মানুহটোৰ সকলো শেষ হৈ গ'ল। তেওঁৰ একমাত্ৰ ভায়েকটো নিচাযুক্ত দ্ৰব্য সেৱন কৰি অঘৰীৰ দৰে হ'ল। অম্লানে দেউতাকৰ পৰা পাবলগীয়া একোৱেই নাপালে, মাকে তাক সকলো দিছে। মাকৰ বাবে তাৰ কলিজাখন কঁপি উঠে। বংশীধৰ হাজৰিকাই কিন্তু অজস্ৰ সম্পত্তিৰ জীৱন

কালত অকমানো ভোগ কৰিব নোৱাৰিলে। নিয়তিৰ কিযে এক করুণ খেলা। একোৰেই অভাৱ নোহোৱা বংশীধৰে নিজৰ পুত্ৰৰ বাবেই চকুলো টুকি অতি ভয়ানক ভাৱে জীৱনলীলা সামৰিলে। অন্নানৰ আইতাক তাৰ একেবাৰে বুকুৰ মাজত আছে। আইতাকে তাক কলিজাৰ এফাল বুলি ভাবে। পৰিয়ালৰ হেৰাই যোৱা সন্মান অন্নানে ঘূৰাই আনিব বুলি আইতাকে তাৰ ওপৰত বিশ্বাস ৰাখে। আজি আইতাৰ বাবে তাৰ বুকুখন কঁপি উঠিছে। যি গৰাকী আইতাকৰ বোকোচা কোলাত উঠি আজি সি ইমান ডাঙৰ হ'ল সেই আইতাকজনীক সি আজি মৃত্যুৰ দুৱাৰদলিত লগ কৰিবলে আহিছে। জীৱনৰ ভৰ দুপৰত যি গৰাকীয়ে ককাকৰ লগত থাকি তেওঁক সকলোতে সহায় কৰিছিল। মানুহৰ বাবে তেওঁ আছিল দেৱী স্বৰূপ। সেই গৰাকী মানুহে জীৱনৰ বিয়লি বেলাত নাপালে অকনো সুখ, পালে কেৱল চকুপানী। অন্নানে দেখিছে আইতাকে তাৰ দদায়েকৰ বাবে দুপৰলৈকে অপেক্ষা কৰি থাকে। সু-পথলৈ ঘূৰাই আনিবলৈ তেওঁ কিমান কষ্ট কৰিছে তেওঁহে জানিছিল। তেওঁ নিৰৱে অকলে চকুপানী টুকি থকা অন্নানে কেইবাবাৰ দেখিছে। মাকজনীয়েও বাপেকৰ বাবে কম কষ্ট কৰিলেনে? বিয়াত বহিছিল এখন সুখৰ-সংসাৰৰ বাবে। কিন্তু পালে কেৱল তিৰস্কাৰ, গালি-মাৰ-পিট। লাহে লাহে অন্নান গৈ ঘৰ পালেগৈ। ওচৰ-চুবুৰীয়া মহিলা দুগৰাকীমান আহিছে তাৰ সু-খবৰটো পাই। সি পোনে পোনে আইতাকৰ কাষলৈ গ'ল। কম পোহৰৰ কোঠাটোত সোমাই অন্নানে এটা বৰ আচহুৱা গোন্ধ পালে। আইতাকক দেখি সি মাত লগালে ''আই-তা' মই বাবু'' আইতাকে চকু মেলি চাই বৰ কষ্টৰে আৰু উল্লাসেৰে তাৰ দুগালত চুই চালে। মাক আহি সেই ঠাইত উপস্থিত হ'ল ''চোৱা বোৱাৰী কোন আহিছে, মোৰ বাবু'' আইতাকে তাৰ কপালত চুমা এটা খাই ক'লে ''মই তোৰ সু-খবৰটো পালোঁ, মই জানিছিলো তই মোৰ আশা পূৰণ কৰিবি, তই আমাৰ বংশৰ জ্যোতি, তোক লৈ তোৰ ককাৰে কিমান আশা কৰিছিল কিন্তু তেওঁ সুখ নাপালে। মই বৰ ভাগৱতী। মই পালোঁ। আমি কোনো পুত্ৰ সুখেই নাপালো। নাতিৰ সুখেই আমাৰ বাবে যথেষ্ট। তোক ভগৱানে সংসাৰৰ সকলো সুখ প্ৰদান কৰক বাবু। মোৰ এই সুখেই স্বৰ্গ সুখ। এই সুখৰ বাতৰি তোৰ ককাক ক'ব নালাগিব জানো, নহ'লে তেওঁৰ আত্মাই শান্তি নাপাব, অ'' বাবু'' আইতাকে সকলো একে উশাহতে ক'লে। অন্নানৰ চকু পানীৰে উপচি পৰিল তাৰ কলিজাখন ধৰ ফৰাই উঠিল। সি যেন একো বাটেই নেদেখিলে। তাৰ মনটো ভালো লাগিল কাৰণ আইতাকক সি অকমান হ'লেও সুখী কৰিলে, আইতাকে আকৌ ক'লে ''বোৱাৰী আমাক ক্ষমা কৰি দিবি, তোক বৰ কষ্ট দিলো। তই এতিয়া পুত্ৰ সুখ পাবি। বাবু গান এটা গা অ, বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ গায়ক'' অন্নানে গালে ''নদী মাথো বয় কালৈকো নৰয় বাধাদি ৰাখিব কোনে'' লাহে লাহে তাৰ হাতৰ মাজত থকা হাড়ৰ দৰে হাত খন হিমচেঁচা হৈ পৰিল। সি বুজি পালে মাকে হুকহুকাই, কান্দি পেলালে। মাকে গালে ''মুক্তিত নিস্পৃহ যিটো; সেহি ভকতক নমো ...। ❑





# সপোন

✍ অৰ্জুন ছেত্ৰী
স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

''হেৰি শুনকচোন, আজি আহোতে চাউল আৰু আলু অলপ লৈ আনিবচোন।''

ফটা আৰু লেতেৰা গামোছাখনেৰে ৰিক্সা মচি থকা আব্দুলে ঘৈণীয়েক ফাতেমাৰ মাতটো শুনি চক্ খাই উঠিল। সি মনতে কিবা এটা ভাবি আছিল।

—''হেৰি, শুনিছেনে?

—''অ শুনিলো। আহোতে বাৰু লৈ আনিম। দুপৰীয়াৰ কাৰণে চাউল আছেনে নাই ?''

—ঘৰত থকা চাউলখিনিৰে এতিয়াৰ কাৰণে ভাত সিজাই দিলো। দুপৰীয়াৰ কাৰণে নন্দিনীক কৈ থোৱা আছে। দুপৰীয়াৰ চাউল তাইৰ ঘৰৰ পৰাই আনিম।''

ডিগবৈৰ ইটাভাটাত এটা ভাড়াঘৰত থকা এই পৰিয়ালটোৰ আব্দুলেই সৰ্বেসৰ্বা। সি ৰিক্সা চলাই পৰিয়ালটো পোহপাল দিছে। তাৰ ঘৰত সি, তাৰ মৰম লগা পত্নী ফাতেমা আৰু দুটা ল'ৰা। এটা তৃতীয় শ্ৰেণীত পঢ়ে। আনটো এবছৰমান হৈছে। মুঠতে ক'বলৈ গলে এক সুখী পৰিয়ালেই। কিন্তু আৰ্থিক দুৰৱস্থাৰ কাৰণে সিহঁত সুখী হ'ব পৰা নাই।

—''আচ্ছা ফাতেমা, মই আহিছো'' —এই বুলি সি ভাত-পানী খাই ৰিক্সাখন লৈ ওলাই গ'ল।

কিমান যে সপোন আছিল তাৰ। পঢ়ি-শুনি ডাঙৰ মানুহ হোৱাৰ, এখন সুন্দৰ ঘৰ সাজি আনন্দৰে বসবাস কৰাৰ। কিন্তু ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে পিতৃৰ মৃত্যু হোৱাত তথা মাকৰ বেমাৰৰ কাৰণে পাইচা উপাৰ্জন কৰাৰ বাহিৰে তাৰ একো বিকল্প নাছিল। সি ষষ্ঠমানতে পঢ়া সামৰি ইটাৰ কাৰখানাত কামত সোমাইছিলগৈ।

—''ঐ আব্দুল, ৰিক্সাখন সোনকালে ঘূৰা, নহ'লে ছাত্ৰ-সংগঠনৰ ল'ৰাবোৰে ৰিক্সা ভাঙি চূৰমাৰ কৰিব।''

বিপুলৰ মাতত আব্দুল চক্ খাই উঠিল। বিপুল তাৰ বিপৰীত ফালেদি দ্ৰুত গতিৰে ৰিক্সা চলাই আহি আছিল। আজি যে ৰাস্তাত এজনো মানুহক সি দেখা নাই, কথাষাৰ আব্দুলে মনেই কৰা নাছিল ।

—''কিন্তু কিয়?'' —প্ৰশ্নবোধক দৃষ্টিৰে সি বিপুলৰ ফালে চালে।

—''আজি হেনো অসম বন্ধ দিছে কোনোবা সংগঠনে। সৌ সিফালে সংগঠনৰ ল'ৰাবোৰে বাছ-অ'ট ভাঙিছে।''— এই বুলি বিপুল গ'লগৈ।

আজি যদি অসম বন্ধ হয়, সি কি মুখ লৈ ঘৈণীয়েক ফাতেমাৰ ওচৰলৈ যাব? তাৰ বাকী খোৱা দোকানখনতো আগৰে বহু টকা বাকী হৈ আছেগৈ। সি যে বাকী দিব, তাৰো ঠিক নাই। এনেকৈয়ে যদি অমুক বন্ধ, তমুক বন্ধ হৈ থাকে তেন্তে তাৰ সপোনবোৰ পূৰ্ণ হ'বনে? নিজৰ ল'ৰা দুটাক ভালদৰে পঢ়োৱাই এজন ভাল মানুহ হিচাপে গঢ় দিব পাৰিবনে? সি পাবলৈ বঞ্চিত হোৱা মৰমবোৰ সন্তান দুটাক দিবলৈ পাৰিবনে? মুঠৰ ওপৰত প্ৰশ্নৰ উপৰি প্ৰশ্ন তাৰ মনত আহিবলৈ ধৰিলে।

সি ক্ৰমান্বয়ে চাই থাকিল বিপুলে ৰিক্সা লৈ যোৱা দিশটোলৈ ...। □

# বিবেকৰ পৰিবৰ্তন



চুমি চাউৰক
স্নাতক ৩য় ষান্মাসিক (কলা)

পুৱা সাত বাজিছে। ট্ৰেইনখন আহি ইতিমধ্যে ষ্টেচনত ৰৈছেহি। মানুহৰ ভিৰ কিছু বাঢ়িছে। বিবেক আৰু মনজিত দুয়ো ট্ৰেইনখনৰ সন্মুখত আহি ৰৈছেহি। মনজিত আৰু বিবেক সৰুকালৰ বন্ধু যিহেতু একেলগেই ফুৰা-মেলা কৰে। মনজিত আৰু বিবেকৰ সন্মুখত অগণন মানুহৰ ভিৰ। পূজাৰী, ভিক্ষাৰী আদি বিভিন্ন ধৰণৰ লোক ট্ৰেইনখনত ৰৈছেহি।

ঃ বিবেক, চাহ খাবি নেকি?

ঃ নাই নাখাওঁ, মন যোৱা নাই।

তেনেদৰে দুয়োজন কথা পতাত ব্যস্ত। সেইসময়তে ''চাই' চাই'' বুলি চিঞৰি চাহৰ দোকানী এজন সিহঁতৰ কাষেদি পাৰ হৈ যায়। বিবেক আৰু মনজিতৰ বন্ধুত্বত গভীৰ মৰম বান্ধ খাই আছে। ফুৰা-চকা, খোৱা-বোৱা, পিন্ধন-উৰণ আদি দুয়োজনে একেলগে কৰে। বিবেকে চাহ নাখাওঁ বুলি কোৱাত মনজিতেও চাহ নাখালে। বিবেকৰ গাৰ বৰণ গৌৰ যদিও মনজিত দেখাত বৰ সুন্দৰ। বিবেকে তথাপিও মনজিতক হিংসা নকৰে। অলপসময়ৰ পিচত সিহঁত দুয়োটা ট্ৰেইনখনৰ পৰা নামিবলৈ লয়। বাহিৰত মানুহৰ সমাগম। দুয়োটাই অভিনয়ৰ কাৰণে অডিচন দিবলৈ আহিছে।

সময়বোৰ তেনেদৰে পাৰ হ'ল। অডিচনত মনজিত জয়ী হ'ল। সেই সময়ত বিবেকৰ অলপ খং উঠিল যদিও মনজিতৰ ওচৰত প্ৰকাশ নকৰিলে। ৰাস্তাৰ কাষত গাড়ীৰ গভীৰ সমাগম।

ঃ বিবেক, মই আজি যিমান সুখী, সিমান দুখীও কাৰণ তোৰ যি সপোন আছিল, সেয়া পূৰণ নহ'ল। কিন্তু তই দুখ নকৰিবি। মনজিতৰ সেই বাৰ্তা শুনি যেন বিবেকৰ খং অতি উগ্ৰ হৈ পৰিল। বিবেক আৰু মনজিত দুয়ো খোজেৰে ট্ৰেইন ষ্টেচনলৈ আগবাঢ়ি গৈ আছে। মনজিতে কিবাকিবি কৈ কৈ গৈ আছে যদিও বিবেক নিস্তব্ধ। সেই সময়তে যেন বিবেকৰ এক বিশাল ভাৱে পৰিৱৰ্তনতৰ সৃষ্টি হয়। হঠাৎ বিকেকে যেন মনজিতক গাড়ীৰ কাষত থিয় কৰাই দিয়ে। গাড়ীৰ গতিবেগৰ লগতে মনজিতেই যেন মুক্তি লাভ কৰে। ৰাস্তাৰ কাষবোৰত তেজৰ চেকুৰাবোৰ জিলিকি উঠিল। বিবেকৰ আচৰণে সকলোকে যেন আচৰিত কৰি তুলিলে। বিবেক সলনি হোৱাৰ দৰে বন্ধুত্বৰো সমাপ্তি ঘটে। ❑

# অনুপ্ৰেৰণা



স্বেতা ছেত্ৰী
স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

''অনু বা ... অ' অনু বা''

নয়নাৰ চিঞৰত অনামিকা বাস্তৱলৈ উভতি আহিল। গুৱাহাটীলৈ আহি পৰিৱৰ্তন নামৰ স্বেচ্ছাসেৱী সংগঠনটোত থাকিবলৈ লোৱাৰ পৰাই অনামিকাক সকলোৱে 'অনু' বুলিয়েই মাতে। অনামিকা গুৱাহাটীলৈ আহি এই সংগঠনটোত থাকিবলৈ লোৱা আজি প্ৰায় সাত বছৰ মানেই হ'ল। সংগঠনটোৰ মূল কাৰ্যকৰ্তা সুকোমলাই অনামিকাক ইয়ালৈ লৈ আনিছিল, আৰু তেতিয়াৰ পৰাই অনামিকা সকলোৰে মৰমৰ 'অনু বা' হৈ পৰিল।

সুকোমলা বাইদেউ, সংগঠনটোত থকা সকলো ছোৱালীবোৰৰ মৰম আৰু আদৰে অনামিকাই পূৰ্বৰ সকলো দুখ পাহৰি পেলাইছে যদিও অতীতৰ সেই নিষ্ঠুৰ জৰ্জৰিত আৰু পাতবোৰত বৰ্তমানো সজীৱ হৈ আছে তাইৰ চকুৰে বৈ অহা চুকলো আৰু আৰ্তনাদ।

অনামিকাৰ বয়স আছিল তেতিয়া ২০ বছৰ। কৈশোৰৰ পৰা যৌৱনত ভৰি দিয়া প্ৰাণচঞ্চলা ৰূপহী গাভৰু। প্ৰথম কলেজ যোৱাৰ পৰাই নিহাৰৰ মনত তাইৰ প্ৰতি দুৰ্বলতা দেখিবলৈ পাইছিল। নিহাৰৰ প্ৰেমৰ প্ৰস্তাৱ তাই বিনা বাধাই গ্ৰহণ কৰিছিল। আৰু এদিন নিহাৰে তাইক সকলো সুখ, আনন্দ আৰু মৰম দিয়াৰ প্ৰতিশ্ৰুতিৰে পলুৱাই লৈ গৈছিল চেন্নাইলৈ। নিহাৰৰ লগত যোৱাৰ সময়ত তাই ঘৰত মাকৰ শোৱানি কোঠাৰ বিচনাখনত থৈ গৈছিল এখন চিঠি, য'ত তাই লিখিছিল নিহাৰৰ সৈতে সুখৰ সংসাৰ সজাৰ কথা আৰু লগতে এনে কাম কৰাৰ আগতে মাক দেউতাকক এবাৰো নজনোৱাৰ বাবে ক্ষমা খুজিছিল। সেই দিন ধৰি তাইৰ মাক দেউতাকৰ সৈতে একো সম্পৰ্ক নাই।

নিহাৰৰ সৈতে চেন্নাইত থকা প্ৰথম কেইদিনমান আছিল অনামিকাৰ বাবে মধুময় আৰু সুখৰ। কিন্তু পিছত যেতিয়া নিহাৰে অনামিকাক লৈ ধেমাজীত থকা নিজৰ ঘৰখনলৈ আহিছিল, তেতিয়াৰ পৰা আৰম্ভ হৈছিল অনামিকাৰ নৰক যন্ত্ৰণা। নিহাৰৰ মাক, দেউতাক, বায়েক সকলোৱে তাইৰ ওপৰত অত্যাচাৰ চাইছিল। ৰাতিপুৱা ৪ বজাত শুই উঠাৰ পৰা ৰাতি ৯-১০ বজালৈ তাই ঘৰৰ সকলো কাম কৰিব লাগিছিল। ঘৰখনৰ লগতে ঘৰৰ গৰু-ছাগলী সকলো চাব লাগিছিল। পথাৰৰ বোকা গছকি নোপোৱা ছোৱালীজনীয়ে ধান ৰোৱাৰ পৰা আৰম্ভ কৰি খেতি চপোৱালৈকে সকলো কাম কৰিব লাগিছিল। চেন্নাইৰ পৰা অহাৰ পিছত নিহাৰো যেন সলনি হৈ গৈছিল। নিহাৰ আৰু নিহাৰৰ ঘৰৰ মানুহখিনি কেৱল ইমানতেই ক্ষান্ত নাছিল, কিছুদিনৰ পিছত তেওঁলোকে অনামিকাৰ পৰা যৌতুক খুজিবলৈ আৰম্ভ কৰিছিল। তাই মাক-দেউতাৰ পৰা পইচা খুজি আনিব নোৱাৰো বুলি কোৱাত তাইৰ ওপৰত শাৰীৰিক অত্যাচাৰ চলাইছিল। অৱশেষত তাইক নিহাৰ আৰু তাৰ মাক দেউতাকে ঘৰৰপৰা উলিয়াই দিলে। উপাই নাপাই তাই নিজৰ মাক-দেউতাৰ ঘৰলৈ গৈছিল, কিন্তু মাক- দেউতাকে পূৰ্বতেই সকলো সম্পৰ্ক ত্যাগ কৰিছো বুলি কোৱাত তাই একো লক্ষ্য হাতত নোলোৱাকৈ গুৱাহাটী অভিমুখে ৰাওনা হ'ল। গুৱাহাটীৰ ৰে'ল ষ্টেচনৰ এটা চুকত বহি কান্দি থকা অৱস্থাত সুকোমলা বাইদেৱে তাইক দেখিছিল আৰু নিজস্ব স্বেচ্ছাসেৱী সংগঠনটোলৈ লৈ আনিছিল।

৪৫-৪৭ বছৰ বয়সীয়া সুকোমলা বাইদেউক তেতিয়াৰ পৰা তাই 'মা' বুলিয়ে সম্বোধন কৰে। বয়স হৈ অহাৰ কাৰণে এতিয়া সুকোমলা বাইদেৱে সংগঠনটোৰ সকলো দায়িত্ব অনামিকাকে অৰ্পন কৰিছে। অনামিকায়ো সেই দায়িত্ব সুচাৰুৰূপে পালন কৰি আছে। যৌতুক প্ৰথা, ডাইনী প্ৰথা, বাল্য বিবাহ আদিৰ দৰে সামাজিক কু-সংস্কাৰৰ দ্বাৰা পীড়িত নাৰীক 'পৰিৱৰ্তন' সংগঠনটোৱে আশ্ৰয় দিয়ে। অনামিকা বৰ্তমান ওচৰৰে চৰকাৰী বিদ্যালয় এখনৰ শিক্ষয়িত্ৰী। নয়না নামৰ কণমানি ছোৱালী এজনীক অনামিকাই এদিন বজাৰৰ পৰা উভতি অহাৰ বাটত লগ পাইছিল। তাইৰ মাক দেউতাক কোনো নাই বুলি কোৱাত তাইৰ সকলো দায়িত্ব অনামিকাই বহন কৰিছে। সামাজিক বিশৃংখলতা আৰু কু-সংস্কাৰৰ দ্বাৰা পীড়িত, জৰ্জৰিত মহিলাসকলক আশ্ৰয় দিয়াৰ হকে কাম কৰি আহিছে। অনামিকা এতিয়া সেই সাত বছৰ পূৰ্বৰ অনামিকা হৈ থকা নাই। তাই বৰ্তমান এগৰাকী স্বাধীন আৰু সফল নাৰী, যিয়ে মহিলাসকলক তেওঁলোকৰ উন্নতি তথা অধিকাৰৰ দিশে আগুৱাই যাবলৈ অনুপ্ৰেৰণা যোগায়, যেনেকৈ তাইক অনুপ্ৰেৰণা যোগাইছিল সুকোমলা বাইদেৱে। ❑

# গাঁৱলীয়া জীৱনৰ হাবিয়াস

✍ দীপু মৰাণ
স্নাতক তৃতীয় ষাণ্মাসিক (কলা)

গাঁৱলীয়া ল'ৰা হিচাপে গাঁৱত থাকিয়েই ডাঙৰ দীঘল হ'লোঁ। গাঁৱৰ মাদকতা পাই বলীয়া হ'লো। মোৰ এজন বৰ ভাল বন্ধু মোৰ গাঁৱৰ। ঘৰ নিচেই কাষত। তেওঁৰ নাম পলাশ। কিন্তু মই পাগল বুলিয়েই মাতো। আমি দুয়োজনেই একে শ্রেণীৰ ছাত্র। তেওঁৰ সতে মই একেলগে স্কুল যাওঁ। অকল তেওঁ বুলিয়েই নহয় বহুতৰ লগত আজৰি সময় পালেই সময় পাৰ কৰো। ঠিক তেনেদৰেই আমি দিন পাৰ কৰাই আছো। গাঁৱৰ ইটো মূৰৰ পৰা সিটো মূৰলৈকে মানুহৰ ঘৰৰ বিয়া, সবাহ, নখোৱা কিবা কিবিৰ সকামৰ সহায় কৰাৰ ওপৰিও খাব যোৱাৰ বাবে নিমন্ত্রণ পাওঁ। তামোলৰ বঁটাটোও আমাৰ বাবে এক আৰ্শীবাদ স্বৰূপ। এনেতে এদিন পলাশ অথবা পাগলহঁতৰ ঘৰত বোলে বিয়া। তেওঁ মোক মাতিছিল বিয়ালৈ। মাক দেউতাকৰ কথা বতৰাও বহুত মিঠা। বৰ ভাল উপদেশ দি পাগলৰ জীৱনটো সুমধুৰ কৰি তুলিছে। হঠাৎ ক'ব নোৱৰা এক প্রশ্ন তেওঁলোকৰ মাক দেউতাকৰ–

এইবাৰ B.A. পঢ়িবলৈ ক'ত যাবি? নে সমাজৰ কামত আগবাঢ়িবি? কিন্তু ক'ব পৰা নহ'ল। সেই প্রশ্নটোৱে ক'ব নোৱৰাকৈ খাই গ'ল মনৰ আনন্দবোৰ। সুধিবও নোৱাৰিলো আপোনালোকৰ ল'ৰা পলাশ ক'ত পঢ়িব? নিজে দোমোজাৰ মাজত থাকি আনৰ খবৰ ল'ব পৰা ক্ষমতা নাছিল হয়তো। ঘৰলৈ আহিলো। কিন্তু সেই প্রশ্নটোৱে মোক সঠিক সন্ধান দিব নোৱাৰিল। কাৰণ কোনো দিন ভৰা নাছিলো পঢ়িব লগীয়াৰ বাবে আপোন গাওঁ আপোন মানুহ, আপোন মাটিৰ গোন্ধ হেৰোৱাব লাগিব বুলি। তেনেতে মনত পৰাত পাগলৰ সতে ফোনত কথা পাতিলো। হঠাতে মই সুধি পেলালো পঢ়িবলৈ ক'ত যাবি? তেতিয়া এখন কলেজৰ ঠিকনা মোক কলে। ঠিক তেওঁক লগ পোৱাৰ আশাতে ময়ো একেলগে যোৱাৰ কথাকে ভাবিলো। কথা মতেই কাম।

জানুৱাৰী মাহৰ ৰাতিপুৱা। ঘৰৰ পৰা ওলাই দুৱো সাজো হ'লো। মা-দেউতাৰ আৰ্শীবাদৰ উপৰিও নামঘৰৰ থাপনাত এগছি চাকি জ্বলালো। তেনেতে ওলাই আহি চহৰৰ হাই উৰুমিৰ মাজত থকা কলেজৰ ওচৰত ভাড়াঘৰত থাকি পঢ়াশুনা আৰম্ভ কৰিলো। কিন্তু এবাৰ আহিলো যদি আৰু অহা যোৱা নাই বুলি খুপনি পুতিলো। প্রয়োজনীয় বস্তু বাহিনি বোৰ পলাশৰ দেউতাক আৰু আমাৰ ঘৰৰ পৰা আহি দি যায়।

তেনেকৈয়ে দিনৰ পিছত দিন বাগৰি অহাত কেইবাবছৰো হৈ গ'ল তাতেই। কিন্তু মনৰ পৰা কেতিয়াও পাহৰা নাছিলো গাঁৱৰ আনন্দ-উল্লাহ, ঢোলৰ ৰাগ আৰু চাপ মানুহৰ আন্তৰিকতা আৰু হেঁপাহ। মোৰ বাবে চহৰৰ ৰীতি-নীতি একোৱেই নহয়। কেইবাবছৰৰ মূৰত ঘৰলৈ বুলি উভটিলো। কিন্তু গাঁৱত গৈ যেন এক অচিনা ঠাইত হেৰোৱা অনুভূতি। বিচাৰি আছোঁ মানুহৰ হেঁপাহ, ধেমালি কিন্তু পোৱা নাই। বিহুৰ সময়ত শুনা নাই বিহু-গীতৰ সুৰ। পলাশৰ লগত আলোচনা কৰিলোঁ কথাটো কি হ'লৰ ভাবিছিলো আমাক বহু দিনৰ মূৰত পাই আচৰিত কৰিবৰ বাবেই এনেকুৱা কৰিছে। কিন্তু মোৰ বন্ধু পাগলে ক'লে সেই পৰিৱৰ্তন। গাঁৱৰ নামঘৰৰ পৰা হেনো ভকতৰ মাত শুনা নাযায়। ঢোলৰ মাত হেনো বিহুত নাথাকে। মানুহৰ মাজত বোলে বৰকৈ অহাযোৱা নাই। নিজৰ-নিজৰ বৃত্তিত নিজে নিজে মজগোল হৈ নিজৰ সন্তানৰ ৰখীয়া বেলেগৰ ওপৰত এৰি দিয়ে।

তেতিয়া মনৰ পৰা বিষাদৰ গজালিবোৰ সজীৱ হোৱা যেন লাগিল। কোনো দিন এৰা নাছিলো আগৰ ধেমালিবোৰ বিচাৰিবলৈ। সদায় বিচাৰি আছিলো মনুহৰ মৰম। কিন্তু আশা লৈ জন্ম লোৱা হাবিয়াস ভাড়াঘৰৰ মজিয়াত হেৰুৱালোঁ। আপোন গাঁৱৰ আত্মীয়তা বিচাৰি নাপালো। □





# দেউতা ময়ো তোমাৰেই সন্তান

অনিন্দিতা মহন্ত
স্নাতক তৃতীয় ষান্মাসিক

তাইৰ পাকঘৰৰ এচুকতে বহি আছে। তাইৰ চকুত পানী। মাকে আহি সোধে কি হ'ল মাইনা কিয় কান্দিছা? তাই মাকৰ ফালে চাই হাঁহি এটা মুখত লৈ সহজ ভাৱে ক'লে নহয় মা পিয়াজ কাটি আছো যে সেয়েহে চকুত চকুপানী, মই কন্দা নাই নহয়। মাকৰ মনে কিন্তু নেমানিলে সেই কথা। তাইৰ হাঁহিটোত যেন কিবা বিষাদৰ ছাঁ আছিল।

মাকে দুদিন মানৰ পৰা লক্ষ্য কৰিছে তাইৰ চকুৰ গুৰি কেইটা ক'লা পৰিছে। মাকে এদিন দেউতাকক তাই কান্দি থকাৰ কথা আৰু তাইৰ চকুৰ গুৰি ক'লা পৰা কথা কওঁতে দেউতাকে মাকক এইবোৰ কৈ নাথাকিবলৈ ক'লে। মাকে ভাবিলে দেউতাকক কৈ লাভ নাই মই নিজেই বিচাৰি উলিয়াব লাগিব তাইৰ হৈছে কি...?

মাকৰো চাকৰি দেউতাকৰো চাকৰি গতিকে দিনটো তাইক লক্ষ্য কৰা মানুহ নাই। মাক ওচৰৰে চৰকাৰী বিদ্যালয় এখনৰ শিক্ষয়িত্ৰী। মাকে তাইৰ অৱস্থাটো দেখি দুদিনমান বিদ্যালয়লৈ নাযাও বুলি সিদ্ধান্ত ললে। কিন্তু মাকে তেনে কৰাত তাই বেয়াহে পালে। তাই মাকক চিন্তা নকৰিবলৈ ক'লে। এদিন মাকে দেখিছে তাই খুউব কাঁহি কাঁহি তেজ বমি কৰিছে। মাকে তাইক সেইদিনা গালি পাৰিয়েই সুধিলে কি হৈছে তাইৰ। তাই কান্দি কান্দি মাকক ক'লে যে তাইৰ আচলতে কেন্সাৰ হৈছে আৰু তাইৰ ওচৰত বেছি দিন নাইও। মাকে তাইক সুধিলে কিয় তই ইমানদিনে কোৱা নাছিল। তাই মাকক ক'লে যে এদিন মাক দেউতাকে কথা পাতি থকা শুনিছিল যে মিন্টু দাদাক পঢ়াবলৈ বহুত পইচাৰ খৰচ হৈছে আৰু দেউতাই কৈছিল মোৰ বেয়া চকুটোৰ লগত যদি দেউতাই ইমান টকা খৰচ নকৰিলে হয় তেতিয়া হ'লে আজি এই দিগদাৰ নহ'ল হয়। আৰু তুমি দেউতাক মোৰ চকুটো ঠিক কৰিবলৈ জোৰ দিয়া কাৰণে আগতে বহুতো কথা শুনিবলৈ পাইছো আৰু এতিয়া যদি মোৰ এই বেমাৰৰ কথা তোমাক ক'লো হয় তুমি আকৌ দেউতাক ক'লা হয় আৰু দেউতাই তোমাক আকৌ কথা শুনালে হয় আৰু মই এইটো সহ্য কৰিব নোৱাৰিলো হয়। মাকে তাইক ধৰি লৈ খুব কান্দিলে আৰু তেনেতে তাইৰো মৃত্যু হ'ল।

মাকে দেউতাকক মাতি পঠালে আৰু ছোৱালীজনীৰ এই অৱস্থাৰ দায়ী তেওঁৱে যে সেই কথা কৈ খুউব কান্দিলে। মাকে দেউতাকক ক'লে যে তেওঁ যদি ল'ৰা ছোৱালীৰ মাজত পাৰ্থক্য নাৰাখিলে হয় আৰু তাইৰ চকু বেয়া বুলি সদায় কৰ্কথনা নকৰিলে হয় তেনেহ'লে হয়তো তেওঁলোকৰ জীয়েক জীয়াই থাকিলে হয়।

মাকে এদিন তাইৰ কোঠাত চাই থাকোঁতে এখন ডায়েৰি পালে আৰু তাৰ একেবাৰে শেষৰ পৃষ্ঠাত লিখা আছিল যে "দেউতা ময়ো তোমাৰে সন্তান"। ☐



# Humanity can save someone's life

Junali Baruah
B.A. 4th sem

The old father cried, "Please help me, my son is suffering from fever since days. I need to take him to the hospital". He stopped each and every vehicles on the road one by one but nobody stopped and listened to what the old father was asking for. With every seconds of minutes, huge crowds of people passed on and on, everybody ignored them. The pale body suffering with high fever was lying on the footpath and his old father kept asking for help, suddenly a young gentleman stopped his car and he asked, "what has happened to your son, Baba? why is he lying down? Is he sleeping? The old father was all in silence and after few minutes, the father replied, "Babu my son's soul is in peace. The young man was shocked to hear that, he went forward to check the boy's pulse rate and he found him to be dead. The young man had no words to say, he was guilty of his mistake. He cursed himself, why didn't he helped the boy. He went into a depressed stage of mind. The day before the boys death, the young man passed the road that particular day, when the old man was asking for help, but he did not come out to help them as he was in a hurry, he did not want to miss himself into such situations.

If he would have halped them, then today the boy would have been alive. It was just because of his negligence that someone lost his life..The old man was so poor that he could not meet the need of his son's funeral. The young man lends him some money to attend his son's funeral proceeding and he leave them. The young man couldnot sleep the whole night, he kept on thinking of the father and his son, who was no more.

After a week, the old man arrives at the young man's office, just to return back the money. As he saw the old man at his office, he was very happy to see him and he thanked god that he got a chance to help them and this time, he did not want to miss the opportunity. He was overwhelmed and excited and thus, he appoints the old man as his office peon so, that he could always see him, whatever he wanted.

The young man was very happy that he got a chance to forgive his sins. He realised the real value of human life and needs. He showed his humanity to the old man. Every individual, has human values within them, but the fact is that they need to realise and work upon their actions. An act of humanity can bring about a change in the society, which is the almost priority in this modern world. ❑



# Glimpses of College Activities




National Seminar organised by Zoology Department on Biodiversity and Wildlife Conservation Biology




National Seminar organised by Political Science Department on Migration and its impact on the rights of the indigenous people of North-east India with special reference to Assam




Regional Seminar organised by Mathematics Dept. (RSMCA-18)




Flood Relief at Sumoni Gaon by NSS Digboi College Unit, NCC and Faternity of Digboi College




Mobile Exhibition at "Science-Kriti" : The Science Fair organised by Digboi College Students' Science Club




"Science-Kriti" : The Science Fair organised by Digboi College Students' Science Club

# Glimpses of College Activities




Workshop organised by Dept. of Education



District level Inter College
Bishnu Rabha Songs Competition




Popular Talk organised jointly by Dept. of History &
Dept. of Philosophy




Workshop organised by Department of Hindi



World Blood Donation Day organised by
Digboi College NSS



Syeda Akela Khanom memorial lecture organised by
Assamese Department




100 Hours of Swachhata by Digboi College NSS




National Youth Parliament Competition organised by
Political Science Department

# An Old Lady

✍ **Monika Ghosh**
B.Com 3rd sem

This incident took place when I was 6 years old. One day I saw an old lady sitting outside our gate under the shadow of tree. She was looking tired & unhealthy. She was very old, may be more than eighty years and walked by bending her backbone. But there was not a single black hair on her head. I went to her and asked, "What do you want grandma?" She showed her bundle of there were different types of rice inside the bundle. I understand that she was begging. So, I went inside the kitchen & brought a glass of water & some amount of rice & gave to that old lady. She said, " Thank you" in a polite voice. When I told my uncle about this, he scolded me and told not to talk to strangers.

One day i went to my aunt's house and was returning in the afternoon. I felt hungry as it was hot sunny day. I saw an old standing with her back .. When I went near to her I saw that she was the same old lady. She said in a polite voice, "you took hungry, come and eat launch with me. I could not say 'No" as I was very hungry. She took me to her small hut and i saw that her bedroom, kitchen, sitting room etc. All was together in a single room. She gave me a glass of water and several food in a small plate. She was treating me like her grand daughter and was turning as it was hot on that day. When I finished she said that nobody comes to her house and I was first to come after many years and she asked "Do you remember me? I answered "Yes, I do". She also said "You have done a great favour on me that day. I was feeling really thirty & today you are really hungry". She told me about her & her families, who were dead & no more with her. She also said, "You always be helpful & help them who are in need around you of you will help them, they will also help you some day when you are in need."' And by evening I returned home. May be the old lady in no more in this world but her words are always with me in my mind. ❑



# পৰিচয়

✍ জনাৰ্দন গোস্বামী
বিশিষ্ট সাহিত্যিক, গুৱাহাটী

কোনে মোৰ কবিতাৰ পাতে পাতে অগা-ডেৰা কৰে
বতাহত এখন ধোঁৱাময় ছবি হৈ আহে জেছমিন্
সময়ৰ এমুঠি উৰি যোৱা ধূলি হৈ আহে অপৰাজিতা।

কোন তুমি?
চিনো-চিনো লাগে
তথাপি চিনি যে নাপাওঁ।

কোন সাগৰৰ মাতাল দ্বীপত বেদনাৰ গান হৈ ফুলি উঠা
এপাহ কল্পনাৰ ফুল তুমি,
কিয়েইবা এৰি থৈ আহিলো তোমাৰ অজান হাতত?
কোনোবা প্ৰাচীন খহটা শিলত উজুটিৰ তেজ,
যুগ-যুগৰ শেলুৱৈত পিছলি ভাঙি যোৱা মোৰ কামিহাড়।
তথাপি ভ্ৰমিছো হাজাৰ বছৰ ধৰি বুৰঞ্জীৰ দীঘল বাট,
নাজানো আন্ধাৰত আকাশ খেপিয়াই বিচাৰিলো কাক, হেৰুৱালো কাক?
একোৱেই নাজানিলো,
মাথো সোণৰ হৰিণৰ দৰে মাৰিচৰ মায়া হৈ
মোৰ চকুৰ মণিত নাচি থাকিল জেছমিন্ নে অপৰাজিতা?
চিনো-চিনো লাগে,
তথাপি চিনি যে নাপাওঁ।

কোনখন নদীৰ তীৰত,
কোনটো বালিঘৰত
হেৰাই গ'ল আমাৰ সপোনৰ সোণপখিলা,
আছেনে মনত তোমাৰ?
আজি যে তোমাক চিনি পালোঁ
মোৰ অতীতৰ সেই আকুল প্ৰাৰ্থনাৰ শাৰীত,
যুগ-যুগ ধৰি য'ত মই আছিলো তোমাৰ বাবে বৈ! ❑



# জীৱন

বিশ্বজিত গগৈ
স্নাতক চতুৰ্থ ষান্মাসিক(বিজ্ঞান)

দুৰ্দান্ত বীৰৰ দৰে যুঁজিছো
প্ৰহেলিকাৰ ডেউকা খেদি
এমুঠি আকাৰহীন সপোনৰ
ছয়ামায়া মূৰটোৰ ভ্ৰম ভাৰি,

ভল্লাৰ পৰা গংগালৈ
যেতিয়া মোৰ প্ৰেমৰ মদিৰা বিয়পিছিল
শব্দই তেতিয়া জীৱন ভাঙিছিল
হৃদয় প্ৰদেশতো
এদল ৰক্তপিপাসু সৈনিকে
মনটোক গ্ৰাস কৰিছিল
যদিও মোৰ দোষ নাছিল
ইয়েই মোৰ ভ্ৰম আছিল।

গুৰুম-গুৰুম দুটি শব্দই কাঢ়ি নিছিল
এটা চঞ্চল কংকাল
হয়টো তেতিয়াই বিধ্বস্ত হয় এটা জীৱন,
এজন ব্যক্তিৰ সেউজ পদূলিত
যদিও এখন বৃহৎ বেহেলা
তেওঁ অমৰ নহয়,
তিতাও নলগা
কেহঁৰাজ বুলীয়া এটি পদ্য ই,
নাই কোনো আদি-অন্ত।

স্মৃতিৰ ক্ষুধাৰতাই পোছাক সলোৱাৰ দৰে
ইও এদিন সলাই এটা নশ্বৰদেহ ।

এটা কবিতাৰ কলম ই
যাৰ চিয়াঁহী সলাই
জীৱনৰ জন্ম মৃত্যুক খেদি। ❑



# সমাপ্তি

মমী বড়া
স্নাতক প্ৰথম ষান্মাসিক (বিজ্ঞান)

বিচাৰিছো মৃত্যুক
দুচকু গধুৰ আজি
বেদনাবোৰে বুকুৰ শিলত খুন্দিয়াই
গতি কৰিছে অন্য পথেদি
দিগন্তলৈ ...

প্ৰাপ্তিৰ নাই সুখ
অদৃশ্য হোৱা আবেলিৰ বেলিটিৰ দৰেই
জুমি চাই চাই হাঁহিছে বিফলতাবোৰে
অমাৱস্যাৰ আন্ধাৰে আৱৰি ধৰিছে জীৱনতো
অকলশৰীয়া হৈ পৰিছো অ' ...

নিষ্ঠুৰ সময়ে বিদায় জনাই গুচি গ'ল
দেউকা মেলি
অন্ত পৰিল সকলো,
শেষ পৃষ্ঠাত আজি মই,
এয়াই সমাপ্তি নেকি? ❑



# আলোকৰ দেশলৈ

অৰ্জুন ছেত্ৰী
স্নাতকতৃতীয় ষান্মাসিক (কলা)

পুৱাৰ কিৰণ হে তুমি
জীৱনলৈ আহিছিলা
মোৰ জীৱনৰ ৰামধেনুত
সাতোটা ৰঙেই সানিছিলা।
বিষাদেৰে ভৰা জীৱনত
তোমাৰ স্পৰ্শ পাই
এটি ফুলে পোখা মেলিছিল,
হয়তো, ভুল মোৰেই আছিল
যাৰ বাবে ফুলজোপা
লাহে লাহে মৰহি গৈছিল।
জনা নাছিলো পুৱাৰ কিৰণক
ঢাকি ৰখাৰ ক্ষমতা
ডাঁৱৰৰো থাকে,
উপযুক্ত পৰিচালনাৰ বাবেই হয়তো
ফুলজোপা মৰহি গৈছিল।
পথভ্ৰষ্ট হৈছিলো
নিজকে হেৰুৱাই পেলাইছিলোঁ।
অচিন দেশৰ অজান ঠাইত
কলীয়া মেঘে আৱৰি ধৰি
পথটি অৱৰোধ কৰিছিল,
যন্ত্ৰণাৰ পৰা মুক্তিলাভৰ
ভুৱা পথ দেখুৱাইছিল
অৱশেষত, মেঘে নেওচি অহা
সূৰ্যৰ কিৰণবোৰে দিলে
নতুন দিশৰ সন্ধান,
আগুৱাব লৈছো সেই দিশে
কিজানি বা নিজকে বিচাৰি
পাওঁ মই। □

# ফাগুণ

শংকু ডেকা
স্নাতম তৃতীয় ষান্মাসিক (কলা)

হৃদয়ত অলেখ বতৰা লৈ
এনেদৰেই নামি আহে ফাগুণ।
পলাশ মদাৰৰ ডাল পাত চুমি
দুচকুত ৰঙীণ সপোন আঁকি লৈ
হৃদয়ৰ পৰা হৃদয়লৈ
এনেদৰে বৈ যায় ফাগুণ।
ফাগুণ নামি আহিছিল লাহে লাহে
নৈপৰীয়া সমাজখনলৈ,
গছৰ লঙঠা ডালবোৰত
নকৈ গজি উঠিছিল কুঁহিপাত
পাৰে পাৰে ফুলিছিল কহুৱাঁ।
হৃদয়লৈ বৈ আহিছিল
বনৰীয়া সুৰ এটা।
ফাগুণে কঢ়িয়াই আনে
নতুন গান,
বৰ্ষাসিক্ত জোনাকী নিশা
দুচকুত সিঁচি দিব খোজে
টোপাল টোপাল বৰষুণ,
এয়াই ফাগুনৰ কাব্যিক সুৰ। □

## বন্ধুত্ব

✍ প্ৰজ্ঞানজ্যোতি কাত্যায়ণ
স্নাতকতৃতীয় ষান্মাসিক (কলা)

বন্ধুত্বৰ এই জীৱনত
ভ্ৰাতৃত্ব ভাৱৰ পৰিচয়েৰে,
অহেতুক লক্ষ্য নিৰ্ধাৰণ কৰি
সফল জীৱনৰ দিশে অগুৱাই যাওঁ।।

সীমানাবিহীন দুয়োৰে জীৱন
আনন্দৰ তলা-চাবি সদৃশ আমাৰ এই জীৱন,
ক্লান্ত হৈ নাথাকি, নিজেই নিজক বুজি
আমাৰ ভৱিষ্যতক পোহৰ বিলাওঁ।।
মাতৃ-পিতৃৰ আলসুৱা মৰমক
দুয়োৰে দ্বিধাভাৱ আঁতৰাই,
সেই মৰমক আশীবাদ বুলি গণ্য কৰি
সঠিক কৰ্মৰ দিশে আগুৱাই যাওঁ।।

অভিমানক অৱলোকণ কৰি
বন্ধুত্বৰ সম্বন্ধক জীৱন-জোৱা কৰি,
লাগে, এনাজৰী পিন্ধি ল'ম
ভৱিষ্যতক উজ্জ্বল কৰিবলৈ।।

শিকাৰু হিচাপে আগবাঢ়ি
শিকিলো বুলি স্বভিমান নকৰি,
উৰুৱাম পতাকা
জীৱনৰ জয় যাত্ৰাৰ।।

স্নেহৰ জৰীৰে বান্ধি থোৱা বন্ধুত্বৰ সম্বন্ধ
কেতিয়াও শেষ হৈ যাব নোৱাৰা এই সম্বন্ধ
কাৰণ, এই সম্বন্ধ
দুই ককাই-ভাইৰ সম্বন্ধ।। ☐

## আহিন

✍ পুনম শৰ্মা
স্নাতক ১ম ষান্মাসিক (কলা)

আহিন আহিলে মন উদ্বিগ্নতাৰে ভৰি পৰে
আহিন আহে শেৱালি ফুলে,
দুবৰিত নিয়ৰৰ প্ৰলেপ পৰে
জলচৰ পক্ষীবোৰে ঘৰৰ মূধচেদি
পাৰ হয় কোনোবা দূৰনিলৈ।

উন্মত্ত হৈ সেউজীয়া পথাৰ
গেঁৰ ধৰা গাখীৰতী ধানত
মৌ-মাখি গুণ্ গুণাই কয়
ক'ত যে কি ...।

আহিনত মানুহ হৈ পৰে ভাৱ বিলাসী
নিশাৰ শেৱালিৰ গোন্ধত
জোনাকত অকলশৰে বহি স্মৃতিপটত
ভাহি আহে অতীতৰ সুমধুৰ ৰোমন্থন
অনুভৱ কৰে নষ্টালজিক অনুভূতি

আহিনে আনে শৰৎ
কহুৱাবোৰে আনে
আনে দুৱৰিয়ে
কুঁৱলিয়ে আৰু বালিমাহী চৰাইটোৰে। ☐





# Winter Why it comes

✍ **Junali Boruah**
B.A. 5th Sem

Cold hands, dry and pale
shivers my body
As the wind flows away,
Touched my pale face with
A shivering touch
Oh, the winter! why it comes?

Many children over the fields,
Some with warm and
other with harm,
Season of pain comes again
With no money on their gain,
Oh, the winter ! why it comes?

For now, the old widow suffers
With a terrible fright on her face,
No wood to burn and
No warm clothes to wear,
Oh, the winter! why it comes? ❑

# Winter : Season of Love

✍ **Nabin Aryal**
B.Com 6th sem

Conquering the heat,
Being crushed by dry
The season turns
Into fogg and moist.
The drops of dews,
Telling the leaves
Winter arrived
With christmas's greets.
Birds started their journey of life
from west to east
Rays of sun kissing the cheeks
Alloting new hopes and dreams,
The white cloth,
Covering all in her arms
"Nahar" and 'Nightqueen"
Started blossom.
With fresh feeling and love,
dedication to win
Winter has arrived
Spreading its wing. ❑





# বৈ বৈ ক'ৰবাত কিবা বাজে

✍ নিৰ্মালী বসুমতাৰী
স্নাতকষষ্ঠ ষান্মাসিক (কলা)

বৈ বৈ ক'ৰবাত কিবা বাজে
মই কেৱল শুনি থাকো
পকুৱাই পোৱা পথিকৰ দৰে
নিজৰ মাজতে ঘূৰি আছো
হেৰুৱা গানৰ সুৰ এটা বিচাৰি
ফুলি থকা এখন ৰাতিৰ বাগিচাত
কামিনী কাঞ্চন হেঁপাহ খহি খহি
মোৰ বুকুত ভৰি পৰে
মই কেৱল বৈ চাই থাকো
সন্ধিয়াৰ আকাশৰ তৰাৰ তিৰবিৰনি
মোৰ চকুৰ মনিৰ ভিতৰত কঁপিবলৈ ধৰিছে
আৰু তোমাক বহুদিন লগ নোপোৱাৰ দুখে
মোক কাতৰ কৰি তুলিছে
এতিয়া আকাশত তৰা নাই
বৰষুণ এজাকো আহো আহো কৰিছে
ঘনে ঘনে মেঘে গাজিছে
গোটেইখন ঢাকি ধৰিছে বসন্তই
কিন্তু মোৰ অনুভৱত
তোমাৰ সেই মাত আৰু
হেৰুৱা গানৰ সুৰটো এতিয়াও
ৰি ৰিকৈ বাজি আছে
মই শুনি থাকো শুনি থাকো আৰু
শুনিয়েই থাকো। ❑

# The Hidden Teardrops

✍ **Supriya Borgohain**
B.Sc. 3rd Semester

There lies the hidden teardrops,
Behind every girl whose freedom is curtailed.

There lies the hidden teardrops,
Behind every boy whose aspiring dreams are suppressed.

There lies the hidden teardrops,
Behind every person who makes an effort to bring a change in the society but fails.

There lies the hidden teardrops,
Behind every one of us who wants to raise his voice against every wrong but choke!

Yet all we do is
Fake a smile!! ❑

# Dream of a Garden

✍ **Kishore Sharma**
B.Sc.3rd sem

Dream of a garden with vibrant clues
Yearn deeply and passionately grow
Kindle every seed with a jealous glow
Awaken the soil to conceives the hues
Scent of flowers coalesce into breeze
Captivate tiny creatures to embrace
Nectar, and dust of petals with grace
And melodies of warmth that please
Shadowy trees with a majestic view
Absorb and exhibit seasons mood
of creation that miraculously renew
Scenes of nature to finally conclude
Exquisite beauty of boundless sights. ❑



# Humanity

✍ **Manisha Sharma**
B.Sc.3rd sem

In the midst of chrysanthemums
On the other side of blue
Found I you
waiting like a puddle
After summer rain
Tears
I had followed the limping child
Thin through not enough
In the tall grass
Half a day walking
Clutching curiosity
Years
You were setting wrapped in
desperation
Unwashed yet cleansed
Hungry yet full
A blind cobra
Empty of dignity
Fears
People passed you by in their
oblivion
I locked and saw your flame
Almost extinguished
Barely flickering
Took your hand
In mine

How could I pass you by
How could I ... ? ❑

# Life : A Hypocritical Journey

✍ **Archismaan Banerjee**
B. Sc 3rd Semester

The thing about pain
Is it that lasts forever?
And it kills you right now.
But with time it gets better
The thing about scars.
Is that all that makes us fade?
Untill nothing is left,
of the cuts that were made.
The thing about today.
Is there's always tomorrow?
And if you can't find your smile,
I have one for you to borrow.
The thing about help.
Is beside you it stands?
But it won't know its needed.
Unless you reach out your hand.
The thing about love.
You can't feel its touch.
Untill you let someone know.
That this world is too much. ❑



# Mother

✍ **Roki Sharma**
H.S. 2nd year (Commerce)

Her smile
flowers bloom with mystical fragrance
enchant every breadth and touch the soul
Her eyes
Shimmering water that flows fervently
captures love in every drop of life
Her toughts
Deep as the whirlpool abyss in an ocean
absorbs every rainstorm and reflects sunshine
Her hands
Grasp threads of love and affection arround
Wrap up relations with the timeless bonds
Her heart
Fill with colourful efflorescence of garden
Where matherhood never wilts in any season
Her feelings
Calm and deep like the shore of a sea
Subtle breeze cuddles with every pearl in oyester
Her lap
lullabies arouse dreams of love and tranquility
abode for the children not less then heaven. ❑



# ঘূৰি জানো আহিবা তুমি

✍ তৰুন শইকীয়া
কৰ্মচাৰী, ডিগবৈ মহাবিদ্যালয়

নিৰৱতা আৰু নিশব্দতাৰ
মাজত যেন ৰৈ আছো মই মাথো
বহু আশাৰে তোমাৰ অপেক্ষাত
তোমাৰ অবিহনে ৰাঙলী সুৰুযেও আজি যেন
পাহৰি পেলাইছে ধৰাত পোহৰ বিলাবলৈ ।
সৌ সুদূৰত ধীৰে স্থিৰে বৈ থকা নিজৰাইও
ৰৈ আছে হয়তো কাৰোবাৰ অপেক্ষাত
বিৰিখৰ কুঁহি কোমল পাতো যেন যাব মৰহি
মৰুময় হয় আজি প্ৰেমৰ ৰাগিনী
আকাশেও নাজানে —
কলা ডাৱৰে আৱৰি ধৰে,
কাঁইটেও নাজানে আজি
ফুল কিয় ফুলি ফুলি সৰে,
মই নাজানো তোমাৰ অবিহনে
আশাৰ কাৰেং কিয় খহি খহি পৰে
শৰতৰ দুৱৰিত যেন
নসৰে নিয়ৰৰ মুকুতা মণি
সৰে মাথো টোপাল টোপাল কৰি
দুই নয়নৰ তপত অশ্ৰুলোতক
নীলিম আকাশতো যেন চন্দ্ৰমাই পাহৰি পেলালে
জগতত পোহৰ বিলাবলৈ ।
ইয়াৰ মুখ্য কাৰণ তুমিয়েই
নোহোৱা জানো -??
হেৰাই যোৱা অতীতৰ পথ জানো পাবা চিনি
পোহৰৰ দৰে ধৰণীত বিলাই দিবলৈ এই অভিলাষ
তাৰ পৰশতেই নাচিব সকলো সজীৱ হৈ
ৰৈ থকা বতাহজাকে ববলৈ ধৰিব
অবিৰাম গতিৰে ।
আদেশ নহয় মোৰ তোমাৰ কাষত
কাতৰ অনুৰোধ
সচাঁকৈয়ে ঘূৰি জানো আহিবা তুমি ।❑

আন্তর্জাতিকতাবাদ




✍ Bijoy Gupta
B.Sc. 3rd Sem

# India - Russia Relationship

India-Russia Relationship is one of deep friendship and have been a key pillar of India's Foreign policy. Russia has been a long standing timed tested partner of India. Russia has been a pillar of Strength at difficult moment in Indias history. India - will always reciprocate this support.

A cordial relationship with the india that began in 1950's represented the most successful of the soviet attempts to foster closer relation. This relation begins with a visit of Indian Prime Minister Jawarhar Lal Nehru to the Soviet Union in June 1955 and krushehevs return trip to India in the fall of 1955. While in India khrushchevs announced that the soviet union supported Indian Sovereignty over the disputed territory of Kashmir region.

Indo-Russian strategic partnership has been built on five major components: politics,defense,civil nuclear energy,anti terrorism operation and space.

**Why Russia need India :**

It is a market for it good to bypass western sanctions imposed after its powerpush in Ukraine.

India can provide multipolarity that Russia fiercely seeks.

**Why India needs Russia :**

It can meet its abundant Energy requirement weight at a most effective price.

India needs to collaborate with Russia to master future technology Including for space.

Russia can be a major market for indian Industry such as pharmaceuticals,manufactured goods, dairy etc.

Geopolitically Russia continues to be a balancing force against any design China and Pak may have in our region.

**Economic ties :**

Russia - India trade has not grown great height despite the encouragement of both states.

Recently India and Russia decided to institutionalize the CEO forum and agreed to liberalise business travel which will help boost bilateral trade Russia's sees in India.

Make in India initiative would welcome Russian Companies from the public and Private sector. Russian firms have shown a willingness to invest in India in Construction.

**Energy ties :**

According to the international energy agency, India will cross Japan as largets oil user in last year.

Indian Investment in the oil any gas Sector and export to third Countries need to be, energised. Russia is an important partner in peaceful uses of clean nuclear energy and it recognises India as a country with advance nuclear technology peaceable non-proliferation Record.

Kundankulam Nuclear Power Plant(KNPP):is being buit in India with Russian Cooperation.

Defence ties:India -Russia defence partnership is not only desirable but also necessary.

**Space Cooperation :**

India Russia Cooperation in the field of peaceful uses of outer space dates back to four decades. In 2015 marks the 40th anniversary of the launch of India's first Sattelite Aryabhata on an Russian launch vehicle vehicle Soyuz.

**Cultural Cooperation :**

There is a strong tradition of Indian studies in Russia apart from Hindi languages such as Tamil Bengali, Sanskrit Pali etc. are taught in Russian Institutions. The President of India inaugurated the Year of indian Culture 'Namaste Russia' in Moscow on 10th May 2015

**Conclusion :**

It is clear that India Russia relation remain vital for both countries amidst Changing regional and global security environment. ❑




আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।

—চক্ৰেটিচ



*বিবিধ*

# ভাষাবিজ্ঞানৰ কথা

✍ কল্পজ্যোতি নেওগ
স্নাতক তৃতীয় ষান্মাসিক (কলা)

ভাষা মানে মনৰ ভাৱ প্ৰকাশৰ এক বলিষ্ঠ মাধ্যম। ভাষাৰ জড়িয়তে মানুহে সুস্থ আৰু সৰলীল ভাৱে মনৰ ভাৱ আনৰ আগত ব্যক্ত কৰিব পাৰে। 'ভাষা' শব্দটো সংস্কৃত 'ভাষা' ধাতুৰ পৰা উদ্ভৱ হৈছে। ইয়াৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Language' যাৰ অৰ্থ হৈছে —'The faculty of speech' অৰ্থাৎ ভাষা এটাত বক্তা আৰু শ্ৰোতা এই দুয়োজনৰে গুৰুত্ব অধিক কাৰণ ভাষা এটা সম্পূৰ্ণ হৈ উঠিবলৈ হ'লে বক্তাই বাগযন্ত্ৰৰ সহায়ত কিছুমান অৰ্থপূৰ্ণ ধ্বনিৰ উচ্চাৰণ কৰে আৰু শ্ৰোতাই তাক শুনে, বুজি উপলব্ধি কৰি তাক প্ৰত্যুত্তৰ দিয়ে আৰু কাৰ্য সম্পাদন কৰে। মানুহ সামাজিক জীৱ। সামাজীক জীৱ হিচাপে মানুহৰ আন জীৱৰ সতে বিশেষ পাৰ্থক্য আছে ভাষাৰ ক্ষেত্ৰত। মানুহে ভাষাৰ মাজেদি মনৰ ভাৱ প্ৰকাশ কৰিব পাৰে। ভাষা অবিহনে মানুহৰ সামাজিক জীৱন অচল। অন্য জীৱ-জন্তুৰ দৰে মানুহৰো স্বাভাৱিক জৈৱিক প্ৰবৃত্তি আছে। এনেবোৰ জৈৱিক প্ৰবৃত্তিৰ বাবেই কেচুৰাই খাবলৈ শিকে, খোজ কাঢ়িবলৈ শিকে, ভয়ত চিঞৰিবলৈ শিকে, আনন্দত হাঁহি-মাতি নাচি-বাগি পৰিৱেশ মুখৰ কৰি তুলিবলৈ শিকে। মনৰ ভয়, আনন্দ-খং আদি বিভিন্ন অংগৰ ভংগিৰে বা মুখৰ মাতেৰে প্ৰকাশ কৰে নিৰৱতাইও বহু ক্ষেত্ৰত মনৰ বহু ভাৱ প্ৰকাশ কৰিব পাৰে। কিন্তু ভাৱ প্ৰকাশ কৰিবলৈ অংগৰ ভংগি বা নিৰৱতাতকৈ মুখৰ ভাষা অধিক ফলপ্ৰসুৰ। মানুহৰ দৰে অন্য জীৱ-জন্তু, চৰাই-চিৰিকটিয়েও ভাৱ বিনিময় কৰিবলৈ কিছুমান প্ৰতীক ধ্বনি ব্যৱহাৰ কৰে। গৰু, ম'হ আদিয়ে আতৰৰ পথাৰত চৰি থকা পোৱালিটোক হেম্বেলিয়াই ভাৱ বিনিময় কৰে। ভোক, পিয়াহ আদি বুজাবৰ বাবে যি প্ৰতীক ব্যৱহাৰ কৰে তাৰ তুলনাত মানৰ ভাষাৰ জটিলতাৰ গভীৰতা আৰু বিস্তৃতি অত্যন্ত ব্যাপক। গতিকে অন্য জীৱ-জন্তুৰ ভাৱ প্ৰকাশৰ সীমিত ক্ষমতাক ভাষাৰ মৰ্যদা দিব নোৱাৰি। ভাষা মানুহৰ ভাৱ বিনিময়ৰ আটাইতকৈ বলিষ্ঠ মাধ্যম।

ভাষা সম্পৰ্কে অতীতৰ পৰা বহুতো চিন্তা চৰ্চা চলি আহিছে। আধুনিক ভাষা বিজ্ঞানৰ পিতৃ বুলি ফাৰ্ডিনাণ্ড দ্য চ্যুক কোৱা হয়। ভাষা বিজ্ঞান সম্পৰ্কে বিভিন্ন জন পণ্ডিতে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। তলত কেইটামান সংজ্ঞা দাঙি ধৰা হ'ল — (১) ভাষাই মনৰ অভিজ্ঞতাক প্ৰতিনিধিত্ব কৰে।'' — এৰিষ্টটল। (২) মুখেৰে উচ্চাৰণ কৰা ধ্বনিৰ সহায়ত মানুহৰ মনৰ ভাৱ প্ৰকাশ কৰা অহিলাই হৈছে ভাষা। — পতঞ্জলি। (৩) ভাষা সম্প্ৰদায় হ'ল বাগধ্বনিৰ উচ্চাৰণৰ সম্পূৰ্ণতাই সৃষ্টি কৰা ভাষা সম্প্ৰদায়।— ব্লুমফিল্ড।

ওপৰত উল্লেখ কৰা ভাষা বিজ্ঞানৰ জন্মদাতা ফাৰ্ডিনাণ্ড দ্য চ্যুৰে ভাষাৰ অধ্যয়নৰ দুটা দৃষ্টি ভংগীৰ কথা উল্লেখ কৰিছে

১) এককালিক (Synchronic) আৰু (২) কালক্ৰিমিক (Diachronic)। চ্যুৰ এককালিক ভাষাবিজ্ঞানক 'বৰ্ণনাত্মক ভাষাবিজ্ঞান' বুলি কোৱা হয়। এই বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ প্ৰধান কাম হৈছে ভাষাৰ এটা কাল স্তৰৰ ভাষিক গতি প্ৰকৃতি সম্পৰ্কে বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা। বৰ্ণনাত্মক ভাষাবিজ্ঞানীৰ মতে সময় গতিশীল বুলি ভৱাতকৈ সময় স্থিতিশীল বুলিহে তেওঁলোকে ভাৱি লয়। সেই বাবে ভাষাটো সময়ৰ গতিত কেনেধৰনেৰে পৰিৱৰ্তন হৈছে এই সম্পৰ্কে বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলে আওকান কৰি চলে। সেইকাৰনে তেওঁলোকে এটা সময়ৰ পৰিধিৰ মাজত বৰ্তি থকা ভাষাৰ ৰূপটোকহে অধ্যয়ন কৰাত অধিক গুৰুত্ব দিয়ে।

সাধাৰণত বৰ্ণনাত্মক ভাষাবিজ্ঞানত ভাষা এটাৰ কথিত ৰূপটোৰ অধ্যয়নতহে অধিক গুৰুত্ব দিয়া হয়। একোটা ভাষাই ব্যক্তি ভেদে, সমাজ ভেদে ভিন ভিন ৰূপ ল'ব পাৰে। উদাহৰণ স্বৰূপে একেটা ভাষাকে বিভিন্ন পৰিস্থিতি পৰিৱেশ অনুসৰি একেজন মানুহে পাৰিবাৰিক জীৱন, সামাজিক জীৱন, বৃত্তিগত জীৱনত বিভিন্ন ব্যৱহাৰ কৰে। বৰ্ণনাত্মক ভাষাবিজ্ঞানিয়ে ভাষাৰ গাঁথনিক স্তৰটোহে অধিক গুৰুত্ব দিয়ে। সেসবাবে ইয়াক গঠনাত্মক ভাষাবিজ্ঞান বুলিও কোৱা হয়।

ভাষা এটা হ'বলৈ বিভিন্ন উপাদানৰ প্ৰয়োজন হয়। ভাষা এটাৰ প্ৰধান উপাদান সমূহ হৈছে ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ। ভাষাৰ প্ৰত্যেকটো উপাদানেই অৰ্থাৎ পৰস্পৰৰ লগত সু-সংগত ভাৱে জড়িত। ভাষাৰ এটা উপাদানৰ পৰিৱৰ্তনে আন এটা উপাদানৰ ওপৰত প্ৰভাৱ পেলায়। বৰ্ণনাত্মক ভাষাবিজ্ঞানত ভাষাৰ প্ৰতিটো স্তৰ যেনে — ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব সম্পৰ্কে প্ৰনালীবদ্ধভাৱে অধ্যয়ন কৰা হয়। তলত এই উপাদান সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল —

ধ্বনিতত্ত্ব ঃ ভাষাৰ অধ্যয়নত ভাষাবিজ্ঞানীয়ে ক্ষেত্ৰ অধ্যয়নৰ যোগেদি ভাষাৰ সামগ্ৰীখিনি গোটাই লয়। এই অধ্যয়নত সাধাৰণতে দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন শব্দ যেনে —শৰীৰৰ অংগ-প্ৰত্যংগ বুজোৱা শব্দ ঘৰ সম্বন্ধীয় শব্দ, খাদ্য সম্বন্ধীয় শব্দ আদি সংগ্ৰহ কৰা হয়। এই ক্ষেত্ৰত সূচক জনে শব্দ আহৰণত অধ্যয়ন কৰিবলগীয়া ভাষাটো জনা লোকৰ সহায় ল'ব লাগে।

ভাষাৰ উপাদানৰ ভিতৰত ধ্বনিয়েই হৈছে প্ৰথম উপাদান। ভাষা বিজ্ঞানৰ প্ৰধান কাম হ'ল ধ্বনি সমূহৰ বিষয়ে প্ৰণালীবদ্ধ ভাৱে অধ্যয়ন কৰা। এটা ভাষাত নিৰ্দিষ্ট কেইটামান স্বৰ আৰু ব্যঞ্জন ধ্বনিৰেহে শব্দ বা ৰূপ আৰু বাক্য গঠন কৰা হয়। ধ্বনি ভাষাৰ প্ৰধান একক। গতিকে ধ্বনিসমূহৰ পৰা বৰ্ণ চিনাক্ত কৰাৰ পাছত বৰ্ণৰ অন্তৰ্নিহিত উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অলিকা প্ৰস্তুত কৰিব লাগে। ইয়াৰ উপৰিও ভাষা এটাৰ শ্বাসাঘাত, সুৰ আৰু সুৰলহৰ আদিও ধ্বনিতত্ত্বৰ বিশ্লেষণৰ বিষয়।

ৰূপতত্ত্ব ঃ বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি লোৱা আন এটা দিশ হৈছে ৰূপতত্ত্ব। ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহ বাছি উলিওৱাৰ পাছত ধ্বনি সংযোগৰ ফলত সৃষ্টি হোৱা ৰূপসমূহৰ বিষয়ে অধ্যয়ন কৰাই ৰূপতত্ত্বৰ প্ৰধান কাম। একোটা ভাষাত বিভিন্ন শব্দৰ প্ৰয়োগ ঘটে। সাধাৰণ কথাত কেইবাটাও ধ্বনিৰ যি ৰূপ তৈয়াৰ হয় তাক শব্দ বুলিহে কোৱা হয়। কিন্তু ৰূপ শব্দই ভাষা বিজ্ঞানত এই শব্দবোৰৰ সলনি বাক্য এটাৰ অনান্য অৰ্থগত একক সমূহকো সামৰি লয়। যেনে —ধান + অনি = ধাননি। ইয়াত দুটা ৰূপ ধান + অনি সংযোগ হৈ শব্দটো সৃষ্টি হৈছে। এই খণ্ড খণ্ড অংশবোৰকেই ৰূপতত্ত্ব বুলি অভিহিত কৰে। ৰূপসমূহক আমি দুটা ভাগত ভাগ কৰিব পাৰো। ১) মুক্ত ৰূপ আৰু ২) বদ্ধ ৰূপ।

বাক্যতত্ত্ব ঃ ধ্বনি সংযোগ আৰু ৰূপ সংযোগৰ ফলত সৃষ্টি হোৱা পদ সমূহক অৰ্থৰ সংগতি ৰাখি যথাস্থানত বহুৱাই বাক্য সৃষ্টি কৰা হয়। প্ৰত্যেক ভাষাৰে স্বকীয় পৰম্পৰাগত আৰু বৈয়াকৰনিক নিয়মেৰে ৰূপ সমূহক এটা বাক্যলৈ ৰূপান্তৰিত কৰা হয়। উদাহৰণ স্বৰূপে —অসমীয়া ভাষাত বাক্যৰ ক্ৰম হৈছে কৰ্তা + কৰ্ম + ক্ৰিয়া। ৰূপৰ পৰা বাক্যলৈ যিটো বাট হেয়াই হৈছে ব্যাকৰণ। অৰ্থাৎ .ক্য হবলৈ হ'লে ব্যাকৰণ সূত্ৰ পালন কৰিবই লাগিব। শব্দ আৰু বাক্যৰ আকাংক্ষা যোগ্যতা আৰু আসক্তি সম্পূৰ্ণ হ'লেহে বাক্যৰ অৰ্থৰ সম্পূৰ্নতা ঘটে।

অৰ্থতত্ত্ব ঃ বৰ্ণনাত্মক ভাষাবিজ্ঞানত শব্দৰ অৰ্থৰ দিশটোও সামৰি লোৱা হয়। শব্দ আৰু অৰ্থৰ সম্বন্ধ পৰিৱেশ আৰু পৰিস্থিতি অনুসৰি শব্দৰ অৰ্থৰ ভেদ, শব্দৰ সামৰ্থ বিপৰীতাৰ্থ আৰু শব্দৰ মাজত লুকাই থকা অন্তৰতী অৰ্থৰ বিশ্লেষণ বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি লয়। ৰূপ আৰু বাক্যৰ ৰূপগত যোগ্যতাই শ্ৰোতাক অৰ্থ লাভত অৰিহণা যোগায়। অৰ্থ সদায় লাভ কৰে শ্ৰোতাই। ধ্বনিৰ পৰা ৰূপ আৰু ৰূপৰ পৰা বাক্য এই সমগ্ৰ প্ৰক্ৰিয়াতো শুদ্ধকৈ বিজ্ঞান সন্মত ৰূপে সমাপন হ'লেই এজন শ্ৰোতাই অৰ্থ লাভ কৰে। শ্ৰোতাই অৰ্থ লাভ কৰে এটা সম্পূৰ্ণ বাক্যৰ পৰাহে। ধ্বনি বা ৰূপৰ পৰা নহয়।

ঐতিহাসিক ভাষাবিজ্ঞান ঃ ঐতিহাসিক ভাষাবিজ্ঞানত কোনো এটা ভাষাৰ ক্ৰমবিৱৰ্তনৰ ধাৰা সম্পৰ্কে আলোচনা আগবঢ়োৱা হয়। সময়ৰ সোঁতত পৰিৱৰ্তন হোৱা ভাষাৰ গতি প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা হয়। ভাষাটোৰ পূৰ্ব ৰূপ কি আছিল, কেনে পৰিৱৰ্তনৰ মাজেদি আহি ভাষা এটাই বৰ্তমানৰ ৰূপ লৈছেহি এনেবোৰ কথা ঐতিহাসিক ভাষা বিজ্ঞানত আলোচনা কৰা হয়। ভাষা এটা দৰে সময় স্থিতিশীল বুলি ধৰি ল'লে গতিশীল সোঁতত ভাষা এটাই নানা বিৱৰ্তনতৰ মাজেৰে আহি বৰ্তমান ৰূপ লাভ কৰে। ভাষাৰ এটাৰ মূল উৎস কি আছিল, ক'ৰ পৰা কেনেদৰে আহি বৰ্তমানৰ অৱস্থা পাইছে আদি কথাবোৰ ঐতিহাসিক ভাষা বিজ্ঞানৰ আলোচনাৰ বিষয়। ভাষাৰ এনে পৰিৱৰ্তন সম্পৰ্কে আলোচনা কৰোঁতে ধ্বনিগত, ৰূপগত, বাক্যগত, অৰ্থগত এই চাৰিটা দিশলৈ মনোযোগ দিয়া হয়। বৰ্ণনাত্মক ভাষাবিজ্ঞানীয়ে ভাষাৰ কথিত ৰূপটোত অধিক গুৰুত্ব দিয়ে। কিন্তু ঐতিহাসিক ভাষাবিজ্ঞানীয়ে ভাষাৰ অধ্যয়নত বিশেষকৈ ধ্বনি সম্পৰ্কীয় আলোচনাত প্ৰাচীন নথি-পত্ৰৰ ওপৰত অধিক গুৰুত্ব দিয়ে। প্ৰাচীন শিলালিপি, তাম্ৰলিপি, পৰিব্ৰাজকৰ টোকা, প্ৰাচীন হাতেলিখা পুথি আদি বিভিন্ন পাঠ ঐতিহাসিক ভাষাবিজ্ঞানৰ অধ্যয়নত প্ৰয়োজন হয়। সাধাৰণতে ক'বলৈ গ'লে ঐতিহাসিক ভাষাবিজ্ঞানৰ প্ৰধান কাম হৈছে ভাষাটোৰ প্ৰাচীন স্তৰৰ পৰা আধুনিক স্তৰলৈকে স্তৰভেদে সকলোবোৰ প্ৰাচীন লিখিত নিদৰ্শন সংগ্ৰহ কৰি সময়ে সময়ে ঘটা ভাষাটোৰ পৰিৱৰ্তনৰ বিভিন্ন দিশৰ পুংখানুপুংখভাৱে অধ্যয়ন চলোৱা।

অৰ্থতত্ত্বৰ দিশৰ বিশেষকৈ পৰিৱৰ্তনৰ ধাৰা সম্পৰ্কীয় আলোচনাত ঐতিহাসিক ভাষাবিজ্ঞানৰ যথেষ্ট গুৰুত্ব আছে। যুগৰ পৰিৱৰ্তনৰ লগে লগে ভাষা এটাৰ শব্দৰ অৰ্থ কিয় পৰিৱৰ্তন হয়, কেনেদৰে হয় আৰু কি কাৰণত হয় এনেধৰণৰ আলোচনা ঐতিহাসিক ভাষাবিজ্ঞানৰ বিশ্লেষণৰ বিষয়। পৃথিৱীৰ ভাষাসমূহত শব্দৰ অৰ্থ পৰিৱৰ্তন বিভিন্ন উদাহৰণ পোৱা হয়। সংস্কৃত 'ধুৰন্ধৰ' শব্দৰ অৰ্থ আছিল শ্ৰেষ্ঠ, কাৰ্যদক্ষ, পাকৈত, উড়িয়া ভাষাতো এই অৰ্থ ৰক্ষিত হৈছে কিন্তু আধুনিক অসমীয়া ভাষাত 'ধুৰন্ধৰ' শব্দটোৰ অৰ্থ সলনি ঘটি 'বদমাচ' 'দুষ্ট বুদ্ধি সম্পন্ন' লোককহে বুজোৱা হ'ল। এয়া এটা উদাহৰণহে মাত্ৰ। □

*নিয়মীয়া শিতান*

# সংবাদৰ জলঙাইদি ডিগবৈ মহাবিদ্যালয়

ডিগবৈৰ শিক্ষাৰ্থীৰ ব্যতিক্ৰমী জন্মদিন

## জানকী নিম্ন প্ৰাথমিক বিদ্যালয়ত কলম-বহী বিতৰণ



## কলাগুৰু'ক স্মৰণ
## ডিগবৈ কলেজত আন্তঃমহাবিদ্যালয় সংগীত প্ৰতিযোগিতা

আমাৰ খবৰ, ডিগবৈ, ২২ জুন ঃ ৰাভা দিৱস উপলক্ষে ডিগবৈ মহাবিদ্যালয়ত আন্তঃমহাবিদ্যালয় বিষ্ণুৰাভা গীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপ শইকীয়াই। সংগীত প্ৰতিযোগিতাত কেইখনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। চন্দ্ৰাৱতী বৰুৱা সৌৰৱণী বঁটা আৰু নগদ ৬ হেজাৰ টকাৰে প্ৰথম স্থান লাভ কৰে ডিগবৈ মহাবিদ্যালয়ৰ ভায়লিনা বৰাই। দ্বিতীয় পুৰস্কাৰ হেম কুমাৰ গগৈ সৌৰৱণী বঁটাসহ নগদ ৫ হেজাৰ টকা লাভ কৰে ডিগবৈ মহাবিদ্যালয়ৰ জ্যোতিষ্মান মৰাণে আৰু তৃতীয় পুৰস্কাৰ চন্দ্ৰাৱতী বৰুৱা সৌৰৱণী বঁটাসহ নগদ ৪ হেজাৰ টকা লাভ কৰে মাঘেৰিটা মহাবিদ্যালয়ৰ পূজা পুৰকায়স্থই। ...মূলক বঁটা লাভ কৰে ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ...কাই। উপাধ্যক্ষ চেনী চন্দ্ৰ বৰুৱাই আৰু ধৰা ... অনুষ্ঠানত বিশিষ্ট ব্যক্তিসকলে বঁটা প্ৰদান কৰে।

## Earth Day observed at Bogapani

STAFF CORRESPONDENT

DIBRUGARH, April 23: The Digboi College unit of the National Service Scheme (NSS) observed Earth Day, 2018 on Sunday at the Bogapani Elephant Corridor under Digboi Forest Division in collaboration with Digboi Forest Division and Aaranyak.

About 60 students along with a few locals and forest staff planted saplings suitable for elephant fodder and other plants along the stretch of the elephant corridor. The forest falls under Lakhipathar Range. The forest is a degraded one due to impact of anthropogenic conditions.

Bipul Narah, DFO of Digboi, Pureenita Singh and Sapnanil, both Rangers of the Division, MLA Suren Phukan, NSS Programme Officer Rajb Rudra Tariang, Assistant NSS Programme Officer Kishor Haloi, Rubul Tanti of Aaranyak and Assistant Professor Dipesh Mondal were present in the plantation and anti-polythene drive. Oil India Limited, Digboi extended support to the ... arranging the ... release stated.

## डिगबोई कॉलेज में वाणिज्य विभाग के भवन का उद्घाटन



डिगबोई। डिगबोई की अग्रणी शैक्षिक संस्थान डिगबोई कॉलेज में नवनिर्मित वाणिज्य विभाग के भवन का कल विधायक सुरेन फुकन ने फीता काटकर उद्घाटन किया। वित्तीय वर्ष 2017-2018 में आवंटित विधायक आनटाइड फंड के कुल 25 ... की राशि से निर्मित इस भवन का उद्घाटन कर विधायक ने विद्यार्थियों को केंद्रित कर अपना वक्तव्य प्रदान किया। इस कार्यक्रम में कॉलेज के प्राचार्य डॉ. दीप सैकिया, महाविद्यालय प्रबंधन समिति के अध्यक्ष दिलीप भट्टाचार्जी सहित अध्यापक-अध्यापिकाएं एवं कॉलेज के विद्यार्थी उपस्थित थे। (निसं)

## লক্ষীপথাত স্বচ্ছ ভাৰতৰ গ্ৰীষ্মকালীন প্ৰশিক্ষণ-২০১৮ ৰ অধীনত সজাগতা সভা

...সমাজে প্ৰকৃতাৰ্থত অনুকৰণ কৰি অসমীয়া জাতিক ... ৰাখিব লাগিব আৰু সেয়া হ'বলৈ হ'লে নিজ নিজ ভাষা, সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ জীয়াই ৰাখিব লাগিব বুলি মত পোষণ কৰে। আনহাতে ... ঐতিহাসিক জয়সাগৰ পুখুৰীৰ পাৰত ৪৯ টা নাহৰ গছৰ পুলি ৰোপণ কৰে। উল্লেখ্য যে জুবিন ... বৃহত্তম মানুহে খন্দা পুখুৰী জয়সাগৰৰ চাৰিওটা পাৰত মিছন নাহৰ ...



■ ডিগবৈত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন। ফটো ঃ প্ৰতিদিন সেৱা, ডিগবৈ

# সংবাদৰ জলঙাইদি ডিগবৈ মহাবিদ্যালয়

## डिगबोई कॉलेज स्वच्छता के लिए पुरस्कृत



डिगबोई। स्वच्छ भारत अभियान को बढ़ावा देने और स्वच्छता के क्षेत्र में उत्कृष्ट योगदान के लिए डिगबोई महाविद्यालय को जिला प्रशासन की ओर से [illegible] सर्वश्रेष्ठ [illegible] घोषित किया गया। [illegible] 2018-19 वर्ष के लिए [illegible] डिगबोई कॉलेज की स्वच्छता में उनके योगदान के लिए [illegible] सम्मानित किया। [illegible] डिगबोई [illegible] के कार्यों की भी सराहना की। (निसं)

## ডিগবৈ মহাবিদ্যালয়ত অসম কলেজ শিক্ষক সংস্থাৰ মাণ্ডলিক আলোচনা-চক্ৰ

[illegible]

## ডিগবৈৰ ছাত্ৰীলৈ ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ী শ্ৰেষ্ঠতা বঁটা

... অংশগ্ৰহণ কৰি শিক্ষক জিতেন ... অৰুণ দত্ত, প্ৰশান্ত দত্ত, প্ৰবীণ দত্তকে ... আন্তৰিকতাৰে ... তাৎপৰ্যপূৰ্ণ ব্যক্তি উপস্থিত থাকে।



নিয়মীয়া বাৰ্তা, ডিগবৈ, ৮ ডিচেম্বৰ ঃ [illegible] ... অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। প্ৰতিমা ... গৌৰৱবোধ কৰিছে।

## ডিগবৈ কলেজত উপমন্যু হাজৰিকা

## খিলঞ্জীয়াৰ অস্তিত্বৰ স্বাৰ্থত প্ৰতিজনেই লাচিত হ'ব লাগিব

[illegible]

## ডিগবৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ

ডিগবৈৰ প্ৰতিবেদক, ৪ মাৰ্চ ঃ ডিগবৈ মহাবিদ্যালয়ত ৭, ৮ এপ্ৰিলত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপক কোষৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া 'প্ৰব্ৰজন আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষকৈ অসমৰ ... লজীয়া জনগণৰ অধিকাৰৰ ওপৰত ইয়াৰ ... আলোচনাচক্ৰত ভাৰতৰ ... উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা তথা প্ৰব্ৰজন বিৰোধী মঞ্চ, অসমৰ আহ্বায়ক উপমন্যু হাজৰিকাই অংশ গ্ৰহণ কৰিব। আলোচনাচক্ৰখনত অংশ গ্ৰহণ কৰিব বিচৰা ইচ্ছুক শিক্ষক, গৱেষক, আইনজ্ঞ, প্ৰশাসনীয় বিষয়া, সামাজিক তথা ছাত্ৰ সংগঠনৰ বিষয়ববীয়া সকলৰ পৰা গৱেষণা পত্ৰ আহ্বান কৰিছে। গৱেষণা পত্ৰৰ সংক্ষিপ্ত সাৰ ২০ মাৰ্চৰ ভিতৰত আৰু মূল পত্ৰ ৩১ মাৰ্চৰ ভিতৰত ই-মেইল aruncdutta@gmail.com যোগে ...

## डिगबोई महाविद्यालय का स्थापना दिवस

